# কৰ্ষণ

২০১৮ - ২০১৯ বৰ্ষ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী




তত্ত্বাৱধায়িকা
ড° পুণ্য লতা গোহাঁই

সম্পাদিকা
লনী শইকীয়া

## মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ একাংশ



বাঁওফালৰপৰা (বহি) অধ্যাপক-অধ্যাপিকাসকল ক্ৰমে ঃ
শ্ৰীমতী দেৱিতা কেম্প্ৰাই, ড° যতীন শৰ্মা, ড° কমল চন্দ্ৰ শইকীয়া, ড° নকুল চন্দ্ৰ শৰ্মা (উপাধ্যক্ষ), ড° নৃপেন চন্দ্ৰ দাস (অধ্যক্ষ), ড° গায়ত্ৰী গোপ, শ্ৰীমতী বিজু বৰা, শ্ৰীমতী মল্লিকা বৰা, ড° আচ্ছাদুজ জামান,

বাঁওফালৰপৰা (থিয় হৈ) অধ্যাপক-অধ্যাপিকাসকল ক্ৰমে ঃ
ড° পুন্য লতা গোহাঁই, শ্ৰীজুলি ঠাকুৰীয়া (গ্ৰন্থাগাৰিকা), শ্ৰীমতী আলমিন বেনজিৰ (কেন্দ্ৰীয় কম্পিউটাৰ শিক্ষয়িত্ৰী), শ্ৰীনয়নজ্যোতি বৰা, শ্ৰীযুত সন্দীপ শৰ্মা, শ্ৰীবিশাল শইকীয়া, শ্ৰীমতী টুলুমণি দেৱী, শ্ৰীহিমাদ্ৰী ৰয়, শ্ৰীসংগীতা ঠাকুৰ, শ্ৰীটুম্পা বৰা, শ্ৰীপূৰৱী হাজৰিকা, শ্ৰীমতী ধৰিত্ৰী বৰুৱা, শ্ৰীলালপিংময়ী ছাংচান, শ্ৰীযুত জিত্য ৰঞ্জন শইকীয়া,



## মহাবিদ্যালয়ৰ কাৰ্যালয় কৰ্মচাৰীবৃন্দৰ একাংশ

বাঁওফালৰপৰা (বহি) ক্ৰমে ঃ মোঃ কুতুব উদ্দিন আহমেদ (মুখ্য সহায়ক, কাৰ্যালয়), ড° নকুল চন্দ্ৰ শৰ্মা (উপাধ্যক্ষ),ড° নৃপেন চন্দ্ৰ দাস (অধ্যক্ষ), শ্ৰীযুত পল্লৱ প্ৰতীম শইকীয়া (হিচাপ ৰক্ষক)
বাঁওফালৰপৰা (থিয় হৈ) ক্ৰমে ঃ শ্ৰীযুত ৰাজকুমাৰ হৰিজন (৪ৰ্থ বৰ্গ কৰ্মচাৰী), শ্ৰীযুত মেঘনাথ ৰাভা (৪ৰ্থ বৰ্গ কৰ্মচাৰী), শ্ৰীমতী মেঘালী গায়ন (কাৰ্যালয় সহায়িকা), শ্ৰীৰিতুল বৰা (৪ৰ্থ বৰ্গ কৰ্মচাৰী), শ্ৰীপ্ৰীতি প্ৰতীম গোস্বমী (কাৰ্যালয় সহায়ক), শ্ৰীকেশৱানন্দ বৰা (কাৰ্যালয় সহায়ক), শ্ৰীনৱজ্যোতি গায়ন (৪ৰ্থ বৰ্গ কৰ্মচাৰী), মোঃ তফিকুল আলি (ভূগোল বিভাগৰ বাহক), মোঃ আনোৱাৰ হুছেইন (কাৰ্যালয় সহায়ক), শ্ৰীচন্দন শইকীয়া (গ্ৰন্থাগাৰ সহায়ক)

# কৰ্ষণ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী
২০১৮-১৯ বৰ্ষ

তত্ত্বাৱধায়িকা
ড° পুণ্য লতা গোহাঁই

সম্পাদিকা
লনী শইকীয়া

# কৰ্ষণ

ড°. বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
আলোচনী ঃ ২০১৮-১৯ বৰ্ষ




শিল্পসজ্জা
লক্ষ্যজ্যোতি বৰা

অক্ষৰ বিন্যাস
অজন্তা প্ৰেছ, নগাঁও, হয়বৰগাঁও

মুদ্ৰক
অজন্তা প্ৰেছ, নগাঁও, হয়বৰগাঁও


**সম্পাদনা সমিতি —**

সভাপতি
ড° নৃপেন চন্দ্ৰ দাস (অধ্যক্ষ), ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।

তত্ত্বাৱধায়িকা
ড° পুণ্য লতা গোহাঁই

সম্পাদিকা
লনী শইকীয়া

শিক্ষক সদস্য/সদস্যা
ড° কমল চন্দ্ৰ শইকীয়া, শ্ৰীযুত শান্তনু বৰদলৈ, শ্ৰীমতী অনুৰূপা বৰা

ছাত্ৰী সদস্যা
শ্ৰীজাহ্নবী ভূএগ, শ্ৰীপ্ৰাঞ্জল শইকীয়া, চাজিনা ইয়াচবিন

প্ৰচ্ছদ পৰিকল্পনা
সম্পাদনা সমিতি

প্ৰচ্ছদৰ শিল্পকৰ্ম
শ্ৰীবিশাল দাস

প্ৰকাশক
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভা।


**ঘোষণা**

'কৰ্ষণ'ত প্ৰকাশিত ছাত্ৰ-ছাত্ৰীসকলৰ লেখনিসমূহ মৌলিক বুলিয়েই প্ৰকাশ কৰা হৈছে। এইক্ষেত্ৰত কিবা বিসংগতি থাকিলে তাৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।



*সম্পাদনা সমিতি*
কৰ্ষণ



## উচৰ্গা



৩১ মে' ২০১৯ বৰ্ষত আকস্মিক দুৰ্ঘটনাত নিহত হোৱা মহাবিদ্যালয়ৰ দ্বিতীয় বৰ্ষৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ উজ্জ্বল দাস আৰু বৃক্ক ৰোগত আক্ৰান্ত হৈ অকালতে ইহসংসাৰ এৰি যোৱা স্নাতক প্ৰথম বৰ্ষৰ প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী ৰুবী বৰাৰ সোঁৱৰণত এই বৰ্ষৰ কৰ্ষণ উচৰ্গা কৰা হ'ল।

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Handique**
Vice Chancellor :
Phone : +91-361-2570412 (0); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.inpjhandiciue@rediffma il.com

# MESSAGE

I am happy to learn that Dr. B.K.B. College, Nagaon is going to publish its Annual College Magazine entitled "KARSHAN" for the session 2018-19 very soon. College Magazine is a strong medium for the constituent members of a college for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I hope that the said publication will be richly endowed with contributions from both the students and teaching community and will make interesting reading. I wish all success in the effort and hope the Magazine will be well accepted by the readers.

P.J. Handique

**(P.J. Handique)**

Date : 23.12.2019

**Address :** Gopinath Bardoloi Nagar
Jalukbari, Guwahati-781014
Assam:India

**Phone :** 0361-257-0412

**Web :** www.gauhati.ac.in

# অধ্যক্ষৰ একলম



মহাবিদ্যালয়ৰ আলোচনী এখনে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু সাহিত্যিক বিকাশত এক সবল ভূমিকা পালন কৰে। বছৰ বছৰ ধৰি আমাৰ মহাবিদ্যালয়ৰ আলোচনী কৰ্ষণেও ছাত্ৰ-ছাত্ৰীসকলৰ উৎকৰ্ষতা বিকাশৰ ক্ষেত্ৰত যোগোৱা অৱিহণা লেখত ল'বলগীয়া। এইবাৰৰ ২০১৮-১৯ শৈক্ষিক বৰ্ষৰ কৰ্ষণ আমাৰ মহাবিদ্যালয়ৰ সকলো দিশৰ এক সঠিক খতিয়ান হ'ব বুলি আমাৰ বিশ্বাস। এই ক্ষেত্ৰত কৰ্ষণৰ সম্পাদিকা আৰু শিক্ষক তত্ত্বাৱধায়িকাই চেষ্টাৰ ক্ৰটি কৰা নাই। মহাবিদ্যালয়ৰ আলোচনী এখনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা উচ্চ মানদণ্ডৰ লেখা সংগ্ৰহ কৰাটোৱে আটাইতকৈ জটিল কাম। সেয়েহে তাৰ বাবে কেবাবাৰো জাননী জাৰি কৰিবলগা হয়। আজিকালিৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখাৰ অভ্যাস নিচেই কমি আহিছে। Whatsapp, Face Book আদিত Post দিবৰ বাবে যিবোৰ লিখে সেইবোৰ সাহিত্যৰ শাৰীত নিশ্চয় নপৰে। অদূৰ ভৱিষ্যতে e-magazine এখনে হয়তো নতুন যুগৰ ছাত্ৰ-ছাত্ৰীসকলৰ ন ন ৰুচি পূৰণ কৰি তেওঁলোকৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত ভূমিকা ল'ব পাৰিব। এনে ধৰণৰ আলোচনীয়েও কিন্তু চপা আলোচনীৰ গুৰুত্ব হ্ৰাস কৰিব নোৱাৰে। ই মাত্ৰ পৰিপূৰক হিচাপেহে প্ৰচলিত হৈ থাকিব।

এইখিনিতে কেইটামান প্ৰাসংগিক কথাৰ অৱতাৰণা কৰিব বিচাৰিছোঁ। আমাৰ দেশৰ যুৱশক্তি বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ। এই শক্তি সঠিক শিক্ষাৰে শিক্ষিত আৰু প্ৰশিক্ষিত হ'লে দেশৰ বিকাশত অভূতপূৰ্ব অৱিহণা যোগাব পাৰে। কিন্তু উপযুক্ত নিয়োগৰ অভাৱৰ বাবে সৰহখিনি মানৱ সম্পদেই অথলে গৈছে। বহুতে হতাশাত ভুগি উচ্চ শিক্ষাৰ ফালে পিঠি দিছে আৰু নিচাযুক্ত দ্ৰব্যৰ বলি হৈছে। এইটো বৰ দুৰ্ভাগ্যৰ কথা। তৃতীয় বিশ্বৰ অন্যান্য বহুতো দেশৰ দৰে আমাৰ দেশ ভাৰতবৰ্ষৰো আটাইতকৈ ডাঙৰ সমস্যা হ'ল নিবনুৱা সমস্যা।

দেশৰ উচ্চ শিক্ষানুষ্ঠানসমূহত অধ্যয়নৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকল দেশৰ ৰাজনৈতিক আৰু আৰ্থসামাজিক সমস্যাৱলীৰ প্ৰতি বৰ্তমান যথেষ্ট সচেতন। সেয়েহে তেওঁলোকে সময়ে সময়ে তাৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আহিছে। তেওঁলোকৰ প্ৰতিক্ৰিয়া

অকল আবেগৰ বিপৰীতে যুক্তি নিষ্ঠতাৰ ওপৰত আধাৰিত হ'লে দেশৰ বাবে মঙ্গলজনক হ'ব নিশ্চয়। ছাত্ৰ শক্তি সঠিক দিশত ধাবিত হ'লে অনগ্ৰসৰতা, বৈষম্যতা আদিৰ নিচিনা গুৰুতৰ সমস্যাৰে জৰ্জৰিত সমাজখনক দিগদৰ্শন কৰিব পাৰে। আজিৰ ছাত্ৰ যদি কাইলৈৰ দায়িত্বশীল নাগৰিক হয় তেতিয়াহ'লে হয়তো দেশৰ বহুতো সমস্যাই সমস্যা হৈ নাথাকে। গতিকে দেশৰ উচ্চ শিক্ষানুষ্ঠানসমূহে প্ৰকৃত মানুহ গঢ়াৰ পথ প্ৰশস্ত কৰিলে দেশখন উন্নতিৰ পথত আগনবঢ়াৰ কথাই নাই।

শিক্ষাৰ ক্ষেত্ৰত ন ন সংস্কাৰ আৰু সম্পৰীক্ষা চলিয়েই আছে। আমাৰ দেশৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট পৰিৱৰ্তনৰ সূচনা হৈছে। আমাৰ ৰাজ্যৰ মহাবিদ্যালয় সমূহতো CBCS পাঠক্ৰমৰ সূচনা হ'ল। নতুন শিক্ষানীতি ২০১৯ দেশত অচিৰেই প্ৰৱৰ্তিত হ'ব। এই শিক্ষানীতিয়ে উচ্চশিক্ষাৰ ক্ষেত্ৰতো আমূল পৰিৱৰ্তনৰ সূচনা কৰিব যেন অনুমান হৈছে। এই পৰিপ্ৰেক্ষিতত অসমৰ আমাৰ নিচিনা মহাবিদ্যালয়সমূহে আহিব লগা প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰিবৰ হ'ল। ছাত্ৰ-ছাত্ৰী অবিহনে উচ্চ শিক্ষানুষ্ঠান এখনৰ অস্তিত্ব সংকটাপন্ন হয়। অনাগত দিনবোৰত আমাৰ মহাবিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি অহাৰ আশংকা হৈছে। ই হ'ব অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান।

অইন প্ৰসংগৰ অৱতাৰণা নকৰি কলম সামৰিব বিচাৰিছোঁ। ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ লগতে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী কৰ্ষণৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

**ড° নৃপেন চন্দ্ৰ দাস**

অধ্যক্ষ

## মহাবিদ্যালয়ৰ অধ্যক্ষ




ড° নৃপেন চন্দ্ৰ দাস



'কৰ্ষণ'ৰ সম্পাদনা সমিতি

**বাঁওফালৰপৰা (বহি) ক্ৰমে ঃ** ড° পুন্য লতা গোহাঁই (তত্ত্বাৱধায়িকা), শ্ৰীমতী অনুৰূপা বৰা (শিক্ষক সদস্যা) ড° নকুল চন্দ্ৰ শৰ্মা (উপাধ্যক্ষ), ড° নৃপেন চন্দ্ৰ দাস (সভাপতি), শ্ৰীযুত শান্তনু বৰদলৈ (শিক্ষক সদস্য), অনুপস্থিত— ড° কমল চন্দ্ৰ শইকীয়া (শিক্ষক সদস্য)
**বাঁওফালৰপৰা (থিয় হৈ) ছাত্ৰ-ছাত্ৰীৰ সদস্য/ সদস্যা ক্ৰমে ঃ** শ্ৰীপ্ৰাঞ্জল শইকীয়া, শ্ৰীজাহ্নৱী ভূঞা, শ্ৰীলনী শইকীয়া (সম্পাদিকা), শ্ৰীচাজিনা ইয়াচবিন

## মহাবিদ্যালয়ৰ গৌৰৱ



২০১৯ বৰ্ষৰ
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ
ভূগোল বিভাগৰ পৰা প্ৰথম শ্ৰেণীৰ
প্ৰথম স্থানপ্ৰাপ্ত ছাত্ৰী **ববিতা বৰা**।
(SGPA-9.3)

২০১৯ বৰ্ষৰ
উচ্চতৰ মাধ্যমিক পৰীক্ষাত
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ
ছাত্ৰ **অমৃত দাসে** অসমীয়া বিষয়ত
৮৯ নম্বৰ লাভ কৰে।



২৮-৩০ জানুৱাৰী, ২০১৯ তাৰিখলৈকে বঙাপৰা মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় শক্তি উত্তোলন আৰু ভাৰোত্তোলন প্ৰতিযোগিতাত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ
ছাত্ৰ **নোমান কুতুব আহমেদে ভাৰ উত্তোলনত ১২০ কেজি শাখাত প্ৰথম স্থান, ছাত্ৰী শ্যামলিমা বৰাই ভাৰ উত্তোলনত ৫২ কেজি শাখাত** প্ৰথম স্থান আৰু **শক্তি উত্তোলনত** ৫২ কেজি শাখাত দ্বিতীয় স্থান, **ছাত্ৰী চিম্পী বৰাই ভাৰ উত্তোলনত ৬৩ কেজি শাখাত** দ্বিতীয় স্থান, **ছাত্ৰ মৃদুল শইকীয়াই ভাৰ উত্তোলনত ৬৬ কেজি শাখাত** দ্বিতীয় স্থান আৰু **ছাত্ৰ কংকন বৰাই ভাৰ উত্তোলনত ৮৩ কেজি শাখাত** তৃতীয় স্থান লাভ কৰে।




অসম ভিত্তিত অনুষ্ঠিত 'অলিম্পিয়া' ক্ৰীড়া আলোচনীৰ ক্ৰীড়ামূলক গল্প আৰু প্ৰবন্ধ প্ৰতিযোগিতাত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ **জ্ঞানদীপ হাজৰিকাই** প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম স্থান, গল্প প্ৰতিযোগিতাত ছাত্ৰী **চাজিনা ইয়াচৰিনে** প্ৰথম স্থান আৰু প্ৰবন্ধ প্ৰতিযোগিতাত উদগণিমূলক বঁটা লাভ কৰে ছাত্ৰী **নিহাৰিকা বৰাই**। (৫ জুন, ২০১৯)



গণ সাহিত্য-সংস্কৃতি মঞ্চ, শিৱসাগৰ, সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা প্ৰবন্ধ প্ৰতিযোগিতাত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰী **চাজিনা ইয়াচৰিনে** দ্বিতীয় স্থান লাভ কৰে। (৪ নৱেম্বৰ, ২০১৯)





ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰী **পঞ্চী বৰাই** ২২ তম ৰাজ্যিক যোগাসন প্ৰতিযোগিতাত যোগ সম্ৰাজ্ঞী বঁটা লাভ কৰে। (২৫-২৭ অক্টোবৰ, ২০১৯)





## সম্পাদিকাৰ একলম



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে সেই মহান ব্যক্তিসকলক শতকোটি প্ৰণাম জনাইছোঁ, যাৰ যোগাত্মক চিন্তা, ত্যাগ, কষ্ট আৰু মানৱ সম্পদ গঢ়াৰ দুৰ্বাৰ হেঁপাহৰ ফলত বৃহত্তৰ পুৰণিগুদাম অঞ্চলত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সৃষ্টি হ'ল।

ড° বিৰিঞ্চিকুমাৰ বৰুৱাদেৱৰ পৱিত্ৰ স্মৃতিত পুৰণিগুদামৰ মাজমজিয়াত ইং ১৯৬৭ চনত প্ৰতিষ্ঠিত হ'ল এই মহাবিদ্যালয়খনিৰ। স্থানীয় তথা দূৰ-দূৰণিৰ যিসকল মহানুভৱৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত উচ্চ শিক্ষা গ্ৰহণৰ এই অনুষ্ঠানটিয়ে জন্ম লাভ কৰিলে, সেই নমস্য ব্যক্তিসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা আৰু সেৱা যাচিছোঁ আৰু ইতিমধ্যে ইহ-সংসাৰৰ পৰা বিদায় লোৱা সকলক সুঁৱৰি তেখেতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিৱেদিছোঁ।

ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্নিহিত শক্তিৰ বাহ্যিক প্ৰকাশেই হ'ল শিক্ষা। অৰ্থাৎ শিশুৰ প্ৰতিভাক জাগ্ৰত কৰি বাহ্যিক জগতত তাক শুদ্ধভাৱে সংশোধন কৰি প্ৰকাশ কৰিব পৰাটোৱেই শিক্ষাৰ প্ৰধান লক্ষ্য।

স্বামী বিবেকানন্দই কৈছিল— 'আমাক এনে শিক্ষা লাগে যাৰ দ্বাৰা আমাৰ সৎ চৰিত্ৰ গঠন হয়, যাৰ দ্বাৰা আমাৰ বুদ্ধিমত্তা প্ৰসাৰিত হয় আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত থিয় হৈ আত্মনিৰ্ভৰশীল হ'ব পাৰোঁ'।

স্বামী বিবেকানন্দৰ সোণসেৰীয়া কথাফাকিৰ অৰ্থ এনে যে সৎ চৰিত্ৰ গঠন কৰি, আমাৰ বুদ্ধিমত্তা তথা প্ৰতিভাৰ বিকাশ সাধনৰ বাবে আমাক প্ৰকৃত শিক্ষাৰ প্ৰয়োজন। মহাবিদ্যালয়ৰ নিৰ্ধাৰিত পাঠ্যক্ৰমে আমাৰ সৃজনীশীল প্ৰতিভাৰ বিকাশ সাধন কৰিব নোৱাৰে।

সেয়েহে সাহিত্য চৰ্চাৰ যি পোহৰেৰে ছাত্ৰ-ছাত্ৰীসকলক মানসিক তথা বৌদ্ধিকভাৱে সক্ষম কৰি তোলাৰ যি মহৎ প্ৰচেষ্টা ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ে হাতত লৈছে তাৰে প্ৰতিফলন হিচাপে আমি দেখা পাওঁ প্ৰাচীৰ পত্ৰিকা, নানা দিৱসৰ

লগত সংগতি ৰাখি আয়োজন কৰা গল্প, প্ৰবন্ধ, কবিতা আদিৰ প্ৰতিযোগিতা আৰু আমাৰ সকলোৰে অতি মৰমৰ বছৰেকীয়া আলোচনী 'কৰ্ষণ'। এনেবোৰ মহৎ প্ৰচেষ্টা হাতত লোৱাৰ উদ্দেশ্য এটাই যাতে সাহিত্যৰ চৰ্চাৰ জ্যোতিৰে অসমীয়া সাহিত্যৰ দুৰৱস্থাৰ অন্ধকাৰ আঁতৰাবলৈ এই মহাবিদ্যালয়ৰ ছাত্ৰবৃন্দ সক্ষম হয়।

অৰুণোদই যুগৰ পৰাই আধুনিক অসমীয়া সাহিত্যই এক সুকীয়া আসন লাভ কৰি আহিছে। 'অৰুণোদই', 'জোনাকী', 'বাঁহী' আদি হৈছে অসমীয়া সাহিত্যৰ একো একোটা মাইলৰ খুটি আৰু তাৰ পিছত বৰ্তমান আধুনিক যুগত সাতসৰী, গৰীয়সী, প্ৰকাশ, প্ৰান্তিক, বাৰ-ওঠৰ আদি আলোচনীবোৰে একোটা যুগৰ সৃষ্টি কৰিছে। আলোচনীবোৰ সাহিত্যৰ একোটা অংগ। এই আলোচনীবোৰৰ পৰাই জন্ম হয় একো একোজন সু-সাহিত্যিকৰ। সাহিত্যৰ দিশত মনোনিৱেশ কৰা তথা সাহিত্যৰ সাধনত ব্ৰতী হৈ একোজন ছাত্ৰ সময়ত গৈ একোজন সু-সাহিত্যিক, বুদ্ধিজীৱী তথা বিশেষ ব্যক্তিত্বৰ অধিকাৰী হয়গৈ। সমাজত বিশেষ পৰিচয় পাবলৈ হ'লে ছাত্ৰাৱস্থাত সাহিত্যৰ সাধনা কৰাটো অতিকৈ প্ৰয়োজনীয়। গতিকে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ জ্ঞান-অভিজ্ঞতাৰ দ্বাৰা নিজৰ লগতে আন দহৰো কল্যাণ সাধন কৰিবলৈ চেষ্টা কৰিব লাগে।

বিদ্যালয়, মহাবিদ্যালয়বোৰেই হৈছে নৱ প্ৰজন্মৰ সুস্থ মানসিক চিন্তাধাৰা বিকাশ হোৱাৰ প্ৰথম ক্ষেত্ৰ। মহাবিদ্যালয়/বিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয় /বিদ্যালয় এখনৰ সকলো দিশৰ পৰিচয় দাঙি ধৰে। সেয়ে মহাবিদ্যালয়ৰ আলোচনীক মহাবিদ্যালয়ৰ দাপোণ বুলি কোৱা হয়। আলোচনীয়ে দিব পাৰে এটা অনুষ্ঠানৰ সাফল্যৰ বতৰা আমিও সেই একেই প্ৰচেষ্টাৰে এই আলোচনীখন প্ৰকাশ কৰিছোঁ। কিমান দূৰ সফল হৈছোঁ সেয়া আপোনালোকৰ হাতত এৰিলোঁ।

আনন্দৰাম ঢেকিয়াল ফুকনে কৈছিল — 'তোমাৰ সময় সৎ কৰ্মত লগোৱা, কিয়নো কাল এবাৰ গ'লে আৰু উভতি নাহে।' মানৱী জীৱনত সৎকৰ্ম কৰাৰ প্ৰথম সুযোগ আছে ছাত্ৰ জীৱনত। শিক্ষা গ্ৰহণৰ লগতে ছাত্ৰ জীৱনত আন বহুতো কৰিবলগীয়া থাকে। গতিকে এই সোণালী সময়ছোৱা আমি অৱাবত খৰচ নকৰি কিছু সামাজিক, সাংস্কৃতিক ইত্যাদি কৰ্মত প্ৰয়োগ কৰিলে আমাৰেই বহুতো উপকাৰ হ'ব।

ভক্তসকলৰ প্ৰত্যেক শিক্ষানুষ্ঠান মন্দিৰ স্বৰূপ। এই মন্দিৰৰ পৰাই তথা জগতখন। এনে মন্দিৰত সেৱা কৰাটো সৌভাগ্য। ছাত্ৰ সমাজখন হৈছে শিক্ষাজগতৰ অবিচ্ছেদ্য অংগ। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা গ্ৰহণৰ লগে লগে সাহিত্য চৰ্চাৰ প্ৰতিও মনোনিৱেশ কৰাটো বাঞ্ছনীয়। ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰ্নিহিত প্ৰতিভাক লিখনিৰ জৰিয়তে বিকশিত কৰি তোলাৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰা আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰতি বছৰেই প্ৰকাশিত 'কৰ্ষণ' নামৰ আলোচনীখনৰ সম্পাদনা সমিতিৰ সভাপতি শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ শিক্ষাগুৰুৰ প্ৰতি মোৰ শ্ৰদ্ধা আৰু সেৱা জনাইছোঁ আৰু ইয়াৰ লগত জড়িত মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ প্ৰতিও আন্তৰিক শলাগ যাচিছোঁ লগতে মোৰ তত্ত্বাৱধায়িকা শ্ৰদ্ধাৰ পুণ্য লতা গোহাঁই বাইদেউক বিশেষভাৱে কৃতজ্ঞতা জনাইছোঁ। উচ্চ মানদণ্ডৰ এখন আলোচনী প্ৰস্তুতিৰ বাবে লেখা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলকে প্ৰমুখ্য কৰি মোৰ জ্যেষ্ঠ, কনিষ্ঠ সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কৃতজ্ঞতা জনাইছোঁ। প্ৰেছৰ সমূহ নিৰ্মাণ কাৰ্যত জড়িত শ্ৰদ্ধাৰ প্ৰতিজন ব্যক্তিলৈ হিয়াভৰা শলাগ যাচিছোঁ।

শেষত ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ পৰম যশস্যা সু-নামেৰে ওপচি পৰক আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।

লনী শইকীয়া

# সূচীপত্ৰ


## প্ৰবন্ধ শিতান ১৫

জীৱন, সপোন, হতাশা, আত্মহত্যা ইত্যাদি ■ **খিজুমণি শইকীয়া** ১৭
যুৱ প্ৰজন্ম আৰু সামাজিক মাধ্যম (ছ'চিয়েল মিডিয়া) ■ **প্ৰিয়াংকী বৰুৱা** ১৯
ড° নিৰ্মলপ্ৰভা বৰদলৈ— এটি আলোকপাত ■ **বৰষাৰাণী হাজৰিকা** ২০
বৰ্তমানৰ উশৃংখল ছাত্ৰ সমাজ ■ **মিছ নাচৰিন চুলতানা** ২২
ড্ৰাগছ আৰু উশৃংখলতা ■ **পঙ্কজ বৰা** ২৩
তিৱাসকলৰ ন-খোৱাৰ পৰম্পৰা ঃ ন'ৱান ■ **সেৱা বৰদলৈ** ২৫
শ্ৰীশ্ৰীভূতনাথ বাবা থানৰ ঐতিহ্য ■ **পঞ্চী শইকীয়া** ২৭
অসমৰ পৰম্পৰাগত খেল-ধেমালি ■ **জ্ঞানদ্বীপ হাজৰিকা** ৩৩
সূত জাতিয়ে পালন কৰা উৎসৱ অনুষ্ঠান ■ **নিহাৰিকা বৰা** ৩৮
'নাছা'ৰ বিষয়ে কিছু কথা ■ **কাশ্যপী বৈৰাগী** ৩৯
নাৰী সবলীকৰণ ■ **ধৰিত্ৰী বৰা** ৪০
অসমৰ আদিবাসী লোকসকল জীৱন আৰু সংগ্ৰাম ■ **কম্পি মূৰা** ৪২
পুণ্যভূমি বৰদোৱা ■ **নয়নমণি গায়ন** নাগৰিকত্ব সংশোধনী আইন আৰু ভাষিক আত্মপৰিচয় ঃ এটি অৱলোকন ■ **সিদ্ধাৰ্থ শংকৰ দাস** ৪৩

## গল্প শিতান ৫১

স্বপ্নৰ শিলাময় পথ ■ **চাজিনা ইয়াচবিন** ৫৪
অভিশপ্ত বেদনা ■ **পান্না খাউণ্ড** ৫৫
এক আধৰুৱা সম্পৰ্ক ■ **নাজিৰা আহমেদ** ৫৬
সুখৰ অপেক্ষাত ■ **পূজাশ্ৰী হাজৰিকা**

## কবিতা শিতান

ভণ্ড পিশাচহঁত ■ **বিশাল শইকীয়া** ৫৯, পিতাইলৈ ■ **পুণ্যলতা গোহাঁই** ৫৯, চেৰা খালৰ চেঙেলী ■ **শান্তনু বৰদলৈ** ৫৯, আই তোক কিহেৰে পূজিমে ■ **পম্পী হাজৰিকা** ৬০, শিক্ষাগুৰু সোঁৱৰণিৰ পিতৃদেৱ মোৰ ■ **জিতুমণি বৈৰাগী শইকীয়া** ৬০, আন্ধাৰ পথৰ জোনাক ■ **নিহাৰিকা বৰা** ৬২, পখিলা ■ **সুকন্যা** ■ **জিমলি কাকতি** ৬১, নেত্ৰহীন ভিক্ষুক ■ **সুমিত্ৰা ভৰালী** ৬১, শৰতৰ সুবাস ■ **চাজিনা ইয়াচবিন** ৬৩, প্ৰশ্ন ■ **ভাগ্যশ্ৰী শইকীয়া** ৬৩, সুৱাসিত বৰা ৬২, জীৱনৰ বাট ■ **ৰাকিব আহমেদ** ৬৩, আমি সকলো একে পথৰ যাত্ৰী ■ **বনশ্ৰী বৈৰাগী** ৬৪, পখিলা ■ **চিত্ৰা কলিতা** ৬৪, প্ৰশ্ন ■ **জোনাকী শৰৎ** ■ **লুনা ভূঞা** ৬৪, ভাগৰুৱা মোৰ হৃদয় ■ **পাপৰি গোহাঁই** ৬৫, আশা... ■ **জিৎজয় বৰা** ৬৬, বিশ্বাস ৬৫, মোৰ শেষ দিন ■ **ৰবী ভূঞা** ৬৫,

স্মৃতি ■ প্ৰিয়ংকা বৰা ৬৬, নীৰৱ ■ সুভাষ নায়ক ৬৬, সময় ■ বৰষাৰাণী হাজৰিকা ৬৬, নিৰাশা ■ উৰ্মিলা গায়ন ৬৭, ফাগুন ■ মৃদুপৱন শইকীয়া ৬৭, ব'হাগৰ প্ৰথম বৰষুণ ■ আশিক ভূঞা ৬৮, দূবৰিৰ দলিচাখন ■ কংকনা শৰ্মা ৬৮, তিৰোতা লোক ■ সেৱা বৰদলৈ ৬৮, সপোন ■ ভাস্কৰ জ্যোতি ভূঞা ৬৯, ভালপোৱা তোৰ বাবেই ■ ৰিজুমণি শইকীয়া ৬৯, শৰতৰ ধেমালি ■ জ্ঞানদ্বীপ হাজৰিকা ৭০, সুবাসিত শৰৎ ■ লক্ষ্মী মজিন্দাৰ ৭০, কিয় বাৰে বাৰে ধৰ্ষিতা হয় নাৰী ! ■ কৰবী বৰা ৭১, ভালপোৱা ■ ৰাণী হাজৰিকা ৭১, কোন তুমি ■ ৰূপজ্যোতি ভূঞা ৭১, আমাৰ মহাবিদ্যালয় ■ প্ৰিয়ংকা বণিয়া ৭২, মোৰ মৰমৰ কলেজখন ■ ৰাফিনা বেগম ৭২, মোৰ প্ৰিয় দেশ ■ চাজিদা বেগম ৭২, স্বাগতম ■ ৰমজান আলী ৭৩, ছাঁ হ'ব নোখোজোঁ মই ■ ছাবিকুন নেহাৰ ৭৩

## অনুভৱৰ টোকা

ফাগুন ■ হিমাদ্ৰী শইকীয়া ☞ ৭৭
পিতৃ-মাতৃৰ অমৃত স্মৃতিত ■ চাজিদা বেগম ☞ ৭৮
'জীৱন বৰ অনুপম' ■ ববিতা বৰা ☞ ৮০
শাওণৰ পথাৰত বোকামাটিৰ গান ■ মুনমী বৰা ☞ ৮২
নাটক ঃ আমি যদি হেৰাই যাওঁ ■ নাট্যকাৰ ঃ মৃদুপৱন শইকীয়া ☞ ৮৩

## জানানে...

ভাৰতৰ প্ৰথমবোৰ? ■ কুকিল বৰা ৮৬, ৰুকিয়া বেগম ৮৭, লনী শইকীয়া ৮৭, ছাবিকুন নেহাৰ ৮৮, তৃষামণি ভূঞা ৮৮


## ইংৰাজী শিতান

Dignity of Labour ■ **Himadri Roy** ☞ ৯১
Substance Use Disorder "Drug Addiction" A Chronic Brain Disease ■ **Sumi Deka** ☞ ৯২
Global Warming ■ **Pranjit Borah** ☞ ৯৪
Full Form ■ **Kukil Borah** ☞ ৯৬
Do You Know? ■ **Minakshi Sharma** ☞ ৯৭

ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন ■ প্ৰাঞ্জল শইকীয়া ☞ ৯৯
সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ■ জাহ্নৱী ভূঞা ☞ ১০১
সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ■ ৰমজান আলী ☞ ১০৩
সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ■ আব্দুল হামিদ ☞ ১০৫
সহকাৰী ক্ৰীড়া সম্পাদকৰ একাষাৰ ■ হিমাংশু বৰা ☞ ১০৬
ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন ■ হাৰিছ তনবীৰ হক্ ☞ ১০৭
সমাজসেৱা সম্পাদিকাৰ প্ৰতিবেদন ■ পল্পী হাজৰিকা ☞ ১০৮
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ■ লুনা ভূঞা ☞ ১০৯
ব্যায়ামাগাৰ সম্পাদকৰ প্ৰতিবেদন ■ বিবেকদ্বীপ ☞ ১১০
ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ■ নোমান কুতুব আহমেদ ☞ ১১১
সাংস্কৃতিক প্ৰতিযোগিতা (সপ্তাহ সমাৰোহ) ১ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰী ২০১৯ ☞ ১১২




প্ৰবন্ধ শিতান



*Eduation is not the learning of facts, but the training of the mind to think.*

– Albert Einstein



# জীৱন, সপোন, হতাশা, আত্মহত্যা ইত্যাদি


**খিজুমণি শইকীয়া**

অধ্যাপিকা, ভূগোল বিজ্ঞান বিভাগ


জীৱন এক যাত্ৰা। উশাহৰ সমষ্টিত জীৱনে গতি পায়। নিঃসন্দেহে, অন্তহীন আশাত সপোনৰ প্ৰস্ৰৱণ হয়। আশাই মানুহক জীৱনৰ প্ৰতি তাড়না দিয়ে। জীৱন মানেই সপোন আৰু জীৱন থাকিলেহে সপোন থাকিব। স্পষ্ট বা অস্পষ্ট সপোনবোৰত মানুহৰ জীৱনে দিক্ নিৰ্ণয় কৰে। জীৱনৰ আওতাত উশাহ সৰা হালধীয়া আবেলিয়ে পোৱা-নোপোৱাৰ হিচাপ দি যায়।

কিন্তু কেতিয়াবা বাতৰি হৈ আহে, কোনোবাই নিজেই নিজৰ উশাহবোৰ স্তব্ধ কৰাৰ। জীৱন আৰু মৃত্যুৰ মাজৰ সময়ছোৱাত বহুখিনি আছে কৰিবলগীয়া, নিজৰ তথা আনৰ বাবে। এফালে জীৱন আৰু সপোনে উশাহক গতি দিয়ে, আনহাতে হতাশাই নিঃসংগতাক আৱৰি নিজকে হত্যা কৰোৱাই। বৰ্তমান নৱ প্ৰজন্মৰ মাজৰে কিছুসংখ্যকৰ যেন জীৱনৰ প্ৰত্যাহ্বানবোৰৰ মুখামুখি হ'বলৈ মনোবল কম পৰি যায়। চিন্তনীয়ভাৱে কিন্তু এই কিছুসংখ্যকৰ সংখ্যাটো বৃদ্ধি হ'বলৈ ধৰিছে। নিঃশেষ কৰি দিয়ে এটি এটি অনুপম জীৱন। WHO (World Health Organisation)ৰ সমীক্ষা মতে, দক্ষিণ-পূব এছিয়াৰ দেশবোৰৰ ভিতৰত ভাৰতবৰ্ষত আত্মহত্যাৰ হাৰ সৰ্বাধিক। এই হাৰ প্ৰতি 100,000 জনত 16.5। লিছ'থ' (24.4) আৰু ৰিপাব্লিক কোৰিয়া (15.4)ৰ পিছতে 14.7 হাৰেৰে বিশ্বৰ ভিতৰত মহিলা আত্মহত্যাৰ ক্ষেত্ৰত ভাৰতবৰ্ষ তৃতীয় স্থানত আছে (তথ্যৰ উৎস www.DTE.org.in)। আত্মহত্যা প্ৰতিৰোধ দিৱস হিচাপে উদ্‌যাপিত 10th ছেপ্টেম্বৰ দিনটোতো ক'তজনে যে নিজক শেষ কৰি দিয়ে। শেষ হৈ যায় ক'ত প্ৰতিভা, শেষ হৈ যায় আপোন মানুহবোৰ।

বৰ্তমান সময়ছোৱাত ভাৰতৰ লগতে অসমতো সহজেই পৰিলক্ষিত হ'ব ধৰিছে আত্মহনন ঘটনাবোৰ। এতিয়া ই এক চিন্তনীয় সমস্যা। বিভিন্ন গৱেষণাই হতাশা আৰু আত্মহত্যাৰ সংযোগ প্ৰমাণিত কৰিছে। হতাশাই তিল্ তিল্কৈ মাৰি আনে জীৱনসত্তাক। বিফলতা, হতাশা, নিঃসংগতা, যিয়েই নহওক, এক বিয়োগাত্মক জটিল মানসিক অৱস্থাই এই সিদ্ধান্ত লোৱাই। এয়াও সঁচা যে পৃথিৱীৰ প্ৰতিজন ব্যক্তিৰ অন্তৰত সৰু-ডাঙৰ এখন অদৃশ্য দুখৰ নৈ থাকে, উমান দিয়া-নিদিয়াকৈ। কিন্তু ইয়াৰ

অৰ্থত জানো জীৱনে হাৰ মানিলে হ'ব? নিজক শেষ কৰি দিয়াটো কেতিয়াও সাহস হ'ব নোৱাৰে, সাহসী সেইজন যিয়েই জীৱন যুঁজত হৰা-জিকাৰ উৰ্ধ্বত যুঁজি থাকে। এষাৰ কথা আছে, আত্মহত্যা হৈছে অস্থায়ী সমস্যাৰ স্থায়ী সমাধান, য'ত যন্ত্ৰণাবোৰক প্ৰতিহত কৰাৰ অক্ষমতাৰ সুস্পষ্ট প্ৰতিফলন হয়।

উপনিষদত কৈছে— আত্মানং বিদ্ধি, অৰ্থাৎ নিজক চিনা। সপোন হেৰুওৱা হতাশ মনবোৰে নিজৰ চিন্তাক সলনি কৰিব লাগে। জীৱনক ভালপালে জীৱনেও ভালপোৱাৰ পথ দিয়ে। নিজৰ সামৰ্থ্যৰে কৰিব নোৱৰা কামটোতকৈ কৰিব পৰা কামটোত নিমজ্জিত হ'ব লাগে। হয়, সুখী হ'বলৈ সঠিক ইচ্ছা জাগিব লাগে। আত্মোন্নয়নৰ যোগেদি য'ত আছে তাৰপৰাই আৰম্ভ কৰিব লাগে। তেতিয়াহে জীৱনৰ সুন্দৰতম অভিজ্ঞতাবোৰে পোখা মেলিব।

কোৱা হয়, We are made from dust, and to dust we will return. কিন্তু ইয়াৰ অৰ্থ এয়া নহয় যে আমি বিচৰা দৰেই কথাবোৰ নহ'লে আমি আমাৰ মন-মৰ্জিত উশাহৰ দৰ-দাম কৰিম, স্তব্ধ কৰি দিম জীৱন। সময় তথা সিদ্ধান্তবোৰ প্ৰকৃতিগত হ'বলৈ দিব লাগে। হয় জানো আমাৰ উশাহবোৰ একান্তই ব্যক্তিগত? ভাবি চাওঁনে আমাৰ উশাহবোৰত সংযোজিত হৈ থকা আপোনাসকলৰ কথা? সপোন ভাগিলে কষ্ট হয়, কিন্তু সাহস কৰিলে জীৱনত অন্তহীন সপোনৰ সন্ধান আছে। চিন্তা আৰু দৃষ্টিভংগীৰ অগাদেৱা কৰিলেই হ'ল। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মতে, Life is a great gift and those who do not love it are unworthy of it.

শৈশৱ অৱস্থাৰপৰাই নিজক মানসিকভাৱে সবল কৰিব লাগে। জীৱনত সপোনে সফলতা-বিফলতা যিয়েই নিদিয়ক, কিন্তু সবল মনবোৰে সকলো পৰিস্থিতি পাৰ কৰিব পাৰে। জীৱনটো যদি একান্তই নিজৰ বুলি হত্যা কৰিব পাৰে নিজক; তেন্তে আন কাৰোবেই সঁহাৰি অবিহনেই ছাত্ৰ অৱস্থাৰ পৰাই নিজেই নিজক শক্তিশালী কৰি গঢ়কচোন। যোগাত্মক চিন্তাবোৰ মন মগজুত শিপাবলৈ দিয়ক ছাত্ৰ অৱস্থাৰপৰাই। শক্তিশালী মন এটা তিলতিলকৈ গঢ়ক সময়ে ভাঙিব নোৱৰাকৈ। মানসিক স্বাস্থ্যৰ যত্ন লওঁক শৈশৱৰ পৰাই। জীৱনটো যদি নিজৰ কামত নাহে বুলি ভাবিছে, তেন্তে আনৰ বা সমাজৰ কামত লগাওঁক, দেখিব দুখৰ বাটেৰেই সুখ আহিব। সপোনে মাত্ৰা পাব।

অংকুৰিত হৈ ক্ৰমাৎ বাঢ়ি অহা জীৱন এটা হতাশাৰ চাকনৈয়াত স্তব্ধ কৰাজনে হয়তো ভাবিবই নোৱাৰে যে জীৱন মানেইতো অন্তহীন সপোনৰ সমষ্টি। সময়ে সপোনৰ ভাঁজ দিয়ে জীৱনশালত। ধৈৰ্য, সাহস আৰু চিন্তাৰ দৃষ্টিভংগীয়ে সফলতা আনে। এইক্ষেত্ৰত শিক্ষক, অভিভাৱক, পৰিয়াল আৰু সমাজৰ গুৰুদায়িত্ব আছে। প্ৰতিটো শিশুক শৈশৱৰ পৰাই মানসিকভাৱে সুস্থ আৰু শক্তিশালী কৰি গঢ় দিয়াৰ। প্ৰতিটো শিশুৱে শৈশৱৰ পৰাই জীৱনৰ পাঠশালাত নিজক খাপ খুৱাই নিজেই নিজৰ স্থান অৰ্জন লাগিব।

জীৱন বাঢ়িবলৈ দিয়ক। আমি জীৱনৰ ছাত্ৰ। ছাত্ৰ বাবেই সাহসী হওক প্ৰতিটো প্ৰত্যাহ্বানৰ বাবে। হৃদয়ৰ বাকৰিত এটা সপোন ভাগিলে আৰু এটা সপোনৰ আয়োজন কৰক। দুখৰ বালিচাপৰিত সুখৰ পদাংকন জিলিকাবলৈ সাহসী হ'ব লাগিব। অনুপম জীৱনৰ গণ্ডীত কৰিলেও বহু বাকী ৰৈ যায় কৰিবলৈ। মনবোৰ দৃঢ় তথা শক্তিশালী হওক, প্ৰতিশ্ৰুতিপূৰ্ণ হওক। Robert Frost ৰ সেই বিখ্যাত কবিতাটোৰ ভাষাৰেই—


But I have promises to keep
And miles to go before I sleep. ❧



# যুৱ প্ৰজন্ম আৰু সামাজিক মাধ্যম (ছ'চিয়েল মিডিয়া)

**প্ৰিয়াংকী বৰুৱা**
স্নাতক তৃতীয় ষাণ্মাসিক

সময় সলনি হৈছে। সলনি হৈছে মানুহৰ মন আৰু মাধ্যম। এতিয়া বাতৰি কাকত বা টেলিভিচনতকৈ আগতে খবৰ পোৱা যায় ছ'চিয়েল মিডিয়াত। সকলোৰে হাতত কেমেৰা থকা ম'বাইল। লগতে আছে এই ম'বাইলত ছ'চিয়েল মিডিয়া বিশেষ ফেচবুক, হোৱাটছএপ, ইনষ্টাগ্ৰাম, টুইটাৰ আদি। যিকোনো এজন লোকেই যিকোনো ঘটনা প্ৰত্যক্ষ কৰি মুহূৰ্তৰ ভিতৰতে বিশ্বজুৰি সেই খবৰ এই মাধ্যমবোৰৰ জৰিয়তে প্ৰচাৰ কৰি দিয়ে। মূল সুঁতি সাংবাদিকৰ বাবে এইবোৰ খবৰৰ উৎস হৈ পৰিছে। তেনেদৰে প্ৰতিজন সাধাৰণ নাগৰিকেই হৈ পৰিছে একো একোজন সাংবাদিক। ছ'চিয়েল মিডিয়াৰ প্ৰতি থকা মানুহৰ নেতিবাচক ধাৰণা লাহে লাহে সলনি হৈছে। ইয়াৰ কেৱল বেয়া ব্যৱহাৰ দেখা লোকসকলৰ মানসিকতা সলনি কৰিছে নৱ-প্ৰজন্মই। ছ'চিয়েল মিডিয়া ব্যাপক প্ৰভাৱ এতিয়া চৌদিশে। সেইবাবেই ৰাষ্ট্ৰীয় তথা আঞ্চলিক ভাষাৰ প্ৰতিষ্ঠিত সংবাদ মাধ্যমে এই মাধ্যমৰ জৰিয়তে সংবাদ পৰিৱেশনৰ প্ৰতি গুৰুত্ব দিছে। আনকি ডিজিটেল মিডিয়াই সংগঠন গঢ়ি তুলিছে। ইয়াৰ কাৰণ হ'ল ছ'চিয়েল মিডিয়াৰ ব্যাপক প্ৰভাৱ। ছ'চিয়েল মিডিয়াৰ ইতিবাচক আৰু নেতিবাচক দুই ধৰণৰ প্ৰভাৱ আছে। কি মানসিকতাৰে ইয়াক ব্যৱহাৰ কৰা যায় সেইটোহে গুৰুত্বপূৰ্ণ বিষয়। ছ'চিয়েল মিডিয়াই শৈক্ষিক দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এজন ছাত্ৰ বা ছাত্ৰীয়ে ইণ্টাৰনেটৰ বিষয়ে ভালদৰে জানিলে তাৰপৰা ভালেখিনি উপকৃত হ'ব পাৰে। ইণ্টাৰনেটৰ সহায়ত নিজৰ শৈক্ষিক বিষয়ত কি ক'ত কেনেকৈ পঢ়িব পাৰি, চৰকাৰী জলপানী কেনেকৈ পাব পাৰি, উচ্চ শিক্ষাৰ বাবে কেনেকৈ আবেদন কৰিব পাৰি ইত্যাদি নানা কেৰিয়াৰ বিষয়ক তথ্য গোটাব পাৰি। অন্যহাতে, গৱেষণাৰ বাবেও ইণ্টাৰনেটক বহুতেই এতিয়া বন্ধু কৰি লৈছে। কোনো প্ৰশিক্ষণ নোলোৱাকৈ কিতাপ পঢ়ি আৰু ইণ্টাৰনেটৰ পৰা সমল গোটায়েই ধেমাজিৰ পিছ পৰা অঞ্চলৰ পৰা শ্ৰীমান সত্যকাম দত্তই সৰ্বভাৰতীয়



পৰ্যায়ত অনুষ্ঠিত হোৱা ভাৰতীয় লোকসেৱা আয়োগৰ পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱাৰ উদাহৰণ দেখুৱাই থৈছে। সেয়েহে উঠি অহা চামলৈ আমাৰ অনুৰোধ, তেওঁলোকে ইণ্টাৰনেটক যেন সমাজ গঢ়াৰ ভেটি হিচাপে ব্যৱহাৰ কৰে আৰু নিজৰ জীৱনত ইয়াৰ সু-ব্যৱহাৰেৰে সফলতা অৰ্জন কৰে।

নৱ প্ৰজন্মই ফেচবুক বা হোৱাটছএপক কেৱল সময় অতিবাহিত কৰা আহিলা হিচাপে লোৱা নাই। জ্ঞান অন্বেষণৰ আহিলাৰূপে গ্ৰহণ কৰিছে। শক্তিশালী যোগাযোগৰ মাধ্যমৰূপে লৈ নিজক আগুৱাই নিছে। গুজব সৃষ্টিকাৰী কিছুসংখ্যক লোকে এই মাধ্যমসমূহক লঘু কৰিলেও বেছি সংখ্যক লোকৰ বাবে এতিয়া হোৱাটছএপ, ফেচবুক দৈনন্দিন জীৱনৰ অংগ হৈ পৰিছে। ফেচবুক আৰু হোৱাটছএপ তথা ছ'চিয়েল মিডিয়া ব্যৱহাৰ সন্দৰ্ভত বিভিন্ন সময়ত বিভিন্ন সমীক্ষা হৈছে। এই সমীক্ষাবোৰৰ তথ্যই এটা কথা উদঙাই দিয়ে যে বিশ্বৰ ৮০ শতাংশতকৈ অধিক লোকক এতিয়া খবৰ দিয়ে এই ছ'চিয়েল মিডিয়াই। তাৰ ভিতৰত ফেচবুকৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ইফালে খবৰ আৰু বিভিন্ন তথ্যপাতি বিনিময়ৰ বাবে বিশ্বজুৰি এক গুৰুত্বপূৰ্ণ মাধ্যম হৈ পৰিছে হোৱাটছএপ। ২০০৪ চনৰ ৪ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হৈছিল ফেচবুক। অৰ্থাৎ এই মাধ্যম ১৪ বছৰ পূৰণি। গাঁৱে-ভূঞে ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ দিনকদিনে বাঢ়ি গৈ আছে। যোৱা দুবছৰ ভাৰততে যিবোৰ গুৰুত্বপূৰ্ণ খবৰে বিশেষ চৰ্চা লাভ কৰিছে সেই খবৰবোৰো কিন্তু প্ৰথমে প্ৰকাশ পাইছে ডিজিটেল মাধ্যমত। তাৰ পৰাহে এই খবৰবোৰে গৈ মূল সংবাদ মাধ্যম পাইছিলগৈ। ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰৰ সন্দৰ্ভত একাষাৰে নেতিবাচক মন্তব্য কৰা সকলেই এতিয়া এই মাধ্যমৰ শৰণাপন্ন হৈছে। এনে কথা-বতৰাও চৰ্চা হৈছে যে সকলো থকাৰ পাছতো ম'বাইলত ইণ্টাৰনেট নাথাকিলে মানুহ এতিয়া স্থবিৰ হৈ পৰা দিন আহিছে। কাৰণ এই মাধ্যমবোৰৰ জৰিয়তে সকলোৰেই সম্ভৱ। নৱ প্ৰজন্মক গালি পাৰি ফেচবুক, হোৱাটছএপৰ জৰিয়তে মন্তব্য কৰাসকলে এইটো উপলব্ধি কৰিব লাগিব যে সময়ৰ দ্ৰুত পৰিৱৰ্তনৰ সৈতে খাপ খুৱাবলৈ নিজকে সলনি কৰিব পাৰিব লাগিব। সাহিত্য চৰ্চা, সংগীত সাধনা, ৰাজনীতি, সামাজিক সমস্যাৰ ব্যাপক প্ৰচাৰ, যোগাযোগৰ মাধ্যম, কিছু মুহূৰ্তৰ বাবে বিনোদন আদি সকলোৰেই দিব পাৰে এই মাধ্যম সমূহে। অতি শেহতীয়াকৈ সাহিত্য চৰ্চাৰ বাবে নব্য মাধ্যমে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। ব্যৱসায়ীসকলৰ বাবে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ প্ৰচাৰ-প্ৰসাৰৰ এখন ক্ষেত্ৰ দিছে। এইবোৰ দিশক কেতিয়াও আওকাণ কৰিব নোৱাৰি। ফেচবুক ব্যৱহাৰ কৰা মানেই কেৱল নেতিবাচক মানসিকতাৰ বিষয়টো চালি-জাৰি চালে নহ'ব। ইয়াৰ বহুতো ইতিবাচক বিষয়ো পৰিলক্ষিত হোৱা দেখা যায়।

ছ'চিয়েল মিডিয়া এতিয়া শক্তিশালী মাধ্যম। তাক অস্বীকাৰ কোনেও কৰিব নোৱাৰে। সেয়েহে এতিয়া সকলোৰে দৃষ্টি এই মাধ্যমৰ ওপৰত পৰিছে। বিশ্বৰ বৃহৎ কোম্পানীৰ পৰা আৰম্ভ কৰি গাঁৱৰ সৰু অনুষ্ঠানলৈকে সকলো এতিয়া ফেচবুক-হোৱাটছএপৰ ওপৰত নিৰ্ভৰশীল। এনে দিন আহিছে, বিবাহ, সভা, উৎসৱ-পাৰ্বন আদিলৈ মানুহে ছ'চিয়েল মিডিয়াৰ জৰিয়তে নিমন্ত্ৰণ কৰে। পৰিয়ালৰ লোকসকল বিশ্বৰ বিভিন্ন প্ৰান্তত থাকিলে এই মাধ্যমৰ জৰিয়তে সম্পৰ্ক ৰক্ষা কৰি চলে। পৰিৱৰ্তনশীল সময়ত ছ'চিয়েল মিডিয়া জীৱনৰ পৰা কেতিয়াও বৰ্জনীয় হ'ব নোৱাৰে। কোনোবাই ব্যক্তিগত কাৰণত এনে মাধ্যমক আওকাণ কৰি চলিলেও, নৱ প্ৰজন্মই এই মাধ্যমক শক্তিশালী আৰু নিৰপেক্ষ মাধ্যমলৈ গঢ়ি উঠিছে। সেয়েহে ইয়াত বন্দনা যেনেদৰে চলে একেধৰণে সমালোচনাও কৰে। তাত বাধা দিব পৰা কোনো নাই। এইক্ষেত্ৰত যেতিয়ালৈকে ব্যৱহাৰকাৰীসকলৰ গভীৰ চিন্তাধাৰা প্ৰতিফলন নঘটে, তেতিয়ালৈকে কিছু সমস্যা নিশ্চয় সৃষ্টি হ'ব। এদিন ৰুচিবোধ সলনি হ'ব। সেইদিনা তৰল কথাবোৰ তল পৰিব আৰু উজ্বলি উঠিব এই সাৰ্বজনীন মাধ্যম। সেইদিনটো আহি আছে। সেয়েহে আমি আমাৰ মানসিকতা সলনি কৰি ৰুচিবোধ ৰক্ষাৰে এই মাধ্যমক আঁকোৱালি ল'লে এই ছ'চিয়েল মিডিয়াসমূহে আমাক ভাবিব নোৱৰা ধৰণে সহায় কৰিব। লাহে লাহে এতিয়া তেনে পৰিৱেশেই আহিছে। নৱ-প্ৰজন্মৰ এইক্ষেত্ৰত আছে গুৰুত্বপূৰ্ণ দায়িত্ব। যি দায়িত্ব তেওঁলোকে গ্ৰহণ কৰিছে।

ফেচবুক, হোৱাটছএপৰ দৰে আন মাধ্যমো ওলাব। সেইবোৰত হয়তো ইয়াতকৈ অধিক সুবিধা থাকিব। কিন্তু এক সামাজিক মাধ্যমৰূপে ইয়াৰ ব্যৱহাৰ আমি কেনেদৰে কৰিম সেইটো নিৰ্ভৰ কৰিব আমাৰ নিজৰ ওপৰত। এক কথাত ক'বলৈ গ'লে সামাজিক মাধ্যম (ছ'চিয়েল মিডিয়া)ৰ ইতিবাচক আৰু নেতিবাচক দিশসমূহ নিৰ্ভৰ কৰে আমাৰ নৱ-প্ৰজন্মই এইসমূহ ব্যৱহাৰৰ ওপৰত।



*ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে ইংৰাজী ভাষাতো কেইখনো গ্ৰন্থ ৰচনা কৰিছিল। এইগৰাকী বিদূষী নাৰীৰ বিস্তৃত সাহিত্যকৰ্মৰ স্বীকৃতি স্বৰূপে ১৯৯১ চনত দুধনৈ অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁক সভানেত্ৰী নিৰ্বাচন কৰা হৈছিল। শেহতীয়াকৈ তেওঁ 'ৱৰ্ল্ড হেৰিটেজ' হিচাপে স্বীকৃতি লাভ কৰি মাজুলীক লৈ 'জলপথ' নামেৰে এখন উপন্যাস ৰচনা কৰি থৈ গৈছে।*

# ড° নিৰ্মলপ্ৰভা বৰদলৈ— এটি আলোকপাত

**বৰষাৰাণী হাজৰিকা**
স্নাতক তৃতীয় ষাণ্মাসিক

অসমৰ জীয়ৰী ড° নিৰ্মলপ্ৰভা বৰদলৈ অসমৰ উজ্বল ৰত্ন সৰ্বভাৰতীয় খ্যাতিসম্পন্না কবি, সাহিত্যিক, বিশিষ্ট শিক্ষাবিদ, নিজবাৰ পানী দৰে তেওঁৰ সুৱদী কণ্ঠ নিগৰি অহা বক্তৃতাই শ্ৰোতাক মন মুগ্ধ কৰিছিল। তেওঁ সংগীতবো সাধনা কৰিছিল তেওঁৰ প্ৰতিভাৰ স্বীকৃতি স্বৰূপে ভাৰতৰ বিভিন্ন ঠাইলৈ সাহিত্য বিষয়ক আলোচনা সভাৰ সভানেত্ৰী বা আলোচকৰূপে নিমন্ত্ৰিত হৈছিল।

সৰু কালৰ পৰাই কবিতা লিখিবলৈ আৰম্ভ কৰা ড° নিৰ্মলপ্ৰভা বৰদলৈৰ কবি প্ৰতিভাৰ স্ফুৰণ কলেজীয়া দিনবোৰতে ঘটিবলৈ আৰম্ভ কৰে। ১৯৫২ চনত তেওঁ সন্দিকৈ কলেজৰ পৰা অসমীয়া বিভাগত সৰ্বোচ্চ সন্মান লাভ কৰি স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সু-খ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি পোনতে বি. বৰুৱা কলেজত, পিছলৈ 'ডক্টৰেট' ডিগ্ৰী লাভৰ অন্তত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যাপনা কৰে। ড° বৰদলৈ আছিল সাহিত্য বিষয়ত 'ডক্টৰেট' ডিগ্ৰী লাভ কৰা প্ৰথম অসমীয়া মহিলা।

বৰদলৈৰ প্ৰথম কবিতাপুথি 'বন ফৰিঙৰ ৰং' ১৯৬৭ চনত ছপা হৈ ওলায়। প্ৰকৃতি জগতৰ অনুপম সৌন্দৰ্যৰ সৈতে মানৱ হৃদয়ৰ চিৰন্তন ভাবৰাশি নিপুণ হাতেৰে সানি-পুটুকি তেওঁ যি অনবদ্য কাব্য সম্ভাৰ পাঠকলৈ আগবঢ়ালে সিয়েই বৰদলৈৰ অসাধাৰণ কাব্য প্ৰতিভাৰ প্ৰতি পাঠক সমাজক দৃষ্টি আকৰ্ষণ কৰিলে। সমীপেষু (১৯৭৭), দিনৰ পাছত দিন (১৯৭৭), অন্তৰঙ্গ (১৯৭৮), সুদীৰ্ঘ দিন আৰু ৰাতি (১৯৮২), শব্দৰ ইপাৰে, শব্দৰ সিপাৰে, অমিতাভ শব্দ, নিৰ্বাচিত কবিতা (১৯৯৫) এইকেইখন অনুপম কাব্যগ্ৰন্থৰে তেওঁ অসমীয়া কবিতাৰ ভঁৰাল চহকী কৰি থৈ গ'ল। বৃহত্তৰ সমাজ জীৱনৰ দুখ-বেদনা, আশা-নিৰাশাৰ দাবী, অন্যায়-অবিচাৰ, কু-সংস্কাৰ বিৰুদ্ধে ৰণ হুংকাৰো তেওঁৰ কবিতাত ধ্বনিত হৈছিল। গীতি-সাহিত্যৰ ক্ষেত্ৰতো বৰদলৈৰ অৱদান চিৰকাল অবিস্মৰণীয় হৈ ৰ'ব। তেওঁ ডেৰ হাজাৰৰো অধিক সংখ্যক সুৰীয়া গীত ৰচনা কৰি থৈ গৈছে। অনাতাঁৰ, দূৰদৰ্শন, কথাছবিৰ বাবেও অজস্ৰ গীত লিখিছিল। শিশু-সাহিত্যৰ পুথিসমূহো তেওঁৰ কীৰ্তিৰ এক অন্যতম স্বাক্ষৰ। অকণিহঁতৰ মাজৰে এজন হৈ লিখিবলৈ প্ৰয়াস কৰা ড° বৰদলৈয়ে শিশু-সাহিত্যৰ বাবেও ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছিল।

ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে ইংৰাজী ভাষাতো কেইখনো গ্ৰন্থ ৰচনা কৰিছিল। এইগৰাকী বিদূষী নাৰীৰ বিস্তৃত সাহিত্যকৰ্মৰ স্বীকৃতি স্বৰূপে ১৯৯১ চনত দুধনৈ অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁক সভানেত্ৰী নিৰ্বাচন কৰা হৈছিল। শেহতীয়াকৈ তেওঁ 'ৱৰ্ল্ড হেৰিটেজ' হিচাপে স্বীকৃতি লাভ কৰি মাজুলীক লৈ 'জলপথ' নামেৰে এখন উপন্যাস ৰচনা কৰি থৈ গৈছে। এইগৰাকী অনন্যা বাণীৰ অধিকাৰীক অসম সংস্কৃত সমাজে 'সৰস্বতী' উপাধিৰে সন্মান জনাইছিল।

এইগৰাকী মহীয়সী নাৰীৰ মৃত্যু অসমৰ বাবে তথা অসমৰ সাহিত্য জগতখনৰ বাবে এক প্ৰচণ্ড আঘাত।



# বৰ্তমানৰ উশৃঙ্খল ছাত্ৰ সমাজ

**মিছ নাচৰিন চুলতানা**
প্ৰাক্তন ছাত্ৰী

'ছাত্ৰ' এটি সুমধুৰ শব্দ। ছাত্ৰ সমাজক দেশৰ ভৱিষ্যৎ ৰূপে গণ্য কৰা হয়। কিন্তু ছাত্ৰ শক্তি সু-চিন্তাযুক্ত, সু-সংহত আৰু সু-নিয়ন্ত্ৰিত নহ'লে সমাজৰ অপকাৰ সাধন হ'ব পাৰে। ছাত্ৰ সমাজৰ মাজত যদি ভ্ৰাতৃত্ববোধ, একতাৰ এনাজৰী, সহনশীলতা আদি গুণৰ অভাৱে দেখা দিয়ে তেন্তে এখন সমাজৰ অত্যন্ত ক্ষতি সাধন হ'ব পাৰে। সেয়ে ছাত্ৰ-সমাজৰ মাজত একতাৰ বান্ধোনডাল মজবুত হোৱাটো উচিত। কিন্তু অতি পৰিতাপৰ কথা যে ছাত্ৰ সমাজৰ এটা অংশ আজি বিপথে যাব ধৰিছে; ফলত সমাজৰ লগতে দেশৰ অনেক ক্ষতি হ'ব ধৰিছে। এক অৰ্থত ক'বলৈ গ'লে ছাত্ৰ সমাজৰ এনে আচৰণে উশৃঙ্খলতাৰ সৃষ্টি কৰিছে।

বৰ্তমান সময়ত ছাত্ৰ সমাজৰ এটা চামে অধ্যয়নৰ প্ৰতি মনকাণ নিদি অনুশাসনৰ বাহিৰ ওলাই উশৃঙ্খলতাত লিপ্ত হোৱা দেখা গৈছে। স্কুল-কলেজত গুণ্ডামি, ৰেগিংৰ নামত মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক হাৰাশাস্তি, মানসিক অশান্তি প্ৰদান ইত্যাদিবোৰেই এচাম ছাত্ৰই দৈনন্দিন কাৰ্য হিচাপে আঁকোৱালি লৈছে। ইয়াৰ ফলত বহুতো মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে অকালতে মৃত্যুক সাবটি লোৱা দেখা যায়। এইচাম ছাত্ৰই যিকোনো অজুহাততে শ্ৰেণীবৰ্জন, বন্ধপালন, দলীয় সংঘৰ্ষ, ধৰ্ণা আদি অপকৰ্মত লিপ্ত হৈ পৰে। এনেবোৰ কাৰ্যৰ দ্বাৰা শৈক্ষিক পৰিৱেশ সম্পূৰ্ণৰূপে বিনষ্ট হয়। এইটো অপ্ৰিয় হ'লেও সত্য যে বাহুবলত বিশ্বাস ৰখা এচাম ছাত্ৰই স্থান-কাল-পাত্ৰ বিচাৰ নকৰি য'তে-ত'তে নিচাযুক্ত দ্ৰব্য সেৱন কৰি সমাজৰ ভদ্ৰ শ্ৰেণী মানুহৰ লগত বিভিন্ন সংঘৰ্ষত লিপ্ত হয়। এনে ছাত্ৰই অশ্লীল বাক্য ক'বলৈও সংকোচ নকৰে। অভিভাৱকৰ কথাত গুৰুত্ব নিদি, গুৰুজনাৰ সজ উপদেশক আওকাণ কৰি এনে ছাত্ৰ নানান অপকৰ্মত লিপ্ত হয়।

আজিৰ ছাত্ৰ-সমাজৰ একাংশৰ অন্যতম কু-দিশ হ'ল অধ্যয়ন বিমুখিতা। অধ্যয়নৰ প্ৰতি মনোযোগ নিদিয়াৰ ফলত পৰীক্ষাৰ সময়ত এই সকল ছাত্ৰ বিমোৰত পৰে আৰু অসৎ



উপায়ৰ আশ্ৰয় লয়। এনে কু-কাৰ্যই ছাত্ৰ সমাজলৈ অপযশ তথা বদনাম কঢ়িয়াই আনিছে। অকল ছাত্ৰ সমাজৰ ক্ষতি কৰাই নহয়, এই কাৰ্যই এখন বিদ্যালয়, মহাবিদ্যালয়ৰ গৌৰৱো ধূলিস্যাৎ কৰে। অভিভাৱকসকলৰো সমাজত মুখ উলিয়াব নোৱৰা অৱস্থা হয়। কিছুমান ছাত্ৰই আকৌ ইয়াতেই সন্তুষ্ট নাথাকি এই কাৰ্যৰ বাবে সৰ্তক কৰি দিয়া শিক্ষাগুৰুসকলকো অপমান কৰিবলৈ কুণ্ঠাবোধ নকৰে।

মই এইখন সমাজৰ এজন ছাত্ৰ হিচাপে অনুভৱ কৰোঁ যে বৰ্তমান এচাম ছাত্ৰই আন বহুতো সমাজ বিৰোধী কামৰ প্ৰতি আকৰ্ষিত হৈছে। ছাত্ৰ সমাজৰ এয়া এক ভয়ংকৰ ব্যাধি। ইয়াৰ কৱলৰ পৰা ৰক্ষা পাবলৈ আজিৰ ছাত্ৰ সমাজৰ মাজত এটা শক্তিশালী জাগৰণৰ প্ৰয়োজন হৈছে। এনে জাগৰণৰ অবিহনে এই অপশক্তি বৃদ্ধি পাব আৰু ভৱিষ্যতলৈ শিক্ষাৰ পৰিৱেশ সম্পূৰ্ণ ৰূপে বিনষ্ট হৈ পৰিব।

সেয়ে মোৰ সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি এটাই অনুৰোধ 'হে ছাত্ৰ সমাজ, আহা আমি সকলোবোৰ একগোট হৈ আমাৰ শিক্ষাৰ পৰিৱেশ উজ্বলাই তোলোঁ।'

# ড্ৰাগছ আৰু উশৃঙ্খলতা

**পঙ্কজ বৰা**
স্নাতক প্ৰথম ষাণ্মাসিক

এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকাশক্তি হৈছে যুৱ সমাজ। কিন্তু এই যুৱ সমাজতেই বিভিন্ন কেৰোণে ধৰিবলৈ আৰম্ভ কৰিছে। ঘাইকৈ চৈধ্য বছৰৰ বয়সৰ পৰা ত্ৰিশ বছৰৰ অনুৰ্ধ্ব তথা অবিবাহিত যুৱক-যুৱতীৰে যুৱ সমাজ গঠিত। পৰিৱেশ পৰিস্থিতিৰ প্ৰতিকূলতাত ইয়াৰ এচাম যুৱক-যুৱতীয়ে আত্ম নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলত বিপথে গতি কৰিছে। আনফালে উঠি অহা চামকো বিপথে যাবলৈ উদ্বুদ্ধ কৰিছে। বৰ্তমানৰ ভোগ সৰ্বস্ব বস্তুবাদী সমাজৰ সৈতে ফেৰ মাৰিবলৈ গৈ এচাম যুৱকে আকৌ কৃত্ৰিম সুখানুভূতি লাভৰ বাবে সহজতে মাদক দ্ৰব্য গ্ৰহণ কৰিব লৈছে। এনে এক মাৰাত্মক বৰ বিহ স্বৰূপ মাদক দ্ৰব্য হৈছে ড্ৰাগছ। ড্ৰাগছৰ প্ৰভাৱে বৰ্তমানৰ যুৱকচামক এক অনিশ্চিত ভৱিষ্যতলৈ লৈ গৈছে। ড্ৰাগছ আসক্তিয়ে বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে এক ভয়াবহতা সৃষ্টি কৰিছে। প্ৰথম অৱস্থাত গোটেই বিশ্বৰ উন্নত দেশবিলাকত ড্ৰাগ আসক্তি প্ৰচুৰ পৰিমাণে বৃদ্ধি পাইছিল যদিও পিছলৈ ই অনুন্নত আৰু উন্নয়নশীল দেশসমূহতো বিয়পি পৰে। ড্ৰাগছৰ ব্যৱসায়ত জড়িত হৈ আছে হাজাৰ হাজাৰ লোক আৰু বহু পৰিমাণৰ টকাৰ লেনদেন। প্ৰশ্ন হয় যে এই ব্যৱসায় বা ইয়াৰ সৰবৰাহ ৰোধ কৰিব নোৱাৰি নেকি? চৰকাৰী ভাৱে ড্ৰাগছৰ প্ৰচলন বন্ধ কৰা ঘোষণা জাৰি কৰা হৈছে যদিও বৰ্তমান অবৈধভাৱে ভাৰতবৰ্ষলৈ পাকিস্তান, থাইলেণ্ড, আফগানিস্তান, হংকং আৰু বহুতো লেটিন আমেৰিকাৰ দেশৰ পৰা চোৰাং সৰবৰাহ ঘটি আছে। আচলতে ইয়াৰ লগত ৰাসায়নিক প্ৰক্ৰিয়াৰে অন্যান্য নিচাযুক্ত পদাৰ্থও সংযোগ কৰা হয়। বৰ্তমান বজাৰত উপলব্ধ এই মাৰাত্মক বৰবিহ স্বৰূপ ড্ৰাগছ বিভিন্ন প্ৰকাৰৰ পোৱা যায়। যেনে— এল এছ ডি, হেৰোইন, ককেইন, চাৰাচ ইত্যাদি। এটা কথা সঠিক যে যদি এবাৰ সেৱন কৰা যায় পিছত ইয়াক ত্যাগ কৰাটো একেবাৰে কঠিন তথা অসম্ভৱ হৈ পৰে। ড্ৰাগছ সেৱন কৰাসকলে বহু প্ৰকাৰে সেৱন কৰে যেনে— বেজিৰ দ্বাৰা দেহৰ ৰক্ত সিৰাত, ধূমপান বা গিলি খোৱা আদি বিভিন্ন পদ্ধতিৰে গ্ৰহণ কৰে। আমাৰ দেশ সমূহত সাধাৰণতে ড্ৰাগছৰ আদান-প্ৰদান হয় পৰিত্যক্ত ঘৰ, নিজান ঠাই, হোটেল বা পাৰ্ক আদিত। যিহেতু ড্ৰাগছ ব্যয়বহুল নিচাযুক্ত দ্ৰব্য। এই দ্ৰব্য দুখীয়া শ্ৰেণী মানুহৰ বাবে সহজলভ্য নহয়। সেয়ে দেখা যায় যে ড্ৰাগছ ব্যৱসায়ী প্ৰৰোচনাত পৰি সাধাৰণতে অধিক টকা থকা পিতৃ-মাতৃৰ সন্তানসকলেই প্ৰথমে সেৱন কৰা দেখা যায় আৰু অভ্যস্ত হয়। ড্ৰাগছ সেৱন কৰাটো একেবাৰে ভয়ানক। কাৰণ এনে আসক্তিৰ ফলশ্ৰুতিত এজন সুস্থ মানুহ তিল্‌তিলকৈ মৃত্যু মুখলৈ আগবাঢ়ে। বেজিৰে ড্ৰাগচ সেৱন কৰাৰ বাবে মানুহৰ দেহত বিভিন্ন ৰোগৰ বিজাণুৰ সংক্ৰমণ ঘটে। সেইদৰে দুৰ্বলতা, পেটৰ বিষ, ক্ষয় ৰোগ, হেপাটাইটিছ, শৰীৰ কঁপনি, অস্বাভাৱিক ৰক্তচাপ, যকৃতৰ বিভিন্ন ৰোগ, আভোক আদি বিভিন্ন ৰোগৰ কাৰকে দেহত ঠাই লয়। ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান কোঠাত ড্ৰাগছৰ সৈতে আটক হয় সুদূৰ নাইজেৰিয়াৰ এজন লোক। ড্ৰাগছৰ দৰে অশোভ আসক্তিক ৰোধ কৰাৰ প্ৰথম উপায় হৈছে যুৱ শক্তিৰ সৎ কৰ্ম, সৎ চিন্তা, প্ৰবৃত্তি ৰক্ষা কৰা, দ্বিতীয়তে পিতৃ-মাতৃ, সমাজৰ অগ্ৰণী লোক, শিক্ষিত তথা চৰকাৰখনো সদায় সতৰ্ক হ'ব লাগিব। চৰকাৰেও অধিক গুৰুত্ব প্ৰদান কৰি ড্ৰাগছৰ প্ৰচলন সমূলঞ্চে নাশ কৰিবলৈ তীব্ৰ প্ৰচেষ্টা হাতত লোৱা উচিত। কাৰণ যুৱ মানসত এবাৰ ড্ৰাগছৰ আসক্তিয়ে ঠাই ল'লে জাতি তথা দেশৰ অধঃপতন অনিবাৰ্য।





# তিৱাসকলৰ ন-খোৱাৰ পৰম্পৰা ঃ ন'ৱান

**সেৱা বৰদলৈ**
স্নাতক পঞ্চম ষাণ্মাসিক

সোণালী আঘোণ। আঘোণ আমাৰ গ্ৰাম্য কৃষক ৰাইজৰ অতি আপোনৰ আপোন এক নৈসৰ্গিক শোভাৰ মাহ। আঘোণেই আনি দিয়ে গাঁৱৰ খেতিয়কৰ মুখলৈ গোটেই বছৰৰ শেষত মধুৰ সপোন ফলিওৱাৰ হাঁহি। দাৱনীৰে আঘোণ মাহৰ মিঠা মধুৰ ৰ'দ গাত সানি হাতত ধাৰাল চিকিমিকোৱা একোখন কাঁচি লৈ আঘোণৰ কমোৱা তুলা যেন ডাঠ কুঁৱলী ফালি আগুৱাই যায় পথাৰলৈ বুলি। পথাৰেও যেন গৰ্ভৱতীৰ গৰ্ভত, প্ৰসৱৰ আনন্দত বুকু ফুলাই আত্ম সমৰ্পণ কৰে নিজকে। মানুহে বন্য জীৱন এৰি খেতি কৰি খাবৰ দিনৰে পৰা ক্ৰমে ক্ৰমে এনেকৈয়ে চলি আহিছে ধৰাৰ বুকুত। অতি প্ৰাচীন কালৰেপৰা একেলগে নিজৰ গোত্ৰৰ আপোন মানুহখিনিয়ে একেলগে খোৱাৰ যি আনন্দ সি সঁচাকৈয়ে অভূতপূৰ্ব, চিৰস্মৰণীয়। বন্য চিকাৰ কৰি আনি অতি আপোনজনৰ সৈতে তৃপ্তিৰে খোৱাৰ যি পৰম্পৰা সেই পৰম্পৰা আজিও ক্ষীণকৈ হ'লেও দেখা পাওঁ অসমৰ গাঁৱলীয়া সমাজখনৰ খেতি চপোৱাৰ পিছৰ ন-খোৱাৰ পৰম্পৰাত। আহাৰ-শাওণৰ পথাৰত ৰ'দে পোৰা, ঘন বৰষাই আমনি কৰাৰ দিনবোৰৰ কথা আমাৰ গাঁৱৰ খেতিয়কে পাহৰি যায়। আঘোণৰ সোণোৱালী দিনবোৰত।

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে মূলতঃ কৃষিক কেন্দ্ৰ কৰি জীৱন নিৰ্বাহ কৰা অসমৰ তিৱাসকলৰ ন ধানেৰে ন-খোৱা পদ্ধতিও মন কৰিবলগীয়া। তিৱাসকলৰ এই পৰম্পৰা অসমৰ অন্যান্য জনগোষ্ঠীতকৈ কিছু বেলেগ। তেওঁলোকে ন-খোৱা পৰম্পৰাক ন'ৱান বুলি কয়। উল্লেখযোগ্য যে কৃষিজীৱী তিৱাসকলৰ মাজত বিভিন্ন ধৰণৰ কৃষিক কেন্দ্ৰ কৰি অনুষ্ঠিত কৰা লোক উৎসৱ আছে। তাৰ ভিতৰত 'ৱান চুৱা'। (পিঠাগুৰি খুন্দা) উৎসৱত ঐশ্বৰ্য বিভূতিৰ গৰাকী লখিমী দেৱীৰ সন্তুষ্টি আৰু কৃষি কৰ্মৰ মঙ্গলৰ হেতু, ছগ্ৰা মিছাৱা বা বসন্ত উৎসৱ পথাৰৰ খেতি ছপোৱাৰ পিছত খেতি পথাৰত ব্যস্ত থকাৰ অৱসাদ আঁতৰাই শৰীৰত পুনৰ সুস্থিৰ শক্তি ঘূৰাই অনাৰ উদ্দেশ্যে পতা হয়। তেনেদৰে 'য়াংলি'ও লখিমী আদৰা আৰু 'জংখং' বা 'জংকং' শয্যাধিপতি পূজা ইত্যাদি কৃষিক কেন্দ্ৰ কৰি পতা উৎসৱ হিচাপেই ধৰিব পাৰোঁ। তিৱা সমাজত আঘোণ মাহ যোৱাৰ লগে লগে অৰ্থাৎ খেতি চপাই হোৱাৰ পিছত পুহ মাহৰ প্ৰথম সপ্তাহ বা দ্বিতীয় সপ্তাহৰ মঙ্গল আৰু বুধবাৰে পতা হয় যদিও বৰ্তমানে এই দুটা বাৰৰ যিকোনো এটা বাৰতহে ন'ৱান উদ্‌যাপন কৰে। 'ন'ৱানৰ অৰ্থ হ'ল— বছৰৰ

নতুন ফচল উপৰিপুৰুষক উৎসৰ্গা কৰি খোৱা। তিৱাসকলৰ একেটা গোত্ৰ (কুল)ৰে ওচৰ-চুবুৰীয়া অন্যান্য গাঁওবিলাকতো বসবাস কৰা আপোন মানুহবোৰে একেলগে এই পৰম্পৰা নিজা 'ন'-ৱাৰ (পূজা উপাসনা কৰা ঘৰ)ত পালন কৰে। এই ন'ৱানৰ দিন নিৰ্ধাৰণ কৰাৰ পাঁচ-সাত দিন আগতে তিৱাসকলৰ হাৰী কুঁৱৰী (মহিলা পুৰোহিত)ৰ নেতৃত্বত কুলৰ মহিলাসকলে 'লুথুৱা জ্যু' অৰ্থাৎ উপৰিপুৰুষক উৎসৰ্গা কৰিবলগীয়া মদ ৰান্ধে তাৰ পিছত ন'ৱানৰ আগদিনা মঙ্গলবাৰে ন'ৱাৰ, ন'-ৱাৰৰ বেদী, (ৱৰ ঘৰৰ ভেটি), উপৰিপুৰুষক মদ উৎসৰ্গা কৰা 'লাও পে' (তিতা লাওৰ খোলা) আদি চাফ-চিকুণ কৰে। যাক তেওঁলোকে থাপনা পতা পৰ্ব বুলি কয়। কুলৰ বৰ জেলা সমন্বিতে যিসকলে এই থাপনা পতা অনুষ্ঠানত আগভাগ লয় তেওঁলোকে সেইদিনা কিছু পৰিমাণে মদ সেৱন কৰে। তাৰ পিছত কুলৰ বৰ জেলাই (পুৰুষ পুৰোহিত) গোটেই পৰিয়ালবোৰক বিগত বৰ্ষ ন'ৱানৰ পিছদিনাৰপৰা বোৱঁতী বৰ্ষৰ আগদিনালৈকে কোনো ব্যক্তিৰ কিবা শপত খোৱাৰ বাবে অথবা ঘৰত হোৱা অসুখ, অপায়-অমঙ্গলৰ বাবে দেৱতাক উৎসৰ্গা কৰি খোৱা কুকুৰা চৰাইবোৰ ন'-বাৰলৈ অনাৰ পৰামৰ্শ আগবঢ়ায়। সেই পৰামৰ্শ মতে তেওঁলোকেও নিজা নিজা কুকুৰা চৰাই আনি ন'-ৱাৰত জমা কৰে। ন'ৱানৰ দিনা এইবোৰ দেৱতাক উৎসৰ্গা কৰি বলি দিয়ে। ন'ৱানৰ খৰচৰ বাবদ তেওঁলোকৰ প্ৰত্যেক পৰিয়ালে সমানে পইচা খৰচ কৰে। অতীতত তিৱাসকলে বছৰত দুবাৰ ন'ৱান পাতিছিল। এবাৰ আহু খেতিৰ সময়ত এবাৰ শালি খেতিৰ বতৰত। আজিকালি বস্তুৰ জুইচাই দামৰ বাবে শালি খেতিৰ সময়তহে এই নিয়ম কৰে। অৱশ্যে শালি খেতিৰ বতৰত কৰিলেও আহু খেতিৰ সময়ত আগবঢ়াবলগীয়া খাদ্য দ্ৰব্য উপৰিপুৰুষলৈ শালি খেতিৰ উপাচাৰ আগবঢ়োৱাৰ আগতে আগবঢ়ায়। এই আগবঢ়োৱা খাদ্য দ্ৰব্যৰ ভিতৰত প্ৰধানকৈ ন-ধানৰ ভাত, মদ, গাহৰি মঙহৰ আঞ্জা, মাছ, কুকুৰা মঙহৰ আঞ্জা, বৰা চাউলৰ ভাত, বিড়ি, ধঁপাত ইত্যাদি। উৎসৰ্গা কৰা সকলো খাদ্য দ্ৰব্য হাৰী কুঁৱৰীয়েহে ৰন্ধা-বঢ়া কৰিব লাগে। এইবোৰ আগলি কলাপাতত সৰু সৰুকৈ কাটি তাত প্ৰতিবিধ দ্ৰব্যকে অলপ অলপকৈ আগবঢ়ায়। অন্য এখন আগলি কলপাতত লগৰীয়ালৈ বুলি আগবঢ়ায়। যিখিনি পাত উপৰিপুৰুষৰ অনামী লগৰীয়াসকলক উদ্দেশ্য কৰি আগবঢ়ায়। উপৰিপুৰুষক এই উপহাৰসমূহ আগবঢ়োৱাৰ পিছত অতি পৰিষ্কাৰকৈ পাঁচখিলা পাণ পাঁচটি তামোলেৰে আগলি কলাপাতত তুলসী পাত দি দহোটি টোপোলা বান্ধে। আহুৰ বাবে পাঁচোটি আৰু শালিৰ বাবে পাঁচোটি টোপোলা। এই টোপোলাকেইটি বন্ধাৰ উদ্দেশ্য হ'ল মঙ্গল চোৱাৰ। তেওঁলোকে বিশ্বাস কৰে আগন্তুক বৰ্ষটিত গাঁৱৰ খেতি-বাতি, পানিৰ পৰিমাণ, কুলৰ শুভা-শুভ কেনে হ'ব পিছদিনা অৰ্থাৎ ন'ৱানৰ পিছদিনা এই টোপোলাবোৰ খুলি চালেই তেওঁলোকে গম পায়। পৰিষ্কাৰকৈ ধোৱা তামোল-পাণত মকৰাৰ চতা বন্ধা, গোটা তামোল ফলা হিচাপে পোৱা ইত্যাদি চাই তেওঁলোকে বছৰটোৰ সকলো শুভাশুভ নিৰ্ণয় কৰে। এইবোৰ নীতি-নিয়ম কৰাৰ পিছত তেওঁলোকৰ মুখিয়াল আৰু অতিথিসকলে ঘৰৰ ভিতৰত আৰু অন্যান্যসকলে বাহিৰত শাৰী পাতি বহি সকলোৱে মৰম-স্নেহেৰে পৰম তৃপ্তিৰে গাহৰি, কুকুৰা মঙহেৰে মদ খায়। মদ সেৱন কৰাৰ পিছত বৰা চাউলৰ ভাত পিঠাগুৰিত গাহৰি মঙহ দি ৰন্ধা কলা খাৰৰ আঞ্জা, বতৰৰ শাক-পাচলি, ন-চাউলৰ ভাত একেলগে খায় স্ফূৰ্তি কৰে। অতিথি থাকিলে অতিথিৰ আগত একো বটলকৈ 'জ্যু' (মদ) আগবঢ়ায় সন্মান যাচে। এইদৰে তেওঁলোকে স্ফূৰ্তি কৰি ঘৰাঘৰি যায়। পিছদিনাখন অৰ্থাৎ ন'ৱানৰ পিছদিনা ৰভা ভঙা বুলি আৰু এটা অনুষ্ঠান পাতে। এই অনুষ্ঠানত পৰিয়ালৰ সকলোৱে থাকিব পাৰে, নাথাকিলেও আপত্তি নেথাকে। ন'ৱানৰ চৌহদ চাফ-চিকুণ কৰি তেওঁলোকে আগদিনা ৰৈ যোৱা 'জ্যু' (মদ), মাছ, মাংস, তৰকাৰী ভাত ইত্যাদি খায়। খাদ্য দ্ৰব্য কমা যেন দেখিলে কিছু পৰিমাণে ৰান্ধি সকলোৱে খায়। তাৰ পিছত আগদিনা বান্ধি থোৱা তামোল-পাণৰ টোপোলাবোৰ খুলি মঙ্গল চাই আগন্তুক বৰ্ষৰ শুভাশুভ নিৰ্ণয় কৰি সকলোৱে ঘৰাঘৰি যায়।৮৮



*বেঙেনাআটীৰ ইতিহাস আছে। সেই বিচাৰ কৰিলে দেখা যায় যে— জনশ্ৰুতিত উল্লেখ থকা মতে, ইয়াত পথৰুৱা বাট এটা আছিল তাৰ কাযে কাযে বহুতো বেঙেনা খেতি কৰিছিল। সেই কাৰণেই বেঙেনাআটী নাম হ'ল বুলি জানিব পৰা গৈছে। ইয়াতেই বৰ্তমান ভূতনাথ বাবা থান অৱস্থিত।*

# শ্ৰীশ্ৰীভূতনাথ বাবা থানৰ ঐতিহ্য

**পঞ্জী শইকীয়া**
স্নাতক পঞ্চম ষাণ্মাসিক

নগাঁও জিলাৰ অন্তৰ্গত ব্ৰাহ্মণগাঁও, বেঙেনাআটীৰ শ্ৰীশ্ৰীভূতনাথ বাবা থানৰ ঐতিহ্য আছে। থানখন পুৰণিগুদাম পথেৰে ৩৭ নং ৰাষ্ট্ৰীয় ঘাই-পথ সংযোগী প্ৰায় তিনি কিঃ মিঃ দূৰত্বত এই ভূতনাথ বাবা থান অৱস্থিত।

শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান নগাঁও জিলাত ব্ৰাহ্মণগাঁও অৱস্থিত আৰু তাৰ লগতেই বেঙেনাআটী নামে ঠাইত শ্ৰীশ্ৰীভূতনাথ বাবা থান আছে। ব্ৰাহ্মণগাঁও উৎপত্তিৰ মূল উৎস হ'ল— অতীতত প্ৰায় ১২ ঘৰমান ব্ৰাহ্মণ মানুহে বসতি কৰিছিল। পিছলৈ বাঢ়ি গৈ বৰ্তমান ব্ৰাহ্মণগাঁও নামেৰে নামকৰণ কৰে। ব্ৰাহ্মণ মানুহ থকা বাবে ব্ৰাহ্মণগাঁও হয়।

বেঙেনাআটীৰ ইতিহাস আছে। সেই বিচাৰ কৰিলে দেখা যায় যে— জনশ্ৰুতিত উল্লেখ থকা মতে, ইয়াত পথৰুৱা বাট এটা আছিল তাৰ কাযে কাযে বহুতো বেঙেনা খেতি কৰিছিল। সেই কাৰণেই বেঙেনাআটী নাম হ'ল বুলি জানিব পৰা গৈছে। ইয়াতেই বৰ্তমান ভূতনাথ বাবা থান অৱস্থিত।

নগাঁও জিলাৰ পুৰণিগুদামৰ সমীপৱৰ্তী চলচলি তেতিয়া জলাহৰ দাঁতিৰ কাযত বৰ্তমান 'ভোলাই সদাগৰ ক্ষেত্ৰ'ত বাৰগঞা ৰাইজ মিলিত হৈ ৰাইজে হাজাৰী ভাওনা পাতিছিল বুলি উপৰি পুৰুষৰ পৰা শুনা পোৱা যায়। কাঠ, বাঁহ, ওনখেৰ আদিৰে এই হাজাৰী ভাওনাৰ মণ্ডপ সজাইছিল। মণ্ডপৰ লাইখুঁটা হিচাপে ৰোৱা হয় এটা ডাল। কালক্ৰমত সেই গছৰ ডালৰপৰা এজোপা প্ৰকাণ্ড বৃক্ষলৈ ৰূপান্তৰ হয়। এই মণ্ডপ সজা ঠাইডোখৰৰ মালিকী স্বত্ব আছিল স্থানীয় প্ৰয়াত ভোলাই শৰ্মাদেৱ। তেওঁক বাপু বুলি মাতিছিল বাবে 'বাপু গছনি' বুলি কোৱা হয়। তাত বহুতো গছৰে ভৰপূৰ হৈ আছিল।

সেই 'বাপু গছনি'ৰ প্ৰকাণ্ড গছজোপাই বৰ্তমানে অতীতৰ স্বাক্ষৰ বহন কৰিছে। গছনিডৰাৰ কাষৰে উচ্চ ক্ষমতাসম্পন্ন বৈদ্যুতিক তাঁৰ নিব লগা হোৱাত সেই গছবোৰ কটাৰ হুকুম আছিল আৰু শ্ৰমিকসকলে কাটিবলৈ ধৰিলে। কিন্তু বটবৃক্ষজোপা কাটিবলৈ লোৱাৰ আগদিনা ৰাতি শ্ৰমিকসকলক সপোনত গছজোপা নাকাটিবলৈ কোনোবাই ক'লে। কাটিলে অপকাৰ হ'ব ভয়তে কোনেও কাটিবলৈ সাহস নকৰিলে। শ্ৰমিকে গছ কটাৰ আশা ত্যাগ কৰিলে।

এদিন বেঙেনাআটী নিবাসী শ্ৰীধীৰেন দাসে স্থানীয় নামঘৰত অনুষ্ঠিত নাম প্ৰসঙ্গ অনুষ্ঠানত ব্যৱহাৰ কৰিবৰ বাবে খৰি হিচাপে প্ৰকাণ্ড গছজোপাৰ পৰা ডাল এটা কটাত তেওঁ কেইবাদিন ধৰি ৰোগত আক্ৰান্ত হৈ পৰে। হঠাৎ গভীৰ নিশা কোনোবাই তেওঁক এই বুলি ক'লে—

'মোৰ আশ্ৰয় স্থলী এই বৰগছজোপাৰ ডাল কটা ভাল হোৱা নাই। তুমি নাজানি ভকতৰ সেৱাৰ বাবেহে সেই কামটো কৰাত তোমাক ক্ষমা কৰিছোঁ। গছজোপাৰ তলত চাকি-বন্তি দি মোক একান্তভাৱে চিন্তা কৰিবা তোমাৰ আৰোগ্য হ'ব।'

এনেদৰেই শ্ৰীশ্ৰীভূতনাথ বাবা থানৰ মহত্ব জড়িত হৈ আছে আৰু সেই বিশ্বাসতে বহুতো ভক্ত শৰণাপন্ন হ'বলৈ আহে আৰু মনৰ বাঞ্ছাও পূৰ্ণ হয় বুলি বিশ্বাস কৰে।

অসমত অতীজৰে পৰা বিভিন্ন ধৰ্মীয় উৎসৱ অনুষ্ঠান পালন কৰি অহা হৈছে। ধৰ্মীয় অনুষ্ঠান যেনে— নামঘৰ, থান আদি সমূহত বিভিন্ন উৎসৱ-অনুষ্ঠান উৎসৱ-পাৰ্বন পালন কৰি অহা হৈছে। বছৰেকীয়া সবাহ, ৰাস, ভাওনা, জন্মাষ্টমী আদি উৎসৱ উদ্‌যাপন কৰা হয়। থানসমূহত পূজা-পাতল, বলি প্ৰথাৰ দৰে অনুষ্ঠানৰ লগতে বিবাহ অনুষ্ঠানসমূহ শিৱ মন্দিৰত উদ্‌যাপন কৰা হয়। ব্ৰাহ্মণ গাঁও বেঙেনাআটী ভূত নাথ বাবা থানত অতীজৰে পৰাই উৎসৱ-পাৰ্বন, পূজা-পাতল, হাজাৰী ভাওনা, অংকীয়া ভাওনা পালন কৰি অহা হৈছে। ইয়াৰ আগতে মুকলি বিহুও উদ্‌যাপন কৰা হৈছিল।


এই থানৰ প্ৰথম শিৱৰাত্ৰি উৎসৱ উদ্‌যাপন কৰা হয় ১৯৯৭ চনত। তেতিয়াই এই থান শিৱস্থান বুলি ঘোষণা কৰা হয়। শিৱৰাত্ৰি অনুষ্ঠানভাগ প্ৰতি বছৰে পালন কৰি অহা হৈছে আৰু এই উৎসৱভাগেই থানৰ গুৰুত্বপূৰ্ণ উৎসৱ। ইয়াত দিহা নাম, লোকগীত প্ৰতিযোগিতাও অনুষ্ঠিত হয়। প্ৰতিবছৰে মাঘ মাহত শুক্লা পক্ষত থানখনিৰ ভক্তবৃন্দৰ তীৰ্থযাত্ৰা মন কৰিবলগীয়া। শাওণ মাহত 'ব'লবম' অভিযানৰ জৰিয়তে দূৰ-দূৰণি স্থানৰপৰা জল আহৰণ কৰি এই থানৰ মূল মন্দিৰ ভাগত প্ৰয়োগ কৰে।

শ্ৰীশ্ৰীভূতনাথ বাবা থানৰ বৰ্তমান অতীতকৈ উন্নত পৰ্যায়লৈ আহিছে। বিভিন্নজনৰ দান-বৰঙণিৰে থানখন উন্নত কৰি তুলিবলৈ সক্ষম হৈছে। বৰ্তমান মন্দিৰ বটবৃক্ষ জোপাৰ গুৰি অংশলৈ 'গণেশ বাবাৰ' প্ৰতিকৃতিও পৰিলক্ষিত হৈছে।

বটবৃক্ষজোপাৰ আকৃতিলৈ লক্ষ্য কৰিলে বুজিব পাৰি এই বৃক্ষজোপা কোনো সাধাৰণ বৃক্ষ নহয়। সেই গছজোপাই যথেষ্ট ঠাই আগুৰি আছে আৰু বৰ্তমান যথেষ্ট বৃহৎ আকাৰৰ বৃক্ষত পৰিণত হৈছে।

শ্ৰীশ্ৰীভূতনাথ বাবা থানৰ ইতিহাস আৰু পৰম্পৰাৰ অতীতৰ শৈৱ ধৰ্মৰ যি শিৱ পূজা সেই শিৱ পূজাক তেওঁলোকে পালন কৰি আহিছে। অতীত ইতিহাসৰ পৰাই এই থানৰ মহত্ব আৰু তাত্ত্বিক দিশবোৰৰ বিষয়ে জানিব পাৰি। এই মহত্বসমূহেই যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।৮৮





# অসমৰ পৰম্পৰাগত খেল-ধেমালি

**জ্ঞানদ্বীপ হাজৰিকা**
স্নাতক দ্বিতীয় ষন্মাসিক

সাৰাংশ ঃ

যুগ যুগান্তৰ ধৰি অসমীয়া কৃষ্টি-সংস্কৃতিয়ে বিশ্বৰ দৰবাৰত এক সুকীয়া অস্তিত্ব বজাই ৰাখিছে। সাজপাৰ, লোকনৃত্য, লোকগীত, খেল-ধেমালি আদিকে ধৰি পৰম্পৰাগত কৃষ্টি-সংস্কৃতিবোৰে অসমক এক অন্যতম মাত্ৰা প্ৰদান কৰি আহিছে। কিন্তু দুৰ্ভাগ্যবশত আমাৰ সমাজত প্ৰচলিত বিভিন্ন পৰম্পৰাগত খেল-ধেমালিবোৰ বৰ্তমান সমাজৰ আগ্ৰহ তথা অভিৰুচিৰ অভাৱত ক্ৰমান্বয়ে নাইকিয়া হ'ব ধৰিছে। গতিকে এই খেল-ধেমালিবোৰক পুনৰ উদ্ধাৰ তথা পুনৰ প্ৰচলনৰ লগতে এই খেল-ধেমালিবোৰৰ সম্পৰ্কে বৰ্তমান উঠি অহা প্ৰজন্মক জ্ঞাত কৰাৰ উদ্দেশ্যৰে 'অসমৰ পৰম্পৰাগত খেল-ধেমালি' শীৰ্ষক প্ৰবন্ধটিৰ মাজেৰে কিছু প্ৰয়াস কৰা হৈছে। যাতে চৰকাৰী তথা বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে এই ক্ষেত্ৰত এক দৃঢ় পদক্ষেপ হাতত লৈ অসমীয়া সমাজৰ এই চহকী পৰম্পৰাক পুনৰুজ্জীৱিত কৰাত কিছু সহায় কৰিব পাৰে।

আৰম্ভণি ঃ

অসমৰ সাংস্কৃতিক পৰম্পৰা আৰু ঐতিহ্য অতীতৰেপৰা বিশ্ববাসীৰ আগত এক সুকীয়া স্থান আছে। 'অনৈক্যৰ মাজত ঐক্য' অসমীয়া সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। বিভিন্ন জাতি-জনজাতিৰ ভিন্ন সংস্কৃতিৰ সংমিশ্ৰণৰ ফলতেই সৃষ্টি হৈছে বৃহৎ অসমীয়া সংস্কৃতি তথা পৰম্পৰা।

সংস্কৃতি তথা পৰম্পৰা বুলি ক'লে সাধাৰণতেই এটা জাতিৰ জীৱনশৈলী, বিশ্বাস, ৰীতি-নীতি, অভ্যাস, ধ্যান-ধাৰণা, সাজ-পাৰ, উৎসৱ-পাৰ্বন, খেল-ধেমালি, লোকাচাৰ, খাদ্যাভাস, গীত-নৃত্য তথা কলা-সংস্কৃতিৰ কথাই বুজা যায়। অনাদিকালৰেপৰা অসমত বাস কৰি অহা এশ-এবুৰি জনগোষ্ঠী যেনে— চুতীয়া, কছাৰী, মটক, কাৰ্বি, তিৱা, আহোম, মিচিং, বড়ো, সোণোৱাল, কোচ, ডিমাচা, কলিতা, ব্ৰাহ্মণ, চাহ-জনগোষ্ঠী, ৰাভা আদিকে ধৰি থলুৱা জাতি-জনজাতিৰ লগতে অন্যান্য সম্প্ৰদায় (শিখ, মুছলমান, বৌদ্ধ, জৈন, মাৰোৱাৰী, নেপালী, পঞ্জাৱী, বঙালী)ৰ স্বকীয় উপাদানসমূহৰ সংগমেই হৈছে অসমীয়া লোক-সংস্কৃতি তথা পৰম্পৰা। এই সাংস্কৃতিক উপাদানবোৰেই অসমৰ জলবায়ু তথা বাতাবৰণৰ লগত একাকাৰ হৈ আমাৰ সংস্কৃতিক আৰু অধিক মজবুত তথা চহকী কৰি তুলিছে।

**বিষয়বস্তুৰ তাৎপৰ্য আৰু গুৰুত্ব ঃ**

পূৰ্বে আজৰি সময়ত লোক-সমাজে আনন্দ-বিনোদনৰ বাবে কিছুমান খেল খেলিছিল। এই খেল-ধেমালিবোৰ হৈছে দেহ আৰু মনৰ উৎকৰ্ষ সাধনৰ এক অন্যতম মাধ্যম। ই হৈছে এক প্ৰকাৰৰ আমোদপূৰ্ণ সামাজিক ব্যৱস্থা। এনে খেল-ধেমালিবোৰে সমাজত একতা বঢ়ায় আৰু মানৱ গোটৰ মাজত সু-শৃংখলিত চিন্তাৰ উদ্ৰেক কৰি সমাজৰ উন্নতি সাধনত সহায় কৰে। খেল-ধেমালি হৈছে এক প্ৰকাৰৰ নাটক। য'ত গীত-নৃত্য তথা অভিনয়ৰ পূৰ্ণ সমাহাৰ দেখা যায়। কেতিয়াবা কিছুমান খেলত খেলুৱৈয়ে গীত গায়, আকৌ কেতিয়াবা কিছুমান খেলৰ লগত অঙ্গী-ভঙ্গী থকা বা নৃত্যৰ সম্পৰ্ক দেখা যায়। এই খেলবোৰে সাধাৰণতে গ্ৰাম্য জীৱনৰ সহজ-সৰল চিত্ৰখন দাঙি ধৰে। অসমত প্ৰচলিত খেলবোৰৰ ভিতৰত 'ৰজা-ৰাণী' খেলটোৰ লগত জড়িত গীতটোৰ এক চমু আভাস দাঙি ধৰা হ'ল—

'ৰজাই হুকুম দিছে
এদিম চেদিম বাঃ
কি হুকুম দিছে?
এদিম চেদিম বাঃ
.... নামৰ ছোৱালী এজনী লাগে
এদিন চেদিম বাঃ।' (সম্পাদিত) ইত্যাদি।

প্ৰাচীন ঋষিমুনিসকলে কৈছে— 'শৰীৰম্ অদ্যম, খলু ধৰ্ম সাধনম্।' অৰ্থাৎ সমাজৰ প্ৰতিজন ব্যক্তিৰে প্ৰথমে একোটা সুস্থ দেহৰ প্ৰয়োজন। তাৰ পাছতহে ধৰ্ম সাধনা। কিয়নো একোটা সুস্থ শৰীৰেহে জীৱনটো আনন্দময় আৰু উপভোগ্য কৰি তুলিব পাৰে। শৰীৰ তথা মন সুস্থ ৰখাৰ এক উৎকৃষ্ট মাধ্যম হৈছে খেল-ধেমালি। পিয়েৰ কুৰ্বাতিনে প্ৰায় শতাব্দী কালৰ আগত আধুনিক অলিম্পিক প্ৰতিযোগিতাৰ প্ৰৱৰ্তন কৰিছিল। যিয়ে খেল-ধেমালিক বৈজ্ঞানিক তথা উন্নতিৰ পথ দেখুৱায়। যাৰ ফলত বিশ্বৰ ভ্ৰাতৃত্ববোধ আৰু আন্তৰ্জাতিক মিত্ৰতাৰ পথ সুগম হয়।

ভিন্ন জাতি-জনজাতিৰ মিলনৰ ভূমি অসমত পুৰণি কালৰেপৰা মানুহে জীয়াই থাকিবৰ বাবে প্ৰকৃতিৰ লগত তুমুল সংগ্ৰাম কৰিব লাগিছিল। এই অসমতেই যুগ যুগ ধৰি বাস কৰি অহা জাতি-জনগোষ্ঠীসমূহৰ মাজত এশ-এবুৰি মান খেল-ধেমালি প্ৰাচীন কালৰেপৰা প্ৰচলন হৈ আহিছে। পৰম্পৰাগতভাৱে চলি অহা এই খেল-ধেমালিসমূহে এখন ঠাইৰ ঐতিহ্য বহন কৰি থাকে। ই বিভিন্ন জাতি-জনজাতিক একতাৰ ডোলেৰে বান্ধি ৰখাৰ লগতে সেই ঠাইৰ মানুহৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধনতো সহায় কৰে। অসমৰ প্ৰাণকেন্দ্ৰস্বৰূপ এই পৰম্পৰাগত খেল-ধেমালিবোৰে অসমৰ গ্ৰাম্য সমাজৰ এক সুন্দৰ চিত্ৰ দাঙি ধৰে। কিন্তু পৰিতাপৰ বিষয় যে অসমত প্ৰচলিত প্ৰায়বোৰ খেল-ধেমালি সাম্প্ৰতিক সময়ছোৱাত পাহৰণিৰ গৰ্ভত সোমায় পৰিছে। ফলত অসমৰ যুৱ প্ৰজন্ম আধুনিক ক্ৰীড়াসমূহৰ প্ৰতিহে অধিক আকৰ্ষিত হৈ পৰিছে।

অসমত প্ৰচলিত খেল-ধেমালিবোৰৰ অধিকাংশই অসমীয়া জনবিশ্বাসৰ ওপৰত প্ৰচলিত। পূজা তথা উৎসৱ-পাৰ্বনৰ লগত সঙ্গতি ৰাখিয়েই অসমৰ প্ৰায়বোৰ খেল-ধেমালি অনুষ্ঠিত হয়। যেনে— মাঘৰ বিহুৰ সময়ত ম'হৰ যুঁজ অথবা ব'হাগ বিহুৰ সময়ত প্ৰচলিত কড়িৰ খেল ইত্যাদি। 'ইয়াৰে আকৌ কেতবোৰ খেল-ধেমালিৰ গতি-বিধিৰপৰাই জাতিৰ আনন্দ, বল-বিক্ৰম, সাহস, ধৈৰ্য-বীৰ্য তথা বুদ্ধি আৰু কৰ্ম শক্তিৰ উমান পাব পাৰি।'[1] সমগ্ৰ বিশ্বৰ সকলো জাতি-জনজাতিৰ মাজত থকা আমোদ প্ৰমোদবোৰেই হ'ল নানা ধৰণৰ খেল-ধেমালি। পৃথিৱীৰ প্ৰতিটো জাতিৰেই থলুৱা তথা পৰম্পৰাগত খেল-ধেমালি থকা দেখা যায়। ঠিক সেইদৰে অসমত বাস কৰি অহা বিভিন্ন জাতি-জনজাতিৰ লোকসকলৰ মাজতো কেতবোৰ খেল-ধেমালিৰ প্ৰচলন হৈ আহিছে। এই খেলবোৰৰ প্ৰত্যেকৰে কিছুমান সুকীয়া নীতি-নিয়ম আছে।

অসমৰ লোকক্ৰীড়া সম্পৰ্কে বিভিন্ন সময়ত অসমৰ বিভিন্ন সাহিত্যিক, বুদ্ধিজীৱী, চিন্তাবিদে তেওঁলোকৰ লিখনিৰ জৰিয়তে ভিন্ন মাধ্যমেৰে পাঠক সমাজৰ বাবে দান কৰি আহিছে। এই সম্পৰ্কে অসমৰ এজন সু-পৰিচিত লেখক নাৰায়ণ শৰ্মায়ে তেখেতৰ গ্ৰন্থ 'অসমৰ খেল-ধেমালি'ত সুন্দৰ ৰূপত দাঙি ধৰিছে। সুবোধমল্ল বৰুৱাৰ 'অসমৰ পুৰণি খেল-ধেমালি' শীৰ্ষক প্ৰবন্ধত খেল-ধেমালি সম্পৰ্কে এক চমু আভাস পাব পাৰি। 'অসমীয়া সংস্কৃতিৰ কনিকা' নামৰ ড° নাৰায়ণ দাস আৰু ড° পৰমানন্দ ৰাজবংশীৰ সম্পাদিত গ্ৰন্থখনতো (পৃষ্ঠা ঃ ৫৯-৬০) অসমৰ পুৰণি খেল-ধেমালিসমূহৰ বিষয়ে ভালেখিনি বিৱৰণ আগবঢ়াইছে।

অসমৰ পৰম্পাৰগত লোক ক্ৰীড়া সম্পৰ্কে অসমৰ এজন সুদক্ষ লেখক চাও লোকেশ্বৰ গগৈৰ জীৱনজোৰা বিৰতিবিহীন পৰিশ্ৰমৰ ফলস্বৰূপে 'অসমৰ লোক সংস্কৃতি' নামৰ গ্ৰন্থখনত অসমৰ প্ৰায়বিলাক পৰম্পৰাগত খেল-ধেমালি যেনে— 'শেন খেল (৩৪৮); পশু যুঁজ (৩৪৯); ম'হ যুঁজ (৩৪৯); মানুহ আৰু পশুৰ যুঁজ, মাল যুঁজ, মগৰী চৰা বহৰী সেন (৩৫০); কুকুৰা যুঁজ, পাশা খেল, ডবা খেল, কড়ি খেল, কচুগুটি খেল, কোমোৰা খেল (৩৫১); কুকুৰ খেল, কুকুৰা যুঁজ, কণী যুঁজ, আলিছিগা খেল, আদা খেল (৩৫২); আঙুলি খেল, গৰখীয়া এছাৰি খেল, গছ কুমতি খেল, ঢোপ খেল, ঘিলা খেল (৩৫৩); টাং গুটি খেল (৩৫৪); পেং খেল (৩৫৫); ৰাৰিত উঠা খেল (৩৯২); লাঠি খেল (৩৯২)' আদিৰ বিষয়ে সুন্দৰ তথা উৎকৃষ্ট বৰ্ণনা দাঙি ধৰিছে।



**অসমৰ পৰম্পৰাগত খেল-ধেমালি আৰু ইয়াৰ শ্ৰেণী বিভাজন ঃ**

অসমত প্ৰচলিত খেল-ধেমালি তথা লোক ক্ৰীড়াসমূহ মানুহ, চৰাই-চিৰিকটি, জীৱ-জন্তু লৈ বিভিন্ন ধৰণৰ হোৱা দেখা যায়। অসমত কিছুমান খেল জীৱ-জন্তু তথা চৰাইচিৰিকটিক লৈও অনুষ্ঠিত হয়। যেনে— ম'হৰ যুঁজ, পশু যুঁজ, শেন খেল, কুকুৰা যুঁজ, বুলবুলি চৰাইৰ যুঁজ ইত্যাদি। ঠাই বিশেষে মানুহ তথা জীৱ-জন্তুৰ মাজত প্ৰচলিত খেলবোৰৰ নীতি-নিয়মৰ কিছু পাৰ্থক্য পৰিলক্ষিত হয়। তলত এই খেলসমূহৰ এটি সংক্ষিপ্ত বিৱৰণ দিয়া হ'ল—

অসমীয়া গ্ৰাম্য সমাজৰ শিশুসকলৰ মাজতো কিছুমান খেল প্ৰচলিত হৈ আহিছে। শিশুসকলৰ মাজত প্ৰচলিত হৈ থকা খেলসমূহৰ বিষয়ে ক'বলৈ গ'লে তলত উল্লেখিত খেলকেইটিৰ নাম নিশ্চয় ল'ব লাগিব। যেনে—

**ক) পুতলা বা দৰা কইনাৰ খেল ঃ** সাধাৰণতে ল'ৰা আৰু ছোৱালী উভয়ৰ মাজত প্ৰচলিত এই খেলবিধ অসমীয়া সমাজৰ অতিকৈ জনপ্ৰিয়। ফটা কাপোৰেৰে দৰা অথবা কইনা সাজি, বিয়ানাম গাই আৰু বিয়া পাতে। এনেদৰেই এই খেলবিধ খেলা হয়।

**খ) লুকা-ভাকু খেল ঃ** অসমীয়া গ্ৰামাঞ্চলত লুকা-ভাকু খেলবিধৰ এক ব্যাপক সমাদৰ আছে। এই খেলবিধ কেইবাজনো ল'ৰা-ছোৱালীয়ে একেলগে খেলে। এজনে চকু মুদি আনকেইজনক লুকাবলৈ দিয়ে। বাকীবোৰে লুকাই বিভিন্ন শব্দৰে ইংগিত দিয়ে। তাৰ পাছতেই চকু মুদা জনে বিচাৰে। আটাইবোৰৰ ভিতৰত যাকেই প্ৰথমে বিচাৰি পায় সিয়েই পিছৰ বাৰ আন কেইজনক বিচাৰিব লাগে।

**গ) চেংগুটি খেল ঃ** গাঁও অঞ্চলৰ ল'ৰা-ছোৱালীৰ মাজত প্ৰচলিত 'চেংগুটি খেলৰ এক সুকীয়া মাত্ৰা আছে। এই খেলত এজন বা ততোধিক খেলুৱৈয়ে পাঁচটা গুটি (শিলগুটি) বেলেগ বেলগ কৌশলেৰে কিছুমান নিৰ্দিষ্ট পৰ্যায়ত খেলে। ঠাই বিশেষে এই খেলৰ নিয়ম-নীতিৰ পৰিৱৰ্তন হোৱা দেখা যায়।

**ঘ) অলৌগুটি খেল ঃ** এজন বা ততোধিক খেলুৱৈ যিকোনো এজনে হাতৰ মুঠিত এটা গুটি লুকুৱাই এটি গীত গাই গাই সেই গুটিটো কোনখন হাতত আছে বিচাৰিব লাগে। খেলবিধত গোৱা গীতটোৰ কলি তলত সম্পাদিত ৰূপত প্ৰকাশ কৰা হ'ল—

'অলৌগুটি তলৌ গুটি
কচু গুটি ঘাই
যিখন হাতত গুটি আছে
সেইখন হাতত পায়।' ইত্যাদি।

**ঙ) ব' গুদু বা জোনাকী পৰুৱা খেল ঃ** সাম্প্ৰতিক সময়ছোৱাটো এইবিধ খেলে গাঁৱলীয়া শিশুৰ মাজত নিজৰ অক্ষুণ্ণতা বজাই ৰাখিছে। এতিয়াৰ শিশুসকলৰ মাজত এইবিধ খেলক 'জোনাকী পৰুৱা' খেল বুলিহে জনা যায়। এই খেলত কেইবাজনো ল'ৰা-ছোৱালী দুটা ভাগত ভাগ হয়। তাৰে যিকোনো এজন মাজত থিয় হৈ দল দুটাক দুয়োফালে থিয় কৰি ৰখা হয়। দুয়োটা দল এটা ঘৰৰ মাজত সোমায় থাকে। এতিয়া দুয়োটা দলৰ মাজৰ জনে চুব নোৱাৰাকৈ ইটো দলৰ পৰা সিটো দললৈ খেলুৱৈ অহা-যোৱা কৰিব লাগে। যদিহে কোনো খেলুৱৈক নিৰ্দিষ্ট সীমা নোপোৱাৰ আগতেই মাজত থকা জনে স্পৰ্শ কৰে তেন্তে খেলবিধ পুনৰ আৰম্ভ হ'ব।

**চ) ৰং ৰং খেল ঃ** এইবিধ খেলত কিছু নাটকীয় প্ৰকাশভঙ্গী পৰিলক্ষিত হয়। কেইবাজনো খেলুৱৈয়ে মাটিত নিজৰ বাবে একোটাকৈ ঘৰ বনায়। এতিয়া যিকোনো এজনে ঘৰৰ বাহিৰত থাকি প্ৰশ্ন কৰিব—

'প্ৰশ্ন ঃ ৰং ৰং
খেলুৱৈ ঃ কি ৰং
প্ৰশ্ন ঃ ৰঙা ৰং' (অসম্পাদিত) বুলি কোৱাৰ লগে লগে খেলুৱৈসকলে সোঁ ভৰিক বাওঁ হাতেৰে ধৰি ৰং বিচাৰি আনিব লাগিব। যদিহে ভৰিখন তলত পৰোতে প্ৰশ্ন কৰাজনে তেওঁক স্পৰ্শ কৰে তেন্তে খেল পুনৰ আৰম্ভ কৰা হ'ব আৰু এইবাৰ তেওঁ আমাক প্ৰশ্ন কৰিব লাগিব।

**ছ) পুখুৰী পাৰ খেল ঃ** এই খেলত বহুতো ল'ৰা-ছোৱালী একেলগে এটা শাৰীত থিয় হয়। তেওঁলোকৰ সন্মুখেৰে এডাল আঁচ টানি এফালে পুখুৰী আৰু আনফালে পাৰ বুলি চিনাক্ত কৰি দিয়া হয়। এতিয়া এজনে দূৰৈৰপৰা 'পুখুৰী পাৰ' বুলি বিভিন্ন ধৰণেৰে কৈ থাকে। দলটোৰ যিজনে ভুলকৈ এফালৰপৰা আন ফাললৈ জাপ মাৰিব তেৰেঁই দলৰপৰা বাহিৰ হ'ব লাগে।

**জ) আঙুলি খেল ঃ** ৫-৬ জনী ছোৱালীক লৈ এই খেল খেলা হয়। খেলৰ আৰম্ভণিতে মজিয়াত হাত দুখন ওলোটাকৈ স্থাপন কৰা হয়। খেলুৱৈসকলৰ কোনোবা এজনীয়ে নিজৰ সোঁহাত চাৰি নুৰিওৱাৰ দৰে নুৰিয়াৰ দৰে নুৰিয়াই মুঠি মাৰি লয়। সোঁফালৰ খেলুৱৈৰপৰা আৰম্ভ কৰি হাতত ভুকু মাৰি তলৰ গীতটো গোৱা হয়—

'আসিনি বিসিনি
দাব দাবিনি
চিলা বাৰী ভাওখা বাৰী
ৰাজানী খ'ৰ
জালাং বায়
হায় হায়, উচুংনি বিকাৰ
বাৰী খনানী চিলিংখাৰ।
আসৌ বিসৌ

গৌমব্রি বিজৌ
সালদাং মালদাং
নাফাই দাং
জুছায় পানী
ঔৱাদাং
ছিং স্রায় গো।'

**ঝ) জোকোৰা খেল ঃ** বড়ো সমাজত প্ৰচলিত ই এক জনপ্ৰিয় পৰম্পৰাগত খেল। বড়ো সমাজৰ ল'ৰা-ছোৱালীয়ে বুঢ়া-বুঢ়ী দেখিলেই হাঁহি খিকিন্দালি মাৰি হুলস্থূল কৰি গীত গোৱাৰ এক নিয়ম আছে। গীতবোৰ এনে ধৰণৰ—

'আদি দিগা মাই বলংগা
স্বানজাৰি হৌৱা বুহুংগা মাই বাৰী
মাই বাৰী যাত্ৰী গিজি
হমন্নালৈ ইলু ইলু লু-লু-লু।

**ঞ) চোৰ-পুলিচ ঃ** চোৰ-পুলিচ খেলবিধ বৰ্তমানেও সমাজৰ শিশুৰ মাজত সক্ৰিয়ভাৱে বৰ্তি আছে। দুই বা ততোধিক খেলুৱৈয়ে এজনক চোৰ সজাই আন কেইজন পুলিচ হয়। চোৰ হোৱা জন পলাই ফুৰিব আৰু পুলিচ হোৱা কেইজনে বিচাৰি ফুৰিব লাগে।

**ট) ছাগলী গিৰি ঃ** মুখে মুখে প্ৰচলিত এইবিধ খেলৰ সম্পৰ্কে কোনো সঠিক তথ্য লাভ কৰিব পৰা নাযায় যদিও এই খেলত এজাক ল'ৰা-ছোৱালীয়ে এটা গীত গাই গাই ইজনে সিজনৰ হাতত ধৰি হাতৰ তলেৰে পাৰ হৈ পাক খাই খেলে। গীত—

'ছাগলী গিৰি, ছাগলী গিৰি
কিহে পাই লক্ষ্মী গিৰি
তোৰ ছাগলীয়ে ধান খায়
বান্ধে বান্ধে বান্ধ খায়।' (সম্পাদিত)

**ঠ) ওকুলি মুকুলি আঙুলি খেল ঃ** কেইবাজনো ল'ৰা-ছোৱালী একেলগ হৈ হাত কেইখনৰ পতা ওপৰলৈ দি গীত গায়—

'ওকুলি মুকুলি
দুকুলি কাঁহী
আদ দৌ দৌ
ডোমৰ দাহি
আম পাতে জাম যায়
কঁঠাল পাতে সুহুৰিয়াই
অ বৌ মৰি আনি
বাই অ'
কিবা এটা আহিছে
খোট মাৰি খাই অ' দে। মুখে মুখে প্ৰচলিত হোৱা গীতৰ সম্পাদিত কলি বুলি গীত গাই যাৰ হাততে গীতৰ শেষৰ কলিটো পৰে সিয়ে হাতখন জপাই দিয়ে। এনেকৈয়ে ক্ৰমান্বয়ে ইজনৰ পাছত সিজনলৈ চলি থাকে। এই খেলৰ সঠিক নামকৰণ পোৱা নাযায়।

**ড) টাং গুটি খেল ঃ** এই খেলৰ বাবে টাংগুটি গছৰ বুঢ়া আঙুলিৰ সমান ডাল এটাৰ চাৰি আঙুলমান কাটি লৈ দুয়োটা মূৰৰ বিপৰীত দিশত চেপেটা কৰি তৈয়াৰ কৰা হয়। ডেৰ হাটমান দীঘল এডাল দেন্দায় মাৰিৰে ওকট মাৰি দলিওৱা হয় আৰু বিপৰীত দলে ধৰিব পাৰিলে পাল পায়।

**ঢ) ওপেনটি বাইছ কোপ খেল (নামকৰণ পোৱা নাযায় ঃ** এই খেলত কেইবাজনো খেলুৱৈয়ে শাৰী পাতে। তাৰে দুজন খেলুৱৈয়ে সন্মুখা-সন্মুখিকৈ ইজনে সিজনৰ হাতত ধৰি তলত দিয়া গীতটো গায় আৰু হাতৰ তলেদি অন্যান্য খেলুৱৈবোৰ পাৰ হৈ যায়। গীত—

'ওপেনটি বাইছ কোপ
লাইব্ৰেৰী তেইছ কোপ
চোন তলা বেবি হনা
লাইব্ৰেৰীত মদৰ খেলা
স্কুল মিস্কুল ৰেণু বালা।' অসম্পাদিত গীতৰ কলি বুলি গীতৰ শেষৰ কলিটোতে সন্মুখা-সন্মুখিকৈ থকা দুজনে হাত দুখন পেলায় দিলে শাৰীটোৰ যিজনেই হাতৰ মাজত সোমাব তেৱেঁই দলৰ পৰা বাহিৰ হ'ব।

**ণ) কাউৰী খেল ঃ** এইবিধ বৰ্তমানেও গ্ৰাম্য সমাজৰ ল'ৰা-ছোৱালীৰ মাজত প্ৰচলিত হৈ আছে। এই খেলত এজাক ল'ৰা-ছোৱালীয়ে তেওঁলোকৰ মাজৰপৰা এজনক কাউৰী সজায়। তাৰ পাছত আটাইবোৰে হাতে হাত ধৰি ঘূৰণীয়া হৈ থাকে আৰু কাউৰী হোৱাজনক প্ৰশ্ন কৰে। কাউৰীয়ে আঁতৰৰ পৰা উত্তৰ দিয়ে।

খেলুৱৈ ঃ কাউৰী এ পকা কঁঠাল খাহি
কাউৰী ঃ বোকা আছে পানী আছে কেনেকৈ যাম?
খেলুৱৈ ঃ জঁপিয়াই জঁপিয়াই
কাউৰী ঃ কাপোৰখিনি ক'ত থ'ম?
খেলুৱৈ ঃ বাঁহৰ আগত।
কাউৰী ঃ লাখুটি ডাল ক'ত থ'ম?
খেলুৱৈ ঃ বেঙেনা গছত। বুলি কা-কা-কা-কাঁকৈ আহি ঘেৰটোৰ মাজত আকৌ গাব—
কাউৰী ঃ বেজি সিওঁ সিওঁ
খেলুৱৈ ঃ নিসিওঁৱা নিসিওঁৱা
কাউৰী ঃ তাত বওঁ বওঁ
খেলুৱৈ ঃ নব'বা নব'বা
কাউৰী ঃ এইফালে কি আছে?
খেলুৱৈ ঃ ঘৰ ইত্যাদি বুলি শেষত ক'ব।
কাউৰী ঃ ওপৰলৈ চোৱা সৌটো কি?



খেলুৱৈ ওপৰলৈ চাওঁতেই কাউৰী পলাই গৈ যাক চুব সিয়ে কাউৰী হ'ব লাগিব। (সম্পাদিত)

অসমীয়া সমাজত ডেকা যুৱক-যুৱতী তথা মহিলাসকলৰ মাজতো কেতবোৰ আমোদজনক খেল প্ৰচলিত হৈ আহিছে। যেনে—

**১) গৰখীয়া এছাৰি খেল ঃ** পুৰণি অসমত প্ৰচলিত পৰম্পৰাগত খেলসমূহৰ ভিতৰত ই হৈছে এক অন্যতম খেল। বৰ গৰখীয়াই এছাৰি এডাল পথাৰৰ কোনো এঠাইত পেলাই ৰাখে। আন গৰখীয়া খেলুৱৈয়ে সেই এছাৰিডাল ডেই গ'লে, বৰ গৰখীয়াই সেই এছাৰিডাল আনি এনেদৰে গণনা কৰে—

এলেং বাঁহৰ তেলেং গাঁঠি; জপৌ পৌ সোণৰ গাঁঠি।
গৰু মৰীয়া, কোপতীয়া; হাতৰ এছাৰি গৰখীয়া।।

ডেই যোৱা গৰখীয়া খেলুৱৈয়ে বৰগৰখীয়াক গাঁঠিৰ প্ৰতি এটাকৈ তামোল আৰু পাৰ প্ৰতি এখিলাকৈ পাণ দিব লাগে।

**২) ঘিলা খেল ঃ** পুৰুষ আৰু মহিলাসকলৰ মাজত প্ৰচলিত অসমৰ আন এটা পৰম্পৰাগত খেলৰ ভিতৰত ঘিলা খেল অন্যতম। এডোখৰ সমান ঠাইত নিৰ্দিষ্ট জোখত কেইবাটাও ঘিলা পাতে। নিৰ্দিষ্ট দূৰত্বৰপৰা আন এটা ঘিলা দলিয়াই লগাব পাৰিলে ঘিলা পায়। আনহাতে, আকৌ মাজৰ ঘিলাটোত লাগিলে ঘিলা ভৰিব লাগে। বুৰবুৰি, চেলচেলি আদিবোৰ এই খেলৰ প্ৰচলিত নিয়ম।

**৩) কড়ি খেল ঃ** কড়ি খেল অসমীয়া সমাজৰ এক জনবিশ্বাসৰ ওপৰত প্ৰচলিত। ই হৈছে প্ৰজনন অংগৰ প্ৰতীক। আদিম সমাজৰ পৰাই ইয়াৰ ওপৰত কিছুমান ধৰ্মীয় গুণ আৰোপ কৰা হৈছিল। টাই আহোমসকলৰ মাজতো ই আছিল অতিকৈ জনপ্ৰিয় খেল।

**৪) ঢোপ খেল ঃ** পুৰুষ আৰু মহিলা উভয়ৰে মাজত চলা ই হৈছে আন এক প্ৰকাৰৰ খেল। এই খেল সাধাৰণতে মাঘ আৰু ব'হাগ বিহুৰ সময়ত খেলা দেখা যায়। ফটাকানিৰে এফালে নেজৰ দৰে ধূমকেতু সদৃশ টোপোলা এটা বান্ধি এটা দলে আনটো দললৈ দলিয়া-দলি কৰে।

**৫) গেছ এলোৱা খেল ঃ**

'আই থালি বাই থালি
গাৱায় দা মৌন
থিবাউলি থিবাউলি
আই সৌথ বাই সৌথ
খিপীয়া স্ৰৌথ' বুলি এই খেল খেলা হয়।

**৬) গছ কুমটি খেল ঃ** এজোপা চাপৰ ডালপাত বেছিকৈ থকা গছৰ ওপৰত এই খেলৰ খেলুৱৈবোৰ উঠে। মাটিত এজন কুমটি হৈ থাকিব গছত উঠাৰ পাছত কুমটি গৈ যি জনক চুব সি নামি আহি কুমটি হ'ব।

**৭) ডগৰ বগৰ খেল ঃ** অসমৰ প্ৰধানকৈ দুটা বিহু মাঘ আৰু ব'হাগ মাহত এই খেলা হয়। এই খেলত প্ৰতিযোগীৰ শক্তি পৰীক্ষা কৰা হয়। ইয়াত ডেকা ল'ৰাবিলাকে বাহুৰে, কঁকালে-কঁকালে বগৰা-বাগৰিকৈ খেল খেলে।

**৮) তেল সনা বাঁহ বা কলগছ বগোৱা খেল ঃ** এই খেলত এডাল বাঁহ বা কলগছত তেল সানি লোৱা হয়। বাঁহ বা কলগছডালৰ মূৰত এটা আকৰ্ষণীয় উপহাৰ ৰখা হয়। খেলুৱৈজনে সেই বাঁহডাল বগাই তাৰপৰা পুৰস্কাৰটো আনিব লাগে।

**৯) ৰছী টনা খেল ঃ** ৰছী টনা খেলত এডাল ৰছীৰ দুয়োফালে সমান খেলুৱৈ হ'ব লাগে। ইয়াৰ পাছত দুয়োটা দলে টনা-আঁজোৰা কৰি যিটো দলক টানি পেলাব পাৰে সেই দলটোৱে পৰাজিত হয়।

**১০) টেকেলি ভঙা খেল ঃ** সাধাৰণতে ব'হাগ বিহুৰ সময়ত প্ৰচলিত ই হৈছে এক প্ৰকাৰৰ হাস্য মধুৰ খেল। ইয়াত খেলুৱৈজনৰ চকু বান্ধি হাতত এডাল ডাং তুলি দিয়া হয়। অলপ আঁতৰত এটা টেকেলি মুখখন তললৈ দি ৰখা হয়। যিজনেই টেকেলিটো ভাঙিব পাৰিব তেঁৱেই বিজয়ী হ'ব।

**১১) পেং খেল ঃ** দুডাল বাঁহৰ ডাং লৈ তলৰপৰা মূৰৰ সমান ওপৰত ভৰি দিব পৰাকৈ আন দুটুকুৰা বাঁহ বান্ধি লৈ চাং বা ওখ ঠাই, জান-জুৰি আদি পেঙত উঠি বগাই এই খেল খেলে।

**১২) কণী যুঁজ খেল ঃ** কণী যুঁজ অসমৰ খেল-ধেমালিৰ ভিতৰত এটা অতি জনপ্ৰিয় খেল। সেই খেল ব'হাগ বিহুৰ সময়ত অনুষ্ঠিত হোৱা দেখা যায়। এই যুঁজত সাধাৰণতে পাতি হাঁহৰ কণী যুঁজোৱা হয়। কণী যুঁজৰ আগতে দুই যুঁজাৰুৰ মাজত 'দৰ দাম' ঠিক কৰা হয়। 'দৰ দাম'ৰ দ্বাৰা কণীৰ বহল পিঠি আৰু জোঙা— এই ফাল দুটাৰ কোনটোৰ দ্বাৰা কণীক যুঁজোৱা হ'ব তাকেই বুজাই। ইয়াৰ পাছত এজনে কণীৰ এটা ফালেৰে আনজনৰ কণীটোৰ নিৰ্দিষ্টকৈ দিয়া ফালটোত খুন্দা মাৰি দিয়ে। যাৰ কণী ভাঙে সিয়ে পৰাজিত হয়।

**১৩) কুকুৰা যুঁজ ঃ** ই হৈছে ডেকাসকলৰ মাজত প্ৰচলিত আন এক প্ৰকাৰৰ জনপ্ৰিয় খেল। এই খেলত সাধাৰণতে খেলুৱৈয়ে সোঁ ভৰিক বাওঁ হাতেৰে খামুচি ধৰি এজনে আনজনক আক্ৰমণ কৰে। মাঘৰ বিহুৰ সময়ত এই খেল প্ৰচলিত হৈ আহিছে। এনেদৰে খুন্দিয়া খুন্দি কৰি যিজনেৰ হাত সুলকি পৰে তেওঁৱেই পৰাজিত হয়।

**১৪) ৰাদুংগা খেল ঃ** এই খেল মুকলি পথাৰত খেলা হয়। ইয়াত অতি কমেও ১০-১২ গৰাকী ছোৱালীয়ে খেলিব পাৰে। ইয়াক এক নিৰ্দিষ্ট সময়ৰ ভিতৰত তাৰে এজনী ছোৱালীয়ে খেলুৱৈহঁতক হাতেৰে স্পৰ্শ কৰিবলৈ দৌৰি ফুৰিব লাগে। ইয়াত এটা গীত গোৱা হয়—

'আছুংগা বিছুংগা

ঠিলিকি নালায়
চাৰি চুৰি মৌ-ছৌ বুঢ়ী
নাংগল থেফ্ৰা
হাওঁৰীয়া মেৱা
থাকী থুকী
বৌৰ মানি মিফি।'

**১৫) ৰুমাল চুৰি খেল ঃ** অসমীয়া ডেকা ল'ৰা-ছোৱালীৰ মাজত এই খেলৰ ব্যাপক সমাদৰ আছে। এই খেলত কেইবাজনো ল'ৰা-ছোৱালীয়ে ঘূৰণীয়াকৈ সন্মুখা সন্মুখিকৈ বহি লয়। তাৰে এজনে হাতত এখন ৰুমাল লৈ ঘূৰি ঘূৰি নজনাকৈ এজনৰ পাছফালে দি যায়। যদি ৰুমাল থৈ যোৱা জনে গম নোপোৱাকৈ তেওঁক চুব পাৰে তেন্তে খেলৰ পৰা তেওঁ বাহিৰ হ'ব লাগে।

অসমীয়া সমাজ জীৱনত প্ৰচলিত পৰম্পৰাগত খেলবোৰৰ এইবোৰ মাত্ৰ একোটা সাধাৰণ উদাহৰণহে। ইয়াৰোপৰি অসমীয়া পৰম্পৰাগত খেল-ধেমালিবোৰত জীৱ-জন্তুক লৈও বহুতো খেল প্ৰচলিত হৈ আহিছে। ম'হ যুঁজ, গৰু যুঁজ, কুকুৰা যুঁজ, বুলবুলি চৰাইৰ যুঁজ আদিবোৰ ইয়াৰ এক উৎকৃষ্ট উদাহৰণ।

**সামৰণি**

বৃহত্তৰ অসমীয়া সংস্কৃতিক আমি মাত্ৰ কেইটিমান শব্দৰ মাজত সীমাবদ্ধ কৰি ৰাখিব নোৱাৰোঁ। অসমীয়া কৃষ্টি তথা সংস্কৃতিৰ অনবদ্য অংগ হিচাপে পৰম্পৰাগত খেল-ধেমালিৰ সম্পৰ্কত এই লেখাটোত কেৱল মাত্ৰ এটা চমু আভাসহে দাঙি ধৰা হৈছে। কিয়নো ই হৈছে এক বৃহৎ পৰিসৰৰ অসমীয়া লোক সংস্কৃতিৰ এক অভিন্ন অংগ। তথাপি সামৰণিত ক'ব বিচাৰিছোঁ যে যদিও চৰকাৰে সকলো সময়ত খেল-ধেমালিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে তৎসত্বেও কিন্তু অসমৰ পৰম্পৰাগত খেল-ধেমালিসমূহক বিস্তৃত তথা সুপৰিকল্পনা আৰু শৃঙ্খলাবদ্ধভাৱে প্ৰচাৰ তথা প্ৰসাৰ আৰু কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা হাতত লোৱা পৰিলক্ষিত হোৱা নাই। গতিকে এই ক্ষেত্ৰত চৰকাৰী তথা বেচৰকাৰী অনুষ্ঠান আৰু অসমৰ সংবাদজগতে শৃংখলিত আৰু সুদূৰপ্ৰসাৰী ব্যৱস্থাৰে অসমীয়া জাতি আৰু জন-জাতিৰ মাজত চলি অহা এই স্বকীয় সংস্কৃতিটোক বিশ্বৰ আগত চহকী সংস্কৃতি হিচাপে গঢ়ি এক নতুন পৰিচয় দিয়াৰ ক্ষেত্ৰত সক্ষম হ'ব। এই ক্ষেত্ৰত কেৱল চৰকাৰী বা বে-চৰকাৰী অনুষ্ঠানেই নহয় আমিও সচেতন হ'ব লাগিব। নৱ-প্ৰজন্মই এই খেলসমূহৰ প্ৰতি আগ্ৰহী হ'ব লাগিব। অভিভাৱকসকলেও নিজৰ ল'ৰা-ছোৱালীক এইবোৰৰ সৈতে পৰিচয় কৰাব লাগিব। সমাজত প্ৰতিবাদ কৰিলেই নহ'ব। প্ৰতিবাদৰ ভাষা বুজি প্ৰতিবাদী কণ্ঠসমূহেও এই সম্পৰ্কত সচেতন হ'ব লাগিব। 'এটা জাতিৰ সংস্কৃতি তেতিয়াহে সবল হ'ব পাৰে, যেতিয়া সেই জাতি নিজৰ সংস্কৃতিৰ প্ৰতি সদায় সচেতন আৰু আগ্ৰহী হৈ থাকে।'


সহায়ক গ্ৰন্থপঞ্জী ঃ

ইণ্টাৰনেট সেৱাৰপৰা পৰোক্ষভাৱে সহায় লোৱা হৈছে—

১) 'অসমৰ খেল ধেমালি'— নাৰায়ণ শৰ্মা

২) 'অসমৰ পুৰণি খেল-ধেমালি'— সুবোধমল্ল বৰুৱা

৩) 'অসমীয়া সংস্কৃতিৰ কনিকা'— ড° নাৰায়ণ দাস আৰু ড° পৰমানন্দ ৰাজবংশীৰ সম্পাদিত গ্ৰন্থ।

প্ৰত্যক্ষভাৱে সহায়ক গ্ৰন্থ ঃ

গগৈ, লোকেশ্বৰ 'অসমৰ লোক সংস্কৃতি' তৃতীয় খণ্ড, ২০১৩।

গগৈ, লোকেশ্বৰ 'অসমৰ লোক সংস্কৃতি' দ্বিতীয় প্ৰকাশ, আগষ্ট ২০০৯।


(অলিম্পিয়াৰ ক্ৰীয়ামূলক প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত)



# সূত জাতিয়ে পালন কৰা উৎসৱ অনুষ্ঠান


**নিহাৰিকা বৰা**
স্নাতক তৃতীয় ষাণ্মাসিক


**আৰম্ভণি ঃ**

মই ভাৰতবৰ্ষৰ অন্তৰ্গত অসম ৰাজ্যৰ এগৰাকী বাসিন্দা। মই অসমীয়া। ভাৰতবৰ্ষ মোৰ মাতৃভূমি। মই মোৰ মাতৃভূমি আৰু জাতিটোক সন্মান কৰোঁ, শ্ৰদ্ধা কৰোঁ আৰু ভালপাওঁ। 'সূত'ৰ অৰ্থ হৈছে— 'ৰথৰ সাৰথি' আৰু আন এক অৰ্থত 'ভাগৱত পুৰাণৰ কাহিনী কওঁতা।' অৰ্থ অনুসৰি মহাভাৰতৰ দিনৰে পৰা সূত জাতিৰ লোকসকলক নীচ বুলি গণ্য কৰা হৈছিল যদিও মই মোৰ জাতিক লৈ গৌৰৱবোধ কৰোঁ কাৰণ 'মহাৰথী কৰ্ণ, বিষ্ণুৰ অৱতাৰ শ্ৰীকৃষ্ণ আনকি হিন্দুশাস্ত্ৰ মতে মনু স্বয়ম্ভু সূত জাতিৰ অন্তৰ্গত আছিল। এনে এটা জাতিৰ অংশীদাৰ হৈ মই সঁচাই গৌৰৱ অনুভৱ কৰোঁ। সূত জাতিৰ ব্যক্তিসকল হিন্দুধৰ্মালম্বী গতিকেই আমি হিন্দুধৰ্মৰ অন্তৰ্গত বৈষ্ণৱ পন্থৰ লোক। আমাৰ বৈষ্ণৱ সমাজত 'এক দেৱ এক সেৱ' অৰ্থাৎ এজন ভগৱান বিষ্ণুক আৰাধনা কৰা হয় যদিও মানুহ বিশেষে বহুতে বিভিন্ন দেৱ-দেৱীৰ পূজা বা বিভিন্ন ধৰণৰ মূৰ্তি পূজা কৰা দেখিবলৈ পোৱা যায়। ইয়াৰ ব্যতিক্ৰম অৱশ্যে মোৰ পৰিয়ালো নহয়। জন্মৰ পিছত জনা হোৱাৰ পৰা মই মোৰ ঘৰত, গাঁৱত, নামঘৰত দেখি আহিছোঁ বিভিন্ন ধৰণৰ উৎসৱ-অনুষ্ঠানসমূহ সকলোৱে বৰ শ্ৰদ্ধা, আনন্দৰে পালন কৰে।

**বিৱৰণ ঃ**

আমি সৰুৰে পৰা মা-দেউতাৰ মুখেৰে শুনা, দেখি অহা বিভিন্ন অনুষ্ঠান-উৎসৱসমূহৰ বিৱৰণ তলত চমুকৈ উল্লেখ কৰিলোঁ।

**ৰাজহুৱা অনুষ্ঠান ঃ**

যি সমূহ অনুষ্ঠান বা উৎসৱ গাঁৱৰ ৰাইজে একেলগে মিলিত হৈ কৰে সেই সমূহকে ৰাজহুৱা অনুষ্ঠান বোলে। সেই সমূহ হ'ল—

**ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী ঃ**

সূতজাতিৰ লোকসকলে গাঁৱৰ নামঘৰত ভাদ মাহৰ অষ্টমী তিথিত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উৎসৱটি পালন কৰে। প্ৰথমে ৰাইজে নাম-প্ৰসংগ কৰে আৰু গোপিনীসকলে শ্ৰীকৃষ্ণৰ জন্ম, চতুৰালি, লীলা-মাহাত্ম্য বিশেষক দিহানাম পৰিৱেশন কৰে। সেইদিনা গাঁৱৰ সকলো যুৱক-যুৱতীয়ে ধৰ্মীয় সাজ-পাৰ (যেনে— ছোৱালীসকলৰ চাদৰ-মেখেলা আৰু ল'ৰা সকলৰ চুৰিয়া-গামোচা) পিন্ধি আহে আৰু জন্মাষ্টমীৰ প্ৰসাদ সকলো ৰাইজ, আই-মাতৃৰ লগত গ্ৰহণ কৰে। এনেকৈ জন্মাষ্টমী উৎসৱভাগ সুকলমে হৈ যোৱাৰ পাছত ৰাইজে বিদায় লৈ ঘৰমুৱা হয়। সেইদিনা সকলোৱে দীপক বন্তি জ্বলাই সকলো বিপদ-বিঘিনি নাইকিয়া হ'বলৈ ভগৱান কৃষ্ণক প্ৰাৰ্থনা জনাই। এই দিনটো সকলোৰে বাবে বৰ আনন্দৰ দিন হৈ উঠে।

**শ্ৰীকৃষ্ণৰ ৰাসলীলা ঃ**

শৰৎ মাহৰ পূৰ্ণিমা ৰাতিত শ্ৰীকৃষ্ণ মুৰাৰিয়ে গোপিনীসকলৰ লগত যমুনাৰ বালিত যি ৰাসক্ৰীড়া কৰিছিল তাৰ আলমত গাঁৱৰ নামঘৰ বা মন্দিৰ প্ৰাঙ্গণত ৰাসলীলা পাতে। ৰাস মন্দিৰ প্ৰাঙ্গণ ৰাসলীলাৰ আগদিনা 'গানিকা' হয়। গানিকাৰ দিনা গায়ন-বায়ন গায়, বাই আৰু নামপ্ৰসংগ কৰে। সেইদিনাই সমূহ ভাৱৰীয়া বা ৰাসলীলাৰ অন্তৰ্গত সকলো ব্যক্তিয়েই পিছদিনাৰ কাৰ্যসূচী অনায়াসে পাৰ হ'বৰ বাবে প্ৰাৰ্থনা জনাই শৰাই আগবঢ়াই। পিছদিনা ৰাতিপুৱা সকলোৱে মিলি মঞ্চসজ্জা হোৱাৰ পিছত দুপৰীয়া নাম-প্ৰসংগ তথা প্ৰসাদ

বিতৰণ হয়। সন্ধিয়াৰ পৰা বিভিন্ন ধৰণৰ গায়ন-বায়ন, বৰগীতেৰে মুখৰিত হৈ থাকে। গায়ন-বায়ন সমাপ্তি হোৱাৰ পাছত সূত্ৰধাৰ ওলায় আৰু তেওঁ গোটেই নাট গায় আৰু নাটখন পৰিচালনা কৰে। তাৰ পিছত স্ত্ৰী কৃষ্ণৰ প্ৰৱেশ হয়, গোপীৰ নৃত্য-নাটিকা, শ্ৰীকৃষ্ণ আৰু ৰাধাৰ ভণ্টা খেল আৰু পাছত শংখচূড় বধ আৰু গোপীৰ লগত পুনৰ কৃষ্ণৰ নৃত্য আৰম্ভ হয়। তাৰপিছত এফাকি নামেৰে এই উৎসৱৰ সমাপ্তি হয় আৰু তাৰ পিছত প্ৰসাদ গ্ৰহণ কৰি ঘৰলৈ যায়। তাৰপিছত সুবিধা চাই এদিন খোৱা-খুৱী পতা হয়। সকলোৱে আনন্দেৰে মিলি-জুলি এসাঁজ তৃপ্তিৰে আহাৰ গ্ৰহণ কৰে।

মহাভাগৱত পাঠ ঃ

মহাভাগৱত বা ভাগৱত পুৰাণ সেইখন পুথি যিখন পুথিৰ কথা শুকমুনিয়ে ৰজা পৰীক্ষিতৰ আগত বৰ্ণনা কৰিছিল। হিন্দু ধৰ্মৰ মহান গ্ৰন্থ মহাভাগৱত পুথিৰ বাৰটা স্কন্ধ আছে। সমস্ত জীৱৰ মংগলৰ অৰ্থে প্ৰতিবছৰে জেঠ মাহত নামঘৰত 'মহাভাগৱত পাঠ আৰু ব্যাখ্যা পতা হয়। মহাভাগৱত পাঠ তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। প্ৰথম দিনা ৰাতিপুৱা প্ৰাতঃপ্ৰসংগ কৰাৰ পাছত ৰাইজ, আই-মাতৃ, যুৱক-যুৱতীৰ সহযোগত নাম-গুণেৰে ভাগৱত ঘূৰোৱা হয়, যাক আমি 'উষা কীৰ্তন' বা 'নগৰকীৰ্তন' বুলি কওঁ। তাৰপৰা উভতি আহি নাম-প্ৰসংগৰে ভাগৱত পুথি ঠিক কৰি থোৱা স্থানত স্থাপন কৰে। তাৰ পিছত প্ৰসাদ আৰু ভোগ বিতৰণ কৰে আৰু পাঠকসকলে পাঠ কৰে। তেনেদৰেই তিনি দিন দুই ৰাতি একেলেথাৰিকৈ পাঠ কৰি থাকে। তিনি দিনৰ দিনা বিভিন্ন ধৰণৰ নাম, দিহানাম, হৰিধ্বনিৰে পাঠৰ সামৰণি মাৰে আৰু ভাগৱত ভ্ৰমণ কৰাই। মানুহৰ বিশ্বাস যে সেইদিনা যি সকলে পাঠ কৰিছিল তেওঁলোকৰ পদধূলা লোৱা ভাল, সেয়েহে সকলোৱে গাব চেলেং-গামোচা পাৰি দিয়ে তেওঁলোক যোৱা ৰাস্তাত। বিভিন্ন ধৰণৰ সুগন্ধি ফুল ছটিয়াই। দুপৰীয়া নাম-প্ৰসংগ হয় আৰু প্ৰসাদ-ভোগ বিতৰণ কৰি এই অনুষ্ঠানৰ সমাপ্ত কৰা হয়। তাৰপিছত এদিন খোৱা-খুৱী বা সমূহীয়া ভোজ পতা হয়।

মাধৱদেৱৰ তিথি ঃ

আমাৰ নামঘৰত ভাদ মাহত মাধৱদেৱৰ তিথি পতা হয়। মহান পুৰুষ জনাৰ তিথিত ৰাইজে নাম-প্ৰসঙ্গ কৰে। তাৰপিছত প্ৰসাদ বিতৰণ কৰি মাধৱদেৱৰ তিথি সমাপ্ত কৰা হয়। মাধৱদেৱ আৰু তেওঁৰ গুৰু শংকৰদেৱ আমাৰ জাতিৰ মধ্যমণি, হিয়াৰ আমঠু। তেওঁৰ তিথিলৈ গৈ আমিও বৰ সুখ অনুভৱ কৰোঁ। মহাপুৰুষ মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ 'নাম-ঘোষা'। সেইদিনা সকলোৱে ঘৰৰ পদূলিত এগছি বন্তি জ্বলোৱা হয়।

গোপিনীৰ বৰসবাহ ঃ

প্ৰতি বছৰৰ জেঠ মাহত গাঁৱৰ নামঘৰত গোপিনীৰ বৰসবাহ পতা হয়। এই অনুষ্ঠানত গোপিনীয়ে দিহানাম গায় আৰু ৰাইজৰ সহযোগত কেতিয়াবা দিহানাম প্ৰতিযোগিতা পতা হয়। গোপিনীয়ে নামগোৱা পিছত প্ৰসাদ বিতৰণ কৰে। আমাৰ গাঁৱত গোপিনীৰ বৰসবাহৰ লগতে বছৰেকীয়া সকামো একেলগে পতা হয়। প্ৰসাদ গ্ৰহণ কৰি সকলোৱে ভগৱানক প্ৰণাম জনাই ঘৰমুৱা হয় আৰু এই অনুষ্ঠান ইমানতে অন্ত পৰে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি ঃ

ভাদ আৰু আহিন মাহত অসমীয়াৰ হিয়াৰ আমঠু, বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক, নাট্যকাৰ, সাহিত্যিক, অভিনেতা, ধৰ্মগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ক্ৰমে মৃত্যু আৰু জন্ম তিথি পতা হয়। আহিন মাহৰ শুক্ল পক্ষৰ দশমী তিথিত নগাঁও জিলাৰ বৰদোৱা ওচৰৰ আলিপুখুৰী নামৰ ঠাইত ১৪৪৯ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰা মহাপুৰুষ গৰাকীয়ে বিশৃঙ্খল অসমীয়া সমাজখনক শৃংঙ্খলিত কৰিলে। বিভিন্ন সাহিত্যিক অৱদান দিলে। অসমীয়া সমাজক নতুন জীৱন দিলে, 'কীৰ্তন'ৰ দৰে এখন মহান গ্ৰন্থ দান দিলে। এইগৰাকী মহাপুৰুষৰ জন্ম তিথি বিজয়া দশমীৰ দিনা আমাৰ নামঘৰতে নহয় গোটেই অসমৰ সত্ৰ-নামঘৰত ধুমধামেৰে পালন কৰা হয়। খোল-তাল, গায়ন-বায়নেৰে নামঘৰ মুখৰিত হয়। নাম-প্ৰসংগ, দিহানাম, বৰগীত গুঞ্জৰিত হয় প্ৰত্যেক নামঘৰ-সত্ৰত। সকলোৱে ভক্তিভাৱেৰে সেইদিনা বন্তি-শৰাই আগবঢ়ায়। নাম-প্ৰসংগ হোৱা পিছত 'কীৰ্তন' পাঠ কৰে। তাৰপাছত সকলোৰে মাজত প্ৰসাদ বিতৰণ কৰে। প্ৰসাদ গ্ৰহণ কৰাৰ পাছত সকলোৱে বিদায় মাগে। ঠিক সেইদৰে ভাদমাহত মৃত্যু তিথিও এনেকৈ পালন কৰা হয়।

গুৰুজনাৰ অংকীয়া ভাওনা ঃ

গুৰুজনাৰ দ্বাৰা বিৰচিত আৰু বিভিন্ন মহাভাৰতৰ, ৰামায়ণৰ কাহিনীসমূহ ভাওনাৰ দ্বাৰা দেখুওৱা হয়। ভাওনাৰ আগদিনা 'গাণিকা' হয় আৰু গাণিকাত নাম-প্ৰসংগ হয়। ভাৱৰীয়াই সেইদিনা শৰাই-বন্তি আগবঢ়াই সকলো নিয়াৰিকৈ হৈ যাবৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই। পিছদিনা দুপৰীয়া নাম-প্ৰসংগ আৰু প্ৰসাদ বিতৰণ হোৱাৰ পিছত হৰিধ্বনিৰে সকলো ভাৱৰীয়াক আশীৰ্বাদ দিয়া হয়। আৰু ৰাতি গায়ন-বায়ন হোৱাৰ পিছত সূত্ৰধাৰৰ যোগেদি নিৰ্দিষ্ট নাট আৰম্ভ আৰু সামৰণি পৰে। তাৰপিছত প্ৰসাদ বিতৰণ হয়। আকৌ তাৰপিছত এদিন খোৱা-খুৱী পতা হয়।



গৰখীয়া সকাম ঃ

জেঠ মাহত আমাৰ নামঘৰত গৰখীয়া সকাম পাতে, যাতে গাঁৱৰ সকলোৰে গৰু বা অন্য পোহনীয়া জন্তুৰ কুশল-মংগল হয়। সেইদিনা নামঘৰত নাম-প্ৰসংগ হোৱাৰ পাছত প্ৰসাদ আৰু আঠীয়া কল আৰু দৈৰে তৈয়াৰ কৰা ঘোল বিতৰণ কৰে। তাৰপিছত এই অনুষ্ঠানৰ সামৰণি পৰে।

বিহু ঃ

আমাৰ জাতীয় উৎসৱ বিহুটি ব্যক্তিগতভাৱে সকলোৰে ঘৰত পতা হয় যদিও সমূহীয়াভাৱেও প্ৰত্যেক বিহুতে নামঘৰত প্ৰসাদ দিয়া হয়। বিহু ৩ টা। ব'হাগ, মাঘ, কাতি বিহু। ব'হাগ বিহুত ব্যক্তিগতভাৱে গৰু-গাই নৈত মাহ-হালধিৰে নোৱাই ধুৱাবলৈ নিয়া হয়। সন্ধিয়া বিভিন্ন ধৰণৰ ৰীতি-নীতিৰে নতুন পঘাৰে গৰুক জাক দি গোহালিত ভৰোৱা হয়। ডাঙৰক সেৱা আৰু সৰুক মৰম আৰু সকলোকে বিহুৱান যচা হয়। তাৰ বাহিৰেও সমূহীয়াকৈ আমাৰ গাঁৱৰ ৰাস মন্দিৰ আৰু খেল-পথাৰৰ প্ৰাঙ্গণত বিভিন্ন খেল-ধেমালি আৰু ব'হাগী বিদায় অনুষ্ঠান তথা সাংস্কৃতিক সন্ধ্যা পতা হয়। সেই সন্ধিয়া দিনত হোৱা খেল-ধেমালিৰ বঁটা বিতৰণ কৰা হয় আৰু অঞ্চলৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকল তথা বিশিষ্ট ব্যক্তি সকলক সম্বৰ্ধনা জনোৱা হয়।

মাঘ বিহুত সমূহীয়াভাৱে উৰুকাৰ নিশা ভেলাঘৰ সাজি প্ৰীতি ভোজ খাই আৰু নামঘৰত শৰাই দিয়া হয়। ৰাতিপুৱা অগ্নিক পূজা কৰি গাঁৱৰ জ্যেষ্ঠ ব্যক্তিগৰাকীয়ে ভেলাঘৰত জুই লগাই জ্বলাই দিয়ে।

কাতি বিহুত নামঘৰত শৰাই অৰ্থাৎ প্ৰসাদ দিয়া হয়, যাতে আগন্তুক দিন সকলোৰে বাবে সুখৰ হয়। আচলতে এই বিহুত তুলসী পুলি ৰোৱা আৰু তাৰ তলত নামগোৱা প্ৰথা প্ৰচলিত আছে।

কাতি বিহুত গোৱা এফাকি নাম এনেধৰণৰ—

'তুলসীৰ তলে মৃগপহু চৰে
তাকে দেখি ৰামচন্দ্ৰই
হৰধনু ধৰে।'

তাদুপৰি এই বিহুত 'আকাশ-দ্বীপ' জলোৱা হয়।

পবিত্ৰ ভাদমহীয়া নামঘৰত নাম ঃ

হিন্দুলোকৰ মতে শাওণ আৰু ভাদমাহটো পবিত্ৰ মনা হয়। পবিত্ৰ ভাদ মাহটোত নামঘৰত ৰাতি নাম-কীৰ্তন কৰে। আৰু শেষৰ দিনা নাম সামৰণি পাতে। নাম সামৰণিত নাম-প্ৰসংগ কৰে আৰু প্ৰসাদ তথা অন্ন বিতৰণ কৰে। ঠিক এনেকৈ প্ৰত্যেক বছৰে ভাদ মাহত নাম-কীৰ্তন কৰা হয়।

শিৱৰাত্ৰি ঃ

মহাশিৱৰাত্ৰিত মহাদেৱ বা শিৱক আৰাধনা কৰে তেওঁৰ ভক্তসকলে। আমাৰ গাঁৱৰ শিৱমন্দিৰত শিৱৰাত্ৰি প্ৰত্যেক বছৰেই অনুষ্ঠিত কৰে। সেইদিনা পুৱা শিৱমন্দিৰৰ পূজাৰীয়ে বোৱঁতী নদীৰ পানীৰে অভিষেক কৰাৰ পাছত সমাগম হয় অসংখ্য ভক্তৰ। ধূপ-ধূনা, তেল-বন্তি, ফুল, বেলপত্ৰ, গাখীৰে অভিষেক কৰে আৰু বন্তি জ্বলাই মংগল কামনা কৰি মনোবাঞ্ছিত বৰ বিচাৰে। মানুহে বিশ্বাস কৰে সেইদিনা বিচৰা বৰ আৰু আশীৰ্বাদ বিফলে নাযায়। তাৰপিছত যজ্ঞ হয়, হোম পুৰে আম গছৰ ডালৰ খৰিৰে। সেইদিনা শিৱ প্ৰসাদ যেনে— ভাঙৰ লাডু, ঘোটা বহু লোকে পান কৰে। শিৱৰাত্ৰিত বিভিন্ন ধৰণৰ নাম 'হৰ-পাৰ্বতীৰ বিয়া', 'শিৱ ভাঙ খাই পৰি থকা' আদি নাম আইসকলে গায়। তাৰপিছত প্ৰসাদ আৰু ভোগ দিয়ে। ৰাতি ভাওনা হয় 'সতীৰ দেহত্যাগ বা দক্ষযজ্ঞ' আদি। তাৰ পিছত এই অনুষ্ঠানৰ সামৰণি পৰে।

ব্যক্তিগত অনুষ্ঠান ঃ

**লক্ষ্মীপূজা ঃ** কাতি মাহৰ পূৰ্ণিমাৰ দিনা লক্ষ্মীপূজা পতা হয়। ঘৰে ঘৰে প্ৰসাদ আৰু চেনি, নাৰিকল মিলোৱা চিৰা দিয়া এই অনুষ্ঠানৰ এটা পৰম্পৰা। ধন বৃদ্ধিৰ বাবে এইগৰাকী ধনৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজা কৰা হয়।

**বিশ্বকৰ্মা পূজা ঃ** বিশ্বকৰ্মা পূজা আজি-কালি গাড়ী-মটৰ থকা মানুহৰ কাৰণে বেছি গুৰুত্বপূৰ্ণ। বিশ্বকৰ্মা সৰগৰ দেৱতাসকলৰ মিস্ত্ৰী। মানুহে বিশ্বাস কৰে যে বিশ্বকৰ্মা সকলো ধৰণ আচবাব, গাড়ী-মটৰত বিৰাজমান। সেইদিনা সকলোৱে নিজৰ নিজৰ চাইকেল, গাড়ী-মটৰ, চাউণ্ড চেট ভালদৰে চাফা কৰি মালা পিন্ধাই, ধূপ-ধূনা লগাই আৰু প্ৰসাদ, মিঠাই আদি খাবলৈ ইঘৰে সিঘৰক নিমন্ত্ৰণ কৰে।

**দেৱালী ঃ** কাতি মাহৰ কৃষ্ণপক্ষত দেৱালী উদ্‌যাপন কৰা হয়। কৃষ্ণ পক্ষৰ আন্ধাৰে আকাশ আৱৰি থকাৰ পাছতো সেইদিনা সহস্ৰ দীপেৰে জগত পোহৰাই ৰাখে। মানুহে কয় সত্যযুগত অযোধ্যাৰ ৰজা শ্ৰীৰামচন্দ্ৰই পিতৃ বাক্য পালন কৰি ১৪ বছৰ বনবাস খাটি উভতি অহাৰ দিনা সম্পূৰ্ণ অযোধ্যাবাসীয়ে এনেকৈ সহস্ৰ দীপকেৰে গোটেই অযোধ্যা পোহৰাই তুলি আনন্দ কৰিছিল। আজিও এই দিনটোত স্বয়ং অৱতাৰী পুৰুষ ৰাম আহে বুলি বিশ্বাস কৰে। বিভিন্ন ধৰণৰ ফটকা, ফুলজাৰিৰে পৰিৱেশ আনন্দময় কৰি ৰাখে। সেইদিনা প্ৰত্যেকৰ ঘৰে ঘৰে আনন্দ-উল্লাসৰ সৃষ্টি হয় আৰু প্ৰসাদো বিতৰণ কৰে।

**ফাকুৱা ঃ** ফাগুন মাহৰ পূৰ্ণিমাৰ দিনা এই উৎসৱ পতা হয়। এই উৎসৱত বিশেষত কৃষ্ণপূজা কৰা হয়। কথিত আছে যে এই কৃষ্ণপূজাত যি পলাশ ফুল লাগে সেয়া পলাশক কৃষ্ণই

বৰ দিয়াৰ ফল। কৃষ্ণই এবাৰ গৰু চৰাবলৈ যাওঁতে এজোপা পলাশক যি জোপাই দুখ কৰিছিল এইবুলি যে ইমান ডাঙৰ গছজোপাৰ এটা অংশও কোনোধৰণৰ কামত নালাগে সেইবাবে কৃষ্ণই পলাশক বৰ দিছিল যে পলাশ ফুল কেৱল তেওঁৰ পূজাতহে লাগিব। পলাশ ফুল নহ'লে তেওঁৰ পূজা আধৰুৱা হৈ ৰ'ব। সেয়েহে আজিও গোসাঁই মূৰত ফাকুৱা দিয়াৰ দিনা অঞ্জলি হিচাপে পলাশ ফুল ব্যৱহাৰ কৰে বা দিয়ে। গোসাঁইৰ মূৰত ফাকুৱা দিয়া পিছদিনা ফাকুৱা মানুহে ইজন-সিজনে সানে, পিচ্‌কাৰি মাৰে। ফাকুৱাত সকলোৱে পুৰণি শত্ৰুতা পাহৰি আনন্দেৰে সকলোৱে স্ফূৰ্তি কৰে। সেইদিনা ডেকা-বুঢ়া সকলোৱে ফাকুৱা খেলে। ইজনে-সিজনৰ প্ৰতি মৰম-শ্ৰদ্ধা জ্ঞাপন কৰে। কিছুলোক ফাকুৱাত শংকৰদেৱৰ জন্মস্থান বৰদোৱালৈ যায়। তাত চাকি-বন্তি দিয়ে। বৰদোৱাত সেইদিনা মেলা হয়। ফাকুৱাত বিভিন্ন ধৰণৰ ৰঙৰ ফাকুৱে জীৱনটো ৰঙীন কৰি পেলায়।

**তিনিটা বিশেষ অনুষ্ঠান ঃ**

মানুহে কয় বা বিশ্বাস কৰে যে জন্ম, মৃত্যু, বিবাহ এই তিনি কথা কেৱল ভগৱান অৰ্থাৎ বিধাতাইহে জানে। জন্মৰ দিনৰ দিনা বোলে বিধাতাই নৱজাতকৰ কপালত লিখি দি থৈ যায়। বিবাহৰ ক্ষেত্ৰতো বোলে ভগৱানেই হেনো ওপৰৰ পৰা যোৰা বনাই পঠায় ইত্যাদি ইত্যাদি। এইকেইটা বৰ এৰাব নোৱৰা আমাৰ জীৱনৰ অংশ। জন্ম হ'লে মৃত্যু হ'বই, আকৌ জন্ম হ'লেই এদিন নহয় এদিন বিবাহ হোৱাটো স্বাভাৱিক।

**জন্ম ঃ** এটি গৰ্ভস্থ সন্তানে যেতিয়া জন্ম গ্ৰহণ কৰি পৃথিৱীৰ পোহৰ দেখে তেতিয়া হয়তো যিটো অনুভূতি মনত জাগ্ৰত হয়, এগৰাকী মাতৃৰ, তাক কেৱল তেওঁহে বুজে। সন্তানটি ডাঙৰ কেনেকৈ কৰিব, তাৰ ভৱিষ্যৎ কেনেকুৱা হ'ব এনেধৰণৰ কথা ভাবি এগৰাকী মাতৃৰ মন ব্যস্ততাৰে ভৰি পৰে। মানুহে কয় নাৰীৰ বোলে তিনি জনম। এবাৰ কাৰোবাৰ জীয়ৰী হিচাপে, এবাৰ কাৰোবাৰ পত্নী হিচাপে আৰু এবাৰ মাতৃ হিচাপে নাৰীৰ জনম মানে জীৱন আগবাঢ়ে। ইয়াৰ ভিতৰত এগৰাকী মাতৃ হোৱাৰ আনন্দ সদায় স্বৰ্গ সুখৰো ওপৰত।

**জন্ম হোৱাৰ আগত ঃ** এটি সন্তান জন্মৰ আগত গৰ্ভৱতী নাৰীগৰাকীৰ পাঁচমাহ পূৰ্ণ হ'লে তেওঁৰ আৰু তেওঁৰ সেই গৰ্ভস্থ সন্তানটিৰ মংগলৰ বাবে 'পঞ্চামৃত' নামৰ এটি মাংগলিক অনুষ্ঠান পতা হয়। এই অনুষ্ঠানটোত গাঁৱৰ গোপিনী ৫ জনীক মাতি সকলোৰে পাঁচবিধকৈ বস্তু আনি এই অনুষ্ঠানভাগ পতা হয়। বস্তু এই সকামত কমিলে অশুভ হয় বুলি বিশ্বাস কৰে।

**জন্ম হোৱাৰ পাছত ঃ** সন্তানটি জন্ম হোৱাৰ লগে লগে কাঁহৰ বাটি এটা বজাই দিয়া হয় আৰু দুৱাৰডলিত এচটা ছিৰি আৰু বগৰীৰ ডাল ওলোমাই দিয়া হয়।

জন্ম হোৱাৰ তিনি দিনৰ দিনা কোঠাটোৰ চুকত এখন কাঁহৰ কাঁহীত এডাল পেঞ্চিল, এখন কিতাপ আৰু এটা ভোজনি থৈ এগছি চাকি জ্বলাই ৰখা হয়। মানুহে বিশ্বাস কৰে সেই ৰাতি সকলো শুৱাৰ পাছত বিধাতাই আহি নৱজাতক সন্তানটিৰ কপালত তাৰ ভাগ্যৰ বিষয়ে লিখি থৈ যায়।

সন্তানটি ল'ৰা হ'লে ৭, ছোৱালী হ'লে ৯ মাহত 'অন্নপ্ৰাসন' অনুষ্ঠান পতা হয়। এই অনুষ্ঠানত সন্তানটিৰ মুখত ভাত দিয়া হয়। পৰিয়ালৰ বিভিন্ন লোকে সেইদিনা শিশুটিৰ বাবে উপহাৰ আনে।


ৰাইজেও সেইদিনা শিশুটিক ভৱিষ্যৎ জীৱনত একো বিপদ নোহোৱাকৈ সুখেৰে পাৰ হ'বলৈ হিয়া উজাৰি আশীৰ্বাদ দিয়ে।

**বিবাহ ঃ** ল'ৰা-ছোৱালী উভয়ৰ বাবে বিবাহিত জীৱনটো বৰ গুৰুত্বপূৰ্ণ। প্ৰতিগৰাকী মাক-দেউতাকে বিচাৰে যে তেওঁৰ ছোৱালীজনী এখন ভাল ঘৰলৈ বিয়া হৈ যাওক ঠিক একেদৰে ল'ৰালৈও ভাল বোৱাৰী এজনী। বিয়াৰ পিছত স্বামীৰ ঘৰখনেই নিজৰ ঘৰ হয়। পুৰণি সম্বন্ধ ছিঙি নতুনক আদৰি ল'ব লাগে। আমাৰ হিন্দু সমাজত 'তোলনি' বিয়া বুলি এখন সৰু বিয়া তোলা হয়। এই বিয়া যি ছোৱালী হৈ উঠে সিহঁতক গাভৰু হ'ল বুলি কয়। তোলনি-বিয়াও আজিকালি 'বৰ বিয়া'ৰ নিচিনাকৈয়ে পতা হয়। মাত্ৰ বৰ বিয়াৰ দৰে ইয়াত দৰা আৰু 'জোৰোণ' নাহে।

**তোলনি-বিয়া ঃ** এই বিয়া সাত দিনৰ দিনাহে পতা হয়। চাৰিদিনৰ দিনা 'চাৰিদিনীয়া ধুউৱা' বুলি কোৱা হয়। সেইদিনা কইনাৰ সখীয়েকে গোপিনীৰ উপস্থিতিত নোৱাই। তাৰপিছত গোপিনীৰ লগত প্ৰসাদ খায়। তাৰপিছত গোপিনীয়ে চাহ খাই বিদায় লয়। সাত দিনৰ দিনা ৰাতিপুৱা নোৱাই মুগাৰ কাপোৰ পিন্ধাই কইনা সজাই দিয়া হয়। দুপৰীয়া আকৌ এবাৰ নোৱাই সমাজলৈ কইনাক দাঙি আনি দলিচাৰ কাষেৰে চাৰিপাক ঘূৰি বহিব দিয়ে আৰু দাঙি অনা গৰাকীয়ে এটা হ'লেও কইনাৰ মূৰৰ ওকণি মাৰিব লাগে। তাৰ পিছত কইনাৰ মাকে মূৰত তেল দিয়ে, চুমা খাই আৰু কানাই কোলাত লয়। কইনাক সজাই হোৱাৰ পাছত 'খুৰীয়েকে' কানাই কোলাত লয়। কানাই কোলা মানে হৈছে কইনাক নোওৱা তামোলটো আঁচলৰ আগত লৈ ইজনীৰ পৰা সিজনীলৈ দিয়া। তাৰ পাছত সকলোৱে অনা উপহাৰসমূহ দিয়ে। তাৰপিছত ৫ গৰাকী গোপিনীয়ে পাঁচটা বঁটাত থকা ফুল কইনাক দিয়ে কইনাই গোপিনীক দিয়ে আৰু তেনেকৈ তিনিবাৰকৈ কৰে। আৰু কইনাই ৫ টা শিশুক ৫ টা কলত কোলাত বহুৱাই দি চুমা খোৱাৰ নিয়ম আছে। তাৰ পিছত মাকৰ সৈতে কইনাই গোপিনীক সেৱা কৰে আৰু গোপিনীয়ে তেওঁলোকক আশীৰ্বাদ দিয়ে। তাৰপিছত অতিথি অভ্যৰ্থনা চলে। ৰাতি ৰাইজৰ দ্বাৰা পুথি পঢ়ায় আৰু প্ৰসাদ দিয়ে।

**বৰবিয়া ঃ** বৰবিয়া সাধাৰণতে দুদিনীয়া হয়। প্ৰথম দিনা 'জোৰোণ' বা 'খাৰুমণি' বুলি কয়। সেইদিনা ৰাতিপুৱা দৰা-কইনাৰ ঘৰত পুঠি পঢ়ে। তাৰ পিছত দৰা ঘৰৰ পৰা কইনাৰ ঘৰলৈ জোৰোণ আহে। কইনাৰ ঘৰে জোৰোণ আদৰে আৰু দৰাঘৰীয়াই কইনাক জোৰোণ পিন্ধাই খাই বৈ গুচি যায়। ৰাতি দুইঘৰতে পানী তোলে আৰু নোৱাই। পিছদিনা দোক্‌মোকালিতে কইনাক ঘৰৰ পৰা উলিয়াই লোকৰ ঘৰত থাকিব দিয়ে যাক 'দৈয়ন' দিয়া বুলি কোৱা হয়। তাৰ পিছত কইনাজনীক তাৰ পৰা আনি নোওৱা হয়। নোওৱাৰ পাছত কইনাই ৰাইজক সেৱা কৰে আৰু ৰাইজে নাম গায়। তাৰপিছত কইনাক সজাই। প্ৰসাদ বিতৰণ কৰি হোৱাৰ পিছত অতিথি অভ্যৰ্থনা কৰে। ৰাতি দৰাঘৰীয়া অহা আগত পানী তোলা হয় আৰু কইনাক নোৱাই নতুনকৈ সজাই দিয়া হয়। ৰাতি দৰা অহাৰ সময়ত দৰাঘৰীয়াক কইনা ঘৰীয়াই আদৰে। দৰাক চালপীৰাৰ ওপৰত তুলি খুলশালীয়েকে ভৰি ধুৱায়। কইনাৰ মাকে দৰাক মিঠাই খুৱায়, চুমা খায় আদি। তাৰপিছত নাম গাই দুই পক্ষই। চাউল দলিয়াই যুৱক-যুৱতীসকলে। দৰা সমাজত বহে আৰু কইনাক ভিতৰৰ পৰা ওলাই আহিবলৈ মাত দিয়ে। কইনা আহি দৰাৰ কাষত বহে আৰু ৰাইজে ৭ টা বচন ল'বলৈ কয়। বচন লোৱাৰ পাছত দৰাঘৰক অভ্যৰ্থনা কৰাৰ পাছত কইনাই চাউল চাৰি মুঠি পিছলৈ ছটিয়াই দৰাৰ লগত ওলাই গিৰীয়েকৰ ঘৰলৈ যায়। তাৰ পিছত দৰাঘৰত খোবা-খুবি আৰু কইনা ঘৰত আঠ মঙলা হয়। আঠমঙলাত আঠবিধ খাদ্য খুওৱাৰ নিয়ম আছে।

**মৃত্যু ঃ** আমাৰ সমাজত এজন মানুহৰ মৃত্যু হ'লে ১০ দিন ব্ৰতত থাকিব লাগে। ৩ দিনলৈকে একো খাব নোৱাৰে। ৩ দিনৰ দিনা 'তিলনী' পতাৰ পাছত শুদ্ধি হোৱাৰ পাছত দিনত লঘু আহাৰ আৰু ৰাতি বৰতীয়া ভাত খাব পাৰে। মৰা মানুহজনক মুখাগ্নি কৰাটোক 'মুগুৰী' ধৰা বুলি কোৱা হয়। দহ দিনৰ দিনা 'দহা' পতা হয়। সেইদিনা পুথি পঢ়াৰ পিছত প্ৰসাদ দিয়া হয়। ১১ দিনৰ দিনা 'কাজ'। কাজৰ দিনা ৰাইজে নাম গায় আৰু প্ৰসাদ দিয়ে। জলপান খায়। ভকতে বিদায় লোৱাৰ পাছত মৰা মানুহজনৰ ভেটিটো মৃতকৰ কাৰণে প্ৰসাদ-জলপান দি থৈ আহে আৰু ভেটিটো চাফা কৰি ধূপ-চাকি জ্বলাই থৈ আহে। সেইদিনা ৰাতি জ্ঞাতি ভোজ বা মাছ চোৱা ভোজ পতা হয়। পিছদিনা ভোজ। সেইদিনা নাম নাগায়। পুথি পঢ়ে। তাৰ পিছত অন্ন বিতৰণ কৰে। কাজৰ দিনা মৰা মানুহজনৰ ভেটিত ভোজ দি থৈ অহা হয়। সমাজত সকলোৱে ভোজ খাই হোৱাৰ পাছত পাঠক, নামতী, মেধি, দেউৰী আৰু আন ভকতসকলক মান ধৰি সেৱা কৰি সকামৰ অন্ত পৰে। তাৰ পিছদিনা মানুহজনক খৰি দিয়া লোককেইজনক ভাত খাবলৈ মাতে। আৰু তাৰপিছত এমাহ হৈ যোৱাত মাহেকীয়া পাতে। ঠিক সেইদৰে প্ৰতিবছৰে মৰা মানুহজনক সুঁৱৰি তেওঁৰ মৃত্যু বাৰ্ষিকী পাতে।



# 'নাছা'ৰ বিষয়ে কিছু কথা


**কাশ্যপী বৈৰাগী**

স্নাতক পঞ্চম ষাণ্মাসিক


'নাছা' হ'ল মহাকাশ গৱেষণাৰ লগত জড়িত এটি সংস্থা। 'নাছা'ৰ সম্পূৰ্ণ নাম হ'ল— National Aeronautics and space administration. 'নাছা'ৰ প্ৰধান কাৰ্যালয় ৱাছিংটনত। ১৯৫৮ চনৰ ২৯ জুলাইত 'নাছা'ৰ জন্ম হয়। 'নাছা'ৰ মূলমন্ত্ৰ হ'ল— 'For the benefit of all.' নাছাৰ শৈক্ষিক কাৰ্যালয়ৰ মন্ত্ৰ হ'ল— 'Shaping the future : Launching New Endeavors to Inspire the Next Generation of Explorers.'

'নাছা'ৰ জন্মৰ এক ঐতিহাসিক পটভূমি আছে। ছোভিয়েট ৰুছিয়াই ১৯৫৭ চনৰ ৪ অক্টোবৰত প্ৰেৰণ কৰা বিশ্বৰ প্ৰথমটো মানৱ নিৰ্মিত উপগ্ৰহ স্পুটনিক-১ প্ৰক্ষেপণৰ ফলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ গা লৰে। মহাকাশ গৱেষণাৰ যুঁজত অগ্ৰসৰ হোৱাৰ বাবে 'নাছা' গঠনৰ প্ৰস্তাৱ কৰে। ১৯৫৮ চনত আমেৰিকাই প্ৰথমটো Earth artificial Satellite (Explore - I) প্ৰক্ষেপ কৰে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি Swight D. Eisentower য়ে ১৯৫৮ চনৰ ২৯ জুলাইত National Acronautics and Space Act ত চহী কৰি 'নাছা'ক আনুষ্ঠানিকভাৱে প্ৰতিষ্ঠা কৰে। ১৯৫৮ চনৰ ১ অক্টোবৰৰ পৰা 'নাছা'ই আনুষ্ঠানিকভাৱে মহাকাশ গৱেষণাৰ কাম আৰম্ভ কৰে। আৰম্ভণিতে 'নাছা' ই চাৰিটা গৱেষণাগাৰত গৱেষণা চলায়। 'নাছা'ই মহাকাশ যুঁজত আৰম্ভণিতে বিশেষ অৰিহণা যোগাই জাৰ্মান ৰকেট কাৰ্যসূচীৰ তত্বাৱধায়ক Wernher Von Braun য়ে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত তেওঁ আমেৰিকাৰ নাগৰিকত্ব লাভ কৰে। আমেৰিকাৰ মহাকাশ অভিযানৰ গুৰি ধৰা বাবে Braun ক আমেৰিকাৰ মহাকাশ আঁচনিৰ পিতৃ বুলি অভিহিত কৰা হয়। আৰম্ভণিতে 'নাছা'ৰ কৰ্মসূচী আগুৱাই নিয়াত আমেৰিকাৰ বায়ু, নৌ আৰু স্থল সৈন্য বাহিনীৰ প্ৰযুক্তি-কৌশলীসকলে সহায় কৰিছিল। ১৯১৬ চনৰ ৫ মে'ত আমেৰিকাৰ মহাকাশচাৰী এলন ছিপাৰ্ডে Freedom-7 যানত পাইলট হিচাপে গৈ মহাকাশত যোৱা প্ৰথমজন আমেৰিকান হোৱাৰ সৌভাগ্য অৰ্জন কৰে। ১৯৬৫ চনৰ ২৩ মাৰ্চত আমেৰিকাৰ Gus Grissom আৰু John Young ৰ নেতৃত্বত Gemini - 3 মহাকাশলৈ প্ৰেৰণ কৰা হয়। ১৯৬২ চনত 'নাছা'ই শুক্ৰ গ্ৰহলৈ Mariner-2 পঠিয়ায়। এইখনেই শুক্ৰলৈ যোৱা প্ৰথম মহাকাশ যান।

ইয়াৰ পাছত 'নাছা'ই চন্দ্ৰলৈ যোৱাৰ সপোন দেখে। প্ৰথমতে Apollo- I পঠিয়াই যদিও যান্ত্ৰিক বিজুতিৰ বাবে সকলো এষ্ট্ৰ'নাটৰ মৃত্যু হয়। Apollo-I জুই লাগি ভস্মীভূত হয়। ইয়াৰ পাছত মানৱবিহীন কেইবাখনো যান চন্দ্ৰলৈ পঠিয়ায়। পাছত ১৯৬১ চনৰ ২০ জুলাইত Apollo - 11 নামৰ যানত নীল আৰ্মষ্ট্ৰং আৰু বাজ এলড্ৰিনে চন্দ্ৰলৈ যাত্ৰা কৰে আৰু চন্দ্ৰত পদাৰ্পণ কৰে। এয়া 'নাছা'ৰ এক উল্লেখযোগ্য সাফল্য। ইয়াৰ পূৰ্বে চন্দ্ৰত মানুহে খোজ পেলাব পৰা নাছিল। আনহাতে 'স্কাইলেব' হ'ল আমেৰিকাৰ প্ৰথমটো মহাকাশ আস্থান। ১৯৭৫ চনত 'নাছা'ই ছোভিয়েট মহাকাশ আঁচনিৰ সহযোগত Apollo - Soyuz Test Project ৰূপায়ণ কৰে।

সত্তৰ দশকৰ শেষৰ ফালে 'নাছা'ই Space Shuttle নিৰ্মাণত গুৰুত্ব দিয়ে। ১৯৮৫ চনলৈ চাৰিখন Space Shuttle নিৰ্মাণ কৰে। ১৯৮১ চনৰ ১২ এপ্ৰিলত 'কলম্বিয়া' প্ৰক্ষেপ কৰে শেহতীয়াভাৱে ৰাছিয়া, আমেৰিকাৰ মুখ্য সহযোগত মহাকাশত 'আন্তৰ্জাতিক মহাকাশ আস্থান' (Internationl Space Station) স্থাপন কৰা হৈছে।



# নাৰী সবলীকৰণ


**ধৰিত্ৰী বৰা**

স্নাতক প্ৰথম ষাণ্মাসিক


আমাৰ সমাজত নাৰীৰ ওপৰত বিভিন্ন ধৰণৰ অত্যাচাৰ চলি আহিছে। আৰুনো কিমান সহ্য কৰিব? দিনে দিনে নাৰীৰ দেহব্যৱসায় হ্ৰাস হোৱাৰ সলনি বৃদ্ধিহে পাইছে। কিন্তু আমি যে চকু থাকিও কুলিৰ দৰে। আমি যুঁজিব নোৱাৰো হয়; কিন্তু মানুহক সজাগ কৰা কামটো কৰিব পাৰোঁ। এই বিষয়টোৱে যে যুৱতীসকলক খুলি খুলি খাইছে। সকলো পায়ো যে আজি যুৱতীসকলৰ মনত কিবা এটা ভয় সোমাই আছে। সন্ধিয়া নহওতেই যুৱতীসকলৰ বাবে পিতৃ-মাতৃৰ চিন্তা হয়। বৰ্তমান যুগত ই এক ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। সদায় টি ভি বাতৰি চালে দেখে বিভিন্ন অসৎ ঘটনা। সাতবছৰ বয়সৰ পৰা আৰম্ভ কৰি ৪০ বছৰলৈকে। এই ঘটনাবোৰ দেখিলেই যে প্ৰত্যেকগৰাকী মাক উচপ খাই উঠে। চহৰত থকা হোষ্টেলবোৰত ছোৱালীৰ বাবে সন্ধিয়া ৫-০০ বজাৰ পৰা গেট বন্ধ থাকে। কিন্তু ল'ৰাৰ বাবে ৰাতি ১২-০০ বজালৈ খোলা থাকে। এই নিয়ম ভালেই। কিন্তু কাম থাকিলেও ৫-০০ বজাৰ আগতে সোমাব লাগে। আজিৰ যুগতো মানুহে কিছুমান অন্ধবিশ্বাস মানি চলে। ল'ৰা ডাঙৰ হৈ পঢ়ি-শুনি চাকৰি কৰিব, ঘৰ নিৰ্মাণ কৰিব আদি অনেক ধৰণৰ সপোন দেখে কিন্তু কন্যা সন্তান জন্ম হ'লে এদিন বিয়া দিব লাগিব। যেতিয়া ছোৱালী এজনীয়ে জিন্চ টপ পিন্ধে তেতিয়া সমাজে বেয়া বুলি কয় কিন্তু ল'ৰা এটাই যদি পেণ্ট চাৰ্ট পিন্ধে তেতিয়া আমি একো নকও। বৰঞ্চ ল'ৰাটোৱে ধূতী পিন্ধিলে আমি হাঁহো। অৱশ্যে বৰ্তমান সমাজ ব্যৱস্থাৰ আমুল পৰিবৰ্তনে এই চিন্তাবো পৰিৱৰ্তন কৰিছে। সাধাৰণ উদাহৰণ ছোৱালী বৰপেটা সত্ৰত সোমাব নিদিয়ে কাৰণ যদি ছোৱালী তাত সোমায় তেতিয়া সেই পবিত্ৰ ঠাই অপবিত্ৰ হ'ব। আমি লক্ষ্য কৰিছোঁ যে এজনী অবিবাহিতা ছোৱালীয়ে বনোৱা চাহ এজন জ্যেষ্ঠ লোকে নাখায় কাৰণ সেই চাহকণ খালে চুৰা লাগিব। সেইকাৰণে এই অন্ধবিশ্বাসবোৰ আঁতৰাই যাতে এখন সুস্থ, সুন্দৰ সমাজ গঢ়িব পাৰোঁ আৰু নাৰী নিৰ্যাতন যাতে অন্ত পৰে তাৰ কাৰণে নাৰীসকল সবল হ'ব লাগিব। এই সন্দৰ্ভত নাৰীৰ বাবে কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰাটো অতিশয় জৰুৰী। আৰ্থিকভাৱে নাৰী স্বাৱলম্বী হ'লেহে প্ৰকৃতাৰ্থত নাৰী সবলীকৰণ সফল হ'ব। ৰাষ্ট্ৰ আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ তৎপৰতা এইক্ষেত্ৰত সকলোৱে কামনা কৰে।

# অসমৰ আদিবাসী লোকসকল জীৱন আৰু সংগ্ৰাম

**কম্পি মূৰা**
স্নাতক দ্বিতীয় ষাণ্মাসিক

অসমত নানানটা জাতি-জনজাতি, ভাষা, সংস্কৃতিৰ মানুহ আছে। সেই নানা জাতি-জনজাতিসকলৰ ভিতৰত এক অন্যতম জনগোষ্ঠী হৈছে আদিবাসী লোকসকল। আদিবাসী লোকসকলৰ অসমত জনপ্ৰিয় নাম হ'ল 'চাহ জনগোষ্ঠী'। অসমৰ চাহ জনগোষ্ঠী লোক বুলিলে সকলোৱে জানে যে বা বুজে যে এনে এখন সমাজ, য'ত অশিক্ষিত, অজ্ঞ অথচ কৰ্মী লোকেৰে ভৰপূৰ। এই লোকসকলে দুবেলা দুমুঠি খাবৰ কাৰণে দেহে-কেহে খাটি কৰ্ম কৰে আৰু ঘৰ-সংসাৰ চলাৰ উপৰি ল'ৰা-ছোৱালীক পঢ়াই। সকলোৱে জানে যে পৃথিৱীৰ ভিতৰত অক্লান্ত কষ্ট কৰি ৰ'দে-বৰষুণে খাটি খোৱা জাতিটোৱেই হ'ল আদিবাসী লোকসকল। মই যিমান দূৰ জানিব পাৰিছোঁ এই জনগোষ্ঠীলোক সকলে পূৰ্বে ৰাচিয়াত আৰু ঝাৰখণ্ডত বসবাস কৰিছিল। অসমত ব্ৰিটিছসকলে ৰাজত্ব কৰি থকা সময়ত পোন প্ৰথম বাৰৰ বাবে অসমত চাহ খেতি আৰম্ভ কৰে। এই চাহখেতিবোৰত কাম কৰিবলৈ বহুতো বনুৱা কৰ্মীৰ প্ৰয়োজন হৈছিল। সেই তেতিয়াই বৃটিছসকলে ৰাচিয়া আৰু ঝাৰখণ্ডৰ পৰা এই আদিবাসী কৰ্মীসকলক কৰ্ম কৰিবৰ বাবে ধনৰ লোভ দেখুৱাই অসমলৈ আনিছিল। আমি জনা মতে বৃটিছসকলে হেনো এই আদিবাসী লোকসকলক কৈছিল যে 'চাহ গছ লৰালে পইচা পৰে, বুলি বৃটিছসকলৰ এনে কথা শুনি এই লোকসকল অসমলৈ আহিছিল। যিহেতু এই লোকসকল আৰ্থিক দিশৰ ফালৰপৰা দুৰ্বল আছিল আৰু শিক্ষা-দীক্ষাৰ দিশত সম্পূৰ্ণ অজ্ঞাত আছিল। বৃটিছসকলে এই লোকসকলৰ ওপৰত বৰ্বৰ অত্যাচাৰ কৰিছিল। বৃটিছসকলেই পোন প্ৰথমবাৰৰ বাবে অসমত বিষাক্ত দ্ৰব্য চুলাই মদৰ লালী প্ৰস্তুত কৰিছিল আৰু আমাৰ আদিবাসী লোকসকলৰ মাজত প্ৰচাৰ কৰিছিল। বৃটিছসকলে এই বিষাক্ত দ্ৰব্য খোৱাই ৰাখিব বিচাৰিছিল। কাৰণ তেখেতসকলে আমাৰ আদিবাসী লোকসকলক সদায় এই বিষাক্ত দ্ৰব্য পান কৰোৱাই আৰু সকলো ফালৰপৰা যেনে— উচ্চ শিক্ষা, প্ৰযুক্তিবিদ্যা, কাৰিকৰী জ্ঞান আদি দিশত পিছপৰি যাতে তেওঁলোক আমাৰ এই লোকসকলৰ ওপৰত শাসন কৰি থাকিব পাৰে। আমাৰ আদিবাসী লোকসকল যাতে সদায় তেওঁলোকৰ গোলামী কৰি থাকে। বৃটিছসকলেই আমাৰ আদিবাসী লোকসকলক এই বিষাক্ত সুৰাবিধ পাণ কৰোৱাইছিল। সেই তেতিয়াৰে পৰা আমাৰ এই আদিবাসী লোকসকলৰ মাজত এই সুৰা বিধ অধিক পৰিমাণে ব্যৱহাৰ হৈ আহিছে। বৰ্তমান আধুনিক যুগত এই লোকসকল শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি অহাৰ ফলত এই বিষাক্ত সুৰাবিধৰ প্ৰচলন বহু পৰিমাণে হ্ৰাস পাইছে।

বৃটিছসকলেই আমাৰ জাতিৰ উদ্ধাৰ কৰোতা বীৰ-বীৰছা মুণ্ডাকো এক বৰ্বৰ অত্যাচাৰ কৰি মাৰিছিল। এওঁ অসমৰ স্বাধীনতা আন্দোলনৰ আন এক গুৰি ধৰোঁতা। আমাৰ জাতিৰ পিতা বীৰ বীৰছা মুণ্ডা আছিল এজন দেশপ্ৰেমিক লোক। তেওঁ আমাৰ চাহ জনগোষ্ঠীলোকসকলৰ হকে কাম কৰাৰ উপৰি আমাৰ প্ৰত্যেক জাতি-জনজাতি লোকসকলৰ বাবে সকলোৱে নিৰাপদভাৱে যাতে জীৱন-যাপন কৰিব পাৰে তাৰ বাবে বৃটিছৰ বিৰুদ্ধে যুঁজ দিছিল আৰু দেশৰ স্বাধীনতাৰ হকে নিজৰ আত্মবলিদান দিছিল। তেখেতে দেশৰ হকে কৰি থৈ যোৱা কৰ্ম আমাৰ বাবে চিৰস্মৰণীয় আৰু তেখেতৰ প্ৰতিচ্ছবি আমাৰ সকলোৰে বাবে জিলিকি থাকিব।

ইয়াৰ উপৰি এই গোষ্ঠীৰ লোকসকল যদিও অশিক্ষিত, অজ্ঞ আছিল তথাপিও কিন্তু তেওঁলোকৰ মানসিক বা শাৰীৰিক দুৰ্বলতা নাছিল। এই লোকসকলৰ ঐক্যবদ্ধ সদায় আছিল। এই গোষ্ঠীটো ইমানেই শক্তিশালী হয় যে, যি কোনো শত্ৰু বিপক্ষে যুঁজ দিব পাৰে আৰু পৰাভূত কৰিব পাৰে।



এই জনগোষ্ঠী লোকসকলৰ মাজত প্ৰচলিত বহুতো আকৰ্ষণীয় কলা-সংস্কৃতি আছে। এই কলা-সংস্কৃতিক ভোগ কৰিবৰ বাবে দূৰ-দূৰণিৰ পৰা বহুতো পৰ্যটক আহে। এই সংস্কৃতিসমূহৰ ভিতৰত এক জনপ্ৰিয় সংস্কৃতি হ'ল—

১) কৰম পূজা—

আদিবাসী লোকসকলৰ মাজত এই উৎসৱটো অতি জনপ্ৰিয়। ভাদ মাহৰ একাদশ তিথিত এই পূজা উদ্‌যাপিত কৰা হয়। কমৰ পূজা সাধাৰণতে দুবিধ। — ১) জিতিয়া কৰম পূজা আৰু ২) ৰাজহুৱা কৰম পূজা। ভাদ মাহৰ পঞ্চমী তিথিৰ পৰা একাদশীলৈ ৰাজহুৱা কৰম পূজা পতা হয় আৰু জিতিয়া কৰম পূজাৰ কোনো নিৰ্দিষ্ট সময় নাই। কৰম পূজাত প্ৰয়োজনীয় হোৱা বাদ্য-যন্ত্ৰবোৰ হ'ল— মাদল, তাল, বাঁহী, ঢোল আদি। আদিবাসী লোকসকলৰ এই কৰম পূজা কৃষি ভিত্তিক উৎসৱ। গাঁৱৰ সকলো মংগলৰ লগতে, জীৱ-জন্তু, খেতি-বাতিৰ মংগলৰ হকে এই উৎসৱ উদ্‌যাপন কৰা হয়।

২) টুচু পূজা—

আদিবাসী লোকসকলৰ আন এক মনোমোহা উৎসৱ হ'ল টুচু পূজা। টুচু পূজা পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰা হয়। ইয়াক 'পুচ পৰব' বুলি কোৱা হয়। এই উৎসৱ পালন কৰিলে পৰিয়ালৰ সা-সম্পত্তি বৃদ্ধি আৰু নাৰীসকলৰ মনৰ বাঞ্ছা পূৰ্ণ হয় বুলি বিশ্বাস কৰা হয়। এই উৎসৱ সাধাৰণতেই মহিলাসকলে পালন কৰে।

ইয়াৰ উপৰি আমাৰ আদিবাসী লোকসকলে কিমান কষ্ট কৰি দিন কটাব লগীয়া হয়। তথাপিও কিয় বাৰু এইখন পৃথিৱীৰ অন্য জাতি-জনজাতি বা ভাষা-ভাষী লোকসকলে আমাক কিয় বুজি নাপায়। কিয় আমাৰ জাতিটোক ইমান তলতীয়া দেখুৱাই বা ঠাট্টা কৰে। কিয় ঘৃণা কৰে আমাৰ মানুহক? আমাৰ জাতিক? কিয় ক'তো উচ্চ স্থান নাই আমাৰ? কিয় কোনোৱে নকৰে আমাক সন্মান? কিয় আমি আজি ইমান অৱহেলিত? কিয় আমি আজি এনেদৰে জীয়াই থাকিব লগীয়া হৈছে? ইমান কষ্ট কৰি? কিয় আমি আমাৰ পাবলগীয়া প্ৰাপ্যৰ বাবে আৰু স্বাধীনতাৰ কাৰণে ইমান সংগ্ৰাম কৰিবলগীয়া হৈছে? কিয় আমাৰ মানৱ সমাজে ইমান নিষ্ঠুৰ হৈ জীয়াই থাকে? কিয় আজি আমাৰ নিচিনা দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীবোৰ উপযুক্ত শিক্ষাৰ পৰা বঞ্চিত হৈছে? কিয় এইবোৰ দুখীয়া-দৰিদ্ৰতাৰ কথা কোনোৱে নাভাবে? কিয় আমি অসমতে থাকি অসমীয়া জাতিটোৰ লগত খাপ খাই চলিব নোৱাৰোঁ? আমি মানিছোঁ আমাৰ মাজত বিষাক্ত সুৰাৰ প্ৰচলন অত্যাধিক, আমি অশিক্ষিত, আমি অজ্ঞানী, মূৰ্খ। কিন্তু আজি আমাক এনে পৰিস্থিতিলৈ কোনে ঠেলি থৈ গ'ল? কিয় আজি আমাক কোনেৱে সঁহাৰি নিদিয়ে? আমিতো অজ্ঞানী আমি একোৱে নাজানো। কিন্তু বৰ্তমান আজি আধুনিক যুগত শিক্ষিত সমাজে আমাৰ নিচিনা দুখীয়াৰ জীৱনৰ কথা ভাবিব নোৱাৰে। কিন্তু যিবোৰ জাতিয়ে আমাক ঘৃণা কৰে, সেই সভ্য মানৱ জাতিয়ে কিজানি নাজানে— আজি আমাক লৈয়ে তেওঁলোকে এই সোণৰ অসম গঢ়িব পাৰিছে, আজি আমাক লৈয়ে শত্ৰুৰ বিপক্ষে যুঁজিব পাৰিছে আৰু নিজৰ শক্তিৰ উমান দিব পাৰিছে। আজি আমাক লৈয়ে তেওঁলোকে এক নিৰাপত্তাসহ জীৱন-যাপন কৰিছে আৰু এক বিলাসী জীৱন-যাপন কৰিব পাৰিছে আৰু আজি এই আদিবাসী লোকসকলকে লৈ অসম চাহ খেতিৰ বাবে এক বিখ্যাত ৰাজ্য হিচাপে পৰিগণিত হৈছে। এইলোকসকলৰ বাবে অসমৰ চাহখেতিয়ে প্ৰাকৃতিক সম্পদ স্বৰূপ স্বীকৃতি পাইছে। এই লোকসকলৰ বাবে অসম আজি উজ্জ্বলময়। তথাপিও আজি এই গোষ্ঠীটোৰ সুখ-দুখ বুজোতা নাই। মই আশা কৰোঁ যে বৰ্তমান আমাৰ নতুন প্ৰজন্মই উপযুক্ত সু-শিক্ষাৰে শিক্ষিত হৈ আমাৰ জাতিৰ গৌৰৱ কঢ়িয়াই আনিব আৰু মই সকলোকে আহ্বান কৰিছোঁ যে আজি আমাৰ জাতিটোৰ যি দুৰ্দশা এনে দুৰৱস্থা আন কোনো জাতিৰ নহওক।

ইয়াৰ উপৰি মই সকলোকে অনুৰোধ কৰোঁ যে আমাৰ সকলোৰে বাবে গৌৰৱোজ্জ্বল ভূপেন হাজৰিকাদেৱে কোৱা 'মানুহে মানুহৰ বাবে।' গীতটিৰ এই বাক্য শাৰী সকলোৱে অনুসৰণ, অনুকৰণ কৰক আৰু সকলোৱে সকলোৰে লগত মিলি-জুলি থাকক, সকলোৱে সকলোকে মৰম-চেনেহ দিয়ক, সকলো জাতিয়ে সকলো জাতিকে সন্মান-আদৰ কৰক। কোনোৱে কাৰোঁ ওপৰত ঘৃণা বা অহংকাৰ নকৰক। আমি সকলোৱে একেডাল এনাজৰীৰে বান্ধ খাই আমাৰ দেশক নতুন ৰূপত সজাই তুলিব পাৰিম বুলি আশা আৰু কামনাৰে মোৰ চমু লিখনি সামৰণি মাৰিলোঁ। ৮৮

# পুণ্যভূমি বৰদোৱা

**নয়নমণি গায়ন**
স্নাতক প্ৰথম ষাণ্মাসিক



শ্যামলী অসমী আইৰ বুকুৰ মাজৰ এটুকুৰা মন-প্ৰাণ আপ্লুত কৰা এডোখৰ ঠাই হৈছে 'বৰদোৱা'। যাৰ নাম শুনিলে কৰ্ণ কোহৰত প্ৰতিধ্বনি হয় জাক জাক চাপৰিৰে বৰকাঁহ, দবা, নাগেৰাৰ শব্দৰে ৰজনজনাই ভক্তিত, গদ গদ হৈ নামগোৱা ভক্তপ্ৰাণ বাইজৰ সুমধুৰ কণ্ঠ ধ্বনি। বৰদোৱা যাৰ নাম শুনিলে মানসপটত ভাবি আহে ধূপ-দীপ নৈবদ্যৰ সুগন্ধিৰে আমোলমোলাই থকা এখন বৈকুণ্ঠপুৰীৰ ছবি। অসমীয়াৰ জাতিৰ জনক হৈ সংস্কৃতিৰ সৃষ্টিৰ্কতা হৈ একতাৰ এনাজৰীৰে জাতিটোক বান্ধি সম্প্ৰীতিৰ সমাজ এখন গঢ়িবলৈ জন্ম গ্ৰহণ কৰিছিল শ্ৰীমন্ত শংকৰদেৱে। বৃহত্তৰ নগাঁও জিলাৰ সোঁ-মাজেৰে যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষেদি হয়বৰগাঁও আৰক্ষী নিবাসৰ সন্মুখেদি ১৬ কি.মি. পশ্চিমে নগাঁও গড়কাপ্টানী পথেৰে আহিলে পোৱা যায় বৰদোৱা। ঐতিহ্যমণ্ডিত এই বৰদোৱাত প্ৰৱেশ কৰোঁতে পাৰ হ'ব লাগে শান্তিজান। মহান পবিত্ৰতাৰে ভৰা বৰদোৱা কীৰ্তন ঘৰত প্ৰৱেশ কৰোঁতেই প্ৰত্যেকজন যাত্ৰীক আদৰি আনে অসমীয়া সংস্কৃতিৰ প্ৰতীক বৰদৈয়া জাপিৰে আৰু ইয়াৰ সন্মুখতে থকা দুখন শৰাইয়ে। ইয়াৰ উত্তৰ পিনে আকাশী গঙ্গা আছে। বিভিন্ন সময়ত অসমৰ বিভিন্ন তীৰ্থ যাত্ৰী আকাশীগঙ্গালৈ আহে। সুন্দৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশে বৰ্তমান আকাশীগঙ্গাক পৰ্যটকস্থলী হিচাপে পৰিগণিত হৈছে। মহাপুৰুষ গুৰুজনাই এই বৰদোৱাতে ১৪৬৮ খ্ৰীষ্টাব্দতে বিশ্বৰ প্ৰথম নাট্য আলোড়নৰ সৃষ্টি কৰিছিল 'চিহ্নযাত্ৰা' নাটৰ যোগেদি। নাট্য, গীত, বাদ্য সমৃদ্ধ শ্ৰীকৃষ্ণৰ লীলা সমাজক দেখুওৱাবলৈ, বৈষ্ণৱ আদৰ্শৰ প্ৰতি মানুহৰ মন আকৃষ্ট কৰিবলৈ সাত বৈকুণ্ঠৰ চিহ্ন, হেঙুল, হাইতালেৰে পটত আঁকি মহাভাগৱতৰ মুখ্য চৰিত্ৰ বিষ্ণুক্ষেত্ৰ, বৈকুণ্ঠ আৰু আন আন চৰিত্ৰসমূহ অংকন কৰি সমাজক কৃষ্ণৰ চৰণত সমৰ্পণ কৰিবলৈ 'চিহ্নযাত্ৰা' নাটৰ যোগেদি পৰামৰ্শ দিছিল। দৌলেই পৃথিৱীৰ প্ৰথম নাট্যমঞ্চ। প্ৰতিবছৰৰ বসন্ত ঋতুত পালন কৰা হয় দৌল উৎসৱ। এই উৎসৱ অহাৰ লগে লগে সমগ্ৰ বৰদোৱা অঞ্চলৰ মানুহৰ মন পলাশৰ ৰঙা ৰঙৰ দৰে ৰঙিয়াল হৈ পৰে। এই উৎসৱত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো লোক বৰদোৱা অঞ্চললৈ আহি একতাৰ সমাজখনৰ কথা গুৰুজনাই প্ৰতিষ্ঠা কৰি যোৱা সম্প্ৰতি সমাজখন পুনৰ দোহাৰি থৈ যায়। ইয়াৰ পূবতেই আছে ১৪৬৮ খ্ৰীষ্টাব্দত গুৰুজনাই প্ৰতিষ্ঠা কৰা বিশ্বৰ প্ৰথমটি কীৰ্তন ঘৰ। এক শৰণ নাম ধৰ্মৰ মূল মন্ত্ৰৰ ভকতি প্ৰদীপ জ্বলাই অজ্ঞান আন্ধাৰ দূৰ কৰিবলৈ সমাজ ব্যৱস্থা জ্যোতিষ্ময় কৰিবলৈ ইয়াতেই কৰা হয় চৈধ্য প্ৰসংগ। কীৰ্তন ঘৰত প্ৰৱেশ কৰোঁতে মন-প্ৰাণ ভক্তিত গদ্ গদ্ হৈ উঠে, এই ভক্তিভাৱ আৰু গম্ভীৰ হৈ উঠে যেতিয়া গুৰু-গম্ভীৰ মাতেৰে ভকতসকলে গুৰুজনাই সৃষ্টি কৰি থৈ যোৱা কীৰ্তন ঘোষাৰ পদ আদি গায়। বৰদোৱাখন পুণ্যভূমি। কাৰণ ইয়াত গুৰুজনাৰ পদৰঞ্জিতেৰে আলোড়িত হৈ আছে প্ৰতিটো ধূলিকণা, সংস্কৃতিৰ ভঁৰাল। এইয়াই হ'ল বৰদোৱা, গুৰুজনাৰ পুণ্যভূমি বৰদোৱা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পদৰঞ্জিতেৰে আলোড়িত। ইতিমধ্যে বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত প্ৰতিজন অসমীয়াক স্বকীয়তাৰে গৌৰান্বিত কৰি ৰখা 'পুণ্যভূমি বৰদোৱা'।

জয় গুৰু শংকৰ
সৰ্ব গুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণে
ৰেণু শতকোটি
বাৰেক কৰোঁহো প্ৰণাম।।



*বৰাক উপত্যকাক লৈ একাংশ অসমীয়াৰ বহু সমস্যা— বৰাকৰ চৰকাৰী ভাষা বাংলা হোৱাটো, বৰাক উপত্যকাত কেব/কা-বিৰোধী আন্দোলন নোহোৱা, আন্দোলনৰ সময়ত প্ৰথম অৱস্থাত বৰাক উপত্যকাৰ জিলাকেইখনত ইণ্টাৰনেট সেৱা কৰ্তন নকৰা ইত্যাদি ইত্যাদি।*

# নাগৰিকত্ব সংশোধনী আইন আৰু ভাষিক আত্মপৰিচয় ঃ এটি অৱলোকন

**সিদ্ধাৰ্থ শংকৰ দাস**
প্ৰাক্তন ছাত্ৰ

নাগৰিকত্ব সংশোধনী বিধেয়কে বিগত সময়ছোৱাত অসমীয়া জাতীয় জীৱনত তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পেলাইছে। ডিজিটেল পৃথিৱীৰ নতুন প্ৰজন্মৰ একাংশই এই কেব/কা প্ৰসংগ অহাৰ আগলৈকে অসম আন্দোলন কি, অসম চুক্তি বুজি পোৱা নাছিল, জনাও নাছিল। কিন্তু পৰিস্থিতি এনেকুৱা হ'ল যে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া যুৱক-যুৱতীয়ে এই সময়ছোৱাত জাতীয় দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি আহিল আৰু পিছৰখিনি আমি সকলোৱে দেখিছোঁ। নাগৰিকত্ব সংশোধনী আইনখন সংবিধানৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰৰ পৰিপন্থী হোৱাৰ লগতে অসমীয়া জাতিৰ বাবে ক্ষতিকাৰক। এই বিধেয়কখন কোনোপধ্যেই অসমীয়াই মানি ল'ব নোৱাৰে।

কিন্তু বিধেয়কখনেই অসমীয়া সমাজ ভাষা-সংস্কৃতিৰ বাবে একমাত্ৰ বিপদ নহয়। একবিংশ শতিকাৰ দ্বিতীয়টো দশক শেষ হোৱাৰ সময়ত আমি আমাৰ ভাষা-সংস্কৃতিৰ লগতে থলুৱা অৰ্থনীতি ইত্যাদি দিশবোৰো লক্ষ্য কৰি জাতিক আগুৱাই নিয়াৰ সময়। এটা জাতিৰ পৰিচয় ইয়াৰ ভাষা-সংস্কৃতিৰ লগতে ইয়াৰ অৰ্থনীতি, বিভিন্ন ক্ষেত্ৰৰ সেই জাতিক প্ৰতিনিধিত্ব কৰি থকা ব্যক্তিসকলৰ অৱদান আদি কাৰকবোৰে বহন কৰে। ভাষা হৈছে এটা জাতিৰ পৰিচয়ৰ অন্যতম মেৰুদণ্ড। বৰ্তমান সময়ত অসমীয়া ভাষা কেতবোৰ কাৰণত অৱহেলিত হৈছে— ভাষাৰ চৰ্চা নোহোৱা আৰু তাৰ ভুল চৰ্চা, অসমীয়া ভাষাত ৰচিত সাহিত্যৰ প্ৰতি অনীহা, পৰিৱৰ্তিত জনগাঁথনিত অনা-অসমীয়া ভাষীৰ সংখ্যা বৃদ্ধি পোৱা এই কাৰণবোৰ অন্যতম। এই সমস্যাবোৰৰ ব্যৱহাৰিক সামাধান আৱশ্যক, কিন্তু তাৰ বিপৰীতে সমস্যা বৃদ্ধি কৰিছে উগ্ৰ ভাষিক জাতীয়তাবাদে। এই উগ্ৰ ভাষিক জাতীয়তাবাদ অসমীয়াৰ বাবে ফলদায়ক হ'ব নে ক্ষতিকাৰক হ'ব সেয়া বিচাৰ্য বিষয়। বিগত সময়ত ভাষাক লৈ যিদৰে একপ্ৰকাৰৰ ৰাজনীতি অসম চৰকাৰে আৰু সোঁপন্থী অসমীয়াসকলে যিদৰে অপপ্ৰচাৰ চলালে অসমীয়া ভাষাক সমগ্ৰ ৰাজ্যত চৰকাৰী ভাষা হিচাপে বলবৎ কৰা হ'ব বুলি, তাৰ পৰিপ্ৰেক্ষিতত অনা-অসমীয়া অঞ্চলবোৰত কিছু স্থানীয় ভাষিক জাতীয়তাবাদ মূৰ দাঙি উঠিল।

শিলচৰৰ অসম বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকাৰ বাবে যোৱা এটা বছৰে বৰাক উপত্যকাত থাকি অসমখন ভালকৈ চিনিব পাৰিছোঁ যেন উপলব্ধি কৰিছোঁ আৰু তাৰ লগতে উল্লিখিত জাতীয়তাবাদী চৰিত্ৰবোৰ সাৰ পাই উঠা তথা আগ্ৰাসিত হোৱা দেখিবলৈ পাই বৰাক-ব্ৰহ্মপুত্ৰৰ সমন্বয়ৰ অভাৱ হোৱাৰ কাৰণবোৰ বুজিব পাৰিছোঁ।

বৰাক উপত্যকাক লৈ একাংশ অসমীয়াৰ বহু সমস্যা— বৰাকৰ চৰকাৰী ভাষা বাংলা হোৱাটো, বৰাক উপত্যকাত কেব/কা-বিৰোধী আন্দোলন নোহোৱা, আন্দোলনৰ সময়ত

প্ৰথম অৱস্থাত বৰাক উপত্যকাৰ জিলাকেইখনত ইণ্টাৰনেট সেৱা কৰ্তন নকৰা ইত্যাদি ইত্যাদি। ইমানবোৰ অভিযোগ কৰাৰ আঁৰৰ কাৰণ হৈছে বুৰঞ্জীৰ জ্ঞান নথকাটো আৰু অন্ধ ভাষিক আৰু ৰাজনৈতিক জাতীয়তাবাদ।

বৰাক উপত্যকাৰ তিনিখন জিলা, কেতিয়াও অসমীয়াৰ বসতিস্থল নাছিল। বৰ্তমানৰ কাছাৰ জিলা আৰু হাইলাকান্দি জিলা পূৰ্বৰ কছাৰী ৰাজ্যৰ বৃহৎ অংশ আছিল, জনবসতি অতি কম আছিল, বিশেষকৈ বিভিন্ন জনজাতীয় লোকে বাস কৰিছিল; বড়ো, কছাৰী, ডিমাচা কছাৰী, কুকি, নগা, মণিপুৰী ইত্যাদি। বৰ্তমানৰ কৰিমগঞ্জ জিলাৰ বৃহৎ অংশ আছিল বংগৰ অন্তৰ্গত। ১৫৭৬-১৭৫৭ লৈকে মোগল শাসনৰ সময়ত বংগৰ চুবেদাৰ আৰু বংগৰ নবাবে শাসন কৰিছিল এই অঞ্চল। উনবিংশ শতিকাৰ প্ৰথম ভাগতে মানে আহোম ৰাজ্য আক্ৰমণ কৰাৰ সমান্তৰালভাৱে কছাৰী আৰু মণিপুৰ আক্ৰমণ কৰিছিল, তেতিয়া বহু কছাৰী লোক উত্তৰ কাছাৰৰ পাহাৰৰ দিশে পলায়ন কৰিছিল, লগতে মণিপুৰৰ বহু জনজাতীয় লোকে কছাৰী ৰাজ্যত আশ্ৰয়ৰ বাবে আহিছিল, সেইসকলৰ উত্তৰাধিকাৰী আজিও বৰাক উপত্যকাত আছে। ১৮২৬ চনত উজনি অসমত পুৰন্দৰ সিংহক ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ৰজা পাতে, কোম্পানী ৰাজ্যৰ অন্তৰ্গত হৈ পৰে আহোম ৰাজ্য। নামনি, গুৱাহাটী আৰু মধ্য অসমত ইংৰাজে শাসন চলাইছিল সেই সময়ত, শাসনৰ সুবিধাৰ বাবে বংগৰ পৰা কেৰাণী ইত্যাদি কাম কৰিবৰ বাবে বঙালী লোকক ইংৰাজ শাসিত নতুন অঞ্চল ব্ৰহ্মপুত্ৰ উপত্যকালৈ আনি সংস্থাপিত কৰিছিল।

১৯৫৭ চনত বংগ দখলৰ আগৰ পৰাই বাংলা ভাষাত ব্ৰিটিছৰ কিছু পৰিমাণে দখল আছিল, প্ৰশাসনিক সুবিধাৰ বাবে বংগত চৰকাৰী কাম-কাজত বাংলা ভাষাৰ প্ৰচলন আছিল। ১৮২৬ চনত ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহি অসমীয়া আৰু বাংলা ভাষাৰ মাজত সাদৃশ্য দেখি অসমীয়া ভাষাক বাংলা ভাষাৰ এটা দোৱান বুলি কৈ ব্ৰিটিছে ১৮৩৬ চনত ব্ৰিটিছ শাসিত অসমীয়া অঞ্চলত বাংলা ভাষাক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিছিল। ১৮৩২ চনত কছাৰী ৰাজ্য কোম্পানী ৰাজৰ অধীনলৈ আহে। ১৮৩৮ চনত আহোম শাসন নস্যাৎ কৰি ব্ৰিটিছে ব্ৰহ্মপুত্ৰ উপত্যকাক সম্পূৰ্ণৰূপে নিজৰ দখললৈ আনে। ১৮৩৫ চনত খাচী আৰু জয়ন্তীয়া পাহাৰ ব্ৰিটিছৰ দখলত আহে। ১৮৭৪ চনলৈকে অসম (ব্ৰহ্মপুত্ৰ উপত্যকাকে ব্ৰিটিছে অসম বুলিছিল তেতিয়া আৰু তেওঁলোকৰ সকলো নথি-পত্ৰত অসম বুলি উল্লেখ কৰিছিল), কাছাৰ, খাচী পাহাৰ, জয়ন্তীয়া পাহাৰ সকলোবোৰ আছিল বংগ প্ৰেচিডেন্সিৰ অন্তৰ্গত প্ৰশাসনিক গোট। ১৮৭৪ চনত অসম চীফ কমিছ্নাৰেট গঠন কৰি ব্ৰিটিছে ব্ৰহ্মপুত্ৰ উপত্যকা, কাছাৰ, কাৰ্বি পাহাৰ, খাচী পাহাৰ, জয়ন্তীয়া পাহাৰক একেলগে অসম নামৰ এটা প্ৰশাসনিক গোট গঠন কৰে। আজি আমি পোৱা অসমৰ মানচিত্ৰখন ১৪৬ বছৰ আগতে ব্ৰিটিছে গঠন কৰি দিয়াহে, তাত কোনো সাতামপুৰুষীয়া একতা নাছিল, তাত চুকাফাৰ কোনো অৱদান নাছিল। ১৮৭৪ চনতে বংগৰ শ্ৰীহট্ট জিলাক অসমৰ চীফ কমিছ্নাৰেটৰ অন্তৰ্গত কৰি দিয়া হৈছিল, ১৮৯৫ চনত মিজো পাহাৰকো ইয়াৰ অন্তৰ্গত কৰা হয়।

কছাৰী ৰাজ্যত বঙালী লোক নাছিল, কিন্তু শ্ৰীহট্টক অসমৰ অন্তৰ্গত কৰাৰ আগৰে পৰা কাছাৰলৈ বঙালী লোকৰ প্ৰবজন ঘটিছিল। ইয়াৰ মূল কাৰণ আছিল ব্ৰিটিছৰ ৰাজহ ব্যৱস্থা। মোগলৰ সময়ৰ পৰা বংগত প্ৰচলিত ৰাজহ ব্যৱস্থাৰ বিলুপ্তি ঘটাই ব্ৰিটিছে খেতিৰ বাবে মাটিৰ মালিকীস্বত্ব প্ৰদান কৰা আৰম্ভ কৰিছিল, কাছাৰ অঞ্চলৰ বসতিশূন্য প্ৰায় অঞ্চলবোৰলৈ ব্ৰিটিছে বংগৰ পৰা খেতি কৰিবৰ বাবে বঙালী কৃষিজীৱী লোকক আনি সংস্থাপিত কৰিছিল, সমান্তৰালকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগতে কাছাৰলৈকো চাহ খেতিৰ বাবে বংগ, উৰিষ্যাৰ পৰা বনুৱাৰ আমদানি কৰিছিল। প্ৰশাসনিক কাম-কাজৰ বাবে অহা বঙালীসকলৰ লগতে কৃষিকৰ্মৰ বাবে অহা বঙালীসকল পিছত গৈ কাছাৰত সংখ্যাগুৰু হৈ পৰিল। বিংশ শতিকাৰ আৰম্ভণিতে ব্ৰহ্মপুত্ৰ উপত্যকাত খেতিৰ বাবে ব্ৰিটিছে পূব-বংগৰ পৰা মুছলমান খেতিয়কক আনি সংস্থাপিত কৰিলে। শ্ৰীহট্টৰ বিভাজন হ'ল স্বাধীনতাৰ সময়ত, নোহোৱা হ'লে বৰ্তমানৰ কৰিমগঞ্জ আজি বাংলাদেশৰ অন্তৰ্গত হ'লহেঁতেন। শ্ৰীহট্ট গণভোটৰ পূৰ্বে শ্ৰীহট্ট যাতে পূব পাকিস্তানত অন্তৰ্ভুক্ত হ'ব পাৰে সেইয়া নিশ্চিত কৰিবলৈ মহম্মদ ছাদুল্লাই বহু মুছলমান বঙালীক শ্ৰীহট্টলৈ আনিলে, ৫৬% ই পূব পাকিস্তানৰ পক্ষে ভোট দিলে। তথাপি ৰেডক্লিফ লাইন নিৰ্ধাৰণ কৰোঁতে শ্ৰীহট্টৰ কেইবাখনো থানা অসমৰফালে (ভাৰতৰফালে) ৰখা হ'ল, ফলত বহু মুছলমান বঙালীয়ে বংগৰ পৰা পাকিস্তানৰ পক্ষে ভোট দিবৰ বাবেই অসমলৈ আহি আকৌ ভাৰততে থাকিবলগীয়া পৰিস্থিতি হ'ল। দেশ বিভাজনৰ সময়ত বহু হিন্দু ধৰ্মাৱলম্বী বঙালী লোকে পূব-বংগৰ পৰা আহি অসমত প্ৰৱেশ কৰিলে, সেইদৰে অসমত বঙালী জনসংখ্যা বৃদ্ধি হ'ল স্বাধীনতাৰ সময়তে।

১৯৫৬ চনত ৰাজ্য পুনৰগঠন আইনৰ দ্বাৰা দেশত কেইবাখনো নতুন ৰাজ্য গঠন হ'ল। ভাষাৰ ভিত্তিত কিছুমান ৰাজ্যৰ কিছু অংশ অন্য ৰাজ্যৰ অন্তৰ্গত হ'ল।

- বিহাৰৰ কিছু বঙালী অধ্যুষিত অঞ্চল পশ্চিমবংগৰ অন্তৰ্গত হৈ পৰিল।
- আজমেৰ ৰাজস্থানৰ অংশ হ'ল।
- অন্ধ্ৰ ৰাজ্য (১৯৫৩-৫৬) ৰ লগত হায়দৰাবাদ ৰাজ্যত তেলেগুভাষী অঞ্চলবোৰ লগত লৈ অন্ধ্ৰ প্ৰদেশ ৰাজ্য গঠন হ'ল।
- বোম্বে ৰাজ্যত হায়দৰাবাদ আৰু চেণ্ট্ৰেল প্ৰভিন্সৰ মাৰাঠী অধ্যুষিত অঞ্চলৰ অন্তৰ্গত কৰা হ'ল।
- ট্ৰেভেনকুনৰ-কোচি ৰাজ্যৰ তামিল অধ্যুষিত অঞ্চলবোৰ মাদ্ৰাছ ৰাজ্যৰ অন্তৰ্ভুক্ত হ'ল, সেইদৰে মাদ্ৰাছৰ মালায়ালমভাষী অঞ্চলবোৰ ট্ৰেভেনকুৰ-কোচি ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি কেৰালা ৰাজ্য গঠন হ'ল।
- মাইচোৰ ৰাজ্যত ক'ৰগ ৰাজ্য অন্তৰ্ভুক্ত কৰাৰ লগতে মাদ্ৰাছ, বোম্বে আৰু মধ্য প্ৰদেশৰ কানাড়াভাষী অঞ্চলবোৰ নতুনকৈ সংযোজিত হ'ল।

অসমৰপৰা মেঘালয়, মিজোৰাম, নাগালেণ্ডৰ গঠন কিন্তু ভাষাৰ ভিত্তিত হোৱা নাই? মিজো, খাচী, গাৰো, জয়ন্তীয়া, নগাসকল— এওঁলোক কেতিয়াও অসমীয়াৰ লগত একাত্ম হোৱা নাছিল, ব্ৰিটিছে গঠন কৰি দিয়া প্ৰশাসনিক গোট হিচাপেহে তেওঁলোকে অসম নামৰ ৰাজ্যৰ অংশ হৈছিল, পিছত ৰাজ্য প্ৰাপ্তিৰ কাৰণে তেওঁলোকে যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল। কথাটো হ'ল যে ১৯৫৬ চনৰ আইনমতে বৰাক উপত্যকাক এখন নতুন ৰাজ্য হিচাপে গঠন কৰি দিব লাগিছিল, অথবা ত্ৰিপুৰাৰ অন্তৰ্গত কৰিব লাগিছিল, কিন্তু কৰা নহ'ল। এতিয়া তেওঁলোকক 'অসমত থাকি, অসমৰ বায়ু-পানী সেৱন কৰি অসমীয়া ক'ব নজনা' বুলি ক'লে মূৰ্খামি কৰাহে হ'ব। বৰাকৰ মানুহৰ কাৰণে ৰাজ্যখনৰ নামহে অসম, যিদৰে কৰ্ণাটক, মহাৰাষ্ট্ৰ, হাৰিয়ানা— ঠিক তেনেকুৱা।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ বঙালী লোকসকলে অসমীয়া ভাষা সুন্দৰকৈ ক'ব জানে, চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়ত বঙালী ছাত্ৰ-ছাত্ৰী যথেষ্ট পৰিমাণে আছে। কিন্তু একেই দৃশ্য বৰাক উপত্যকাত চাব খুজিলে আমি নিৰাশ হ'বই লাগিব। প্ৰধান কাৰণ হৈছে বৰাক উপত্যকাত অসমীয়া ভাষী জনসংখ্যা ১%ত কৈও কম। যিসকল আছে, চাকৰিসূত্ৰে থকা, নহ'লে মানৰ আক্ৰমণৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা গুচি যোৱাসকলহে, তেওঁলোকৰ জনসংখ্যা ৩০ খন মান গাঁৱত সীমাবদ্ধ। হোমেন বৰগোহাঞিঃ ডাঙৰীয়াই নিজৰ এটি লেখাত উল্লেখ কৰিছে যে খাচী, গাৰো, জয়ন্তীয়া, মিজো, নগাসকল অসমৰপৰা আঁতৰি গ'ল, বৰ অসম ভাগ ভাগ হ'ল বুলি কৈ যিসকলে বিধৱা মাকে একমাত্ৰ পুতেকক হেৰুৱাই পেলোৱাৰ দৰে কান্দে, তেওঁলোকে এইটো সাধাৰণ কথা বুজি পাব লাগে যে এইসকল লোক কেতিয়াও অসমীয়া সমাজৰ অংশ নাছিল। তেওঁলোক আমাৰ চুবুৰীয়া হৈ থাকিলেও সাংস্কৃতিকভাৱে তেওঁলোক কেতিয়াও আমাৰ লগত একাত্ম হোৱা নাছিল। ১৯৬০ ৰ ভাষা আন্দোলনৰ পিছৰেপৰা মেঘালয়, মিজোৰাম, নাগালেণ্ড গঠনৰ পথ অসমীয়া লোকসকলে মুকলি কৰি দিলে। নাগালেণ্ড, মেঘালয়, মিজোৰাম, অৰুণাচল সৃষ্টিৰ কাৰকসমূহ অসমীয়া ভাষিক উগ্ৰজাতীয়তাবাদেই যোগালে অথচ আমি অসমীয়াসকলৰ এচামে সেইটো আজি পৰ্যন্ত উপলব্ধি কৰিব পৰা নাই। হোমেন বৰগোহাঞিঃ ছাৰে আন এটা গুৰুত্বপূৰ্ণ কথা কৈছিল তেওঁৰ প্ৰবন্ধটোত যে আজি বৰাকৰ বঙালীসকলে কিয় ভাষাৰ ভিত্তিত অসমৰপৰা পৃথক হ'ব খোজা নাই। কাৰণটো হৈছে যে তেওঁলোকে অসমৰ অংশ হৈ থাকিলে কৰ্মসংস্থাপনৰ বাবে এখন ডাঙৰ ক্ষেত্ৰ লাভ কৰে। লগতে তেওঁলোকে অসমীয়া ভাষা আয়ত্ত কৰি অসমীয়া অধ্যুষিত এলেকাতে সুন্দৰভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বঙালীলোকসকলৰ দৰেই নিজৰ কাম সম্পন্ন কৰি যাব পাৰে।

সংবিধানৰ ৩৪৭ নং ধাৰা অনুসৰি এখন ৰাজ্য অথবা একোটা অঞ্চলৰ গৰিষ্ঠ সংখ্যক জনগণৰ দাবী অনুসৰি সেই অঞ্চলত এটা বা ততোধিক ভাষা সেই ৰাজ্য অথবা অঞ্চলৰ চৰকাৰী ভাষা হিচাপে স্বীকৃতি লাভ কৰিব পাৰে। তেনে ক্ষেত্ৰত বৰাক উপত্যকাৰ ৮০% ৰো অধিক লোকৰ মাতৃভাষা বাংলা হোৱা হেতুকে ১৯৬০ চনত অসমীয়া ভাষা আন্দোলনৰ সমান্তৰালভাৱে বৰাক উপত্যকাতো ভাষা আন্দোলন হৈছিল, ১১ জন লোক পুলিচৰ গুলীত শ্বহীদ হৈছিল আৰু পিছত অসম ৰাজ্যভাষা আইন ১৯৬০ ৰ ভিত্তিতে বৰাক উপত্যকাত বাংলা ভাষা চৰকাৰী ভাষা হিচাপে আছে। তেন্তে ইয়াক লৈ হৈ-চৈ কৰাৰ কিবা থল আছে জানো?

অসমত ৰাজ্যভাষা অসমীয়া কৰাৰ দাবীত আন্দোলনৰ সূচনা যেতিয়া হ'ল, তাত কিছুমান ত্ৰুটি নিশ্চয় আছিল যি এক ভাঙোনমুখী প্ৰক্ৰিয়াৰ সূচনা কৰিলে। ওপৰত উল্লেখ কৰাৰ দৰে মিজো, নগা, খাচী, গাৰো, জয়ন্তীয়াসকলৰ লগতে বড়ো, কাৰ্বি জনজাতিসকলৰ মাজত এক সন্ত্ৰাসৰ সৃষ্টি কৰা হ'ল। অসমৰ ভূমিপুত্ৰসকল— বড়ো, ডিমাচা, কাৰ্বি, মিচিং ইত্যাদি যিবোৰ জনগোষ্ঠী অসমত অতীজৰেপৰা বাস কৰি আছে, যাৰ নিজৰ ভাষা, সংস্কৃতি আছে, তেওঁলোকৰ ওপৰত অসমীয়া ভাষা জাপি দিবলৈ চেষ্টা কৰাৰ দৰে হোৱা যেন হৈছিল নেকি বাৰু? ৰাজ্যভাষা আন্দোলন আৰম্ভ কৰোঁতে অসমৰ সকলো ভাষিক জনগোষ্ঠীৰ সংগঠনসমূহৰ লগত আলোচনা হোৱাৰ আৱশ্যক আছিল। নহ'লে বড়োসকলে অসমীয়া লিপি বাদ দি কিয় সেই সময়ৰপৰাই দেৱনাগৰী লিপি ব্যৱহাৰ কৰিব ল'লে? কাৰ্বিসকলে আজিও কিয় লেটিন লিপি ব্যৱহাৰ কৰে?

অসমীয়া ভাষা ব্ৰহ্মপুত্ৰ উপত্যকাত সংযোগী ভাষা, তাত কোনো দ্বি-মত নাই। সেইদৰে অসমীয়া ভাষা অসমৰ ৰাজ্যভাষা, বৰাক উপত্যকাত চৰকাৰী কাম-কাজত বাংলা আৰু বিটিএডি অঞ্চলত বড়ো ভাষা ব্যৱহাৰ কৰা হয়। কিন্তু আমি ব্ৰহ্মপুত্ৰ উপত্যকা বিশেষকৈ উজনি অসমৰ একাংশ ভাষিক উগ্ৰবাদীয়ে অসমীয়া ভাষাটো অসমৰ অন্য প্ৰান্তৰ আন ভাষিক জনগোষ্ঠীসমূহে আঁকোৱালি লোৱা আৰু ক'ব লোৱাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছোঁ। বৰাক উপত্যকাত আজি ১৫

মাহবো অধিক কাল থাকিলোঁ, কোনো বঙালীয়ে আজিলৈকে মোক বাংলা ক'বলৈ বাধ্য কৰোৱা নাই; হিন্দী হওক, ইংৰাজী হওক আৰু পাৰিলে অসমীয়াতে কথা পাতিছে যদি জানে। মোৰ পৰা অসমীয়া শিকিছে, ক'বৰ চেষ্টা কৰে। ইয়াৰ অসমীয়া জনসংখ্যা প্ৰায় অস্তিত্বহীন, গতিকে শিকিব ক'ৰপৰানো? কলিকতা অথবা পশ্চিমবংগৰ অন্য প্ৰান্তৰপৰা অহা বঙালীয়ে নিশিকে, চেষ্টা নকৰে, কাৰণ শিকি কৰিব কি, অসম তেওঁৰ মাতৃভূমি নহয়। তথাপি ত্ৰিপুৰা আৰু পশ্চিমবংগৰ দুজন সহপাঠী আছে, কেতিয়াবা কেতিয়াবা দুটামান বাক্য ক'বলৈ চেষ্টা কৰে, ফোনত অসমীয়ত কথা পাতিলে শুনি কোনোবাটো শব্দ বা বাক্যৰ অৰ্থ সোধে। অসমৰ বৰাক উপত্যকাৰ বঙালীয়ে অসমক নিজৰ মাতৃভূমি বুলি কয়, ভাবে, অসমীয়া ভাষা শিকিব চেষ্টাও কৰে; কেৱল বন্ধু-বান্ধৱীয়েই নহয়, তেওঁলোকৰ একাংশৰ অভিভাৱকক লগ পাওঁতে তেওঁলোকেও ভঙা ভঙা অসমীয়াত কথা পাতিবলৈ চেষ্টা কৰে, গুৱাহাটী/হোজাই/লামডিং এনেবোৰ ঠাইত অহা-যোৱা কৰি কৰি তেওঁলোকে অসমীয়া শিকিছে।

অসমীয়া ভাষিক উগ্ৰবাদে অসমীয়া মানুহৰ বিষয়ে অনা-অসমীয়া অঞ্চল তথা অন্য ৰাজ্যৰ মানুহৰ মনত এখন বেয়া ছবিৰ সৃষ্টি কৰিছে। যোৱা এবছৰত নিজৰ সহপাঠী আৰু বন্ধুবৰ্গৰ মাজত সেই ছবিখন সলনি কৰাত অলপ হ'লেও সফল হৈছোঁ। অসমীয়া হিচাপে গৰ্ব অনুভৱ কৰিছিলোঁ নিজক আৰু নিজৰ একাংশ অসমীয়া সহপাঠীক লৈ যেতিয়া এদিন সকলোৰে আগত ত্ৰিপুৰাৰ এজন বন্ধুৱে কৈছিল— (तुमलोगो से मिलने के बाद असमीज़ लोगो के बारे में मेरा जो रवाइया थुरा, पूरा बदल गया हैं) 'তোমালোকক লগ পোৱাৰ পিছত অসমীয়া মানুহৰ প্ৰতি মোৰ যি দৃষ্টিভংগী আছিল, সেইয়া সম্পূৰ্ণৰূপে পৰিৱৰ্তিত হৈছে।' সেই একেজন বন্ধুৱে যেতিয়া ফেচবুক, হোৱাটচাপত ভাইৰেল হোৱা শৃংখল চলিহা, বীৰ লাচিত সেনাৰ 'বঙালীক পিটিম' জাতীয় ভিডিঅ' দেখাই দুখ প্ৰকাশ কৰি কয় যে অসমত বঙালী মানুহৰ দশা দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে হৈছে, তেতিয়া অসমীয়া হিচাপে, অসমক ভাল পোৱা এজন হিচাপে দুখ লাগে।

এতিয়া আহো বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাহিৰৰ অসমখনলৈ। ডিমা হাছাও জিলাৰ কুকি, খাচী, ডিমাচা, মেইতেই, হামাৰ, নগা ইত্যাদি জনজাতিৰ বহুত ছাত্ৰ-ছাত্ৰী লগ পাইছোঁ বিশ্ববিদ্যালয়ত। কোনেও অসমীয়া বা বঙালী ক'ব নোৱাৰে, বহুতেই হিন্দীতো কথা পাতিব অসুবিধা পায়। তেওঁলোক জনজাতীয় ছাত্ৰ-ছাত্ৰী হয়, গতিকে তেওঁলোক গুৱাহাটীত গৈ থাকিলেও কোনেও অসমীয়া নজনাক লৈ একো নকয়। কিন্তু যদি বৰাক উপত্যকাৰ বঙালী ছাত্ৰ এজন বা হিন্দীভাষী এজন ব্যক্তিয়ে অসমীয়া ক'ব নোৱাৰিলে তেন্তে অসমীয়া ভাষা নজনাক লৈ বিতৰ্ক কিয় সৃষ্টি হয়। প্ৰশ্নটো অসমীয়া ভাষা নজনাটো নে মনত থকা বিশেষ গোষ্ঠীৰ প্ৰতি বিদ্বেষ! সেইয়া মনস্তাত্বিকভাৱে সৰুকালৰ পৰা গঢ় লৈ উঠাই হওক বা সামাজিক কাৰণতেই হওক। অসমত থাকি অসমীয়া ভাষা শিকিব লাগে, তেন্তে বড়ো অধ্যুষিত এলেকাত কৰ্মসূত্ৰে থকা কেইজন অসমীয়াই বড়ো ভাষা শিকিছে? সেইদৰে বৰাক উপত্যকাত আহি কেইজন অসমীয়াই বঙালী ভাষা শিকিছে বা চেষ্টা কৰিছে দেখিছোঁ। একেই কথা কাৰ্বি আংলং জিলাত শিক্ষা গ্ৰহণৰ বাবে যোৱা কেইজন অসমীয়াই কাৰ্বি ভাষা শিকিছে? 'যি ঠাইত যোৱা হয়, সেই ঠাইৰ ভাষা শিকিব লাগে। সেইটো কৰিলে ভাষাটোক সন্মান জনোৱা হয়।' এনে কথা কেৱল অসমীয়া ভাষাৰ ক্ষেত্ৰতহে বেছি প্ৰযোজ্য কিয়? অসমীয়া হৈছে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংযোগী ভাষা, যিদৰে হিন্দী প্ৰায় সমগ্ৰ দেশতে (দাক্ষিণাত্য বাদ দি) যোগাযোগৰ বাবে ব্যৱহৃত হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া মানুহে কেইটা ভাষা জানে? ইংৰাজী পঢ়ি শিকা হয়। হিন্দী শিকা হয় কাৰণ হিন্দী ভাষা-সংস্কৃতিৰ প্ৰভাৱ বেছি। সৰু কালৰ পৰা হিন্দী চিনেমা চাই, হিন্দী গীত গাই, হিন্দী টিভি চিৰিয়েল চাই স্কুল পৰ্যায়ত হিন্দী বিষয়ত পঢ়িবলৈ কেৱল হিন্দী আখৰবোৰ আৰু ব্যাকৰণহে থাকে। এই ক্ষেত্ৰত বৰাকৰ মানুহৰ দুৰ্বলতা হৈছে যে তেওঁলোকে হিন্দী চিনেমাৰ তুলনাত বাংলা চিনেমা, হিন্দী গীতৰ তুলনাত বাংলা গীতৰ চৰ্চা বেছিকৈ কৰে আৰু হিন্দী ধাৰাবাহিক প্ৰায় নাচায়। গতিকে হিন্দী আয়ত্তৰ ভিতৰত নাই ইমান। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বঙালী মানুহে অসমীয়া আয়ত্ত কৰিব পাৰে অসমীয়া অধ্যুষিত অঞ্চলত থকাৰ বাবেহে একেই কথা প্ৰযোজ্য হয় জনজাতীয় ৰাইজৰ ক্ষেত্ৰতো। ব্ৰহ্মপুত্ৰ উপত্যকাৰ তিৱা, লালুং, বড়ো ৰাইজে অসমীয়া জনাৰ দৰে বৰাক উপত্যকাৰ মণিপুৰী, ডিমাচাসকলে বাংলা ভাষা জানে যথেষ্ট পৰিমাণে।

২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ ৪৮.৩৮% মানুহেহে নিজৰ মাতৃভাষা অসমীয়া বুলি কৈছিল। যদি বঙালী, হিন্দী, নেপালী, ওড়িয়া, ৰাজস্থানী মূলৰ, দাক্ষিণাত্য মূলৰ ভাষা কোৱা মানুহৰ সংখ্যাক এটা গোট কৰি চোৱা হয়, তেন্তে অসমীয়া আৰু অন্য জনজাতীয় ভাষা কোৱা লোকৰ সংখ্যা প্ৰায় ৬০% (অসমীয়া ৪৮.৩৮%, বড়ো, ৪.৫৪%, মিচিং ১.৯৮%, কাৰ্বি ১.৬৩%, ডিমাচা ০.৪২%, ৰাভা ০.৩২%, লালুং ০.১০%, দেউৰী ০.০৮% ইত্যাদি)।

কেব/কা বিৰোধী আন্দোলনৰ সময়ত ফেচবুকত এনেকুৱা বহু ভিডিঅ' ভাইৰেল হোৱা দেখিলোঁ যে বঙালী লোকসকলক মাৰিম/কাটিম কোৱাৰ লগতে পশ্চিমবংগৰপৰা অহা বাংলাভাষী যুৱকক অসমীয়া ক'ব নজনাৰ বাবে আঁঠু কঢ়াই কাণত ধৰি 'জয় আই অসম'




ক'বলৈ বাধ্য কৰোৱা হ'ল। বাংলা ভাষাত 'স'ৰ উচ্চাৰণ 'চ'ৰ দৰেই হয়, গতিকে যুৱকজনে 'জয় আই অচম' কোৱাৰ দৰে কৰোঁতে আকৌ ধমকি দি বঙাল ইত্যাদি কৈ তেওঁৰ ওপৰত অত্যাচাৰ চলোৱা হ'ল। এই ভিডিঅ' ভাইৰেল হোৱাৰ পিছত বৰাক উপত্যকাত পঢ়ি থকা অসমীয়া ছাত্ৰীসকল বজাৰলৈ ওলাবলৈ ভয় কৰা হ'ল, তেন্তে পশ্চিমবংগত বসবাস কৰা ৭০০০ ৰো অধিক অসমীয়া মানুহ কিমান নিৰাপত্তাহীনতাত ভুগিছিল, সেই উদণ্ডচামে এবাৰলৈও ভাবি চাইছিলনে?

অসমীয়া ভাষা বৰ্তমান সংকটপূৰ্ণ অৱস্থাত আছে। ইয়াৰ বহু কাৰণ আছে, কিন্তু চৰ্চাৰ অভাৱ তথা ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানৰ প্ৰতি ধাউতি ইয়াৰ ভিতৰত অন্যতম। জাতীয় সংগঠনসমূহৰ এই ক্ষেত্ৰত দায়িত্ব কি? আঞ্চলিক ভিত্তিত জাতীয় সংগঠনসমূহে কোনো আলোচনী, প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা ধৰণৰ কাম কৰিছেনে? মধ্যবিত্ত অসমীয়া শ্ৰেণীৰ অসমীয়া ভাষাৰ প্ৰতি অৱহেলা আন এটা অন্যতম কাৰণ হৈ পৰিছে। ল'ৰা-ছোৱালীক মা-দেউতাৰ সলনি 'পাপা-মাম্মী' ক'বলৈ শিকোৱা; ঘৰত অসমীয়া বাতৰিকাকত, আলোচনী নোহোৱা অৱস্থা, সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰোৱা— এই কাৰকবোৰে ভাষাৰ চৰ্চা আৰু কথোপকথন কম হোৱাৰ ক্ষেত্ৰত অৰিহণা যোগায়। অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়া মোৰ প্ৰাক্তন সহপাঠীসকলৰ অধিকাংশকে সামাজিক মাধ্যমত অসমীয়া ভাষা ব্যৱহাৰ কৰা কেতিয়াও দেখা নাপাওঁ। সেইদৰে অসমীয়া ভাষাত লিখা-মেলা, ভাল কিতাপৰ প্ৰকাশন যথেষ্ট পৰিমাণে কমিছে। বিশ্বৰ আগশাৰীৰ সাহিত্যকৰ্মবোৰ অসমীয়া ভাষাত অনুদিত হোৱা নাই, যাৰ বাবে ইংৰাজী ভাষাত দখল নাথাকিলে বিশ্ব সাহিত্যৰ সোৱাদ লোৱাটো যথেষ্ট কষ্টকৰেই হৈ পৰে। সেইদৰে ডিজিটেল যুগত ই-আলোচনীৰ প্ৰাসংগিকতা আছে, কিন্তু গুণগত সৃষ্টি নাই। বেছিভাগ অসমীয়া ই-আলোচনী খুলি চালে কেৱল মাত্ৰ প্ৰেমৰ কবিতা, নাৰীৰ সৌন্দৰ্য বৰ্ণনা। অসমীয়া যুৱ প্ৰজন্মৰ মাজত কাব্য-চৰ্চা, প্ৰবন্ধ পঢ়াৰ অভ্যাস, ছপা আলোচনী ক্ৰয় কৰিবৰ বাবে অনিচ্ছা— এইবোৰ এক বৈশিষ্ট্য হৈ পৰিছে। কিতাপ পঢ়াৰ অভ্যাস গঢ় দিয়াৰ সময় সমাগত, যিকোনো কিতাপ পঢ়ক, কিন্তু সেই কিতাপৰপৰা পোৱা শিক্ষা, তাৰ বিষয়বস্তুৰ ওপৰত চিন্তা কৰিব পাৰিলেহে সেই কিতাপখন পঢ়া কাৰ্যটো সাৰ্থক হ'ব।

প্ৰায়েই ফেচবুকত কিছুমান পোষ্ট দেখা পাওঁ— 'নিজেও অসমীয়া ক'ম আৰু আনকো ক'বলৈ বাধ্য কৰিম।' এতিয়া ভাষা এটা কৈ থাকিলেইতো ভাষাটোৰ বিকাশ নহয়, চৰ্চা নহয়। তেনে ক্ষেত্ৰত আমি অসমীয়া ভাষাটো অন্য ভাষা কোৱা লোকৰ ওপৰত জাপি দিয়েই ক্ষান্ত থাকিমনে নিজৰ মাজত চৰ্চা কৰিম? অসমীয়া ভাষিক উগ্ৰবাদে ভাষাটোক ক্ষতি হে কৰিব, লগতে অসমীয়া ভাষা কোৱা লোকসকলৰ বাবে সম্ভাৱনাৰ দুৱাৰসমূহ বন্ধ কৰিব। বিগত সময়ত দেখা গৈছিল কেইখনমান অতি হাস্যকৰ ৰূপত গঠিত সাহিত্য মঞ্চ— অসম ইছলামিক সাহিত্য সভা, সদৌ অসম হিন্দুত্ব সাহিত্য সভা, সদৌ অসম ব্ৰাহ্মণ সাহিত্য সভা। এই ধৰণৰ ঘটনাই অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাৰ ক্ষেত্ৰখনৰ এক পুতৌলগা ৰূপ দাঙি ধৰিছে।

সেয়ে এক সুস্থ বাতাবৰণৰ সৃষ্টি কৰা হওক, য'ত অনা-অসমীয়া আৰু বহিৰাগতই অসমীয়া ভাষা কোৱাৰ ক্ষেত্ৰত বাধা আহি নপৰক, তেওঁলোকে ভাষাটো ক'বলৈ চাপৰ মাজত থাকি কোৱাতকৈ আন্তৰিকতাৰে ক'লে আমি অসমীয়া হিচাপে বেছি গৰ্ব অনুভৱ কৰিব পাৰিম। আৰু লগতে ভাষাৰ প্ৰতি অসমীয়া ল'ৰা-ছোৱালীৰ যিটো ভীতি আছে, সেয়া দূৰ কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। শিলচৰত দিনটোৰ ভিতৰতে অসমীয়া, হিন্দী, বাংলা, ইংৰাজী, মণিপুৰী— এই ৫ টা ভাষাত কথা পাতো। অসমীয়া আৰু হিন্দীত কথা পাতিয়েই চলিব পাৰি, কিন্তু দুটা অন্য ভাষাৰ শব্দ শিকিলে, ক'লে আকাশখন খহি নপৰে। সেইদৰে ফেচবুকত দিনটো মিম শ্বেয়াৰ কৰি থকাতকৈ দুটা গল্প, দুই-এটা প্ৰবন্ধ পঢ়িলে অসমীয়া ভাষাৰ প্ৰতি বেছি দায়িত্ব পালন কৰাৰ লেখীয়া হ'ব জিঅ' ইণ্টাৰনেটৰ যুগৰ অসমীয়া কিশোৰ-কিশোৰী তথা যুৱ-প্ৰজন্মৰ বাবে।




*The roots of education are bitter, but the fruit is sweet.*

– Aristotle



গল্প শিতান



*Education the mind without educating the heart is no education at all.*

– Aristotle



# স্বপ্নৰ শিলাময় পথ

**চাজিনা ইয়াচবিন**

(অলিম্পিয়াৰ ক্ৰীড়ামূলক গল্প প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত)

চাওকচোন,

ৰিহান আলীৰ নাম আছে নেকি? জেৰিনা বেগমৰ? বেগমটো খাতুন বুলিও থাকিব পাৰে। চাওক।'— দশমবাৰৰ বাবে টিকট কাউণ্টাৰত একেটা প্ৰশ্ন। কণ্ঠস্বৰ যোৱা দুবছৰৰ দৰেই গহীন, কিন্তু চকুদুটা আজি চঞ্চল এই নামকেইটা বিচাৰি, উদ্বিগ্ন আজি কেইখনমান পুৰণি মুখ চাবলৈ।

...

সপোনবোৰ আজি পূৰণ হোৱাৰ দুৱাৰদলিত। ইমানদিনে এয়াই সপোন দেখিছিল খোলা চকুযোৰে তাই। শ শ দৰ্শকৰ হাতচাপৰিত দুখবোৰে হাঁহিব, আনন্দত আত্মহাৰা হোৱা প্ৰাণোচ্ছল মুখকেইখন দেখি তাইৰ মুখখনতো ৰং লাগিব। এয়া কণ-কণকৈ জমা কৰা তেজৰ সপোন তাইৰ। কল্পনাৰ এমোকোৰা হাঁহি। হাঁহিটো আজি পুৱাৰ দৰেই কোমল, বহল। বহুদিন হাঁহিৰ পৰশ নোপোৱা ওঁঠ দুখনে যেন আজি ২ বছৰৰ মূৰত এই অচিনাকিক লগ পাইছে। দুবছৰে পৰিস্থিতিৰ আবদাৰত ওঁঠ দুখন বিয়পাইছে, জনচক্ষুত হাঁহিৰ উৎকৃষ্ট অভিনয় বুলি, নিজকে শিলাময় কঠোৰ হেন দেখুৱাবলৈ বুলি, জীৱন যেন গোলাপ শয্যা তাকে দেখুৱাবলৈয়ে। গোলাপৰ আঁৰত যে কাঁইটে বিষজীৰ্ণ কৰিছে, অভিনয়ৰ কুঁৱলী ফালি চাবলৈ কাৰো সাধ্য নাই। হয়তো কাৰো দৰকাৰো নাই সম্ভৱ!

শিলিগুৰি ষ্টেচনত এৰি থৈ অহা পুৰণি হাঁহিটো আজি ঘূৰি আহিছে তাইৰ আঁজলিলৈ। অকৃত্ৰিমভাৱে। যিদৰে তাই আজি বুজিছে হাঁহিটোৰ কিমান মূল্য; কাৰণ তাই, কেৱল তাই, অকল তাইহে মূল্য দিছে, তেজেৰে, ঘামেৰে, আপোনৰ মৰমৰ জলাঞ্জলিৰে। বৰ কঠিন মূল্য!

স্মৃতিৰ জপা খুলিবলৈ ভাল, জপাবৰ সময়তহে আহুকাল।

প্ৰায় দুবছৰ আগতে এৰি থৈ আহিছিল ট্ৰেইনখন শিলিগুৰি ষ্টেচন, অকল ষ্টেচনেই নে? ৰঙাবাৰী গাঁওখন, মাকৰ আঁচলখন, বাপেকৰ ছাঁটো, কাণসমনীয়া ভনীয়েকৰ লগত বেমেজালিবোৰ, 'পাৰিবি দে তই' বোলা ৰাণুৰ উৎসাহ আৰু বহুত কিবা-কিবি। হেৰুৱা বস্তুৰ নাম মনত ৰাখিব নোৱৰা হ'ল তাই। আকস্মিকভাৱেই সকলো থৈ আহিল ট্ৰেইনখনে, জীৱনৰ ৰংবোৰ, হাঁহি থকা কোমল হিয়াখন।

কেৱল শিলক সাৰথি কৰিয়েই ওলাই আহিল। শিল বান্ধি

বুকুত, শিলাময় অনিশ্চয়তাত ডুবা ভৱিষ্যৎ এটালৈ বুলি। কেৱল নিজৰ বাবেই? হয় সমাজৰ মতে, কিন্তু তাইৰ মতে নহয়। তাই ওলাই আহিল সপোনৰ বাবে, হয়তো মাক-দেউতাকৰ গোড়া মনোভাৱক বিৰোধিতা কৰি প্ৰত্যাহ্বান হিচাপে লৈ, নাৰী-পুৰুষ সমান বুলি এমুখে কৈ আনমুখে ছোৱালীয়ে খেলিলে বেয়া দেখি বোলা মানুহক। কাৰণ আজি তাই যিয়ে বিচাৰি নাপাওক কিয়, সঁচা কথা হ'ল তাই বেডমিণ্টনৰ প্ৰেমত বলিয়া, তেতিয়াও এতিয়াও। চিৰন্তন প্ৰেম তাইৰ। তেতিয়াও সহ্য কৰিব পৰা নাছিল প্ৰেমবিচ্ছেদ, আজিও নোৱাৰে।

ৰুণাৰ সৈতে সৰুতে আবেলি আবেলিহে খেলিছিল। এনেয়ে স্কুলৰ পৰা আহি। লাজ লাগে ক'বলৈ হাত-ভৰিবোৰ লঠঙা-লঠঙ যে তাইৰ, সদায় জিকিছিল। লাহে লাহে জিকাৰ আগ্ৰহেই বাঢ়িল নে ককৰ পাতল পাখিবোৰলৈ মৰমেই বাঢ়িল নুবুজিলে, একো নুবুজিলে। তেতিয়াৰ পৰাই নিজকে জুখি চোৱাৰ ইচ্ছা হ'ল। লাহে লাহে বিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া মহোৎসৱ, গাঁৱে-ভূঁঞে হোৱা খেলবোৰত জিকি জিকি তাইৰ কিশোৰী মনটিয়েও সপোন দেখিছিল। সোণালী সময় সম্ভৱ জীৱনৰ। কোনো চিন্তা নাই, তাতে কম বয়সতে বিজয় উল্লাস। মাক-বাপেকসহ গাঁৱৰ পৰিৱেশটোৰপৰা বাহিৰলৈ গৈ তাই ভাবিবলৈ লৈছিল। বাপেক বিহান আলী, মাক জেৰিনাই একো ভু নেপাইছিল। এপাল ল'ৰা-ছোৱালীৰ কেঁকনি-গেঁথনিত ওৰে দিনটো কাম কৰি ৰাতি আৰু ধৈৰ্য নাথাকে, কোনে কি খেলিছে, খাইছে সুধিবলৈ। আটাইকেইটা ল'ৰা-ছোৱালীৰ ভৰা পেট দেখি হাঁহিছিল দাড়িমুখীয়া বাপেকে। মাকৰ সুখটো আটাইকেইটাকে আঁচলত টোপনি নিওৱাতে। তাইৰ ডাঙৰ দুজনী বায়েকৰ বিয়া হৈ গ'ল। ককায়েকটো কাণ সমনীয়াই, হ'লেও ল'ৰা যেতিয়া ঘৰৰ তাতে দুই-এপইচা উপাৰ্জনো কৰে যেতিয়া তাৰ ভনীয়েক আৰু তাইৰ লগত একো সম্পৰ্ক নাই। সাধাৰণ এজনী ছোৱালী এটা খেলুৱৈ মনৰ সৈতে।

'বতাহ বলি আছে বলক, খেল বন্ধ নহয়। হাতত ৰেকেট বতাহত কক। বতাহ বলিবই ফাগুনত।' তাই ভবা নাছিল বছৰৰ ফাগুণ বৈ যাব জীৱনত চিৰদিনৰ কাৰণে। সময়, পৰিস্থিতি বিপৰীতে বৈ আছিল আছেও, তথাপি তাই খেলি আছে ককৰ সৈতে, জীৱনৰ সৈতে।

সকলো ভালেই আছিল তেতিয়ালৈকে, এদিন মাকে আহি তাইক সুধিছিল 'তই হেনো কিবা খেল'? মোক ভদঙাই কৈছিল। ঘৰৰ কাম-বন থৈ সেয়া কৰি থাক।' একো বিশেষ নহয় সেয়া তাইৰ বাবে, মাকৰ মমতাময়ী অনুশাসন সেয়া। কিন্তু পিছলৈ এনেকুৱা কথাবোৰৰে সুৰ সলনি হ'লগৈ। জিজ্ঞাসাৰ ঠাইত বিদ্ৰূপ আৰু আদেশে স্থান পালে। কথাটো বাপেকৰ কাণত পৰোঁতে দিন লাগিল যে গাভৰু জীয়েকে বিশ-ত্ৰিশজন মানুহৰ আগত বেডমিণ্টন খেলে। কওতাই বাপেকক একেবাৰে পতিয়ন নিয়ালে যে সেয়া সম্পূৰ্ণ বেয়া কাম, জীয়েক বেয়া হ'বলৈ গৈ আছে। পিতাকে তেনেই কম কথা কয়। তাই ভাবিছিল পিতাকে খেল এৰিব নক'ব, দুই-এষাৰ গালি দিয়ে শেষ কৰিব চাগে। কিন্তু পিতাকে একো নক'লে, মাকৰ লগতহে কিবা ফুচফুচাই পাতিলে। দুদিনৰ পিছত নিজে দেখিলে পিতাকৰ মৌনতা কি। মাকৰ আয়োজন দেখি বুজিলে ঘৰত বিয়া। অলপপৰৰ বাবে বুকুখন চিৰিংকৈ গ'ল। বিয়া কাৰ সেইবুলি নহয়, ঘৰত বিয়া তাই গম নাপায়। তাইৰ লগৰজনী 'ৰাণু', তাই আহোঁতেহে গম পালে যে আৰু ২০ দিনমান আছে, তাৰ পিছত তাইক নিকাহ পঢ়াই বিয়া দি দিয়াৰ আয়োজন, একো সবাহ নকৰে। তাইৰ গাঁওখনত বিয়াৰ ভোজ খুওৱাটো এপাচি শাকত এটা জালুকহে। গতিকে দৰিদ্ৰতাসূত্ৰে তাইৰ বিয়াতো ভোজ নহয়। কিন্তু তাইৰ মনত বিয়া, ভোজ চলি থকা নাই। তাইৰ সপোনবোৰ থনথনকৈ ভাগিব ধৰিছে। এফালৰ পৰা যেন সকলো মোহাৰ খাই আহিছে তাইৰ পৃথিবীখন। তাই খেল এৰিব লাগিব। কক, বেট... সকলো এৰিব লাগিব।

আবেলি মাক আজৰি। সেই সময়তে মাকক মৃদু সুৰত আপত্তি জনাইছিল তাই। তাই বিয়া হ'ব নিবিচাৰে এতিয়াই।

মাকৰ কথাবোৰ এতিয়াও কাণত বাজে তাইৰ 'ছোৱালী মানুহ হৈ তই বেছি উৰিব খুজিছিল নহয়, এতিয়া খেলিবি ককবেট, ভাতৰ চৰু দাঙি কঁকাল পোনাব নোৱাৰিবি যেতিয়া, চখ আঁতৰিব। সুবিধা পাই তই বাপেৰৰ নাক কটালিগৈ, গাঁৱৰ বুঢ়া-মেথাই শুনি থুই দিছে বাপেৰক। ঘৰত হিজাব পিন্ধি বহিব লগা ছোৱালী তই স্কাৰ্ট পিন্ধি খেল' জঁপিয়াই। কি বুলি ভাবিছিলি তই, বাপেৰ বৰ ধনী? বদনাম হ'লে টকাৰে ঢাকিব? নোৱাৰোঁ আমি অ', নোৱাৰোঁ, গতিকে আমাক শান্তিত থাকিব দে, বিয়া থিক কৰিছে বাপেৰে। ই।'

একো বুজি নাপালে তাই কি কৰিলে, কিয় বাপেকে লাজ পাইছে, থু দিবলৈয়ে বা কি হ'ল। মুঠতে এটা কথাই বুজিলে বিয়া নিশ্চিত। সকলো তাইৰ বিপৰীতে আজি। এফালে তাই আৰু তাইৰ সপোনবোৰ আনফালে সমগ্ৰ আপোনখিনি। যিটো পৰিস্থিতি তাই বাহিৰৰ মানুহখিনিৰ পৰা আশা কৰিছিল, সেই তিক্ততা ঘৰৰ মানুহেই দিলে। বাহিৰৰ পৰা পোৱা হ'লে তিক্ততাখিনি প্ৰত্যাহ্বান হ'লহেঁতেন, ঘৰৰ পৰা পোৱা বাবে সেয়া বুকুত শিলৰ বোজাহে হ'ল। কষ্টকৰ আছিল সেই পোন্ধৰটা দিন — এফালে এবুকু জহি-যাব ধৰা সপোন, আনফালে এবুকু বেদনা। তাই বিয়া নহওঁ বুলি কোৱাৰ দিনাৰ পৰাই আপোনখিনিৰ যেন চেহেৰা সলনি হ'ল। তাই কিবা ক'লেই কোদোবৰলৰ বাহত হাত দিয়া যেন হয়, দোষ-নিৰ্দোষ নোচোৱাকৈয়ে কথাৰ বাণে খেদি আহে। 'তোক জন্ম দি ভুলেই কৰিলোঁ, সৰুতেই বিহ খুৱাই মাৰি দিয়া হ'লে... আজি আৰু আমাৰ নাক নকটালিহেঁতেন, কোন পাপৰ ফলত জন্ম দিলোঁ অ' তোক?'



হওতে হয় চাগে পাপৰ ফলত জন্ম দিয়া ছোৱালী যে তাই, সেই কাৰণেই প্ৰায়চিত্তৰ অগ্নিতো তাইকে বলি দিয়াৰ অধিকাৰো পাইছে তাহাতে। কোনে কৈছে বলি প্ৰথা শেষ বুলি, নাৰীয়ে বজাই ৰাখিছে বলি প্ৰথা, শিকোৱা হৈছে নাৰীক। অৱলা কৰা হৈছে আগত বলি দিবলৈ শিকাই, মনে মনে অন্যায় সহিবলৈ শিকাই, পিছলৈ সবলীকৰণ হ'ব নাৰীৰ। কালিৰ বলিত জীৱৰ তেজ বৈছিল, আজিৰ বলিত নাৰীৰ চকুলো বয় অন্ধকাৰত। পাৰ্থক্য ইমানেই। 'হেৰ' আমিও সপোন দেখিছিলোঁ, কিন্তু আম্মা-আব্বাই য'তে বিয়া দিলে, বহিলোঁ' — মাকে তাইলৈ আগবঢ়াই দিয়া বলিশাল, কালিলৈ তাইয়ো আগবঢ়াই দিব তাইৰ উত্তৰপুৰুষক।

প্ৰায় ১০-১২ দিনতে বহুত জ্ঞান পালে যেন তাই। বুজি উঠা কথাবোৰে হাঁহিব নিদিয়া হ'ল। জীৱনটোৱে বহুত শিকালে, বিশেষকৈ এই দহ দিনে। মানুহ চিনাত বৰ খোকোজা লাগে এতিয়াও এইখিনিয়েই মানুহ, কথা ভিন-ভিন। এই যে তাই শুনি আছে ষ্টেডিয়ামটোত শ-শ দৰ্শকৰ ভিৰ, দেখি থকা ৰং উন্মত্ত চেহেৰাবোৰ, তাইৰ খেল চাবলৈ বৈ থকা হাজাৰযোৰ চকুত উদগ্ৰীৱতা, এইখিনিতে অতি আপোন যেন লাগে মানুহখিনিক। কিন্তু কিদৰে পাহৰে তাই এই আপোনখিনিয়ে কিদৰে ঠাট্টা কৰিছিল কিছুদিনৰ আগত, নিৰাশ্ৰয় হোৱাৰ পাছত 'এইজনী ইমান চৰিত্ৰহীন চা, এইকণ বয়সতে ঘৰৰ পৰা ওলাই আহিছে, গাভৰু ছোৱালী।' 'ছিঃ! মৰসাহ চা তাইৰ।' — এনেকুৱা আৰু কত কি! কিন্তু আজি যেতিয়া নিৰাশ্ৰয়ী লতাডাল বৰবৃক্ষ হ'ল, এতিয়া শলাগৰ অভাৱ নাই। কেৱল চাই থাকে তাই নিজৰ স্বাৰ্থৰ কাৰণে মানুহে কিমান তললৈকে খোজ দিব পাৰে। আমাৰ মানুহবোৰ বৰ আচৰিত। কিন্তু, যিফালেই সময়ৰ সোঁত বয়, সেইফালেই 'হয়, হয়'। ভাবৰ ডুখৰীয়া ডাৱৰবোৰৰ শেষ নাই। ইটোৰ পাছত সিটো। আজিও তাই মূল্যায়ন কৰিব নিশিকিলে, তাইৰ গৃহত্যাগৰ সিদ্ধান্তক, ঘৰৰ সকলোৱে মচি দিব খোজা তাইৰ সপোনটোক, তেওঁলোকৰ আচৰণক, জীৱনৰ প্ৰতি লোৱা প্ৰত্যাহ্বানক, জীৱনৰ ভাল-বেয়া পৰিস্থিতিক, বিশেষকৈ মানুহবোৰক। তাই বৰ ভয়াতুৰ, ভয় লাগে তাই নিজৰ আপোনখিনিক দোষীৰ ঘৰত থিয় কৰাবলৈ। সময় মহান, বোৱাই লৈ যাব সকলো, এয়াই তাইৰ ধাৰণা।

হ'লেও আজি দুবছৰ পাৰ হ'ল। মানুহৰ মনবোৰ কঠিন বুলি শুনিছেই তাই, কিন্তু কিমান কঠোৰ হ'ব পাৰে সেয়া যে নিজৰ মাক-বাপেকৰ পৰাই শিকিব, ভবা নাছিল। পুৱাৰ পৰা ১০ বাৰ মান আহিছে টিকট কাউণ্টাৰলৈ বাপেক-মাকৰ নামটো দেখে নেকি বুলি। গাঁৱৰ পুতাইকণৰ হাতত খবৰটো দিয়াই পঠিয়াইছিল যে আজি খেলখন আছে। তাইৰ জীৱনৰ সপোন। পুতাইকণ আহিছে, আৰু কোনোবা ক'ৰবাত আহিছে, আহিয়েই তাইক লগ কৰিছে, অৱশ্যে আজিকালি দেখা কৰা মানুহৰ অভাৱ নাই। সকলো আহিছে, সকলোৰে উৎকণ্ঠা। মাক-বাপেকৰ একো উৎকণ্ঠা নাইনে? আগ্ৰহ নাই নে? নে নাম শুনি ধৰিব পৰা নাই তেওঁলোকৰে গৃহত্যাগী ছোৱালী বুলি। হাজাৰ প্ৰশ্নৰ মেৰপাকত সত্য কিন্তু এটাই— বিহান আলী বা জেৰিনাৰ নাম নাই টিকট লিষ্টত। হাজাৰ চকুৰ মাজত কেৱল ২যোৰ চকু বিচাৰে, নালাগে তাইক গৃহত্যাগী সেই ছোৱালীজনীয়েই বুলি পৰিচয় দিব। কিবা অকলশৰীয়া যেন লাগিছে শ শ দৰ্শকৰ ভিৰত। তাইক এতিয়া আৰু একো নালাগে, খেলৰ কাৰণে কিবা ভিটামিন, পানী বা অন্য কিবা। কেৱল দুবছৰে জমা হোৱা চকুপানীখিনি বোৱাব বিচাৰে মাকৰ কোঁচত মুখ থৈ।

টলমলাই থকা চকুযুৰি মচিব নাপাওঁতেই ধূসৰকৈ শুনিলে—

'জেনিফা বাইদেউ, আপোনাক বিচাৰি কোনোবা দুজন আহিছে, চিনাকি বুলি কৈছে।'▸▸

# অভিশপ্ত বেদনা

**পান্না খাউণ্ড**
স্নাতক তৃতীয় ষাণ্মাসিক

ডিচেম্বৰ মাহ, সন্ধিয়াৰ লগে লগে হাড় কঁপোৱা ঠাণ্ডাই কিৰিহনক কোঙা কৰি পেলাইছে। অফিচৰপৰা আহি বাৰাণ্ডাখনতে বহি একান্ত মনে তাৰ ম'বাইলটো চলাই আছিল। দৈনন্দিন ব্যস্ততাৰ বাবে তাৰ মূৰৰ বিষ হোৱাত ঔষধ আনিবলৈ ওচৰতে থকা ফাৰ্মাচীখনলৈ ওলাই গ'ল। ফাৰ্মাচীখনত সি এজনী ৰূপহী গাভৰু দেখা পালে। তাই কিৰিহনে কোৱাৰ দৰে ঔষধ দিলে, তেনেতে দেউতাক অহাত তাই ভিতৰলৈ গুচি গ'ল। কিৰিহন ঘৰলৈ অহাৰ পিছতো তাইৰ প্ৰতিছবিখন মনত ভাহি থাকিল। বৰ্তমান ছ'চিয়েল মিডিয়াৰ যুগ। কিৰিহনে বাৰে বাৰে তাইক ছ'চিয়েল মিডিয়াত বিচাৰিছিল যদিও সি বিচাৰি নাপালে। তাৰ মনোজগতত এক বিষাদ বেদনাই আবৰি ধৰিছিল। এনেকৈয়ে প্ৰায়েই সি ফাৰ্মাচীৰ সন্মুখৰে বাৰে বাৰে অহা-যোৱা কৰিবলৈ ল'লে। কিছুদিন এনেকৈয়ে পাৰ হ'ল। এদিন হঠাতে তাইক ৰাস্তাত লগ পাই সিহঁতৰ চিনাকি হ'ল। লাহে লাহে সিহঁতৰ মাজত বন্ধুত্বৰ সূত্ৰপাত হ'ল। অতি কম দিনতে সিহঁতৰ বন্ধুত্ব প্ৰেমলৈ ৰূপান্তৰিত হ'ল। কিন্তু কিৰিহন আছিল কাৰ্বি সম্প্ৰদায়ৰ আৰু সেই মৰমলগা ছোৱালীজনী লংকি আছিল গাৰো সম্প্ৰদায়ৰ। সিহঁতৰ মাজৰ হেঙাৰ স্বৰূপ আছিল সিহঁতৰ জাতি-জনজাতি। লাহে লাহে লংকিৰ ঘৰত সিহঁতৰ প্ৰেমৰ কথা গম পালে। লংকিৰ মাক-দেউতাকে তাইক মানসিক আৰু শাৰীৰিকভাৱে অত্যাচাৰ কৰিবলৈ ধৰিলে। লংকিক ঘৰৰপৰা ওলাব নিদিয়া হ'ল। লংকিয়ে সকলো মানসিক আৰু শাৰীৰিক কষ্ট সহ্য কৰি নীৰবে থাকিলে। কৰ্মসূত্ৰে কিৰিহন ত্ৰিপুৰালৈ বদলি হ'ল কিন্তু সিহঁতৰ সম্পৰ্ক ম'বাইলৰ যোগেদি বেছি মজবুত হৈ পৰিল। লাহে লাহে লংকি আৰু কিৰিহনৰ বিয়াৰ বয়স হৈ আহিল। লংকিৰ ঘৰৰ মানুহে তাইৰ বাবে এটা ল'ৰা ঠিক কৰিছিল যদিও তাই মান্তি নহ'ল। সেইদিনা তাইক মাক-দেউতাকে বহুত মানসিক তিৰস্কাৰ কৰিলে বহু সময় ধৰি তাইক মাৰধৰ কৰিলে। কিৰিহনে এই কথা গম পাই মাক-দেউতাকৰ আগত তাইকে বিয়া পাতিম বুলি ক'লে। কিৰিহনৰ মাক-দেউতাক আছিল হোজা প্ৰকৃতিৰ লোক। সমাজৰ সকলো কথা মানি চলিব বিচাৰে কিন্তু নিজ পুত্ৰৰ শান্তিৰ বাবে তেওঁলোকে শেষত কিৰিহনৰ প্ৰস্তাৱত সঁহাৰি দিলে। বৰ্তমান সমাজ ব্যৱস্থা উন্নত হৈছে যদিও এচাম মানুহৰ মাজত আজিও জাতি-ধৰ্মৰ ভেদাভেদ আছে। সেয়ে মাক-দেউতাক প্ৰথমে মান্তি হোৱা নাছিল পিছত সন্মত হ'ল। লংকিয়ে ঘৰত মাৰ খাই খাই শৰীৰিক শক্তি হেৰুৱালে আৰু তাইক হস্পিতালত ভৰ্তি কৰিব লগা হ'ল। ডাক্তৰে বহু পৰীক্ষা-নিৰীক্ষা কৰি ক'লে যে তাই কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা বহু দিনে হ'ল এতিয়া তাইৰ শেষ পৰ্যায়। লংকিৰ মাক-দেউতাকৰ অৱহেলাৰ বাবে এজনী উঠি অহা ফুল কুমলীয়া ছোৱালীৰ জীৱন নিমযতে শেষ হৈ গ'ল। কিৰিহনে লংকিক বচাবৰ বাবে পাগলৰ দৰে ঔষধৰ যোগান ধৰিছিল। কিন্তু অৱশেষত তাই নিয়তিৰ ওচৰত হাৰ মানি ল'লে। কিৰিহনে সিহঁতৰ প্ৰেমৰ চিনস্বৰূপে লংকিৰ কপালত ৰঙা তিলক পিন্ধাই চিকিৎসালয়ৰ কোঠাৰপৰা অশ্ৰুসিক্ত নয়নৰে উন্মাদৰ দৰে ওলাই গ'ল। লংকিৰ মৃত্যুৰ পিছত সি বলিয়াৰ দৰে হৈ পৰিল তাৰ আচৰণবোৰো লাহে লাহে পাগলৰ দৰে হ'বলৈ ধৰিলে। কিৰিহনৰ মাক-দেউতাকে উপায়বিহীন হৈ কিৰিহনক মানসিক চিকিৎসালয়ত ভৰ্তি কৰে।





# এক আধৰুৱা সম্পৰ্ক

**নাজিৰা আহমেদ**
স্নাতক পঞ্চম ষাণ্মাসিক

অনিল আৰু ৰিমু দুয়ো বহুত ভাল বন্ধু আছিল। তেওঁলোক দুয়োয়ে একেলগে পঢ়া-শুনা কৰিছিল। বন্ধৰ দিনত ৰিমু অনিলৰ ঘৰত খেলা-ধূলা কৰিবলৈও গৈছিল। সেইদৰে আহ-যাহ কৰোঁতে অনিলৰ খুৰাকৰ ছোৱালী হিয়াৰ লগত চিনাকি হৈছিল। সিহঁততকৈ হিয়া এবছৰ মানৰ সৰু আছিল যদিও প্ৰায় সিহঁতৰ লগতে সময় পাৰ কৰিছিল। এনেকৈ অহা-যোৱা কৰাত ৰিমু হিয়াৰ ঘৰখনৰ লগতো এক এৰাব নোৱৰা সম্পৰ্ক গঢ়ি উঠিছিল। মাহত যেন কেইবাবাৰো অনিলৰ ঘৰলৈ যোৱাতো অভ্যাসত পৰিণত হৈছিল। অনিলৰ ঘৰলৈ গৈ হিয়াক লগ পোৱাটোহে ইয়াৰ আচল কাৰণ আছিল।

হিয়াইয়ো যেন ৰিমুক বাকী সদস্যৰপৰা বেলেগে লগ পাব বিচাৰিছিল। তাই ৰিমুৱে আনৰ লগত হাঁহি-ধেমালি কৰি থাকিলে যেন খুব এটা ভাল নাপায়। ৰিমু যদি দুসপ্তাহমান হিয়াৰ ঘৰলৈ নাযায় তাই ৰিমুৰ ওপৰত অভিমান কৰে। সেয়ে ৰিমু শিয়ৰি উঠিছিল। ই যেন এক অজান আশংকা। হিয়াই কিন্তু ৰিমুক দাদা বুলি মাতিছিল। কাৰণ ৰিমু অনিলৰ বন্ধু আছিল। হঠাৎ এদিন হিয়াই ৰিমুক সকলো কথা ক'বলৈ ধৰিলে ৰিমু দা আপোনাৰ লগত আনে আত্মীয়তাৰে, নিবিড়ভাৱে কথা-বতৰা পতা দেখিলে মোৰ খুব খং উঠে। জীৱনত ঘৰখনৰ মৰম নেওচি আপোনাকেই দিবলৈ যত্ন কৰিছোঁ আপুনি বাৰু সঁহাৰি জনাবনে। যেতিয়া এগৰাকী নাৰীয়ে এজন পুৰুষক মনে-প্ৰাণে বিচাৰে আৰু সেই পুৰুষজনে যদি সেই নাৰী গৰাকীতকৈ আন কাৰোবাক বেছি গুৰুত্ব দিয়ে তেন্তে তেওঁ অন্তৰে সহ্য কৰিবলৈ কঠিন হয়।

কিন্তু ৰিমু যেন সেই সময়ত সলনি হৈ পৰিল কাৰণ সি ভাবিছিল হিয়া ইমান ধনী পৰিয়ালৰ ছোৱালী তাইক যদি সুখী কৰি ৰাখিব নোৱাৰে সেয়ে— ৰিমুৱে হিয়াক বুজাই দিলে তুমি যি ভাবিছা সকলোবোৰ পাহৰি যোৱা। সেইদিনাৰ পৰা ৰিমু হিয়াৰ ঘৰলৈ নোযোৱাটো ঠিৰাং কৰিলে। তেনেকৈয়ে অলপ দিন পাৰ কৰি ৰিমুৱে পঢ়া-শুনা শেষ কৰি গড়কাপ্তানী বিভাগত টাইপিষ্টৰ চাকৰি এটা পাই ঘৰৰ পচন্দৰ এগৰাকী ছোৱালীক বিয়া কৰায়। কিন্তু ইফালে হিয়াই আজীৱন কুমাৰী হৈ কটোৱাৰ এটা সিদ্ধান্ত লৈ পেলালে ৰিমুৱে অনিলৰ পৰা কথাযাৰ গম পায় শান্তিৰে জীৱন কটাব নোৱৰা হৈছে হিয়াৰ কথা ভাবি। কি কৰিলে এয়া হিয়াই? সৰু কালতে কোৱা এটা কথা কিদৰে শিলৰ ৰেখাৰ দৰে পালন কৰিলে।

# সুখৰ অপেক্ষাত


**পূজাশ্ৰী হাজৰিকা**
স্নাতক পঞ্চম ষাণ্মাসিক

জীৱনৰ পৃষ্ঠাবোৰ লুটিয়াই কেতিয়াবা নিজৰাই তাইৰ অতীতটোক বিচাৰি চায়। সঁচাকৈ কিমান মধুময় আছিল সেই শৈশৱৰ দিনবোৰ। শৰৎ কালৰ নিয়ৰসিক্ত পুৱাৰ দৰে ভাল লগা আছিল তাইৰ দিনবোৰ। বসন্তৰ পুৱাৰ দৰে ভাল লগা আছিল তাইৰ শৈশৱটো। তাইৰ ককা-আইতা, মাক-দেউতাকহঁতে হিয়াৰ আমঠুৰ দৰে মৰম-চেনেহেৰে ডাঙৰ-দীঘল কৰিছিল আৰু উপযুক্ত জ্ঞান প্ৰদান কৰিছিল। নিজৰাৰ সমাজ সেৱাৰ প্ৰতি প্ৰৱল হেঁপাহ আছিল। নিজৰাই স্কুল-কলেজৰ শিক্ষা সমাপ্ত কৰি ঘৰতে থাকি একান্ত মনেৰে সমাজ সেৱিকাৰ কামত নিয়োজিত হৈছিল। মহিলাৰ উন্নতি হকে আৰু ন্যায়ৰ হকে তথা দৰিদ্ৰ মহিলাৰ কল্যাণৰ বাবে কাম কৰাই নিজৰাই পৰম কৰ্তব্য বুলি ভাবি তাই নিষ্ঠাৰে কৰ্তব্য পালন কৰি গ'ল। উপযুক্ত সময়ত সকলো ছোৱালীৰে জীৱনলৈ অহাৰ দৰে তাইৰো জীৱনলৈ বিবাহৰ প্ৰস্তাৱ আহিল। উদীয়মান যুৱক তথা সমাজ সেৱক নিয়ৰৰ লগত তাইৰ বিবাহ সম্পন্ন হ'ল। দুয়োজনেই সমাজ সেৱকৰ লগতে তেওঁলোকৰ সংসাৰখনো সুন্দৰকৈ চলাই নিছিল। প্ৰথম অৱস্থাত তেওঁলোকৰ সংসাৰখন বৰ সুখৰ আছিল আৰু সেয়ে দহজনৰ কাৰণে ঈৰ্ষাৰ কাৰণ হৈ পৰিছিল। আৰু ভগৱানেও তাইৰ সুখ বেছিদিন থাকিবলৈ নিদিলে। সেইদিনা নিজৰাই আনদিনাৰ দৰেই নিয়ৰৰ বাবে অধীৰ অপেক্ষাত বৈ আছিল। কিন্তু অভিশপ্ত সন্ধিয়াটোৱে নিজৰাক নিয়ৰৰ পৰা চিৰদিনৰ বাবে আঁতৰাই নিলে। গ'ম পোৱা গ'ল যে কোনো অচিনাক্ত দুৰ্বৃত্তই নিয়ৰক হত্যা কৰিলে। তেতিয়া তাইৰ জীৱনৰ সৰ্বস্ব হেৰাই যোৱা যেন লাগিল আৰু চাৰিওফালে কেৱল অমাৱস্যাৰ অন্ধকাৰ দেখা পালে। নিয়ৰৰ মৃত্যুৰ পিছত তাইৰ ননদ, শাহুৱেকে তাইক বোজা যেন অনুভৱ কৰিলে আৰু নানা অত্যাচাৰ চলাবলৈ ধৰিলে। জীয়াই থকাৰ মৌলিক অধিকাৰকণো যেন তাইৰ নাইকিয়া হ'ল। কিন্তু নিজৰাই এই সকলোবোৰ সহ্য কৰি থাকিল একমাত্ৰ মাক-দেউতাকৰ বাবে। মাকৰ ঘৰলৈ উভতি গৈ ভায়েকহঁতৰ বোজা হ'ব নিবিচাৰিলে। তথাপিও নিজৰাই কোনো আপত্তি নকৰি নীৰৱে সকলো সহ্য কৰি নিজৰ দায়িত্ব পালন কৰি গ'ল। তেওঁ সমাজৰ নামতেই সকলো উছৰ্গা কৰি সমাজৰ বাবে সেৱা আগবঢ়াই গ'ল। এনেদৰেই বহুদিন বাগৰি গ'ল। এদিন নিজৰাই সমাজৰ কামত ঘূৰি ফুৰোঁতে এজন ল'ৰাক লগ পালে। ল'ৰাজনে নিজৰাৰ দুখে ভৰা যন্ত্ৰণাময় জীৱনৰ সকলো কথা শুনি তাইক উদ্ধাৰ কৰিবলৈ আগবাঢ়ি আহিল। ল'ৰাজনে তাইক বিবাহৰ প্ৰস্তাৱ দিলে। নিজৰাই প্ৰথমে এই কথা শুনি হতভম্ব হৈ পৰিল আৰু বিবাহৰ প্ৰস্তাৱ অস্বীকাৰ কৰিলে। নিয়ৰৰ মৃত্যুৰ পিছত প্ৰতিজ্ঞা কৰিছিল যে তেওঁ কেতিয়াও দ্বিতীয়বাৰ বিবাহ পাশত আৱদ্ধ নহয়। সেয়ে ল'ৰাজনক তাই প্ৰথমে বিমুখ কৰি পঠালে। কিন্তু লাহে লাহে ল'ৰাজনৰ কথাই নিজৰাক মন সলনি কৰিবলৈ বাধ্য কৰালে আৰু প্ৰতিজ্ঞাৰ পৰা ঘূৰাই আনিলে। গভীৰ নিশাৰ পিছত আলোক উজ্জ্বল প্ৰভাত অহাৰ দৰে নিজৰাৰ জীৱনলৈ প্ৰভাত আহিল জীৱনৰ নৱ-সম্ভাৱনা লৈ। তাই যেন জীৱন বাটত জীয়াবলৈ অকণমান ছাঁ পালে।▶▶





কবিতা শিতান



*Children must be taught how to think, not what to think.*

– Margaret Mead

# চেৰা খালৰ চেঙেলী

**শান্তনু বৰদলৈ**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

সঁচাকৈ মই চেঙেলী
    মোক ঘৃণ কৰে
মই বিলত পুখুৰীত নহ'লে
    ঘৰৰ চেৰা খালত
বৰশীত লোভতে লাগো
    সেয়ে মই চেঙেলী
লোভ মোৰ সকলোতে
    হঠাতে বৰশীত লাগো
কোনোৱে নাক কোঁচাই
    কি আহিল বৰশীত
হাঁহি হাঁহি কওঁ মই চেঙেলী
বুজি নাপায় মোৰ চিঞৰ
খালৈত ভৰাই দিয়ে ক্ৰোধেৰে
চিৎকাৰ কৰোঁ প্ৰতিবাদ কৰোঁ
নাথাকো মই চেৰা খালত।

# ভণ্ড পিশাচহঁত

**বিশাল শইকীয়া**
সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ

অহর্নিশে নামি আহিছে অন্ধকাৰ
চাৰিওফালে কোলাহল
ৰক্তাতৰ ক্ষণ গণি গণি
আত্মহাৰা হোৱা মানৱৰূপী
ভণ্ড পিশাচ তহঁত।।
গাত শুকুলা বসন পিন্ধি
মুখত তেজোদীপ্ত হাঁহিৰে
শ শ জনগণৰ তেজ পান কৰি
কিৰিলিৰ ৰাজপ্ৰাসাদ গঢ়া
ভণ্ড পিশাচ তহঁত।।
এইয়া একবিংশ শতিকাৰ গণতন্ত্ৰ নহয় স্বৈৰাতন্ত্ৰৰ জুই।।

# পিতাইলৈ

**পুণ্যলতা গোহাঁই**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

পিতাই অ'
আজিকালি মোৰ চহৰতো চৰহা পোকবোৰ চৰে
সিহঁতৰ বাবে কীটনাশক নালাগে
অঁকোৱা-পকোৱা কথাৰ ভাঁজত
নিতৌ নিজেই মৰে।
পিতাই অ'
তই যে কৱ...
মানুহবোৰক সুখী কৰিব নোৱাৰি
অসুখী হোৱাৰ কাৰণ বিচাৰি
সময়বোৰ নেখেদিবি!!!
তই ঠিকেই কৈছিলি
মই নভবা অকাৰণত
মানুহবোৰ অসুখী হৈ থাকে।
পিতাই অ'...
সিহঁতৰ চহৰত পাতবেং চৰে
কথাবোৰ জিভা মেলি গিলিব জানে
লৈ চুহিব পাৰে তেজ
হেৰুৱাই মানসিক প্ৰশান্তি
অপচয় কৰে সময়
পিতাই
তো...ৰ মো...ৰ দৰে সিহঁত পুৰাতন নহয়
দম্ভ, অহংকাৰ কিম্বা চক্ৰান্তৰী খেলৰ
খোৱা-কামোৰাত সিহঁত ব্যস্ত
ব্যস্ত এটা জটিল জীৱন
তো...ৰ মো...ৰ দৰে
সমধিকাৰত সিহঁতে হাঁহিব নোৱাৰে
হাঁহিলে হেনো সিহঁতৰ পেটত বিষ উঠে।
পিতাই অ'
আজিকালি মোৰ চহৰতো চৰহা পোকবোৰ চৰে।

# সোঁৱৰণিৰ পিতৃদেৱ মোৰ

**জিতুমণি বৈৰাগী শইকীয়া**
লাইব্ৰেৰী কৰ্মচাৰী

দেউতাৰ কপালৰ ঘাম
পথাৰৰ সোণালী সপোন
জীপাল হৈ থকা;
মাৰ বান্ধনি-শাল, তাঁতশালখন
বৰ সুখৰ সময় যেন
'১'ৰ পিঠিত হাজাৰটা '০' ৰ স্থান।
যোগ-বিয়োগ, পূৰণ-হৰণ
আৰু মোৰ জীৱনৰ সমীকৰণবোৰ,
খেলিমেলি হ'ল অ' দেউতা...
মোৰ জীয়ৰীৰ হাতৰ চাহ
চেনী নিদিলেও চাহ মিঠা পোৱা,
সৰল আৰু স্নিগ্ধতাৰ প্ৰতীক
হৃদয়ৰ আঁচলত বান্ধো
মৰমৰ টোপোলাটো।
ঘৰ্মাক্ত দেহৰ ভাগৰুৱা পদযুগলত
অৰ্পণ কৰিলোঁ মোৰ অশ্ৰুঅঞ্জলি!

মা নোৱাৰো আৰু সহিব এই পৃথিৱীৰ মায়া
তোৰ অভিমানৰ ছায়া
মোক নিঠৰুৱা কৰি তয়নো কিয় আঁতৰি গ'লি?
মইতো শুনিবলৈ চেনেহৰ গালি
কৰিছিলোঁ বহু অতপালি
তয়নো কিয় ইমান বেয়া পালি?
তই যোৱাৰ পৰা নাই কোনো লগৰী
পাতিব নোৱাৰো মনৰ কথা সপোনৰ ভাষা
লগৰবোৰে সোধে টিফিন কি আজি
তেতিয়া মোৰ চিঞৰি ক'ব মন যায়
মোৰ মাৰ হাতৰ সোৱাদ মই তহঁতক ল'ব নিদিও
মাথোঁ মইহে তাৰ ভোগী
মা মোৰ বাবে কৰা তোৰ
প্ৰতিটো কাম প্ৰতিটো সপোন
দেখুৱাই কিয় গুচি গ'লি মোক এৰি?
তোক পূজাৰ ভাগ্য মোৰ কদাপি নহ'ল
মাতৃপূজাৰ অৰ্ঘ্য কাষতেই ৰ'ল ...।

# আই তোক কিহেৰে পূজিমে



**পম্পী হাজৰিকা**
স্নাতক চতুৰ্থ ষাণ্মাসিক

১০ মাহ ১০ দিন নিজৰ গৰ্ভত ৰাখি
ওপজাৰ দিনা অশেষ কষ্ট
তয়ে জানো কৰা নাছিলি মা
তথাপিও সেইদিনা সুখৰ চকুলোৰে
কিয় আদৰিছিলি মোক?
তইতো জানিছিলি তইতো বুজিছিলি
মই থাকিব লাগিব তোমাৰ ছায়াত
সকলো বুজিও সকলো জানিও
আজি অজান দেশত তই! কিয় মা?
মোৰ এনে কি ভুল হ'ল?
তোৰ আঁচলৰ ছাঁ মোৰ শিৰৰ পৰাই হেৰাই গ'ল
তোৰ ওঁঠৰ মিঠা পৰশ মোৰ ভাগৰ পৰাই নোহোৱা হ'ল



# শিক্ষাগুৰু



**জিমলি কাকতি**
স্নাতক তৃতীয় ষাণ্মাসিক

গুৰু তোমাক জনাওঁ
সশ্ৰদ্ধ নমস্কাৰ
অশেষ কষ্টৰে দিছা
জ্ঞানৰ শিক্ষা,
গুৰু তুমি এগছি
আকাশৰ বন্তি
জ্ঞানৰ বন্তিৰে দিছা
নিঃস্বাৰ্থ জ্ঞানৰ জেউতি।
গুৰু তুমি গঢ়ি দিছা
এক সুন্দৰ সপোন,
যাক লৈ আমি গঢ়ো
ভৱিষ্যতৰ জীৱন।
গুৰু জীৱিকাৰ পথ পাওঁ
তোমাৰ যত্নতে;
তোমাক প্ৰণাম জনাওঁ
ঈশ্বৰৰ লগতে।

# নেত্ৰহীন ভিক্ষুক

**সুমিত্ৰা ভৰালী**
স্নাতক তৃতীয় ষাণ্মাসিক



এটাই মাত্ৰ ফটা-ছিটা কামিজ
তাৰো যে বুটাম নাই
মৃদু মলয়া পৱনৰ সোঁতত
গাটো মোৰ সেমেকি যায়।

ভোক পিয়াহৰ তাড়নাত
অনাই-বনাই ঘূৰি থাকোঁ
কেনোবাই এমুঠি খাব দিব
সেই আশাতে মানুহৰ ঘৰে ঘৰে যাওঁ।

আছে হাতভৰি নাই মোৰ দৃষ্টি
কেনেকৈ যাওঁ মই আগুৱাই
সুন্দৰ পৃথিৱীখনৰ সুন্দৰ দৃশ্যবোৰ
মই আজি দেখিব নোৱাৰিলোঁ

বেঁকা-বেঁকি বাটত খোজ কাঢ়ি যাওঁতে
এবাৰ উজুটি খাই পৰোঁ আকৌ উঠোঁ
এইদৰেই খোজে খোজ মিলাই
লাহে লাহে যাওঁ মই আগুৱাই।



# আন্ধাৰ পথৰ জোনাক


**নিহাৰিকা বৰা**
স্নাতক তৃতীয় ষাণ্মাসিক

তুমি মোৰ আন্ধাৰৰ এগছি চাকি
দিয়া মোক দেখুৱাই বাট পোহৰৰ।
নীলাভ আকাশৰ জোনাক তুমি
ধৰাৰ বুকুৰ পথ হেৰুওৱা পথিক মই।
তোমাৰ জোনাকৰ পোহৰৰ গতিত
বিচাৰি পাওঁ হেৰুওৱা পথৰ শুদ্ধ গতি।
ধৰাৰ বুকুৰ আন্ধাৰত বুৰ গৈ আছিলোঁ
তোমাৰ জোনাকী পৰশত পোহৰৰ নতুন জগতত মই।
এই যে জোনাকী হৈ পোহৰলৈ আনিছা
সময়ৰ গতিত আকৌ আন্ধাৰলৈ ঠেলি নিদিয়াতো?
জীৱনত আন্ধাৰৰ পৰা পোহৰক ভাল পাবলৈ শিকিছোঁ
পাছত আকৌ পোহৰক ঘৃণা কৰিম নেকি?
তোমাৰ পোহৰ নোপোৱাৰ আগত
মই আছিলোঁ আন্ধাৰ প্ৰিয়।
কেতিয়াবা আন্ধাৰেও বহু কথা কয়
যি পোহৰে কেতিয়াও ক'ব নোৱাৰে।
সেয়েহে...
এতিয়া মোৰ জীৱনত
আন্ধাৰ পথৰ জোনাক তুমি।

# পখিলা

**সুকন্যা বৰা**
স্নাতক প্ৰথম ষাণ্মাসিক

কোনেনো সৃজিলে তোমাক পখিলা
ইমান ধুনীয়া কৰি,
গোটেই গাতে ফুটুকা-ফুটুকী
দেখিবলৈ লাগে বৰ শুৱনি।
ফুলে ফুলে মৌ পান কৰা
বচাবলৈ নিজৰ প্ৰাণ,
মায়ে কয় জানা তোমাৰ হেনো
ধৈৰ্য্য মহান।
তোমাৰ লাহী পাখি দুখন চুবলৈ
মোৰ বৰ মন যায়,
ভয় লাগে জানা তোমাৰ যদি
পাখি দুখন খহি যায়।
সেয়েহে তোমাক দূৰৰ পৰাই দেখি
মনত লভোঁ শান্তি,
জীয়াই থাকা যুগ যুগ ধৰি
নকৰোঁ তোমাক অশান্তি।



# জীৱনৰ বাট

**ৰাকিব আহমেদ**
স্নাতক ১ম ষাণ্মাসিক

জীৱনৰ বাট অলেখ
তথাপিও নতুন পথৰ আশা
জীৱনৰ ৰং বহুধৰণৰ
বিচাৰোঁ উজ্জ্বল ৰং
জীৱনটো যেন এটা কবিতা
বছৰবোৰ যেন একো একোটা শব্দ
আখৰবোৰ যেন দিন পলকতে বাগৰি যায়
সুখ-দুখবোৰো যেন একো একোটা কবিতা
যাক পঢ়িলে মনত অনুভৱ জাগে
অনুভৱে শিকায় ৰচিবলৈ
নতুন সপোন।
নতুন জীৱনৰ।

# শৰতৰ সুবাস

**চাজিনা ইয়াচমিন**
স্নাতক চতুৰ্থ ষাণ্মাসিক

হাঁহিলী শেৱালিৰ ৰূপালী আবেশ
প্ৰস্ফুটিত জোনাকৰ সোণালী আভা

প্ৰাণময় চঞ্চলতা সোণালী শেৱালিৰ
এয়াইতো,
বাংময় শৰৎ।

বতাহত উৰি ফুৰা শেৱালিৰ সুন্দৰতা,
বিলাই দিয়া জীৱন জীৱন লগা ৰঙবোৰ,
ৰঙিলী প্ৰাণোজ্জ্বল মুক্ত নীলাখিনি
এয়াইটো,
সৌন্দৰ্য,
সুন্দৰ শৰৎ।

মুক্ত নীলাখিনিত
মুক্ত সুৰভি
মুক্ত জোনাকীত
এয়া মুক্ত শৰতৰ সুবাস।

# প্ৰশ্ন

**ভাগ্যশ্ৰী শইকীয়া**
স্নাতক চতুৰ্থ ষাণ্মাসিক

স্বাধীনতা পালোঁ ঠিকেই
তথাপিও জানো,
স্বাধীন আজি আমি?
মুক্ত আকাশৰ তলত আজি উশাহ লৈছোঁ যদিও,
নিজক লৈয়ে প্ৰশ্ন উঠে এতিয়া মোৰ!
যিখন সমাজত আজিও দৰিদ্ৰতা আছেই জীয়াই...
যিখন সমাজত দেৱী আজিও পূজনীয়,
সেইখন সমাজতে কিয় আজি?
আন্ধাৰৰ সুযোগ পালে...
সেই দেৱীতুল্য নাৰীৰ সতীত্ব হেৰাই!
হাজাৰ অসহায় ধৰ্ষিতা মাতৃৰ বিননীয়ে...
আজিও কলিজা কঁপাই,
তথাপিও, বণিকৰ ধনৰ সন্মুখত আজিচোন
সকলো সততাই ৰং সলাই,
সেয়েহে, সঘনাই প্ৰশ্ন কৰোঁ মই এটাই।
প্ৰশ্নোত্তৰ কিন্তু বিচাৰি নাপাওঁ
স্বাধীনতা পালোঁ ঠিকেই
তথাপিও জানো,
স্বাধীন আজি আমি??

## সুৱাসিত শৰৎ

**লুনা ভূঞা**
স্নাতক চতুৰ্থ ষাণ্মাসিক

শৰৎৰ আগমনে জীৱনলৈ
আনে এক মধুৰ অনুভৱ,
ৰাতিপুৱাৰ শেৱালি ফুলৰ
গোন্ধই আমোলমোল কৰে পৰিৱেশ।
শৰৎ ঋতুত ধৰালৈ
আগমন হয় শাৰদীৱাণীৰ,
ঘন কুঁৱলীৰ পুৱা
শৰতৰ সেমেকা সুবাস বিয়পাই
শৰতৰ সুগন্ধই জীপাল কৰে
শৰৎ তুমি সুৱাসিত।

## আমি সকলো একে পথৰ যাত্ৰী

**বনশ্ৰী বৈৰাগী**
স্নাতক প্ৰথম ষাণ্মাসিক

এই পৃথিৱীত
মধুময় যাত্ৰা
সুন্দৰ বাগিচা
মন হয় উতলা
প্ৰতি পদে পদে
উৎফুল্লিত হিয়া

সেয়ে আজি জাগি উঠে মন
আহা আমি গঢ়োঁ
আমাৰ সোণালী দিন
জিলিকাওঁ অসমৰ চিন

এই যে বিচিত্ৰ পৃথিৱী
আমি সকলো সহযাত্ৰী।

## পখিলা

**চিত্ৰা কলিতা**
স্নাতক তৃতীয় ষাণ্মাসিক

অ' পখিলা অ' পখিলা
ক'তনো তোমাৰ ঘৰ,
ইমান কাষত থাকিও তুমি
কিয়নো হোৱা পৰ।
তুমি উৰা দেখিলে যে
মোৰো উৰিবৰ মন যায়,
মোৰ যে নাই পাখি দুখন
কিনো কৰোঁ হায়।
সকলোৱে কোৱা শুনো
তুমি হেনো ৰঙৰ ৰাণী
ফুলৰ মৌ চোহোতেই তুমি
লোৱা নেকি গাত সানি।
পাখি মেলি উৰা মাৰা
ফুলৰ মৌ বিচাৰি,
আহাচোন মোৰ হাততে তুমি
এবাৰ আহি পৰাহি।
ফুট-ফুটীয়া পাখি দুখন তোমাৰ
ৰং বিৰঙী ৰঙ,
যদিহে তোমাক দেখা নাপাওঁ
উঠি যায় মোৰ খং।



## প্ৰশ্ন

**জোনাকী বিশ্বাস**
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি এঢাপ এঢাপ কৈ ওখ হ'লা
জোনাকী দেশৰ পৰী হৈ জোনাক সিঁচি দিলা
তোমাৰ জোনাকৰ মই জোনাকী হৈ
তুমি সিঁচি দিয়া জোনাকত
সপোনৰ চানেকি সাজোঁ।

অমানিশাৰ এন্ধাৰবোৰেও
পোহৰ নমাই আনে
যেতিয়া স্বপ্নৰ প্ৰহেলিকা
তোমাতে থাকে।

আজি সকলোবোৰ মিছা হৈ গ'ল
তুমিহীনতাত মোৰ স্বপ্নবোৰত অমানিশা নামি আহে
আজিও আমনি কৰে...
তোমাৰ অনুভৱৰ কথাবোৰে
নিজানত যেতিয়া শব্দ হৈ সৰে...
মাথোঁ তোমাৰ শূন্যতাই
শব্দবোৰত প্ৰশ্নবোধক (?) সৃষ্টি কৰে।

## মোৰ শেষ দিন

**ৰবী ভূঞা**
স্নাতক প্ৰথম ষাণ্মাসিক

জীৱনৰ শেষ দিনটো বাৰু কেনে হ'ব?
এদিন নহয় এদিনটো জীৱনৰ মায়া-মোহ
সকলোবোৰ এৰি যাবই লাগিব।
সেইদিনা মোৰ কাষত বহি কোনে বাৰু
অশ্ৰু টুকিব।
হয়তো, বহুতেই টুকিব কিন্তু;
এদিন দুদিন কৰি দিন-ৰাতি পাৰ হ'ব
তাৰ পিছত বছৰ।
সময় কেতিয়াও নৰয় কোনোকালেই নৰয়
গুচি যাব, পাৰ হৈ যাব সময়।
সময়ত মোক সকলোৱে পাহৰি যাব
ওলাবনে বাৰু বৰষুণ হৈ
এটোপাল অশ্ৰু মোৰেই নামত।।

## ভাগৰুৱা মোৰ হৃদয়

**পাপৰি গোহাঁই**
স্নাতক তৃতীয় ষাণ্মাসিক

মোৰ হৃদয়, মন,
সকলো ভাগৰি পৰিছে।
সঁচা ভালপোৱাৰ সন্ধানত
কিয় মোৰ লগত
এনেকুৱা হয়?
কিয়? মোৰ হৃদয়ে কাৰোবাক
সঁচা ভালপোৱাৰ বিনিময়ত
পায় বিষাদ, কৰুণাকৃত অশ্ৰু
স্বাৰ্থৰ এই পৃথিৱীত
প্ৰকৃত ভালপোৱাৰ সন্ধান কৰি,
মোৰ হৃদয়ো হৈ পৰিছে
নিজেও সন্ধানহীন।
এই পৃথিৱীত সকলো
মানুহেই স্বাৰ্থপৰ,
স্বাৰ্থৰ এই বাটত
নিস্বাৰ্থ ভালপোৱা পাব
জানো সন্ধান কৰি
মোৰ এই ভাগৰুৱা হৃদয়ে???

## আশা...

**জিৎজয় বৰা**
স্নাতক তৃতীয় ষাণ্মাসিক

জীৱনৰ বাটত অলেখ ঘটনা
সংঘৰ্ষৰ নাই সীমা
তথাপিও নাজানো কিয় মন যায়
এখনি কবিতাৰ কিতাপ লিখা
কবিতা মই ভাল পাওঁ
আছে কবিতাৰ প্ৰতি আকৰ্ষণ
সুস্থ প্ৰকৃতিৰ বিশুদ্ধ বায়ুৰ মাজত
এক নতুন জীৱনৰ আশা
স্থিৰ হৈ আছো চকু মেলাৰ পৰা
নেদেখি সুখৰ ছাঁয়া
সেউজীয়া প্ৰকৃতিৰ পৰিৱেশৰ মাজত
দেখা পাওঁ আশাৰ চাকি
পোহৰাই তুলিম এই পৃথিৱীক
অন্ধকাৰৰ মাজৰপৰা আনি।

## স্মৃতি

**প্ৰিয়ংকা বৰা**
স্নাতক তৃতীয় ষাণ্মাসিক

আহিলা এজাক নিৰ্মল বতাহ হৈ
গ'লাগৈ তুমি প্ৰলয়ংকাৰী ধুমুহা হৈ
মানুহৰ মনত দুখৰ ৰহণ সানি থৈ
আজিও মনত পৰে কঁহুৱা ফুলাৰ বতৰত
তুমি যে গাইছিলা কঁহুৱা বন মোৰ অশান্তময়

## নীৰৱ

**সুভাষ নায়ক**
প্ৰাক্তন ছাত্ৰ


অন্ধকাৰ
বালিময় পথাৰৰ মাজত
দেখা দিয়া সুঁতিৰ
আশ্ৰয় স্থল,
অনুভৱ মোৰ তাত
কেৱল নীৰৱ আৰু নীৰৱ।

## সময়

**বৰষাৰাণী হাজৰিকা**
স্নাতক তৃতীয় ষাণ্মাসিক

ধেমালিতে পৰি যদি
অবাবত নিলা অমূল্য সময়
ভাবি চালা নে জীৱনৰ
বিয়লি পৰত
কি কৰিলোঁ কি নকৰিলোঁ
তাকে ভাবি-গুণী হুমুনিয়াহ কাঢ়ি
থাকিলেও খায় হাবাথুৰি
নাহে আৰু সেই সময়ৰ
মান ঘূৰি
সময় মতে যি কৰে
সদায় কাম
তাৰ বাবে কেতিয়াও নহয়
সময়ৰ অভাৱ
তাকে জানি শুনি বন্ধুসকল
সময়ৰ শৰ সময়ত মাৰিব শিকিবা
নিজকে সমাজত
সুন্দৰ ফুল-ফুলা মন্ত্ৰে
প্ৰতিষ্ঠা কৰিব পাৰিবা।





## নিৰাশা

**উৰ্মিলা গায়ন**
স্নাতক তৃতীয় ষাণ্মাসিক

সঁচা ভাল পোৱাৰে
বহুত সপোন
আশা বুকুত বান্ধি;
আগুৱাই যাব বিচাৰিছিলোঁ
এই আশা;
নিৰাশা হৈয়ে ৰ'ল।
এই সপোন দিঠকত
কেতিয়াও পৰিণত নহ'ল।
তেওঁৰ হাতত হাত ধৰি,
ভাবিছিলোঁ জীৱন বাটত
আগুৱাই যাম।
কিন্তু তেওঁ...
কিন্তু তেওঁ পৰোচনাত পৰি
মোৰ সতিত্বত আঘাত সানিলে
অধিক আশা কৰিলোঁ,
অধিক সপোন দেখিলোঁ,
তেওঁৰ লগত।
নাভাবিলোঁ
তেওঁ মোক দূৰত থ'ব
আশাৰ অন্তত মই পালোঁ,
মাথোঁ নিৰাশা, অন্তহীন নিৰাশা।

## ফাগুন

**মৃদুপৱন শইকীয়া**
স্নাতক চতুৰ্থ ষাণ্মাসিক

আজি শিমলুৱে হাঁহি যায়
পলাশে মিচিকিয়াই
ফুট-গধূলিতে, গোলাপে জুমি চাই
বলিছে ফাগুনৰ পছোৱা
চঞ্চলা মন মোৰ উৰি যায়
ফাগুন বাউলি...
বুকুৰ হেদালিতে লহ্‌পহাই বগাই
ফাগুন মানেই মোৰ স্মৃতি
ফাগুন মোৰ মিঠা সপোন
সিদিনাও বলিছিল এছাটি পছোৱা
সেই পছোৱাজাকত আছে মোৰ
প্ৰত্যেকটো উশাহ
আজি এপিয়লা প্ৰেমৰ নিচাত
উন্মত্ত মোৰ মন মগজুৰ
প্ৰতিডাল সিৰা
ডুব যাও আৱেগত
দুখৰ প্ৰতিটো নিশাত।
আত্মদৰ্শনৰ দস্তাবেজত আজি
স্বাভিমান নাই
ভালপোৱাৰ দস্তাবেজত
সপোন হেৰায়।

## ব'হাগৰ প্ৰথম বৰষুণ

**আশিক ভূঞা**
স্নাতক প্ৰথম ষাণ্মাসিক

হুৰ্হুৰকৈ নামি আহিল
ব'হাগৰ প্ৰথম বৰষুণজাক।
লগত চিকমিক বিজুলীৰ চাকি
ৰিণিকি ৰিণিকি ভাহি আহিল
ভেকুলীৰ টোৰ টোৰ মাত।
কৃষকৰ বাবেই খুলি থৈছোঁ
হৃদয়ৰ কপাট,
ফাগুনমহীয়া শিমলু তুলাৰ দৰে
উৰিউৰি আহিব ৰোৱনী
আবেগ বতাহৰ ছন্দে ছন্দে
কুমলীয়া কঠীয়াৰ পাত।
অনাবিল ৰোৱনীৰ প্ৰেমৰ লহৰ তুলি
নৱ নৱ অনুভৱেৰে জীৱন জীপাল কৰি
আহিবানে মোৰ হেঁপাহৰ ধানৰ ঠোক হৈ।
মোৰ ঘৰত থাকিবলৈ
ধানৰ উদ্যান এখনিলৈ
আহিবানে হৈ বৰষুণ।

## দূবৰিৰ দলিচাখন

**কংকনা শৰ্মা**
স্নাতক চতুৰ্থ ষাণ্মাসিক

দূবৰিৰ দলিচাত নিয়ৰৰ
মুকুতামণি হৈ জিলিকিছে
মোৰ মনৰ সোঁৱৰণি
হৈ থকা আপুৰুগীয়া
সাঁচতীয়া স্মৃতিবোৰ।
হৃদয়ৰ কেঁচা দুখবোৰ
এপাহ এপাহকৈ সৰি পৰিছে,
মোৰ মনৰ সেউজীয়া স্মৃতিৰ
দূবৰিৰ দলিচাখনত
শৰতৰ তলসৰা শেৱালি হৈ।

## তিৰা লোক

**সেৱা বৰদলৈ**
স্নাতক তৃতীয় ষাণ্মাসিক

অ' মোৰ তিৱা লোকসকল
বিলুপ্ত হ'বলৈ নিদিবা আমাৰ
তিৱা মাতটো
'অ' মোৰ তিৱা লোকসকল
পাহৰি নাযাবা আমাৰ আজু ককা-আইতাৰ ৰীতি-নীতিবোৰ

অ' মোৰ তিৱাবাসীসকল
পিছপৰি থাকিব নিদিবা
নিজৰ জাতিটোক
চুনামিৰ প্ৰকোপ বাঢ়িলেও
তিৱা জাতিটোক ধৰিবা ৰাখি
কুলৰ তিৱাসকল
মেলাং কুলৰ তিৱাসকল
নিজৰ ভাষাটো মাতা আৰু
আগবাঢ়ি আহা
'অ' মোৰ তিৱা লোকসকল
হেৰাই যাবলে নিদিবা নিজৰ
জাতিগত ভাষাটো
'অ' মোৰ তিৱাসকল
আহা ওলাই আহা
আমাৰ তিৱা ভাষা
বিলুপ্ত হোৱাৰপৰা ৰক্ষা কৰোঁ



## সপোন

**ভাস্কৰ জ্যোতি ভূঞা**
স্নাতক পঞ্চম ষাণ্মাসিক

হঠাৎ! আহিল এজাক বৰষুণ
হৃদয়ত ধুমুহাৰ
পৃষ্ঠাবোৰ ধুৱাই নিবলৈ
শাৰদীয় সেই সুৱাসতে
পৰিলোঁ আকৌ এবাৰ তোমাৰ প্ৰেমত
নজনাকৈ নভবাকৈ
সপোন আকৌ দেখিলোঁ
বিৰহত কক্‌বকাই থকা

মোৰ কলিজাখনে
সন্ধিয়াৰ কৰবীৰ সুবাসৰ দৰে
বিয়পিবনে আমাৰ
প্ৰেমৰ সুবাস
নাজানো তোমাকেই কৈছে?
আকৌ ভয় হয়
মোৰ ভগ্ন হৃদয়খনে
যদি ক'ৰবাত
আকৌ ঠেকা খায় মোৰ ভাবনাই কয়
তুমিও মোকেই বিচৰা
তথাপিও তোমাকেই সুধিছোঁ
মোৰ সপোনবোৰে
বিচাৰি পাবনে বাস্তব?

## ভালপোৱা তোৰ বাবেই

**ৰিজুমণি শইকীয়া**
স্নাতক প্ৰথম ষাণ্মাসিক

এদিন
তোৰ বাবেই পাৰিছিলোঁ
এখন পৃথিৱী আঁকিবলে
মোৰ হোৱাকে
ভালপোৱা
লুইত সাবটি চুব খুজিছিলোঁ
দিহিং দিপাং।
কি দিলি তই
দুখৰ ছেন্দুইন
ধূসৰ আকাশ।
এতিয়া,
তোৰ বাবেই
ঘাট হেৰুৱাই ভটিয়াই গ'লোঁ,
পথ হেৰুৱাই অঘৰী হ'লোঁ,
ভালপোৱা...
কপহুৱা হেঁপাহবোৰ
হেৰাই গ'ল মোৰ
বুকুৰ পলসত সিঁচি ল'লোঁ
ঘৃণাৰ বীজ।
তই, তই হৈ নাথাকিলি
কিয়?
কিন্তু ভালপোৱাবোৰ সদায়
মোৰ হৈ থাকিল।
এই ভালপোৱা মাথোঁ
তোৰ বাবে।



# শৰতৰ ধেমালি

**জ্ঞানদ্বীপ হাজৰিকা**
স্নাতক দ্বিতীয় যাণ্মাসিক

শৰৎ মাথোঁ এক ঋতু নহয়
শৰৎ হৈছে এক প্ৰাণ চঞ্চল যৌৱন।
শেৱালিৰ সুগন্ধত
সুৱাসিত ধৰা,
শৰৎ হৈছে এক নতুন জীৱন।

শেৱালিৰ সুৱাস ভৰা গধূলি
আকাশতো পূৰ্ণ চন্দ্ৰৰ ধেমালি,
ডাৱৰৰ আঁৰে আঁৰে
লুকা ভাকু খেলে
চন্দ্ৰ মামাক দেখি
ইমান মজা লাগে।

শৰতৰ ৰাণী তুমি শাৰদীৰাণী
শৰতৰ মলয়া তুমি মনৰ ৰাণী
পূৰ্ণিমাৰ জোন তুমি
অতি বিতোপন
শৰৎ হৈছে এক প্ৰাণচঞ্চল যৌৱন।

# সুবাসিত শৰৎ

**লক্ষী মজিন্দাৰ**
স্নাতক চতুৰ্থ যাণ্মাসিক

শৰতৰ সেমেকা নিশা আহিবা তুমি।
জোনাকী বনত ফুল ৰোৱা তুমি।
প্ৰেম মৰম ভালপোৱাৰ ফুল ফুলিব য'ত।
সপোন ৰঙৰ পাহি মেলিব ত'ত।
গাবহি পখিয়ে পুৰা প্ৰেমৰ গীত
দিবহি বতৰা তোমাৰ।
সাৰ পাব পখিলা মোৰ মনৰ বাগিচাত
ফুলিব বকুল মোৰ গীত কবিতাত।
সানি দিম তোমাক আবিৰৰ ৰহণ
ঢালি দিম মন মোৰ তোমাৰ প্ৰাণত।
সাজি দিম তোমাৰ বাবে ৰঙৰ গৃহ
গঢ়ি দিম আভূষণ নিয়ৰেৰে য'ত।

নাহা জানো তুমি এবাৰ মোৰ ওচৰলৈ
নিয়ৰো মৰহি যায় চুকুলো নিগৰাই।
গছকি দূবৰিৰ দুভৰিৰে।
দিয়াহি শৰতৰ সুবাস মোৰ মন আকাশতে।



# কিয় বাৰে বাৰে ধৰ্ষিতা হয় নাৰী!

**কৰৱী বৰা**
স্নাতক চতুৰ্থ যাণ্মাসিক

কিয় বাৰে বাৰে ধৰ্ষিতা হয় নাৰী?
এচাম কামাতুৰ পাষাণৰ দ্বাৰা
কিয় বাৰে বাৰে লাঞ্ছিত হয় নাৰী?
এইখন সভ্য সমাজৰ মুখা পিন্ধা মুখাধাৰীৰ দ্বাৰা
কিয় বাৰে বাৰে কামনাৰ বলি হয় নাৰী?
যাৰ উদৰত জনম লভি দেখিলি সুন্দৰ ধৰাখন
যাৰ স্তন পান কৰি হ'লি তই শক্তিশালী।
নালাগেনে বোৱা তহঁতৰ?
আছেনে বাই ভনী তহঁতৰ?
আছে যদি সুধি চাবি
দৰ-দাম কৰি চাবি সিহঁতৰ
আছে নে নাই লাজ?
কিমান তললৈ গ'লে কৰিব পাৰে
মানুহে এই জঘন্য কাম।
কন্যা সন্তান আছে যদি
সিহঁতৰ কাষ চাপি গৈ চাবি
তেতিয়াহে বুজি পাবি তহঁতে
মানুহৰ নামত যে কলংক হৈ জনম ল'লি।
পুৰুষ জাতিক তহঁতে কলংকিত কৰিলি।
তহঁতৰ কাৰণেই সকলো নাৰী জাতিয়ে
দোষাৰোপ কৰে সকলো পুৰুষকে
ভাল হ'লেও কাষ চাপি যাবলৈ
সকলোৱে কৰে কুণ্ঠাবোধ।
কিয় জাননে যুগে যুগে লাঞ্ছিত হৈ আছে নাৰী
এই কাপুৰুষৰ বাবে শাস্তি
ফাঁচী হ'ব লাগে ফাঁচী।।

# ভালপোৱা

**ৰাণী হাজৰিকা**
স্নাতক তৃতীয় যাণ্মাসিক

ধেমালিৰ ছলেৰে কৈ দিলা
ভাল পাওঁ তোমাক
নৰ'লোঁ তথাপি
বন্দী হোৱাৰ ইচ্ছা নাছিল
ভালপোৱাৰো।
ছিঙি আনি দিছিলা ৰ'দৰ ফুল
হাত পাতি নল'লোঁ
শুকাই থাকিল কাৰ চেঙেলীয়া বুকুত...
ভালপাওঁ তোমাক
এদিন বুলিলোঁ
বিচাৰিলোঁ, ৰ'দৰ ফুল ছিঙিবলৈ
গম পালোঁ তুমি হেনো
আন কাৰোবাৰ হ'লা...।

# কোন তুমি

**ৰূপজ্যোতি ভূঞা**
স্নাতক তৃতীয় যাণ্মাসিক

তুমি হাঁহিলে,
এটি গীত গুণগুণাবৰ মন যায়।
তোমাৰ মুখলৈ চালে,
এপাহ ফুলে পাহি মেলা যেন লাগে।
তুমি কথা ক'লে,
চৰাইবোৰে ৰ লাগি চায়।
আৰু মই
মই জীয়াই থকাৰ প্ৰেৰণা পাওঁ।
তুমি মন মাৰি থাকিলে,
ডাৱৰে চকুলো টোকে।
গোটেই পৃথিৱীখন যেন
ৰংহীন হৈ পৰে।
কোৱাচোন?
তুমি কোন?

# আমাৰ মহাবিদ্যালয়

**প্ৰিয়ংকা বণিয়া**
স্নাতক প্ৰথম ষাণ্মাসিক

বোৰ্হতী সুঁতিৰ পাৰত প্ৰতিষ্ঠিত,
আমাৰ মহাবিদ্যালয়খনি।
নামকৰণ কৰিলে তোমাক,
'ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়' বুলি।
যাৰ কোলাত পালে,
শ শ ছাত্ৰ-ছাত্ৰীয়ে সকলো দিশৰ জ্ঞান।
জ্ঞানৰ বন্তি জ্বলাই পোহৰ বিলায়,
ছাৰ-বাইদেউসকলে।
যাৰ পোহৰে কঢ়িয়াই আনিব বহুতো সন্মান,
উজ্জ্বল কৰিছে এই মহাবিদ্যালয়ৰ সুনাম।
ন চামে বুটলি আনিব,
ভৱিষ্যৎ গৌৰৱোজ্জ্বল সন্মান।
কৰ্ষণ নামেৰে জনাজাত হ'ব,
দৃষ্টান্ত এই মহাবিদ্যালয়খনিৰ নাম।

# মোৰ মৰমৰ কলেজখন

**ৰাফিনা বেগম**
স্নাতক ষষ্ঠ ষাণ্মাসিক

সৌ সিদিনা নাম লগাই
কলেজত ভৰি দিছিলোঁ,
হাজাৰ হাজাৰ আশা
বুকুত বান্ধি,
আজি দেখোন বিদায় ল'বৰে হ'ল।
চাৰিওকাষৰ ৰঙীন স্মৃতিবোৰ
সঁচাকৈয়ে বৰকৈ মনত পৰিব,
আৰু মনত পৰিব মোৰ
মৰমৰ বন্ধু-বান্ধৱী, শিক্ষকবৃন্দ।
কলেজখনে সকলোৰে মৰম-স্নেহ
একতাৰে বান্ধি থয়,
এয়ে আমাৰ ড° বিৰিঞ্চিকুমাৰ
বৰুৱা মহাবিদ্যালয়।

# মোৰ প্ৰিয় দেশ

**চাজিদা বেগম**
প্ৰথম ষাণ্মাসিক

মোৰ দেশ ধৰণী মোৰ দেশ জননী
মোৰ দেশ ভাৰতক লৈ
দেশৰ যুৱক দেশৰে যুৱতী
আহাছোন ওলাই ঐ!
দেশৰ কাৰণে মৰিব লাগিলে দিয়াছোন মৃত্যুক দান
ইতিহাসৰ পাতত উজলি থাকিব
তোমাৰ মৃত্যুৰ নাম
জন্মক কনক জন্মাব্য মহাত্মা
জন্মক লাচিতৰ প্ৰাণ
দেশৰ কাৰণে মৃত্যুক সাবটি
ৰাখিব দেশৰ মান।
দেশৰ মৰমত দেশৰ চেনেহত
উৰি যায় যে মোৰ প্ৰাণ!
কেনেকৈ ৰাখু মই অকলে
ৰাখিম দেশৰ নাম
দেশৰ দুখত দুখী হৈ মই
উৰি যায় চকুলো হিয়া
বিদেশী শত্ৰু আহিব নিদিবা
ওলাই আহ ভাৰতীয় প্ৰিয়া।





# স্বাগতম

**ৰমজান আলী**
স্নাতক তৃতীয় ষাণ্মাসিক


হে নবীন
তোমাক স্বাগতম!
হে নৱাগত-নৱাগতা,
তোমাক জনাওঁ আজি স্বাগতম!
জ্ঞান সাগৰ লৈ তুমি আহিছা
নতুন দিগন্ত বিচাৰি, আগুৱাই যোৱা
থমকি নৰ'বা তুমি কাহানিও...
ন আলোকেৰে ন সাহসেৰে
আগবাঢ়ি যোৱা তুমি!
মান ৰাখিবা ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ,
নিয়ম-নীতি অটুট ৰাখি
সৰগৰো প্ৰিয় এই শিক্ষাভূমিক
ৰাখিবা তুমি চিৰযুগমীয়া কৰি!!

# ছাঁ হ'ব নোখোজোঁ মই

**ছাবিকুন নেহাৰ**
স্নাতক তৃতীয় ষাণ্মাসিক

ছাঁ হ'ব নোখোজোঁ মই
তুমিও নহ'বা
ছাঁৰ আছেনো কি
কেতিয়াবা আগত
কেতিয়াবা পিছত
ইকাষত বা সিকাষত
দিনত বা ৰাতিত
আৰু ভৰিৰ তলত...
শেঁতা পোহৰত নিস্তেজ ছাঁ
আন্ধাৰত হেৰায় কেনিবা...।






*Change is the end result of all true learning.*

– Leo Buscaglia



অনুভৱৰ টোকা



*When you learn, teach. When you get give.*

– Maya Angelou



# ফাগুন

**হিমাদ্ৰী শইকীয়া**
স্নাতক তৃতীয় যাণ্মাসিক

শীতৰ বোকোচাত উঠি আহে ফাগুন। কুঁৱলীৰ ওৰণিফালি ভুমুকি মাৰে ফাগুনে। লাহে লাহে পাখি গজে। উৰি আহে এজাক পছোৱা হৈ। আৰম্ভ হয় ফাগুন ফাগুন লগা ভাব। মাজে মাজে এক ৰিঙা ৰিঙা অনুভৱ। লগে লগে দেহ-মন চুই যায় ধূলি ধূসৰিত এজাক পছোৱা বতাহে। পলাশ, মদাৰ, শিমলুৰ গাত ত'তেই নাথাকে। ফাগুনক ঠাইতে পাই ৰঙিয়াল হৈ উঠে। সিহঁতৰ ৰঙবোৰো যেন একমাত্ৰ ফাগুনৰ বাবেই ফাগুনীৰ আকাশ ৰঙিয়াল কৰাই যেন ধৰ্ম, সেই সুযোগতে ৰাঙলী আকাশেও চাৰিওফালে ছটিয়াই দিয়ে। কেৱল ফাগুন অহাৰে বতৰা। কি যে মনোমোহা ৰং মন-প্ৰাণ উতলা কৰা। চাই চাই হেঁপাহ নপলোৱা। সেই ৰঙতেই ৰঙিয়াল হৈ চৰাই-চিৰিকটিবোৰো হৈ পৰে আপোন পাহৰা। লঠঙা ডালৰ আঁৰতে লুকাই লুকাই বসন্তৰ গীত আওৰায়। বাউলী পছোৱাৰ তালে-তালে মিলায় আখৰা কৰে নাচোন-বাগোনৰ। উলাহতে ডেওদি-ডেওদি ফাগুনৰেই বতৰা আনে। সৰাপাতৰ জৰ্জৰণিয়ে বিষাদগ্ৰস্ত কৰিলেও ফাগুনৰ আবিৰে ক্ষণিকতে উতলা কৰে সিহঁতৰ দেহ-মনক। ফাগুনৰ ৰঙীন পৰশেৰে পৰশিত হৈ চঞ্চল হৈ পৰে প্ৰতিটো প্ৰাণীৰেই দেহ-মন। মন কমোৱা তুলা হৈ উৰে। ধূলি-ধূসৰিত গছ-বিৰিখৰ উঠন বুকুত সযতনে আলফুলকৈ সিঁচে ফাগুনৰ ৰংবোৰ; সৃষ্টি হয় ন-কুঁহিপাতৰ। পুৰণিৰ প্ৰলেপ আঁতৰাই নতুনৰ সৃষ্টি কৰিব পাৰে ফাগুনে।

ফাগুন কেৱল পলাশ, মদাৰ, শিমলুৰ ৰঙা ৰঙৰ মাজতেই আৱদ্ধ হৈ নাথাকে। ফাগুন উৎসৱৰ ৰঙতো ৰঙিয়াল হৈ উঠে। ৰামধেনুৰ সাতোৰঙী ৰঙৰে উদ্‌যাপিত হোৱা ফাকুৱা বা হোলী উৎসৱ এই ফাগুনতেই আৰম্ভ হয়। মিচিংসকলৰ কৃষিভিত্তিক উৎসৱ আলি-আই-লৃগাং। ফাগুন মানে ৰং। আনন্দ-উলাহ। ধূলিৰে লুতুৰি-পুতুৰি উতলা ফাগুনৰ সংস্পৰ্শত সৰি পৰা পাতৰ জৰ্জৰণিয়ে যদিওবা বিষাদগ্ৰস্ত কৰি তোলে; তথাপি তাতো থাকে আশাৰ ৰেঙনি। ফাগুনৰ কলীয়া ডাৱৰে সিঁচি দিয়ে সৃষ্টিৰ কোমল পৰশ। ফুলি উঠে আশাৰ ফুল। নতুনত্ব পায় সপোনবোৰেও।

ফাগুন মাথোঁ মাহ নহয়। ফাগুন অনন্যা। ব'হাগৰ সেউজী দেশলৈ বাট-বোলাৰ মাধ্যমো ফাগুনেই।

# পিতৃ-মাতৃৰ অমৃত স্মৃতিত

**চাজিদা বেগম**
স্নাতক প্ৰথম ষাণ্মাসিক



এগৰাকী সৃষ্টিদায়িনী নাৰীয়েই হ'ল এটা সন্তানৰ মাতৃ। মাতৃ মানেই হ'ল 'মা'। 'মা' শব্দটো শুনোতে অতি মৰমীয়াল। 'মা' শব্দটো উচ্চাৰণ কৰোঁতে যেন মনত এক স্বৰ্গীয় সুখ অনুভৱ হয়। এগৰাকী সৎ মাতৃ সেইগৰাকীয়েই হ'ব পাৰে! যিয়ে সন্তানৰ লগত বন্ধুত্ব সুলভ, সন্তানৰ দায়িত্ববোধ, কৰ্তব্য, সৎ পথৰ পৰামৰ্শ, ভাল কামৰ বাবে পুৰস্কাৰ, অসৎ বা বেয়া কামৰ বাবে শাস্তি প্ৰদান কৰাৰ লগতে জীৱনৰ সমস্যা সমাধানত উপায় দি জীৱন পৰ্বতৰ সৰ্বোচ্চ শৃংগত থিয় কৰাব পাৰে। পিতৃ হৈছে সন্তানৰ জীৱনৰ জখলা ডালৰ খটখটিসমূহত আগুৱাই যাওঁতে প্ৰতিটো পদক্ষেপতে সহায়ৰ ভূমিকা গ্ৰহণ কৰোঁতা।

সৰুৰেপৰা হয়তো এটা ভয়ে কলিজাত উমি উমি জ্বলিছিল যে এদিন হয়তো মাক-দেউতাক হেৰুৱাই পেলাম! পিতৃ-মাতৃ হয়তো সময়ৰ সোঁতত চকুৰ আগৰপৰা ধূলিসাৎ হৈ পৰিব। আৰু আজি! আজি হয়তো সেই ভয়েই গ্ৰাস কৰিলে মোক।

অসমীয়াত এষাৰ কথা আছে—

যেনে—

য'তে ভূতৰ ভয়
ত'তে ৰাতি হয়!

সেই ভয়ৰ কাৰণটো এটাই যে হোষ্টেলত জীৱন সংগ্ৰামৰ 'সৈনিক' জীৱন অতিবাহিত কৰিব লগা হৈছে। ছাৰে ক্লাছত ঠিকেই কৈছিল যে — 'আমি মাক ভাল পাওঁ।'

কথাবোৰ সঁচা! কাৰণ এতিয়াহে অনুভৱ কৰিব পৰা যায়, কথাবিলাকৰ গুৰুত্ব কিমান? সঁচা অৰ্থত যদি আমি মাক ভাল পালোঁহেঁতেন! তেতিয়া হ'লে হয়তো ৰাতি ১২ বজালৈকে মায়ে ভাতৰ কাঁহী আগত লৈ উজাগৰে বহি থাকিব লগা নহ'লহেঁতেন। ৰাতিপুৱা সোনকালে উঠি ভাতকিটা বনাই মৰমেৰে খোৱাই কলেজলৈ পঠাব লগা নহ'লহেঁতেন!

এতিয়া সেই স্মৃতিবোৰ অনুভৱ হয়। আৰু নিজকে অভিমানী যেন অনুভৱ হয়। কাৰণ পিতৃ-মাতৃৰ ওচৰত মই চিৰদিন ঋণী! 'মা' তথাপিও তুমি চিন্তা নকৰিবা। তোমাক ভাল নাপাওঁ সঁচা! কিন্তু তোমাক শ্ৰদ্ধা কৰোঁ! তোমাক সন্মান কৰোঁ 'তোমাৰ বাণীসমূহ জীৱনৰ আদৰ্শ হিচাপে ৰাখিছোঁ। দেউতাক চিন্তা কৰিবলৈ নিদিবা। মাথোঁ একাষাৰ কথাৰে বুজনি দিবা—

'তোমাৰ সোণটি
জীৱন সংগ্ৰামত
তুমি চিন্তা নকৰিবা
চাবা! তাই এদিন
সফল হ'বই।'

কিন্তু কি জানা? সেই যে আব্বাই মৰমেৰে মূৰত হাত বুলাই মোক কৈছিল যে, 'সোণ,
সোণ, মোৰ স্বপ্নীল আকাশ মনৰ
ত'য়েই একমাত্ৰ জোন!!'

সেই কথাবিলাকে মনটোক আজিও যেন সতেজ কৰি ৰাখিছে।

ছাত্ৰী নিবাসত জীৱন সংগ্ৰামৰ সৈনিক জীৱন কটাইছোঁ সঁচা!

কিন্তু কি জানা তোমালোকৰ এই কণমাণিটোৰ হৃদয়খন যেন আজিও তোমালোকৰ কোলাত। তোমালোকৰ সেই ভালপোৱা আৰু মৰমৰ কোলাত।

'মা' আজিকালি হয়তো অযথা কথাবিলাক কৈ তোমাক কোনেও আমনি নকৰে, কোনেও হয়তো ফুলনি ডৰাৰ পাতবোৰ ছাগলীয়ে খালে গালি নাপাৰে, ৰাতি ১২ বজালৈকে পঢ়া টেবুলত কাকো পহৰা দিব নালাগে... !!! কিন্তু কি জানা তোমাৰ এই কণমানিটোৰ হৃদয়খন যেন আজিও তোমালোকৰ মায়াৰ পাশত আবদ্ধ হৈ আছে !!

আজিকালি ক্লাছত সৰ্বোচ্চ নম্বৰ পালে কোনেও মূৰত হাত বুলাই নকয় যে—

'জীৱনত এনেকৈয়ে
আগুৱাই যা!!'

কিন্তু আগতে যে কৈছিলা সেই স্মৃতিয়ে আজিও যেন 'কনকলতা'ৰ দৰে মোক সাহসী কৰি ৰাখিছে। সেই যে পঢ়া টেবুলত টোপনি গ'লে মৰমেৰে হাত বুলাই কৈছিলা—

'শুই থাক ৰাতিপুৱা
সোনকালে উঠিব লাগিব!!

সেই স্মৃতিবোৰৰ সাঁচ আজিও মনত সক্ৰিয় হৈ আছে। জীৱনত আগুৱাই যাবলৈ উচ্ছ্বাস দি আছে।

তথাপিও তোমালোক হতাশ নহ'বা। তোমালোকৰ সোণটি যিদিনা সমাজত এগৰাকী সু-প্ৰতিষ্ঠিত ব্যক্তি হৈ আহিব সিদিনা হয়তো সকলোৱে ক'ব—

'জীৱনত যিয়ে কৰিছ
ভালেই কৰিছ!!
তহঁতৰ সন্তানটিক
সৎ মানুহ হিচাপে
গঢ়ি তুলিছ!!!'



# ‘জীৱন বৰ অনুপম’

**ববিতা বৰা**
ভূগোল বিজ্ঞান বিভাগ, স্নাতক ষষ্ঠ ষাণ্মাসিক

কথা, কথাৰ আঁৰতো কথা থাকে। হাঁহিৰ আঁৰতো দুখ থাকে। আমি প্ৰতিজন মুখা পিন্ধা নাগৰিক। কেতিয়াবা মুখত হাঁহি আৰু চকুত লুকাই থকা চকুপানীৰ দোমোজাত আমিবোৰ হৈ পৰোঁ একোজন অভিনেতা, মুখৰ আখৰা কৰা একোজন সুদক্ষ অভিনেতা। মৃত্যু চিৰসত্য বুলি জানিও আমিবোৰে মোহত ভোল যাওঁ। নৰকৰ কল্পনা কৰা ছবিখন দেখিছোঁ যদিও আমি জীৱিত কালত লোভ কৰিবলৈ নেৰো। আমি সপোন দেখোঁ। সপোনৰ আশাত শুই পৰোঁ... আৰু শুই পৰোঁ। এইয়া সপোন জীৱনৰ উদ্দেশ্য হ'ব নোৱাৰে। যি সপোনে আমাক জগাই ৰখাব পাৰে সেইবোৰহে সপোন আমাৰ সপোন, আমাৰ উদ্দেশ্য। আমি কল্পনাত জীৱন কটাওঁ, নোপোৱাৰ দুখত ফেকুৰি কান্দো আৰু কেতিয়াবা আৱেগৰ বশৱৰ্তী হৈ নিঃশেষ কৰি পেলাবলৈও কুণ্ঠাবোধ নকৰোঁ জীৱনটো।

এই যে জীৱন বৰ মূল্যৱান। বহু পুণ্যৰ ফলত মানুহে 'মানৱ জীৱন' লভে বুলি এষাৰ কথা আছে। সত্য। মানুহ জীৱ শ্ৰেষ্ঠ। মানুহৰ বিচাৰ-বিবেচনা কৰা শক্তি আছে, যি শক্তি অন্য জীৱৰ নাই। গতিকে আমাৰ জীৱনটোৰ মূল্য আমি বুজা উচিত। সময় পাখি লগা কাঁড়ৰ দৰে সময়ৰ লগে লগে আমি খোজ দিলেহে সময়মতে আমি উপনীত হ'ব পাৰিম জীৱনৰ চৰম প্ৰাপ্যত, সফল হ'ব পাৰিম আমি দেখা প্ৰতিটো সপোনত। যি সপোনে প্ৰতি নিশা জগাই ৰাখে আমাক।

বিশ্বাস আত্মবিশ্বাস হ'ল সাফল্যতাৰ প্ৰথম চাবি কাঠি। 'মই পাৰিম' এইটো আত্মবিশ্বাস। কিন্তু, 'কেৱল মইহে পাৰিম' এইটো হ'ল অত্যধিক আৰু অহং চিন্তাধাৰা আৰু অহং চিন্তাধাৰাৰ্লৈ কোনো ব্যক্তিয়েই সফল হ'ব নোৱাৰে। আমি সফল হ'ব নোৱাৰিলে দোষ জাপি দিও ভগৱানক। এইটো শুদ্ধনে? আমি কাপুৰুষ। গতিকে নিজৰ প্ৰয়োজনত ভগৱানক বিচাৰি ফুৰোঁ আৰু অসফলতাত ভৰি ভৰি দোষ জাপি দিও ভগৱানক, যি জনক আমি আজিলৈকে দেখা নাই নিজ চকুৰে।

আস...এই জীৱন...বৰ অনুপম। একপ্ৰকাৰে জীৱনটোক মই এটা বিশেষ নাম দিছোঁ। জীৱন 'মধ্যবিত্তৰ জীৱন...।' আমাৰ চকুত হাজাৰ সপোন যি সপোন আমাৰ জীৱন, যি সপোন আমাৰ উদ্দেশ্য, পৰিচয়। সন্মান হ'ল মধ্যবিত্তৰ কলিজা আৰু জোৰা টাপলি লগাই যিকোনো পৰিস্থিতিত মোকাবিলা কৰি সহবাস কৰাটো হ'ল আমাৰ উলাহ। আমাৰ তেজে তেজে এটাই শব্দ 'Adjustment'...

তথাপি আমি দূৰলৈ উৰোঁ। সীমাহীন আকাশখনত মুক্তমনে বিচৰণ কৰি একেলগে উপভোগ কৰিব খোজোঁ আবেলিৰ অস্তৰাগ, সন্ধিয়াৰ জোনাকী আৰু চন্দ্ৰৰ শীতলতা...। একেলগে...। একেলগে পৰিয়ালৰ সৈতে।

এইটোৱেই জীৱন, আমাৰ জীৱন। মোৰ জীৱন, মধ্যবিত্তৰ জীৱন।

আমি শূন্যৰ পৰা আৰম্ভ হৈ কোটিত শেষ হোৱাৰ এটা ওখ সপোন চকুত ৰাখি আকাশলৈ চাওঁ এটাই বাধা 'Adjustment'।

আমাৰ জীৱনত দুখ ... মুখত হাঁহি..., তথাপি এই জীৱন অনুপম। মধ্যবিত্তৰ জীৱন...।

আমাৰ কথাৰ আঁৰতো কথা থাকে
হাঁহিৰ আঁৰতো দুখ থাকে
আমি...
সুখৰ আখৰা কৰোঁ...।
ওঁঠত হাঁহি, বুকুত বেথা,
মুখা পিন্ধা আমি একোজন
নিখুঁত অভিনেতা।৮৮



# শাওণৰ পথাৰত বোকামাটিৰ গান

মুনমী বৰা
স্নাতক পঞ্চম যাণ্মাসিক

শাওণেই খেতিয়কৰ প্ৰাণ
শাওণ অবিহনে খেতিয়কৰ জীৱন অৰ্থহীন
শাওণেই নমাই আনে আশাৰ বতৰা
সিয়েই খেতিয়েকৰ সপোন

অসমত প্ৰতিটো মাহ, প্ৰতিটো ঋতুৰেই একো একোটা নিজস্ব স্বকীয়তা আছে। প্ৰতিটো মাহ, ঋতুৰ আগমনতেই ন-ৰূপ ধাৰণ কৰে আৰু প্ৰকৃতিলৈ অপৰূপ সৌন্দৰ্য কঢ়িয়াই আনে।

তথাপিও যেন শাওণৰ সৌন্দৰ্য বহুগুণেই সুকীয়া। শাওণৰ আগমনে কঢ়িয়াই আনে প্ৰকৃতিৰ অনাবিল সৌন্দৰ্য। শাওণৰ আগমনে খেতিয়কৰ জীৱনলৈ কঢ়িয়াই আনে সুখৰ বতৰা। এই শাওণ মাহটি হ'ল খেতিয়কৰ এক সপোনৰ মাহ। গ্ৰীষ্ম, বৰ্ষাৰ সমানে-সমানে শাওণে গতি কৰে ধৰাৰ বুকুলৈ এমুঠি সেউজীয়া প্ৰতিশ্ৰুতি অনাৰ।

আকাশত কজলা মেঘৰ লুকা-ভাকু খেলাৰ মাজেৰে ধৰালৈ নামি অহা এজাক সপোন যেন বৰষুণ।

চৌদিশ পানীৰে ভৰপূৰ হৈ পৰা আশাৰ পথাৰ মন দেখি কৃষকৰ মুখত উজ্বলি উঠে সেউজবুলীয়া হাঁহি।

পথাৰৰ বুকুত খেতিয়কে নাঙলৰ সীৰলুৰে মাটি খহায় সেউজীয়া সপোন ৰচনা কৰে আৰু সেউজীয়া হেঁপাহ বুকুত বান্ধি ৰোৱনীহঁতেও ন-ভূঁইৰ উছাহক সঁহাৰি জনাই কোমল কোমল কঠীয়াত হাত বোলায়।

শাওণৰ পথাৰ চালে চকুৰোৱা, যি নাচাই নোৱাৰি। কৃষকৰ হাতৰ পৰশ আৰু কঠিন শ্ৰমৰ বলতেই ঠন ধৰি উঠে সেউজীয়া সপোনে।

শাওণ শাওণ শাওণ
তুমিয়েই আমাৰ সপোন
অৰ্থহীন হৈ ৰ'ব তুমি অবিহনে
বাট চাই আছো তোমালৈ
নামি আহিবা কেতিয়া ধৰালৈ? ~~



# নাটক ঃ আমি যদি হেৰাই যাওঁ

নাট্যকাৰ ঃ মৃদুপৱন শইকীয়া
স্নাতক, পঞ্চম যাণ্মাসিক

চৰিত্ৰ ঃ সীমা
নৱনীতা
হিমাশ্ৰী
অনামিকা
সৃষ্টি

(হোষ্টেলৰ বাৰাণ্ডা। আমন-জিমনকৈ বহি আছে সীমা, কিবা এটা চিন্তা কৰি আছে, পিছফালৰ পৰা নৱনীতাই আহি মাত লগালে)

নৱনীতা ঃ ইয়াত কি কৰি আছ, সীমা?

সীমা ঃ নাই একো কৰা নাই। এনেই বহি আছোঁ।

নৱনীতা ঃ ওহো হ'বই নোৱাৰে, তোক এইকেইদিন লক্ষ্য কৰি আছোঁ, তই যেন কিবা অশান্তিত ভুগি আছ। আগতকৈ তই বেছি সলনি হৈছ। কচোন তোৰ হৈছে কি?

সীমা ঃ ঘৰলৈ মনত পৰিছে।

নৱনীতা ঃ সীমা মন বেয়া নকৰিবিচোন, মন বেয়া কৰি থাকিলে কি হ'বনো; চা ঘৰলৈ মোৰো মনত পৰিছে এইকেইদিন কিন্তু বৰ্তমান পৰিস্থিতিয়েই এনেকুৱা যে যাও বুলি ক'লেও আপোন ঘৰখনলৈ দৌৰি যাব নোৱাৰো, সকলো ফালেই খালি এটাই হুলস্থূল। আমাক নাগৰিকত্ব সংশোধনী বিধেয়ক নালাগে, গোটেই অসমৰ ক্ষোভক বুঢ়া আঙুলি দেখুৱাই কিন্তু চৰকাৰ আঁকোৰগোজ, ৰাইজে যি কৰে কৰি থাকক কিন্তু আমি কেৱ আনিমেই। অৱশেষত ৰাইজৰ উত্তাল প্ৰতিবাদক নেওচি লোকসভাত কেৱ গৃহীত কৰি সমগ্ৰ অসমৰ হাজাৰ হাজাৰ জনতাৰ, অসমী আইৰ মান, স্বাভিমানক হত্যা কৰিলে এই অসম চৰকাৰে।

সীমা ঃ (নৱনীতালৈ চাই) অসম ৰসাতলে গ'ল, অসমীয়া জাতিক শেষ কৰাৰ যি পৰিকল্পনা কৰিছে এই চৰকাৰক প্ৰত্যুত্তৰ আমি ছাত্ৰ সমাজে দিম আৰু উত্তাল প্ৰতিবাদ কৰিম। আমি কাৰো কথা নুশুনো। পৰাধীনতা স্বীকাৰ কৰা ভীৰু নহয় অসমীয়া জাতি— এই কথা স্পষ্টভাৱে আমি চৰকাৰক বুজাই দিম।

(ব'ল সীমা, ব'ল ভিতৰলৈ যাও) (দুয়ো যায়) (বাহিৰৰপৰা অনামিকা আৰু হিমাশ্ৰী আহে)

অনামিকা ঃ ঐ আজি পাৰ্টি কৰিবিনে?

হিমাশ্ৰী ঃ আজি নকৰো দে, মন নাই।

অনামিকা ঃ কি ফাল্টু বে, মন্ত্ৰীৰ দৰে জেগাত পাল্টি মাৰি দিয় যে।

হিমা ঃ সঁচাই অ' আজি মন নাই বেলেগ এদিন কৰিম দে।

অনামিকা ঃ থৈ দে তোৰ মন, মুঠতে আজি পাৰ্টি হ'ব, Thats final.

(সৃষ্টি সোমাই আহে, হাতত ম'বাইল Direction)

অনামিকা ঃ ঐ সৃষ্টি, তোৰ আৰু কাম নাই মানে ন'— খালি ম'বাইল আৰু ম'বাইল।

সৃষ্টি ঃ তাতে তোৰ কি আহে যায়, তইওটো সদায় ৰাতি ড্ৰিংক্স কৰি ঘৰ সোমাৱহি, মই কিবা কৈছোঁনে—

অনামিনা ঃ তোৰ মুখখন অলপ বেছি চলিছে দেই, চম্ভালি ৰাখিবি।

সৃষ্টি ঃ আগতে নিজক চম্ভালিবলৈ শিক, (গুচি যায়)

অনামিকা ঃ তোক আজি... (খঙত)

হিমা ঃ ৰহ অ' এইজনী কিনো কাজিয়া কৰি থাক, বাদ দে, কাইলৈৰ প্লেন কি?

অনামিকা ঃ প্লেন আৰু কি College bunk কৰি চিনেমা চাম, Evening party, full enjoy সদায় কৰাৰ দৰে।

(নৱনীতা আহে লগত সীমা)

নৱনীতা ঃ তহঁতে সদায় enjoy কৰিয়ে থাক আৰু বেলেগ একো কৰিব নালাগে।

অনামিকা ঃ আমাৰ life, আমাৰ কথা, আমি যি কৰোঁ।

হিমা ঃ অ' তাতে তোৰ মাত মাতিবলৈ হ'ল কি!

নৱনীতা ঃ একো হোৱা নাই, কিন্তু final লৈ আৰু মাত্ৰ এটা বছৰহে আছে, এনেকৈ ফাং-ফুং কৰি থাকিলে তহঁতৰ কিবা হ'বগৈ নে।

অনামিকা ঃ এই গাঁৱলীয়া ভূতজনীয়ে তোৰ ব্ৰেইনটোও ৱাছ কৰিলে, অনবৰত খালি পঢ়া, পঢ়া আৰু পঢ়া। পঢ়াৰ বাহিৰে যেন আন একোৱেই নাই...।

হিমা ঃ হয় বে, ঘৰত থাকোঁতেটো লাইফটো enjoy কৰিব নোৱাৰিলোঁ, হোষ্টেলত আহি enjoy কৰিব নোৱাৰিম নেকি!

নৱনীতা ঃ তহঁতক জীৱনটো উদ্‌যাপন কৰিবলৈ বাধা দিয়া নাই, কিন্তু ভৱিষ্যতৰ কথাহে চিন্তা কৰিবলৈ দিছোঁ (গুচি যায়)।

অনামিকা ঃ ঐ হিমাশ্ৰী, এই গাঁৱলীয়া ভূতগৰাকী দেখোন আজি মৌন (সীমালৈ চাই)

হিমা ঃ অ' আজি তোমাৰ কি হৈছে আই?

সীমা ঃ মোক এনেকৈ গাঁৱলীয়া, গাঁৱলীয়া বুলি কৈ অশান্তি দি নাথাকিবি সদায়।

অনামিকা ঃ আৰু কি ক'ব লাগে, সদায় গাঁৱৰ চিন্তা, সদায় ঘৰৰ কথা, চহৰত থাকি থাকি আধুনিক হ'ব নিশিকিলি, standart maintain কৰিব নাজানিলি?

সীমা ঃ (খঙত, ধৈৰ্যৰ বান্ধ ছিঙি গ'ল) আৰু standart maintain কৰিবলৈ গৈ তোৰ দৰে মদ খাই ৰাতি মাতাল হ'ব লাগে, standart maintain কৰি হাতত দামী ম'বাইল লৈ অনবৰত মবাইল টিপি থাকিব লাগে। পঢ়া-শুনা বাদ দি, জীৱনটোৰ কথা চিন্তা নকৰি হাঁহি-ধেমালি কৰি দিনবোৰ পাৰ কৰিব লাগে। তহঁতে কি ভাৱ, এইবোৰ কৰি ৰিজাল্টটো বেয়া কৰাৰ পাছত ঘৰখনৰ মানুহৰ চকুত চকু থৈ কথা ক'ব পাৰিবি? ঘৰখনৰ সন্মান হানি কৰি, সকলোৰে চকুৰ আগত মা-দেউতাৰ সন্মান ধূলিসাৎ কৰি সুখী হ'ব পাৰিবি? নিজৰ ভৱিষ্যতটো ধ্বংস কৰি মানুহৰ আগত মুখ উলিয়াব পাৰিবি? সাহস হ'ব... (Change) মোৰ দেউতা এজন খেতিয়ক। যেনে-তেনে বছৰৰ ভাতমুঠি কোনোমতে যোগান ধৰে। জীয়েকক লৈ বহুত আশা, ভালদৰে পঢ়িব ভাল, ৰিজাল্ট কৰিব, ভাল চাকৰি কৰিব, ঘৰখন চম্ভালিব। কিন্তু আমি, আমি কি কৰিছোঁ, মা-দেউতাৰ সপোনবোৰ মোহাৰি, নিজৰ মতে সুখ বিচাৰি নিজৰ লগতে ঘৰখনৰো সন্মান হানি কৰি আছোঁ। হোষ্টেলত আছোতো। কোনে গম পাব। মা-দেউতাৰ আশাত পানী ঢালি আছোঁ।

নৱনীতা ঃ সীমা, ধৈৰ্য ধৰচোন।

সীমা ঃ আৰু কিমান ধৈৰ্য ধৰিম, কথাই প্ৰতি অনবৰত এটা শব্দই শুনো, গাঁৱলীয়া... অ... অ' মই গাঁৱলীয়া; কিন্তু তহঁত তহঁতবোৰ কি! হা, standart দেখুৱাব গৈ, আধুনিকতাৰ ভাও দিয়া তহঁতবোৰ একো একোটা ভণ্ড চৰিত্ৰ।

(সৃষ্টি সোমাই আহে) Direction)

সৃষ্টি ঃ সীমা আমাক ক্ষমা কৰি দিবি, আমি তোক বুজিবলৈ চেষ্টা নকৰিলোঁ, আচলতে আমি চহৰীয়া হ'লেও আমাৰ মানসিকতাবোৰ ঠেক, তোৰ দৰে নহয় সীমা, পাৰ যদি আমাক ক্ষমা কৰি দিবি।

অনামিকা ঃ (সীমাৰ ওচৰলৈ গৈ) হোষ্টেলৰ পৰিৱেশে আমাক এই পৰ্যায় পোৱালেহি, আমি এবাৰো ভাবিয়ে নাচালোঁ, যে নিজৰ জীৱনটো আমি নিজ হাতেৰেই টেঁটু চেপি হত্যা কৰি আছোঁ, সীমা আজি অতদিনে তোক কৰা ককৰ্থনাবোৰৰ শাস্তি বিচাৰিছোঁ। হাতযোৰ কৰি অনুৰোধ কৰিছোঁ সীমা মোক ক্ষমা কৰি দে। আজিৰ পাছত তোক আৰু কোনো দিনেই এনেবোৰ কথা কৈ তোৰ মনত অশান্তি নিদিও।

হিমা ঃ আমি পাঁচোজনী ছোৱালীয়ে আজিৰপৰা আমাৰ কৰিবলগীয়া কামবোৰ সমিলমিলে একে লগে কৰিম, কোনেও কাকো ধেমালিতে বেয়াকৈ নকওঁ, পঢ়াখিনিও আলোচনাৰ মাজেৰে সমাধা কৰিম সীমা, কিন্তু আজিলৈ আমাক মাফ কৰি দে, হাতযোৰ কৰিছোঁ।

(সকলো সীমাৰ ওচৰলৈ আহে)

সৃষ্টি ঃ সঁচাই আমাৰ মৰমৰ বান্ধৱী গাঁৱলীয়া নহয়, আমিহে নগৰৰ একো একোজনী জীৱন্ত ভূত।

নৱনীতা ঃ আমি সকলোৱে নিজৰ ভুলবোৰ উপলব্ধি কৰিব পাৰিছোঁ সীমা।

হিমা ঃ আমি আৰু এনেবোৰ ভুল কেতিয়াও নকৰোঁ।

অনামিকা ঃ আজিৰপৰা আমি চহৰৰ মায়া-মোহ বাদ দি ভৱিষ্যৎ গঢ়াৰ চিন্তা কৰিম।

সীমা ঃ ভুলবোৰ অনুশোচনা কৰিব পাৰিছ যেতিয়া আহ, আমি সকলোৱে সংকল্পবদ্ধ হওঁ যে আমি ভালদৰে পঢ়াশুনা কৰি, ভাল ৰিজাল্ট কৰি, কলেজৰ লগতে আমি থকা এই হোষ্টেলটো, মা-দেউতা, ঘৰখন, পৰিয়ালটো সুনাম আৰু গৌৰৱ কঢ়িয়াই আনিম, ভৱিষ্যতৰ সপোনবোৰ বিনা দ্বিধাই পূৰণ কৰিম, জীৱনটো সুখেৰে পাৰ কৰিম।

(সকলোৱে একেলগে, আমি সংকল্প বদ্ধ) শেষত সকলোৱে সীমাক সাবটি ধৰি চিঞৰে—

(We love you seema)

# জানানে ভাৰতৰ প্ৰথমবোৰ?

**কুকিল বৰা**
স্নাতক পঞ্চম ষাণ্মাসিক

১) ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি — ড° ৰাজেন্দ্ৰ প্ৰসাদ।
২) ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী — জৱাহৰলাল নেহৰু।
৩) ভাৰতৰ প্ৰথম চলচ্চিত্ৰ পৰিচালক — দাদা চাহেব ফাল্কে।
৪) প্ৰথম ভাৰতীয় মহিলা মুখ্যমন্ত্ৰী — সুচেতা কৃপালিনী।
৫) প্ৰথম ভাৰতীয় মহিলা ৰাজ্যপাল — সৰোজিনী নাইডু।
৬) প্ৰথম মহিলা প্ৰধানমন্ত্ৰী — ইন্দিৰা গান্ধী।
৭) উচ্চতম ন্যায়ালয়ৰ প্ৰথম মহিলা ন্যায়াধীশ = ফাতেমা বিবি।
৮) প্ৰথম মহিলা আই. পি. এছ — কিৰণ বেদী।
৯) প্ৰথম ভাৰতীয় মহাকাশচাৰী — ৰাকেশ শৰ্মা।
১০) প্ৰথম ভাৰতীয় মহিলা মহাকাশচাৰী — কল্পনা চাওলা।
১১) প্ৰথম ভাৰতীয় চাৰ্কাছ — চাত্ৰে চাৰ্কাছ।
১২) ভাৰতৰ প্ৰথম মহাবিদ্যালয় — উইলিয়াম কলেজ, কলকাতা।
১৩) ভাৰতৰ প্ৰথম ৰঙীন টেলিভিছন সেৱা আৰম্ভ — ১৯৮২ চনৰ ২৫ এপ্ৰিল।
১৪) ভাৰতৰ প্ৰথম আই আই টি — খড়গপুৰ।
১৫) প্ৰথম ভাৰতীয় স্নাতক — বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায় আৰু যদুনাথ বোস (১৮৫৮)।
১৬) অক্সিজেন নোহোৱাকৈ এভাৰেষ্ট বিজয়ী প্ৰথম ভাৰতীয় — ফু দৰ্জি।
১৭) প্ৰথম ভাৰতীয় 'মিছ ইউনিভাৰ্ছ' — সুস্মিতা সেন।
১৮) ভাৰতত প্ৰথম মাণি অৰ্ডাৰ প্ৰথাৰ প্ৰচলন — ১ জানুৱাৰী, ১৮৮০।
১৯) ভাৰতৰ প্ৰথম বাতৰি কাকত — দি বেঙ্গল গেজেট।
২০) ভাৰতৰ প্ৰথম মুকলি বিশ্ববিদ্যালয় — অন্ধ্ৰপ্ৰদেশ মুকলি বিশ্ববিদ্যালয়।
২১) অস্কাৰ বঁটা বিজয়ী প্ৰথম ভাৰতীয় — ভানু আঠাইয়া।
২২) ভাৰতৰ প্ৰথম তাৰকাগৃহ — বিৰলা প্লেনেটৰিয়াম।
২৩) ভাৰতৰ প্ৰথম ডাকঘৰ — কলকাতা (১৮৫৪)।
২৪) ভাৰতৰ প্ৰথম দূৰদৰ্শন কেন্দ্ৰ — দিল্লী (১৯৫৯)।
২৫) ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰথম ভাৰতীয় সভাপতি — বিজয়লক্ষ্মী পণ্ডিত।
২৬) প্ৰথম মহিলা স্নাতক — কাদম্বিনী গাঙ্গুলী, চন্দ্ৰমুখী বসু।
২৭) প্ৰথম মহিলা ভাৰত ৰত্ন — ইন্দিৰা গান্ধী।
২৮) প্ৰথম মহিলা ডাক্তৰ — কাদম্বিনী গাঙ্গুলী।
২৯) প্ৰথম ভাৰতীয় কৃত্ৰিম উপগ্ৰহ — আৰ্যভট্ট।
৩০) প্ৰথম মহিলা ভাৰতীয় জ্ঞানপীঠ বঁটা বিজয়ী — আশাপূৰ্ণা দেৱী।

# জানানে?

**ৰুকিয়া বেগম**
স্নাতক তৃতীয় ষাণ্মাসিক

১) ভাৰতৰ প্ৰকৃত কাৰ্যবাহী শাসক কোন?
= প্ৰধানমন্ত্ৰী।
২) ৰাষ্ট্ৰপতিয়ে কিমান জন সদস্যক ৰাজ্যসভালৈ মনোনীত কৰে?
= ১২ জন।
৩) ৰাজ্যৰ ৰাজ্যপালক কোনে নিযুক্তি দিয়ে?
= ৰাষ্ট্ৰপতিয়ে।
৪) ভাৰতৰ লোকসভাৰ সদস্য সংখ্যা কিমান?
= ৫৪৫ জন।
৫) ভাৰতৰ নিৰ্বাচন কোনে পৰিচালনা কৰে?
= নিৰ্বাচন আয়োগে।
৬) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশক কোনে নিযুক্তি দিয়ে?
= ৰাষ্ট্ৰপতিয়ে।
৭) কোনে কৈছিল — 'ৰাষ্ট্ৰপতি কিন্তু শাসনৰ প্ৰধান নহয় ৰাষ্ট্ৰপতি নামমাত্ৰ কাৰ্যপালিকাহে'?
= ডঃ বি আৰ আম্বেদকাৰ।
৮) ভাৰতৰ সৰ্বপ্ৰথম বিচাৰালয় ক'ত অৱস্থিত?
= দিল্লীত।
৯) ৰাষ্ট্ৰপতিয়ে কাৰ ওচৰত শপত গ্ৰহণ কৰে?
= প্ৰধান ন্যায়াধীশৰ ওচৰত।
১০) প্ৰধানমন্ত্ৰীয়ে কাৰ সহযোগত দেশৰ শাসন কাৰ্য পৰিচালনা কৰে?
= মন্ত্ৰী পৰিষদৰ ওচৰত।
১১) ভাৰতৰ প্ৰতিৰক্ষা বিভাগৰ সৰ্বাধিক নায়ক কোন?
= ৰাষ্ট্ৰপতি।
১২) ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ বিচাৰকৰ মুঠ সংখ্যা কিমান?
= ২৬ জন।
১৩) এখন বিল অৰ্থবিল হয় নে নহয় ইয়াক কোনে নিৰূপণ কৰে?
= লোকসভাৰ অধ্যক্ষই।
১৪) মন্ত্ৰীসভা কাৰ ওচৰত দায়বদ্ধ?
= সংসদৰ ওচৰত।
১৫) কোনে মুছলমানসকলৰ কাৰণে পৃথক ৰাষ্ট্ৰ দাবী কৰিছিল?
= মহঃ আলী জিন্নাতে।

# জানানে?

**লনী শইকীয়া**
স্নাতক পঞ্চম ষাণ্মাসিক

পৃথিৱীৰ বৃহত্তম, উচ্চতম, বিশালতম, দৈৰ্ঘ্যতম আৰু ক্ষুদ্ৰতম —

১) বৃহৎ সাগৰ— দক্ষিণ চীন সাগৰ।
২) বৃহৎ মহাসাগৰ — প্ৰশান্ত মহাসাগৰ।
৩) বৃহৎ হ্ৰদ — কাস্পিয়ান সাগৰ (দক্ষিণ এছিয়া) ৩৭১,৮০০ বৰ্গ কিঃ মিঃ।
৪) বৃহত্তম দ্বীপ — গ্ৰীণলেণ্ড (২১৭৫৬০০ বৰ্গ কিঃ মিঃ)
৫) বৃহৎ পিৰামিড — কোৱেটজালকোটল পিৰামিড (৩, ৩ মিলিয়ন কিউবিকমি)
৬) বিশালতম উদ্যান — উত্তৰ-পূব ৰাষ্ট্ৰীয় উদ্যান গ্ৰীণলেণ্ড।
৭) বৃহৎ জন্তু — আফ্ৰিকান বুশ্ব।
৮) বিশাল মহাদেশ — এছিয়া (৪৪,৫৭৯০০০ বৰ্গ কিঃ মিঃ)।
৯) ডাঙৰ নগৰ — লণ্ডন।
১০) বৃহৎ দেশ — ৰুছিয়া।
১১) দীৰ্ঘতম ৰে'লষ্টেচন — গ্ৰেণ্ড চেণ্ট্ৰেল টাৰ্মিনেল (আমেৰিকা যুক্তৰাষ্ট্ৰ)।
১২) উচ্চতম বৃক্ষ — ষ্টাৰটস্ফিয়েৰহ গিয়েণ্ট ১১২৬ মিটাৰ।
১৩) উচ্চতম জলপ্ৰপাত — এঞ্জেলা জলপ্ৰপাত ভেনিজুৱেলা।
১৪) উচ্চতম জন্তু — জিৰাফ।
১৫) উচ্চতম মিনাৰ — কুতুব মিনাৰ।
১৬) বিশালতম পৰ্বত শৃংগ — হিমালয়।
১৭) ক্ষুদ্ৰতম মহাদেশ — অষ্ট্ৰেলিয়া (ওছেনিয়া)।
১৮) ক্ষুদ্ৰতম দেশ — ভেটিকানচিটি।
১৯) দীৰ্ঘতম নদী — মিচিছিপি মিচৌৰী।
২০) আটাইতকৈ পুৰণি খেল — মল্লযুদ্ধ।
২১) পৃথিৱীৰ আটাইতকৈ ডাঙৰ অভিধান — অক্সফোৰ্ড ইংলিছ ডিক্সনাৰী।
২২) পৃথিৱীৰ আটাইতকৈ ওখ শৃংগ — এভাৰেষ্ট।

# জানানে

**ছাবিকুন নেহাৰ**
স্নাতক তৃতীয় যাণ্মাসিক

কোন দেশ পাতালৰ দেশ বুলি পৰিচিত?
— হল্যাণ্ড
কোন প্ৰাণীয়ে নিজ ওজনৰ কুৰি গুণৰ ওজন বহন কৰিব পাৰে?
— পৰুৱা
কোন চৰাইৰ পাখি নাই?
— কিউ-ই চৰাইৰ।
কোন প্ৰাণী পুৰুষো নহয় বা স্ত্ৰীও নহয় আৰু চকুৰেও নেদেখে?
— কেঁচু আৰু উঁই পোক। ইহঁত উভয়লিঙ্গ।
কোন নদীত মাছ নাই?
— জৰ্ডন নদীত।
কোন দেশত মাজৰাতি সূৰ্য দেখা যায়?
— নৰৱেত।
কোন ঠাইৰ মেকুৰীৰ নেজ নাই?
— ম্যানদ্বীপৰ।
কোন গছে পোক-পৰুৱা খায়?
— আমেৰিকাৰ সানডিউ নামৰ এক শ্ৰেণীৰ গছে।
কোন গছৰ ফলে পোহৰ দিয়ে?
— ফিলিপাইন দ্বীপপুঞ্জৰ বাংগিলুচ ব্যাঙ গছে।
২০১৪ চনত অস্কাৰ বিজয়ী হলীউড পৰিচালক জেফৰী ব্ৰাউন নিৰ্মিত SOLD নামৰ ছবিখনত কৰা অভিনয়ৰ বাবে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰা অসমীয়া কিশোৰী অভিনেত্ৰীগৰাকী কোন?
— নিয়ৰ শইকীয়া
আটাইতকৈ বেছিদিন কোন গছে ফল দিব পাৰে?
— নাচপতি গছে ৩০০ বছৰলৈকে ফল দিব পাৰে।
কাঞ্চনজংঘাৰ উচ্চতা কিমান?
— ২৮,২৮০ ফুট।

# জানানে ?


**তৃষামণি ভূঞা**
স্নাতক প্ৰথম যাণ্মাসিক

১) 'অনুৰাধাৰ দেশ' উপন্যাসখন কোনো ৰচনা কৰিছিল?
= ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী।
২) 'পৃথিৱীৰ অসুখ' নামৰ গল্প পুথিখন কোনে লিখিছিল?
= যোগেশ দাস।
৩) 'সোণৰ খাৰু নালাগে মোক' নামৰ উপন্যাসৰ লেখক কোন?
= ধীৰেন বৰুৱা।
৪) 'সাহিত্য একাডেমী' পুৰস্কাৰ লাভ কৰা প্ৰথম অসমীয়া গল্প সংকলনখনৰ নাম কি?
= সৌৰভ কুমাৰ চলিহাৰ 'গোলাম'।
৫) 'সুগন্ধি পখিলা' পুথিখন কাৰ?
= কবি হীৰেন ভট্টাচাৰ্য।





# ইংৰাজী শিতান



*Universal education is the most corroding and disintegrating poison that liberalism has ever invented for its own destruction.*

– Adoff Hitler

# Dignity of Labour

**Himadri Roy**
Department : Education


Dignity of labour means that all occupation, whether invclving intellect or physical labour, deserve equal respect and dignity. The word 'labour' implies manual labour. Manual labour is the root of all progress. Many of our life daily necessary wouldnot have been produced without manual labour. It is essential for human society. No job should be considered superior or inferior. Every person has the right to choose his profession of his choice.

The word 'dignity' derived from the latin word 'dignus' or dignitas which means a certain respect or worthy of esteem and honour. "In simple, any form of work manual or intellectual is called labour and respecting any kind of job is called "dignity of labour". Social reformers as well as Mahatma gandhi were prominent advocates of the dignity of labour.

Gandhiji believed a lot in dignity of labour, both in word and deed. CCE helps to teach children about dignity of labour through activities.

Importance of dignity of labour : –

1. No profession is mean or unpleasant or unworthy or com mands itself to be tagged as disrespectful.
2. Every person working at every level commands respect for himself, his work and the profession.
3. Independence itself commands respect and dignity for itself.



# Substance Use Disorder "Drug Addiction" A Chronic Brain Disease

**Sumi Deka**

**Definitions :**

- Drug Use
  –Taking a psychoactive substance for non-medical purposes, out of curiosity
- Drug Abuse
  –Drug use that leads to problems (e.g. loss of effectiveness in society; behavioral psychopathology, criminal acts)
- Drug Dependence
  –A maladaptive pattern of drug use leading to clinically-significant impairment or distress, associated with difficulty in controlling drug-taking behavior, withdrawal, and tolerance
  –The state of needing a drug to function within 'normal limits'

**The Addiction Cycle & the 4 C's**

1. CRAVING (DOPAMINE; BRAIN IS HARD WIRED TO CRAVE REWARDS)
2. COMPULSION (LOW SERATONINLEVELS)
3. LOSS OF CONTROL (DAMAGE TO THE PREFRONTAL CORTEX; RIGHT & WRONG)
4. CONTINUED USE DESPITE CONSEQUENCES –FURTHER DAMAGE TO PREFRONTAL CORTEX (INTERFERES WITH JUDGEMENT).

**Signs & Symptoms**

- Cravings
- Compulsion
- Loss of Control
- Continued use Despite Consequences
- Tolerance
  –A State in which an organism no longer responds to a drug
  –A higher dose is required to achieve the same effect.
- Withdrawal



–Manifested as a physical disturbance when the drug is removed (withdrawal)

**Addiction Progresses in Stages**

- Substance use
- Substance Abuse (Risky Use)
- Substance Dependence/Addiction
- DSM IV makes a clear distinction between substance abuse/addiction; the pattern of compulsive use is the distinguishing factor.

**Risk Factors :**

General Risk Factors

1. Psychological
2. Behavioral
3. Social
4. Demographic
5. Family
6. Genetics

Stress and Addiction are closely linked. Increased stress creates a significant increase in risk for addiction.

**Best Practices :**

Prevention & Early Intervention

- Screening, Brief interventions & Referral to treatment

**What is SBIRT?**

1. Paradigm shift from traditional view of substance abuse interventions
2. Views Substance Abuse as a public healthissue and focus on risk reduction as well as abstinence
3. Focus on identifying "misuse"early and providing brief in terventions
4. Is comprehensive in it's approach

**Screening Brief Interventions Referral to treatment**

- Low Intensity, Short Duration
- Range from Brief Advice to several
- Intended to provide early intervention

**Effective Brief Interventions**

1. Elicit values and goals
2. Explore discrepancies between current behavior and future aspirations
3. Tailor feedback and advice to address concerns and needs
4. Use reflections and summaries to respond to the person's reasons for considering change target behavior.
5. Identify steps he or she would take, who would help him/her, obstacles and how he/she would know the plan is working.
6. Use Importance/Confidence Readiness Ruler to elicit and reinforce change talk.
7. Monitor person's progress with plan

Motivational Interviewing basics

- What is MotivationalInterviewing? a semi-directive, client centered conversation for eliciting behavior change by helping people to explore and resolve ambivalence about change.


**Collaboration**–Working in Partnership
**Evocation**–Learning from the person
**Autonomy**–Person is responsible for own change

Core Motivational Interviewing Strategies
»O.A.R.S.
•Open-Ended Questions

- Affirmations
- Reflections
- Summarizations
- **importance X confidence = readiness**

**Conclusion**

Thus,wecan conclude that drug addiction,alsocalled substance use disorder,canbe the risk factor of overdose intake of drugs for an individual.
•The best way to prevent an addiction to drug is not to take the drug at all.
•Working as the Counsellor in different sector particularly in the NGO,differentindividual were being sorted out with much difficulty and have been recovered as a well-being for the society as per my knowledge on the drug addicted patients through proper guidance and counselling.



# Global Warming

**Pranjit Borah**
3rd Semester

**Introduction :–** Global warming is the big environmental issue we are facing today as a greatest challege which we need to get it solve permanently. In fact, global warming is the continious and steady process of increasing in the temperature of earth surface.

According to the environmental protection Agency in he post century there is increase in the earth's surface average temperature by aruond 1.4 degree Fahrenheit. It has also been estimated that global temperature may increase by another 2 to 11.5 degrees F in the next century.

**Causes of Global Warming :–**

There are many causes of the global warming, some are natural causes and some are human made causes. The most important cause of global warming is green house gases which are generated by some natural prousses as well as human activities. The increase in the level of green house gases has been seen in the 20th century because of the increasing population, economy and use of energy. Increasing demand of industrialization in the modern world to fulfill almost each need is lausing the release of variety of green house gases though many industrial processes in the atmosphere.

The release of carbon dioxide ($co_2$) and sulphur dioxide ($so_2$) gas has been increased in the recent years by 10 fold. The release of carbon dioxide gas varies according to the natural and industrial process including photosynthesis and oxidation cycle. Methane is another green house gas release in the atmosphere by the anaerobic decomposition of organic materials.

Another cause of global warming is ozonewarming depletion means declination of ozone layer over Antaruticu. Ozone layer declining day by day by increasing release of chloroflurocarbon gas. It is a human generated cause of global warming. Ozone layer causes protection to the earth surface by inhibiting the harmful sun rays to coming to the earth. However, gradually declining ozone layar is the big indication of increasing global warming of the earth surface. Harmful ultraviolet sun rays are entering to the biosphere and get absorbed by the green house gases which ultimatly increase the global warming.

Effects of Global Warming :–

The effects of global warming have been very clear in the recent years because of increasing sources of global warming. According to the U.S. geological survey, it has been recorded that there were 150 glaciers are located in the montana's Glocier National Park however because of increasing effect of global warming, only 25 glaciers are left.

Global warming causes lot of climate changes in the atmosphere such as increasing summer season, decreasing winter season, increasing temperature, changer in air circulation patterns, jet stream, rain without season, melting ice caps, declining ozone layer, occurrence of heavy storms, cyclones, flood, drought and so many effects.

Solutions of Global Warming :–

Many awareness programmes and programmes to reduce global warming have been run and implemented by the government agencies, business leaders, private sectors, NGOs etc. Some of the damages through global warming cannot be returned by the solution. However, we should not get back and try everyone's best to reduce the effects of global warming by reducing the human causes of global warming. We should try to reduce the emissions of greenhouse gases to the atmosphere and adopt some climate changes which are already happening for years, instead of using electrical energy we should try using clean energy or energy produced by solar system, wind and geothermal, Reducing the level of coal and oil burning, use of transportation means, use of electrical devices, etc may reduce the global warming to a great level.

Conclusion :–

The conclusion confirms that global warming is the major challenge for our global society. There is very little doubt that global warming will change our climate in next century. So what are the solutions to global warming? First, there must be an international political solution. Second, funding for developing cheap and clean energy production must be increased, as all economic development is based on increasing energy usage. we must not pin all our hopes on global politics and clean energy technology, so we must prepare for the worst and adapt . if implemented now, a lot of the costs and damage that could be caused by changing climate can be mitigated.

# Full Form

**Kukil Borah**
5th Semester


1. PAN – Permanent Account Number.
2. PDF – Portable Document Format.
3. SIM – Subscriber Indentity Module.
4. ATM – Automated Teller Machine.
5. IFSC – Indian Financial System Code.
6. FSSAI – Food Safety & Standards Authority of India.
7. WI-FI – Wireless Fidelity.
8. GOOGLE– Global Organization of Oriented Group Language of Earth
9. YAHOO – Yet Another Hierarchical Officious Oracle.
10. WINDOW – Wide Interactive Network Development for Office Work Solution.
11. APN – Access Point Name
12. LED – Light Emitting Diode
13. DLNA – Digital Living Network Alliance.
14. RAM – Random Access Memory.
15. ROM – Read Only Memory.
16. VGA – Video Graphics Array.
17. QVGA – Quarter Video Graphics Array.
18. USB – Universal Serial Bus.
19. COMPUTER –Common Oriented Machine. Particularly United and Used Under Technical and Educational Research.
20. VIRUS –Vital Information Resources Under Siege.
21. UMTS – Universal Mobile Telecommunications System.
22. AMOLED – Active Matrix Organic Light-Emitting Diode.
23. OLED – Organic Light Emitting Diode.
24. ESN – Electronic Serial Number.
25. UPS – Uninterruptible Power Supply.
26. HDMI – High-Definition Multimedia Interface.
27. VPN – Virtual Private Network.
28. NFC – Near Field Communication.
29. PPI – Pixels Per Inch
30. LCD – Liquid Crystal Display



# Do You Know?

**Minakshi Sharma**
6th Sem.

1. Which city is called Pink City?
= Jaipur.
2. First animal to go into space orbit?
= Dog (Laika).
3. Which was the first Bank of India?
= Bank of Hindustan in 1770.
4. The national motto of India 'Satyameva Jayate' is taken from?
= Mundaka Upanishad.
5. Who is known as 'Iron Man of India'?
= Sardar Vallabbhai Patel.
6. Who is known as 'Iron Lady of India'?
= Indira Gandhi.
7. Who designed Indian National Flag?
= Pingali Venkayya in 1916.
8. Which is the Acid present intea?
= Tannic Acid.
9. Which is the smallest bird in the world?
= Humming bird.
10. Which animal has qreen blood?
= Leeches, Worms & some Marine Worms.
11. Which animal have three heart?
= Octopus.
12. Which country is called as the Lion City?
= Singapore.
13. Which planet is known as evening star and morning star?
= Venus.
14. Which place is known as land of midnight sem?
= Norway.



*Education is not the filling of a pail, but the lighting of a fire.*

– W.B. Yeats



# ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন

ই যে নহয় হাঁহি তামাচাৰ
ভাগৰ জুৰোৱে গান
ই যে জীৱন মৰণ একাকাৰ কৰা
অগ্নি বীণাৰ টান।।

— অম্বিকাগিৰী ৰায় চৌধুৰী।।

জয় জয়তে ঐতিহ্যমণ্ডিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে মোৰ প্ৰতিবেদনৰ পোন প্ৰথমতে যিসকল মহান ব্যক্তিৰ আহোপুৰুষাৰ্থ কষ্ট, ত্যাগ আৰু শ্ৰমৰ বিনিময়ত প্ৰতিষ্ঠা লাভ কৰি বৰ্তমানলৈকে এক সমাদৰ লাভ কৰিছে সেই মহান মনীষীসকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

মহাবিদ্যালয়খনত ২০১৬ বৰ্ষত নামভৰ্তি কৰি দৃঢ় হৈছিলোঁ এজন ভাল ছাত্ৰ হোৱাৰ লগতে নিজক শিক্ষাৰ পথাৰখনত কিদৰে আগুৱাই নিব পাৰোঁ। লাহে লাহে মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, অফিচ-কৰ্মচাৰী, বন্ধু-বৰ্গৰ লগত চিনাকি হৈ পৰিছিলোঁ নিজৰ পাঠনীয় পাঠ্যক্ৰমৰ লগতে মহাবিদ্যালয়ৰ তথা ছাত্ৰ সমাজৰ উন্নতিৰ বাবে উপলব্ধি কৰি মন বান্ধিছিলোঁ যে মহাবিদ্যালয়ৰ ৰীতি-নীতি ফলপ্ৰসূ কৰিবলৈ তথা কিছু অসুবিধা সুবিধাজনক কৰিবলৈ হ'লে মই এটা 'পদত' থাকিব লাগিব তেতিয়া নিশ্চয় সফল হ'ব পাৰিম। সেই মৰ্মে মহাবিদ্যালয় নিৰ্বাচনত সভাপতি পদত জয়যুক্ত হৈ ২০১৮ চনৰ ১৪ নৱেম্বৰ তাৰিখে আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰোঁ আৰু দায়িত্বভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ আশিস লৈ নিম্নোক্ত কাৰ্যপন্থা গ্ৰহণ কৰোঁ।

ক) মহাবিদ্যালয়ৰ চৌ-পাশ পৰিষ্কাৰ-পৰিচ্ছন্নতা কৰাৰ প্ৰতিশ্ৰুতিবদ্ধ হৈ গোটখা নিৰ্মূলকৰণৰ সজাগতা ব্যৱস্থা কৰিছিলোঁ লগতে কলঙ্গীয়ান ৰাইডাচ্ আৰু ম'বাইল প্লেনেটৰ সৌজন্যত ২১ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ত বহুকেইটি বাঁহৰ ডাষ্টবিন লাভ কৰি ছাত্ৰ-ছাত্ৰীক উপকৃত কৰাবলৈ আমি সক্ষম হৈছিলোঁ।

প্ৰত্যেক বছৰৰ দৰে আমাৰ কাৰ্যকালতো সপ্তাহ সমাৰোহ, সৰস্বতী পূজা, ৮ মাৰ্চ আন্তৰ্জাতিক নাৰী দিৱস, ২৬ জানুৱাৰী গণৰাজ্য দিৱস, ৫ জুন বিশ্ব পৰিৱেশ দিৱস, ২০ জুন ৰাভা দিৱস, ২১ জুন আন্তঃজাতিক যোগ দিৱস, ১৫ আগষ্ট স্বাধীনতা দিৱস, ৫ ছেপ্টেম্বৰ সমূহীয়াকৈ শিক্ষক দিৱস আৰু ৩১ অক্টোবৰ আন্তৰাষ্ট্ৰীয় একতা দিৱস উদ্‌যাপন কৰা হয়।

সপ্তাহ-সমাৰোহৰ এক বাৰে-ৰহণীয়া সাংস্কৃতিক শুভাযাত্ৰা উলিওৱাৰ লগতে পথ সুৰক্ষাৰ প্ৰতি সচেতন হ'বৰ বাবে বাটৰ নাট অনুষ্ঠিত কৰা হয়। আন্তঃপৰ্যায়ত উজ্বলি উঠা মহাবিদ্যালয়ৰ ছাত্ৰী পঞ্চী বৰাই যোগ প্ৰদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিছিল লগতে অতিথিৰূপে উপস্থিত আছিল প্ৰজাপিতা ব্ৰহ্মা কুমাৰী ঐশ্বৰীয় প্ৰতিষ্ঠানৰ বি.কে. বিনয় আৰু বি.কে নিৰ্মালি। বিশ্ব-পৰিৱেশ দিৱসৰ দিনা ছাত্ৰ একতা সভাৰ ব্যৱস্থাপনত গছ-ৰোপণ কাৰ্যসূচী হাতত লোৱাৰ লগতে মনোবিজ্ঞান বিভাগৰ সহযোগত বায়ু প্ৰদূষণৰ ওপৰত সজাগতা শিবিৰ হাতত লোৱা হৈছিল। স্বাধীনতা দিৱসৰ দিনা NCC গোটৰ দ্বাৰা মাৰ্চেল আৰ্ট পৰিৱেশন কৰা হয়। ৩০ জানুৱাৰী তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ৫ জন ছাত্ৰ-ছাত্ৰীয়ে ৰঙাপাৰত অনুষ্ঠিত হোৱা আন্তঃবিদ্যালয়ৰ প্ৰতিযোগিতাত ছয়টাকৈ সোণ-ৰূপৰ পদক অৰ্জন কৰি মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনে তেওঁলোক ক্ৰমে— শ্যামলিমা বৰা, চিম্পী বৰা, নোমান কুতুব আহমেদ, অবিনাশ বৰা আৰু মৃদুল শইকীয়া।

১৪ ফেব্ৰুৱাৰী প্ৰেমৰ দিৱস উপলক্ষে সপোন অফিচিয়েল পেজ আৰু ছাত্ৰ একতা সভাৰ সহযোগত বঢ়মপুৰ অন্ধ

বিদ্যালয়ত প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীক দুপৰীয়া আহাৰ বিতৰণ কৰা হয়।

৯ এপ্ৰিলৰ দিনা শিক্ষক আৰু অভিভাৱকৰ মাজত সভা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মীয়া পাঠদান কাৰ্যসূচীৰ উপস্থিত থকাৰ বাবে গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰা হয়।

অসমৰ একমাত্ৰ ক্ৰীড়া আলোচনী 'অলিম্পিয়া'ই উদীয়মান লেখকসকলৰ মাজত আয়োজন কৰা সাহিত্য প্ৰতিযোগিতাত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। তেওঁলোক ক্ৰমে— ১) গল্পত প্ৰতিযোগিতাত প্ৰথম স্থান— চাজিনা ইয়াচবিন, ২) প্ৰবন্ধ প্ৰতিযোগিতা প্ৰথম স্থান— জ্ঞানদীপ হাজৰিকা, ৩) প্ৰবন্ধ প্ৰতিযোগিতাত উদ্‌গনিমূলক বঁটা লাভ কৰে— নিহাৰিকা বৰা।

আমাৰ মহাবিদ্যালয়ৰ ২০১৮ বৰ্ষৰ উচ্চতৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী ৰুবী বৰা বৃক্ক ৰোগত আক্ৰান্ত হোৱাৰ বাবে মহাবিদ্যালয়ৰ ফালৰপৰা আৰ্থিকভাৱে সহায়ৰ হাত আগবঢ়োৱা হয় কিন্তু দুঃখজনকভাৱে মৃত্যুক সাবটি ল'ব লগা হয়।

২২ জুন তাৰিখে আমাৰ মহাবিদ্যালয়ত সৃষ্টি বেচৰকাৰী সংস্থা আৰু গোহাঁই নাৰ্চিংহোমৰ সৌজন্যত নাৰী সৱলীকৰণ আৰু ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছিল। এই ক্ষেত্ৰত মহাবিদ্যালৰ NSS গোট আৰু সমাজতত্ত্ব বিভাগৰ ব্যৱস্থাপনাত অনুষ্ঠিত কৰা হয়।

আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা অসমীয়া বিভাগৰ অধ্যাপক শ্ৰদ্ধাৰ আব্দুল হাচেম ছাৰ আৰু ৰাজনীতি বিভাগৰ অধ্যাপক তথা এসময়ৰ মন্ত্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱা ছাৰে কৰ্ম জীৱনৰপৰা অৱসৰ গ্ৰহণ কৰে।

২৬ জুলাই তাৰিখে অসমৰ ভয়াবহ বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-একতা সভাৰ দ্বাৰা ৰাইজৰ আৰ্থিক সহায়ৰে বানপীড়িত লোকসকলক সহায়ৰ হাত লাওখোৱা, ভুৰবন্ধ আৰু বৰঘূলি অঞ্চলত আগবঢ়োৱা হয়।

২৫ আগষ্ট তাৰিখে 'NCC' আৰু 'শিক্ষা' বিভাগৰ সংযোগত এখনি সজাগতা শিবিৰ বেটী বছাও, বেটী পঢ়াও অনুষ্ঠি কৰা হয়।

মহাবিদ্যালয়ত ভূগোল বিভাগৰ ছাত্ৰ হিচাপে পঢ়াৰ সুবিধাকণ লাভ কৰি ২০১৯ বৰ্ষৰ ১৭ জানুৱাৰী তাৰিখে ১৪ জনীয়া দল এটা ৰাজস্থান অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলোঁ আৰু আমাৰ লগত সংগ দিছিল ড° পুণ্যলতা গোহাঁই বাইদেউ, আব্দুল জামান ছাৰ আৰু বন্ধু তথা আমাৰ সকলোৰে মৰমৰ 'পাতকাই টেভেলৰ' ব্যৱস্থা প্ৰমুখ গৌতম ফুকন দাদায়ে।

মোৰ কাৰ্যকালত প্ৰতি মুহূৰ্তত, প্ৰতি সময়ত সংগ দিয়া বন্ধু-বৰ্গকে আদি কৰি শিক্ষক-শিক্ষয়িত্ৰী, অফিচ কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ সদস্যসকল, পূৰ্বৰ দাদা-বাইদেউসকল আৰু অধ্যক্ষ মহোদয়লৈ শত কোটি প্ৰণাম জনালোঁ।

নিৰ্বাচনত যিবোৰ প্ৰতিশ্ৰুতি দিছিলোঁ সকলো সুবিধাজনক তথা সম্পূৰ্ণ কৰিব নোৱাৰিলোঁ গতিকে এই ক্ষেত্ৰত মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী। ভৱিষ্যৎ দিনত প্ৰাক্তন ছাত্ৰ হিচাপে মহাবিদ্যালয়ৰ লগত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত থকাৰ সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ হওঁ কাৰ্যকাল অব্যাহতি লোৱাৰ সময়ত।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

জয় আই অসম

ভাৰত মাতা কি জয়।।

**প্ৰাঞ্জল শইকীয়া**

সভাপতি

ড° বি. কু. বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা





# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

জয় জয়তে মই যিসকল ব্যক্তিৰ মহানুভৱতাত এই পবিত্ৰ শিক্ষানুষ্ঠানটিয়ে পুৰণিগুদামৰ শ্যামলী বুকুত আজিৰ মূৰ ওখ কৰি আকাশ চুই আছে সেইসকল মহান ব্যক্তিলৈ প্ৰতিবেদনৰ আৰম্ভণিতে নিৱেদিছোঁ ভক্তিৰ সহস্ৰ প্ৰণিপাত।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ২০১৮-২০১৯ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদিকাৰূপে ১৪-১১-২০১৮ তাৰিখে শপত গ্ৰহণ কৰিছিলোঁ। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰ পৰাই ছাত্ৰ একতা সভাৰ সকলো সদস্য, ছাত্ৰ-ছাত্ৰীসকল আৰু বিশেষকৈ শিক্ষাগুৰুসকলৰ আশীৰ্বাদ শিৰত লৈ মহাবিদ্যালয়ৰ কামসমূহ আগুৱাই নিবলৈ প্ৰয়াস কৰোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সম্পাদিকাৰ দায়িত্ব লৈ মহাবিদ্যালয়খন স্বচ্ছতাৰ দিশত আগুৱাই নিবলৈ চেষ্টা কৰোঁ। সেইবাবে আমাৰ কাৰ্যকাল আৰম্ভ হোৱাৰ পিছতেই মোবাইল প্লেনেৰাচৰ সহযোগত মহাবিদ্যালৰ চৌহদত ডাচবিনৰ ব্যৱস্থা কৰা হয়।

৩০ জানুৱাৰী, ৰঙাপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় power lifting প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ক্ৰমে ২ টা সোণৰ, ৩ টা ৰূপৰ আৰু ১টা ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হয়। ইয়াৰ মাজতে ৩১ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ উপাধ্যক্ষ মঃ আব্দুল হাছেম ছাৰে অৱসৰ গ্ৰহণ কৰে।

গতানুগতিকতা ৰক্ষা কৰি প্ৰত্যেক বছৰৰ দৰে এইবছৰো অনুষ্ঠিত কৰা হ'ল সপ্তাহ সমাৰোহ আৰু বিদ্যা মন্দিৰত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীগৰাকীৰ বন্দনা।

মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ ০১-০২-২০১৯ তাৰিখৰ পৰা ০৭-০২-২০১৯ লৈ উদ্‌যাপন কৰা হৈছিল। এই সপ্তাহ সমাৰোহৰ বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত আছিল বিশিষ্ট অতিথি শ্ৰীযুত ফণীন্দ্ৰ নাথ গায়ন আৰু মুখ্য বক্তা - শ্ৰীযুত হিৰণ্য কুমাৰ চলিহা।

১৫ ফেব্ৰুৱাৰী, সপোন পৰিয়ালৰ ব্যৱস্থাপনাত (sapun official) আৰু ছাত্ৰ একতা সভাৰ সহযোগিতাত শ্ৰীমন্ত শংকৰদেৱ মিশ্যন অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অন্নৰ ব্যৱস্থা কৰা হৈছিল। আমাৰ এই কৰ্মত মহাবিদ্যালয়ৰ অধ্যক্ষকে ধৰি অধ্যাপক-অধ্যাপিকাসকলেও আমাক বহু পৰিমাণে সহায় কৰিছিল।

৫ জুন, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহাবিদ্যালয়ৰ প্ৰাঙ্গণত গছ-পুলি ৰোপণ কৰা হয়। সেই সময়তে ২২ জুন তাৰিখে মহাবিদ্যালয়ত ৰক্তদান শিবিৰৰ লগতে এখন স্বাস্থ্য সজাগতা শিবিৰৰ আয়োজন কৰা হয়। এই ৰক্তদান শিবিৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰাৰ লগতে পুৰণিগুদাম অঞ্চলৰ বহু সংখ্যক লোকেও এই ৰক্তদান কাৰ্যত অংশগ্ৰহণ কৰে।

২২ এপ্ৰিলৰ পৰা ২৪ এপ্ৰিললৈকে আৰম্ভ হোৱা পূৰ্ব মাওলিক আন্তঃমাগুলিক যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ এটি দলে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত আমাৰ দলটোৱে বঁটা পাবলৈ সক্ষম হোৱা নাছিল যদিও যথেষ্টখিনি জ্ঞান অৰ্জন কৰিব পাৰিছিল।

লুইতৰ বলিয়া বানে ক্ষতিগ্ৰস্ত কৰা গাঁও সমূহত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে অধ্যাপক-অধ্যাপিকাসকলৰ অনুদানেৰে ২৬ জুলাই তাৰিখে চামগুৰিৰ ভূৰবন্ধা আৰু বৰঘূলি অঞ্চলত সাহায্য আগবঢ়োৱা হয়।

সেই সময়তে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক শ্ৰীযুত গিৰীন্দ্ৰ কুমাৰ বৰুৱা ছাৰে অৱসৰ গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা দুদিনীয়া কাৰ্যসূচীৰে ২৮ আৰু ২৯ আগষ্ট ২০১৯ তাৰিখে অনুষ্ঠিত হয়। এই আদৰণী সভাৰ প্ৰথম দিনাৰ অতিথি আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপ-পৰীক্ষা নিয়ন্ত্ৰক ড° দেৱহৰি তালুকদাৰ, আৰু সংগীত শিল্পী চন্দনা ডেকা

বৰদলৈ। ২৯ আগষ্ট তাৰিখে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ নিলোৎপল গায়নৰ সংগীতানুষ্ঠানৰ জৰিয়তে সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধন কৰা হয়।

১ ছেপ্টেম্বৰত, মহাবিদ্যালয়ৰ সকলোৰে সহযোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথিৰ আয়োজন কৰা হৈছিল।

৩১ অক্টোবৰত, মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত বিপুল চক্ৰৱৰ্তী ছাৰে অৱসৰ গ্ৰহণ কৰে।

২০১৯ বৰ্ষৰ ৫ নৱেম্বৰত নতুন ছাত্ৰ একতা সভাই শপত গ্ৰহণ কৰাৰ পিছত আনুষ্ঠানিকভাৱে ছাত্ৰ একতা সভাৰ সকলো দায়িত্ব তেওঁলোকক অৰ্পণ কৰি আমাৰ কাৰ্যকালৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।


আমাৰ এই কাৰ্যকালত আমাক প্ৰতিটো ক্ষণতে সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় লগতে প্ৰাক্তন উপাধ্যক্ষ বিপুল চক্ৰৱৰ্তী ছাৰৰ লগতে বৰ্তমানৰ উপাধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল, কৰ্মচাৰীবৃন্দ লগতে ছাত্ৰ-ছাত্ৰীসকলোলৈকে কৃতজ্ঞতা জনালোঁ।

আমাৰ কাৰ্যকালত হোৱা সকলো জ্ঞাত-অজ্ঞাত ভুলৰ বাবে ক্ষমা বিচাৰি শিক্ষাগুৰুৰ আশিস লৈ মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়।।৮৮

**জাহ্নৱী ভূঞা**
সাধাৰণ সম্পাদিকা
২০১৮-১৯ বৰ্ষ





# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। যিসকল ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ ফলত ঐতিহ্যমণ্ডিত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকাসকললৈ জনাইছোঁ আন্তৰিক শ্ৰদ্ধা আৰু সেৱা।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ত পঢ়িবলৈ পাই আৰু ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্যৰূপে সকলো কৰ্মত নিয়োজিত হ'বলৈ পাই নিজকে সৌভাগ্যবান অনুভৱ কৰিছোঁ।

মই ২০১৮-১৯ বৰ্ষৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক ৰূপে ১৪-১১-১৮ তাৰিখে শপত গ্ৰহণ কৰোঁ। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰাই ছাত্ৰ একতা সভাৰ সকলো সদস্য ছাত্ৰ-ছাত্ৰীৰ সহযোগ আৰু অধ্যাপক-অধ্যাপিকাসকলৰ আশীৰ্বাদ মূৰত লৈ মহাবিদ্যালয়ৰ কাম-কাজবোৰ আগবঢ়াই নিবলৈ চেষ্টা কৰোঁ। দায়িত্বভাৰ লোৱাৰ পিছতেই মহাবিদ্যালয়ৰ উপাধ্যক্ষ আব্দুল হাছেম ছাৰৰ বিদায় সভা অনুষ্ঠিত হয়। তাৰ পিছতেই আৰম্ভ হয় মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ। ০১-০২-২০১৯ ৰ পৰা ০৭-০২-২০১৯ তাৰিখলৈ সপ্তাহ সমাৰোহ অনুষ্ঠিত হয়। ১০-০২-২০১৯ তাৰিখে সৰস্বতী পূজা পতা হৈছিল। তাৰ পিছত আৰম্ভ হয় পূব মাণ্ডলিক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ। এই মহোৎসৱৰ আৰম্ভ হয় ঢেকীয়াজুলিৰ এল.অ.কে.ডি মহাবিদ্যালয়ত। ২২, ২৩, ২৪ এপ্ৰিলত আমাৰ মহাবিদ্যালয়ৰ এটি দলে কেইবাটাও প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। বঁটা পাবলৈ সক্ষম নহ'লেও আমি যথেষ্টখিনি অভিজ্ঞতা অৰ্জন কৰিবলৈ সক্ষম হৈছিলোঁ।

ৰাঙাপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় শক্তি উত্তোলন আৰু ভাৰত্তোলন প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ এটি দলে অংশ গ্ৰহণ কৰি কেইবাটাও বঁটা পাবলৈ সক্ষম হৈছিল। দুটা সোণৰ পদক আৰু তিনিটা ৰূপৰ পদক লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল।

৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। ১১ জুন তাৰিখে মহাবিদ্যালয়ত যোগ দিৱস অনুষ্ঠিত কৰা হয়। ৩১ জুলাই, ২০১৯ তাৰিখে ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক গিৰীন্দ্ৰ কুমাৰ বৰুৱা ছাৰে অৱসৰ গ্ৰহণ কৰে। ২৬ জুলাই তাৰিখে ছাত্ৰ একতা সভাৰ সহযোগত মহাবিদ্যালয়ৰ পৰা বান পীড়িত ৰাইজক সাহায্য আগবঢ়োৱা হয়। ছাত্ৰ একতা সভাৰ সদস্য হৈ থকাৰ উপৰি নিয়মীয়াকৈ ক্লাছ কৰাৰ লগতে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নিজকে সৌভাগ্যৱান অনুভৱ কৰোঁ।

এইখিনিতে মই বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণৰ প্ৰাক্‌ক্ষণত তৰ্কৰ বিষয়টো সঠিকৈ আৰু বিতংকৈ বুজাই দিয়াৰ বাবে শ্ৰদ্ধাৰ গিৰীন্দ্ৰ কুমাৰ বৰুৱা ছাৰ আৰু সন্মানীয় ড° কমল শইকীয়া ছাৰক ধন্যবাদ জনালোঁ। লগতে মই এৰি অহা হাইস্কুলৰ গায়ত্ৰী দেৱী বাইদেউ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হিমামণি বাইদেউকো অশেষ ধন্যবাদ জনালোঁ।

আমাৰ মহাবিদ্যালয়ত প্ৰতিভাৰ অভাৱ নাই। মাথোঁ আমি ইয়াকে সঠিক পথত আগুৱাই নিলে নিশ্চিতভাৱে আমি অন্যান্য মহাবিদ্যালয়ৰ সৈতে ফেৰ মাৰিব পাৰিম।

শেষত আমাৰ কাৰ্যকালত বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগ কৰা ছাত্ৰ একতা সভাৰ সদস্য, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী তথা শিক্ষাগুৰুসকলক ধন্যবাদ জনালোঁ।

যদি মোৰ এই কাৰ্যকালত কিবা ভুল ত্ৰুটি হৈছে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। সদৌ শেষত সকলোলৈকে পুনৰবাৰ শ্ৰদ্ধা আৰু সেৱা জনাই মোৰ প্ৰতিবেদন সামৰিলোঁ।

ধন্যবাদ

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

**ৰমজান আলী**

সহঃ সাধাৰণ সম্পাদক

২০১৮-১৯ বৰ্ষ





# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকাসকল আৰু কৰ্মচাৰীবৃন্দক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰূপে ১৪-১১-২০১৮ তাৰিখে শপত গ্ৰহণ কৰিছিলোঁ। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰাই মহাবিদ্যালয়ৰ কামসমূহ আগুৱাই নিবলৈ প্ৰয়াস কৰিছিলোঁ।

প্ৰত্যেক বছৰৰ দৰে এই বছৰো ০১-০২-২০১৯ তাৰিখৰ পৰা সপ্তাহ সমাৰোহ কাৰ্যসূচী আৰম্ভ কৰা হৈছিল। সপ্তাহ সমাৰোহৰ সাংস্কৃতিক কাৰ্যসূচীত সাংস্কৃতিক ক্ষেত্ৰৰ লগত জড়িত বিভিন্ন প্ৰতিযোগিতা অন্তৰ্ভুক্ত কৰিবলৈ প্ৰয়াস কৰিছিলোঁ। ইয়াৰ ঠিক পিছতেই অনুষ্ঠিত কৰা হয় বিদ্যা মন্দিৰত বিদ্যা অধিষ্ঠিত দেৱীগৰাকীৰ বন্দনা সৰস্বতী পূজা।

৫ জুন বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰা হয়। সেইসময়তে ২২ এপ্ৰিলৰ পৰা ২৪ এপ্ৰিললৈকে আন্তঃমহাবিদ্যালয় পূব মাণ্ডলিক যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত প্ৰথম দিনাৰ অতিথি আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপ-পৰীক্ষা নিয়ন্ত্ৰক ড° দেৱহৰি তালুকদাৰ আৰু সংগীত শিল্পী চন্দনা ডেকা বৰদলৈ। দ্বিতীয় দিনাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ নিলোৎপল গায়নৰ সংগীতানুষ্ঠানৰ যোগেদি সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণি কৰা হয়।

নৱাগত অনুষ্ঠানৰ সামৰণিৰ পিছতেই মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হয় মহাপুৰুষ গুৰুজনাৰ তিৰোভাৱ তিথি। কাৰ্যকালৰ আৰম্ভণিৰ পৰা শেষলৈকে প্ৰতিটো ক্ষণতে সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল, কৰ্মচাৰীবৃন্দ লগতে ছাত্ৰ-ছাত্ৰীসকললৈকো মোৰ কৃতজ্ঞতা জনালোঁ। লগতে সকলো জ্ঞাত-অজ্ঞাত ভুলৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**আব্দুল হামিদ**

সাংস্কৃতিক সম্পাদক

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়



# সহকাৰী ক্ৰীড়া সম্পাদকৰ একাষাৰ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন আৰম্ভ কৰাৰ পূৰ্বে মই মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, মৰমৰ ছাত্ৰ-ছাত্ৰীবৃন্দ আৰু কাৰ্যালয়ৰ সমূহ কৰ্মকৰ্তা তথা যিসকল মহান গুণী-জ্ঞানী বিদ্যানুৰাগী ব্যক্তিৰ অসীম ত্যাগ আৰু প্ৰচেষ্টাৰ ফলত পুৰণিগুদামৰ বুকুত আমাৰ এই মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল, তেওঁলোকক মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

২০১৮ চনৰ নৱেম্বৰ মাহত মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীসকলে মোক যি দায়িত্ব অৰ্পণ কৰিছিল, সেই দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ মই সংকল্পবদ্ধ হওঁ। ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় নগাঁও জিলাৰ ভিতৰত এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়। এনে এখন মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ আহি ছাত্ৰ একতা সভাৰ এজন সদস্য হিচাপে নিজকে গৌৰৱ অনুভৱ কৰিছিলোঁ।

মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস ছাৰ, মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু মোৰ সমনীয়া ছাত্ৰ একতা সভাৰ সমূহ সদস্যই মোক সহকাৰী ক্ৰীড়া সম্পাদকৰ দায়িত্ব দি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নূন্যতম সেৱা আগবঢ়োৱাৰ যি সুযোগ দিলে, তাৰ বাবে সেইসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

২০১৯ বৰ্ষত অনুষ্ঠিত হোৱা সপ্তাহ সমাৰোহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ভালদৰে অংশগ্ৰহণ কৰিব পৰাকৈ কাৰ্যসূচী প্ৰস্তুত কৰাত গুৰুত্ব আৰোপ কৰিছিলোঁ। ছাত্ৰ একতা সভাৰ সদস্যৰ চেষ্টাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ সঁহাৰি দেখি আমি কাম কৰাৰ ক্ষেত্ৰত অধিক উৎসাহিত হৈছিলোঁ। বিগত বৰ্ষৰ দৰে এই বৰ্ষৰ সপ্তাহ সমাৰোহত মহিলা ক্ৰিকেট খেল অনুষ্ঠিত হৈছিল। ইয়াৰ লগতে সপ্তাহ সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ অতি সন্তোষজনক। এই বৰ্ষতে আমাৰ মহাবিদ্যালয়ৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বাহিৰত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে। অনাগত দিনসমূহতো মহাবিদ্যালয়ৰ এই সুনাম অটুট থাকিব বুলি আশা কৰিলোঁ।

প্ৰতিবেদনৰ শেষত কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছোঁ ক্ৰীড়া বিভাগৰ তত্বাৱধায়িকা দেবিতা কেম্প্ৰাই বাইদেউ, তত্বাৱধায়ক শান্তনু বৰদলৈ ছাৰ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সমূহ অধ্যাপক-অধ্যাপিকা সকলক। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকলক মোৰ ফালৰপৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক অভিনন্দন জনালোঁ।

মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰুলৈ ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।

'জয় আই অসম'।

**হিমাংশু বৰা**
সহকাৰী ক্ৰীড়া সম্পাদক
২০১৮-১৯ বৰ্ষ





# ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকাসকল লগতে কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

আমাৰ এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীসকল আৰু ভণ্টি-ভাইটিসকলে ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া সম্পাদকৰূপে মোক যোগ্য বুলি ভাবি জয়যুক্ত কৰাৰ বাবে সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ। ২০১৮ বৰ্ষৰ ১৪ নৱেম্বৰ তাৰিখে শপত গ্ৰহণ লোৱাৰ পিছৰে পৰা নিজৰ কৰণীয় কামসমূহ সুচাৰুৰূপে কৰিম বুলি প্ৰতিজ্ঞাবদ্ধ হ'লোঁ।

আমাৰ কাৰ্যকাল আৰম্ভণি হোৱাৰ পিছতেই ২০১৯ বৰ্ষৰ জানুৱাৰী মাহৰ ৩০ তাৰিখে ৰঙাপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় 'Power lifting' প্ৰতিযোগিতাত পোন প্ৰথম বাৰৰ বাবে আমাৰ মহাবিদ্যালয়ৰ বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। তেওঁলোকে অৰ্জন কৰা সন্মানসমূহ ক্ৰমে—

শ্যামলিমা বৰাই Power lifting' সোণৰ পদক লগতে Weight lifting' ত ৰূপৰ পদক অৰ্জন কৰে।

লগতে Power lifting' প্ৰতিযোগিতাত নোমান কুতুব আহমেদে সোণৰ পদক। চিম্পী বৰাই ৰূপৰ পদক। মৃদুল শইকীয়াই ৰূপৰ পদক। কংকন বৰাই ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হয়।

প্ৰত্যেক বছৰৰ দৰে এইবছৰো ০১-০২-২০১৯ তাৰিখৰ পৰা সপ্তাহ সমাৰোহৰ কাৰ্যসূচী আৰম্ভ কৰা হৈছিল। সপ্তাহ সমাৰোহৰ কাৰ্যসূচীত ক্ৰীড়া ক্ষেত্ৰৰ লগত জড়িত বিভিন্ন প্ৰতিযোগিতা অন্তৰ্ভুক্ত কৰিবলৈ প্ৰয়াস কৰিছিলোঁ। এই প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাকে আদি কৰি ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণে সহায় কৰাৰ লগতে মোৰ ভুল-শুদ্ধবোৰ আঙুলিয়াই মোক আগবাঢ়ি যোৱাত সহায় কৰে।

কাৰ্যকালৰ আৰম্ভণিৰ পৰা শেষলৈকে প্ৰতিটো ক্ষণতে সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল, কৰ্মচাৰীবৃন্দ লগতে ছাত্ৰ-ছাত্ৰী সকললৈকে কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**হাৰিছ তনবীৰ হক্**
ক্ৰীড়া সম্পাদক
জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
২০১৮-১৯ বৰ্ষ



# সমাজসেৱা সম্পাদিকাৰ প্ৰতিবেদন

জয় জয়তে ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় অধ্যক্ষ আৰু শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা নিৱেদিলোঁ। মোৰ সতীৰ্থসকল আৰু মোৰ শুভাকাংক্ষী শিক্ষাৰ্থীসকলক নমস্কাৰ আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

২০১৮ চনৰ ১৪ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা পদত শপত গ্ৰহণ কৰি বিদ্যালয়ৰ হকে কাম কৰাৰ মই সুযোগ পাওঁ। তাৰে ভিতৰত খোৱা পানীৰ সু-ব্যৱস্থাকৰণ, মহাবিদ্যালয়ত ডাচবিন ব্যৱহাৰ কৰা, শিক্ষাৰ্থীৰ বাবে বাটচ'ৰাৰ সৰু প্ৰচেষ্টা কাম হাতত লোৱা হয়। ছাত্ৰ একতা সভাৰ ঐক্যতাৰ ফলশ্ৰুতিত এই সমূহৰ উপৰি বানপীড়িতসকলৰ বাবে মহাবিদ্যালয়ৰ তৰফৰ পৰা সাহায্য প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। শিক্ষাৰ্থীবৃন্দ আৰু অধ্যাপক-অধ্যাপিকাসকলৰ সহায়-সহযোগত উক্ত কাৰ্যসমূহ সুকলমে পৰিচালিত হয়। ছাত্ৰীসকলৰ প্ৰতি দৃষ্টি ৰাখি NSS গোটৰ উদ্যোগত 'চেনটেৰী নেফকিন' বিতৰণ কৰা হয়, যান-বাহন আৰু ৰাজপথত চলা-ফুৰা কৰাৰ বাবে সজাগতা বৃদ্ধি সভা, সমাজতত্ত্ব বিভাগৰ সহায়ত ৰক্তদান শিবিৰ আদি কাৰ্যসূচী গ্ৰহণ কৰা হয়।

মোৰ কাৰ্যকালৰ দায়িত্ব গ্ৰহণত অশেষ ভুল-ক্ৰটি হৈ ৰ'ল তাৰ বাবে মই ক্ষমা নিবেদিলোঁ। শেষত সকলোলৈকে মোৰ শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰি মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ—

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

**পম্পী হাজৰিকা**

সমাজসেৱা সম্পাদিকা

২০১৮-১৯ বৰ্ষ





# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে পোন প্ৰথমে মই ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকাবৃন্দক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মোৰ মৰমৰ বন্ধু-বান্ধৱী আৰু ভাই-ভণ্টি সকলে ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত যোগ্য বুলি ভাবি জয়যুক্ত কৰোৱাৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে সকলোলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ত শিক্ষা লাভ কৰাৰ লগতে ছাত্ৰ একতা সভাৰ সদস্য হ'বলৈ পাই মই নিজকে সৌভাগ্যৱান অনুভৱ কৰোঁ। ছাত্ৰ একতা সভাৰ সদস্য হিচাপে মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ হকে কাম কৰাৰ এক সুযোগ লাভ কৰিলোঁ। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে ছাত্ৰীসকলৰ বিভিন্ন সমস্যাবোৰ দূৰ কৰিবলৈ চেষ্টা কৰিছোঁ। যেনে— জিৰণি কোঠা পৰিষ্কাৰ, প্ৰস্ৰাৱগাৰৰ পৰিষ্কাৰ, বিকল হৈ থকা একুৱাগাৰ্ড ব্যৱহাৰৰ উপযোগী আদি।

২০১৯ বৰ্ষৰ ২২ জুন তাৰিখে আমি মহাবিদ্যালয়ত সমাজতত্ত্ব বিভাগৰ উদ্যোগত 'ৰক্তদান' শিবিৰ আৰু মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত বিনামূলীয়া 'পেড' বিতৰণ কৰাৰ লগতে স্বাস্থ্য সজাগতামূলক সভাৰো আয়োজন কৰা হয়। ইয়াৰোপৰি ছাত্ৰ একতা সভাই নিজ প্ৰচেষ্টাৰে ২০১৯ চনৰ ২৬ জুলাই তাৰিখে বানবিধ্বস্ত অঞ্চল ১ নং ভূৰবন্ধা আৰু বৰঘূলি অঞ্চলত বানসাহায্য আৰু কাপোৰ বিতৰণ কৰে।

আমাক সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আৰু উৎসাহ-উদ্দীপনা যোগোৱা মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকাক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত, ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ যি ঐতিহাসিক গৌৰৱোজ্জ্বল যাত্ৰা এই যাত্ৰা আৰু এখোজ আগুৱাই যোৱাৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**লুনা ভূঞা**

ছাত্ৰী জিৰণি কোঠা সম্পাদিকা

২০১৮-১৯ বৰ্ষ



# ব্যায়ামাগাৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ মহান ব্যক্তিসকলক সুঁৱৰিছোঁ, যিসকল ব্যক্তিৰ অশেষ শ্ৰম আৰু ত্যাগৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হ'ল। লগতে অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০১৮-২০১৯ বৰ্ষৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ব্যায়ামাগাৰ সম্পাদক পদৰ বাবে মোক যোগ্য বুলি বিবেচনা কৰি উক্ত পদত মহাবিদ্যালয়খনৰ সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে মই সকলোৰে প্ৰতি অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৯ বৰ্ষৰ ব্যায়ামাগাৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ পাই মই আজি নিজে গৌৰৱবোধ কৰিছোঁ।

প্ৰতিবেদনৰ শেষত কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছোঁ ব্যায়ামাগাৰ বিভাগৰ তত্বাৱধায়ক বিশাল শইকীয়া ছাৰ লগতে আকাশী ভূএগ্ৰা বাইদেউ, দেৱিতা কেম্প্ৰাই বাইদেউ, লালপীয়েনমাৱি চাংচান বাইদেউ আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি সমূহ অধ্যাপক-অধ্যাপিকাসকলক। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াসকলক মোৰ ফালৰপৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক অভিনন্দন জনালোঁ।

২০১৯-২০ বৰ্ষত গঠন হ'বলগীয়া ছাত্ৰ একতা সভাৰ সদস্য ব্যায়ামাগাৰ সম্পাদকে নিষ্ঠা আৰু সততাৰে কাম কৰি মহাবিদ্যালয়ৰ ব্যায়ামাগাৰ শৰীৰ চৰ্চাৰ উন্নতিৰ পথত আগুৱাই নিব বুলি আশা ৰাখিলোঁ।

মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰুলৈ ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।
'জয় আই অসম'

**বিবেকদ্বীপ**
ব্যায়ামাগাৰ সম্পাদক
২০১৮-১৯ বৰ্ষ





# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয় মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ২০১৮-১৯ শৈক্ষিক বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক ৰূপে ১৪-১১-২০১৮ তাৰিখে শপত গ্ৰহণ কৰাৰ পিছৰে পৰা নিজৰ দায়িত্বভাৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ প্ৰয়াস কৰিলোঁ।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা ছাত্ৰ জিৰণি কোঠাটোৰ লগতে চৌপাশটো সুন্দৰকৈ ৰখাৰ প্ৰয়াস কৰিছিলোঁ। ছাত্ৰ জিৰণি কোঠাত ছাত্ৰসকলক বহিব পৰাকৈ ডেস্ক-বেঞ্চৰ ব্যৱস্থা কৰাৰ লগতে কোঠাটোৰ বেৰসমূহত ৰং কৰাবো ব্যৱস্থা কৰিছিলোঁ। মোৰ এই প্ৰতিবেদনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকললৈ বিনম্ৰ অনুৰোধ যাতে সকলোৱে জিৰণি কোঠাটো চাফ-চিকুণ আৰু সুন্দৰকৈ ৰখাৰ প্ৰয়াস কৰে।

শেষত মোৰ কাৰ্যকালত মই কৰা জ্ঞাত-অজ্ঞাত ভুলৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**নোমান কুতুব আহমেদ**
ছাত্ৰ জিৰণি কোঠা সম্পাদক
২০১৮-১৯ বৰ্ষ

# সাংস্কৃতিক প্ৰতিযোগিতা (সপ্তাহ সমাৰোহ)

## ১ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰী ২০১৯

**জ্যোতি সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীদিগন্ত ফুকন
দ্বিতীয় - শ্ৰীলক্ষী মজিন্দাৰ
তৃতীয় - শ্ৰীৰাজেশ হাঞ্চে

**বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীৰিমা বাৰিক
দ্বিতীয় - শ্ৰীপবন টকবী
তৃতীয় - শ্ৰীৰাজেশ হাঞ্চে

**ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীৰাজেশ হাঞ্চে
দ্বিতীয় - শ্ৰীলক্ষী মজিন্দাৰ
তৃতীয় - শ্ৰীপবন টকবী

**জয়ন্ত হাজৰিকা সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীভাস্কৰ দাস
দ্বিতীয় - শ্ৰীচাজিনা য়াচবিন
তৃতীয় - শ্ৰীপবন টকবী

**পাৰ্বতীপ্ৰসাদ বৰুৱা সংগীত প্ৰতিযোগিতা ঃ**
শ্ৰীভাস্কৰ দাস

**আধুনিক নৃত্য প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীবৌজী বৰুৱা
দ্বিতীয় - শ্ৰীৰাধা খাক্‌লাৰী
তৃতীয় - শ্ৰীপপী গায়ন
শ্ৰীৰিয়া তামুলী

**গ্ৰুপ নৃত্য প্ৰতিযোগিতা ঃ**
একমাত্ৰ গ্ৰুপ - ছফিকা বেগম
শ্ৰীভাস্বতী ভূঞা

**ভেশ্চন প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীলনী শইকীয়া
দ্বিতীয় - শ্ৰীজ্ঞানদীপ হাজৰিকা
তৃতীয় - শ্ৰীকস্তুৰিকা বৰা

**সাজপাৰ প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীৰাধা খাক্‌লাৰী
দ্বিতীয় - মঃ ৰমজান আলী
তৃতীয় - শ্ৰীৰবী ভূঞা
নিচকুনি - শ্ৰীনিলাক্ষী বৰদলৈ

**দৰা প্ৰতিযোগিতা ঃ**
প্ৰথম - মঃ ৰমজান আলী
দ্বিতীয় - শ্ৰীচিৰঞ্জিত মেধি
নিচুকনি - শ্ৰীসঞ্জয় হাজং

**কন্যা প্ৰতিযোগিতা ঃ**
প্ৰথম - মোছা আচমিনা বেগম
নিচুকনি - মোছা চেহনাজ বেগম

**মেহেণ্ডি প্ৰতিযোগিতা ঃ**
প্ৰথম - মোছা মুছফিয়া আহমেদ
দ্বিতীয় - শ্ৰীপ্ৰিয়ঙ্কা কলিতা
তৃতীয় - মোছা নাচিৰা খাতুন

**ৰংগুলী প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীপপী গায়ন
দ্বিতীয় - শ্ৰীৰিঙ্কী দাস
তৃতীয় - শ্ৰীপ্ৰিয়ঙ্কা কলিতা

**সাংস্কৃতিক প্ৰতিযোগিতা ঃ**
প্ৰথম - শিক্ষা বিভাগ
দ্বিতীয় - বুৰঞ্জী বিভাগ
তৃতীয় - ভূগোল বিভাগ

**বেৰ আলোচনী ঃ**
প্ৰথম - ভূগোল বিভাগ



দ্বিতীয় - বুৰঞ্জী বিভাগ
- অসমীয়া বিভাগ
তৃতীয় - ৰাজনীতি বিজ্ঞান বিভাগ
- ইংৰাজী বিভাগ
নিচুকনি - অৰ্থনৈতিক বিভাগ

**১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীসুৰিয়া দাস
দ্বিতীয় - শ্ৰীবৰষা হাজৰিকা
তৃতীয় - শ্ৰীপ্ৰিয়ঙ্কা বনিয়া

**১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীমাধুৰ্য বৰা
দ্বিতীয় - মঃ নুৰ মহম্মদ মিৰ
তৃতীয় - শ্ৰীমৃদুল ৰাভা

**২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীপপী গায়ন
দ্বিতীয় - শ্ৰীবৰ্ষা হাজৰিকা

**২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীমাধুৰ্য বৰা
দ্বিতীয় - মহঃ জাকিৰ ৰহমান
তৃতীয় - শ্ৰীদিগন্ত ফুকন

**৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীপপী গায়ন
দ্বিতীয় - মোছা আঞ্জুমা বেগম

**৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীমাধুৰ্য বৰা
দ্বিতীয় - শ্ৰীদিগন্ত ফুকন
তৃতীয় - শ্ৰীমৃদুল ৰাভা

**৮০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - আঞ্জোমা বেগম
দ্বিতীয় - শ্ৰীপপী গায়ন
তৃতীয় - শ্ৰীবৰ্ষাৰাণী হাজৰিকা

**৮০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীদিগন্ত ফুকন
দ্বিতীয় - শ্ৰীমাধুৰ্য বৰা
তৃতীয় - মহঃ ৰমজান আলী

**১৬০০ মিটাৰ দৌৰ প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীদিগন্ত ফুকন
দ্বিতীয় - মহঃ ৰমজান আলী
তৃতীয় - শ্ৰীজিতজয় বৰা
চতুৰ্থ - শ্ৰীলক্ষ্যজ্যোতি শইকীয়া

**Relay দৌৰ প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীপপী গায়ন
দ্বিতীয় - শ্ৰীৰাধা খাক্‌লাৰী
তৃতীয় - শ্ৰীৰূপৰেখা শইকীয়া
চতুৰ্থ - নিহাৰিকা বৰা

**Relay দৌৰ প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীমাধুৰ্য বৰা
দ্বিতীয় - শ্ৰীদিগন্ত ফুকন
তৃতীয় - শ্ৰীমৃদুল ৰাভা

**ৰছী টনা প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীপপী গায়ন
দ্বিতীয় - শ্ৰীৰাধা খাক্‌লাৰী
তৃতীয় - শ্ৰীনিহাৰিকা বৰা
চতুৰ্থ - শ্ৰীঅনিতা আচাৰ্য

**ৰছী টনা প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীমৃদুল ৰাভা
দ্বিতীয় - শ্ৰীমাধুৰ্য বৰা
তৃতীয় - শ্ৰীজাকিৰ ৰহমান
চতুৰ্থ - শ্ৰীঅদিত ৰাভা
পঞ্চম - শ্ৰীদিগন্ত ফুকন

**বেড়মিণ্টন প্ৰতিযোগিতা Single (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীনয়নমণি বৰা
দ্বিতীয় - শ্ৰীবিশাল শইকীয়া

**বেড়মিণ্টন প্ৰতিযোগিতা Doubles (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীনয়নমণি বৰা আৰু শ্ৰীপাৰ্থজ্যোতি বৰা
দ্বিতীয় - শ্ৰীমৃদুপৱন আৰু শ্ৰীহৰিশ তনবীৰ হক

**বেড়মিণ্টন প্ৰতিযোগিতা Single (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীলনী শইকীয়া
দ্বিতীয় - শ্ৰীপ্ৰেৰণা খাউণ্ড

**Power Lifting প্ৰতিযোগিতা (ল'ৰা- ৬৬ কেজি তলৰ) ঃ**
প্ৰথম - শ্ৰীমৃদুল শইকীয়া
দ্বিতীয় - শ্ৰীঅবিনাশ বৰা
তৃতীয় - শ্ৰীজাবেদ আলী

**Power Lifting প্ৰতিযোগিতা (ল'ৰা- ৬৬ কেজি ওপৰৰ) ঃ**
প্ৰথম - শ্ৰীঅবিনাশ দাস
দ্বিতীয় - মহঃ পাৰভেজ আলম হুছেইন
তৃতীয় - শ্ৰীত্ৰিদিপ ভূঞা

**Power Lifting প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীশ্যামলিমা বৰা
দ্বিতীয় - শ্ৰীচিম্পী বৰা
তৃতীয় - মোছা নাচ্‌ৰিণ চুলতানা

**গধুৰ বস্তু প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীঅনিতা আচাৰ্য (6 mtr.)
দ্বিতীয় - শ্ৰীৰঞ্জিতা দৈমাৰী (5.9 mtr.)
তৃতীয় - শ্ৰীলনী শইকীয়া (5.8 mtr.)

**গধুৰ বস্তু প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীমৃদুল ৰাভা (10.5 mtr.)
দ্বিতীয় - শ্ৰীঅবিনাশ দাস (9.8 mtr.)
তৃতীয় - শ্ৰীগীতাৰ্থ বৰা (9.1 mtr.)

**কাঁহী দলিওৱা প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীঅবিনাশ দাস (25.4 mtr.)
দ্বিতীয় - শ্ৰীনিবাজ আনচাৰী (22.4 mtr.)
- শ্ৰীপ্ৰাঞ্জল শইকীয়া (22.4 mtr.)
তৃতীয় - শ্ৰীচিৰঞ্জিত মেধি (19.5 mtr.)

**কাঁহী দলিওৱা প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীলনী শইকীয়া (14.8 mtr.)
দ্বিতীয় - শ্ৰীঅনিতা আচাৰ্য (14.5 mtr.)
তৃতীয় - শ্ৰীৰূপৰেখা শইকীয়া (13.1 mtr.)

**হাইজাম্প প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীমৃদুল ৰাভা
দ্বিতীয় - শ্ৰীঅদিত ৰাভা
তৃতীয় - মহঃ ইফতিকাৰ হুছেইন

**হাইজাম্প প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীলনী শইকীয়া
দ্বিতীয় - শ্ৰীচিম্পী বৰা
তৃতীয় - শ্ৰীৰাধা খাকলাৰী
- শ্ৰীকমী বিশ্বাস

**কেৰমবৰ্ড প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীপপী গায়ন
দ্বিতীয় - শ্ৰীনিলাক্ষী কলিতা

**যাঠি দলিওৱা প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীচুপ্ৰিয়া দাস
দ্বিতীয় - শ্ৰীচিম্পী বৰা

**লংজাম্প প্ৰতিযোগিতা (ছোৱালী) ঃ**
প্ৰথম - শ্ৰীপপী গায়ন
দ্বিতীয় - শ্ৰীচুপ্ৰিয়া দাস
তৃতীয় - শ্ৰীহিয়ামণি শইকীয়া

**লংজাম্প প্ৰতিযোগিতা (ল'ৰা) ঃ**
প্ৰথম - শ্ৰীমৃদুল ৰাভা
দ্বিতীয় - মহঃ নুৰ মোহাম্মদ
তৃতীয় - শ্ৰীলক্ষ্যজ্যোতি ভূঞা

**ক্ৰিকেট প্ৰতিযোগিতা (ল'ৰা) ঃ**

**<u>Winner</u>**

- শ্ৰীমাধূৰ্য ভূঞা
শ্ৰীকমলচন্দ্ৰ শইকীয়া
শ্ৰীমৃদুপৱন বৰা
শ্ৰীজ্যোতিৰ্ময় শৰ্মা
শ্ৰীঅবিনাশ দাস
শ্ৰীনয়নমণি বৰা
শ্ৰীচিণ্টু আলী
শ্ৰীকল্পজ্যোতি বৰুৱা
শ্ৰীঅংকুৰ দাস
শ্ৰীৰূপাঙ্কৰ শইকীয়া
শ্ৰীচানী গায়ন
শ্ৰীপ্ৰাঞ্জল শইকীয়া
শ্ৰীআকাশ দাস
শ্ৰীনিবোদ বৰা

**<u>Runners' Up</u>**

- মহঃ নুৰুল ইছলাম
শ্ৰীমহেশ চৰকাৰ
মহঃ অব্দুল ইছলাম
মহঃ আছিক মোহাম্মদ
মহঃ ইছলাম উদ্দিন
শ্ৰীনিলম বৰা
মহঃ আছিক আহমেদ
শ্ৰীভাস্কৰ দাস
শ্ৰীউত্তম কলিতা
মহঃ ফিৰোজ আহমেদ
মহঃ মুকছিদুল ইছলাম
মহঃ ইফতিকাৰ হুছেইন

**কুইজ প্ৰতিযোগিতা ঃ**
প্ৰথম - চাজিনা য়াচবিন
মহঃ ৰমজান আলী
দ্বিতীয় - শ্ৰীৰিঙ্কী দাস
শ্ৰীনিলাক্ষী ভট্টাচাৰ্য
তৃতীয় - মমতা বেগম
শ্ৰীলিজামণি বৰা

**আকস্মিক প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীলক্ষী মজিন্দাৰ
দ্বিতীয় - মহঃ ৰমজান আলী
তৃতীয় - শ্ৰীলিজামণি বৰা

**চিত্ৰাংকণ প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীবিশাল দাস
দ্বিতীয় - শ্ৰীলনী শইকীয়া
নাচিৰা খাতুন



তৃতীয় - চাজিনা য়াচবিন


**তৰ্ক প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীলিজামণি বৰা
দ্বিতীয় - মহঃ আনাৰুল হুছেইন
তৃতীয় - মোছা চাজিনা য়াচবিন

**ক'লাজ প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীলনী শইকীয়া
দ্বিতীয় - শ্ৰীচাজিনা য়াচবিন
তৃতীয় - শ্ৰীৰিংকী দাস

**ৰচনা প্ৰতিযোগিতা ঃ**
প্ৰথম - চাজিনা য়াচবিন
দ্বিতীয় - শ্ৰীলুনা ভূঞা
তৃতীয় - শ্ৰীনিকিতা কৰ

**ছবি চাই সংলাপ প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীৰিংকী দাস
দ্বিতীয় - শ্ৰীজ্ঞানদীপ হাজৰিকা
তৃতীয় - শ্ৰীলুনা ভূঞা

**ঠাইতে লিখা চুটিগল্প প্ৰতিযোগিতা ঃ**
প্ৰথম - চাজিনা য়াচবিন
দ্বিতীয় - শ্ৰীনিলাক্ষী কলিতা



*The aim of education is the knowledge, not of facts, but of values.*

– Aristotle






সাহিত্য অকাডেমি আৰু অসমীয়া বিভাগৰ দ্বাৰা আয়োজিত 'গ্ৰামালোক' অনুষ্ঠানৰ মুহূৰ্ত, ১৬-১০-২০১৯



মহাবিদ্যালয়ৰ দ্বাৰা আয়োজিত ICT কৰ্মশালাৰ এটি মুহূৰ্ত ১২ৰ পৰা ১৮ নৱেম্বৰ, ২০১৮ লৈ




ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আৰু নগাঁও পৰিবহণ বিভাগৰ দ্বাৰা আয়োজিত Road Safety সম্পৰ্কীয় সজাগতা সভা, ৫-২-২০১৯




সপোন ডিজিটেল মাধ্যম ব্যৱস্থাপনাত আৰু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহযোগত বঢ়মপুৰ অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আহাৰ বিতৰণ, ১৭-৮-২০১৯



গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অংশ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দলটি, ১-১১-২০১৯



২০১৯ বৰ্ষৰ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰতে দশম স্থান লাভ কৰা মিণ্টু গায়নক মহাবিদ্যালয়ৰ মহিলা কোষৰ পৰা সম্বৰ্ধনা জনোৱা মুহূৰ্তত




ঢেকীয়াজুলি মহাবিদ্যালয়ত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূব মাণ্ডলিক যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দলটি, ২২ৰ পৰা ২৮ এপ্ৰিল, ২০১৯ লৈ




মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ব্যৱস্থাপনাত বাটৰ নাট প্ৰদৰ্শনৰ মুহূৰ্ত, ২৮-৮-২০১৯



মহাবিদ্যালয়ৰ ২০১৮-১৯ শৈক্ষিক বৰ্ষৰ
সপ্তাহ সমাৰোহৰ পতাকা উত্তোলন কাৰ্যসূচী
১-২-২০১৯




মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আলোকচিত্ৰ, ২১-৬-২০১৯



সপ্তাহ সমাৰোহ উপলক্ষ্যে আয়োজিত প্ৰাচীৰ পত্ৰিকা
প্ৰতিযোগিতা বিচাৰৰ এটি মুহূৰ্ত, ৬-২-২০১৯



নাৰী দিৱস উপলক্ষ্যে মহিলা কোষৰ
প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ মুহূৰ্ত, ৮-৩-২০১৯



মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ শোভাযাত্ৰাৰ প্ৰাক্ মুহূৰ্তত
১-২-২০১৯



নবাগত আদৰণী সভাৰ সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ
অধ্যাপক-অধ্যাপিকা সহিতে ছাত্ৰ-ছাত্ৰীৰ সমূহীয়া গীত পৰিৱেশন
২৯-৮-২০১৯



ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ত
গণতন্ত্ৰ দিৱস উদ্‌যাপনৰ মুহূৰ্ত, ২৬-১-২০১৯



ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ
উপাধ্যক্ষ তথা অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক
মঃ আব্দুল হাছেমদেৰৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান, ৩১-১-২০১৯




মহাবিদ্যালয়ৰ ২০১৮-১৯ শৈক্ষিক বৰ্ষৰ
সপ্তাহ সমাৰোহৰ সাংস্কৃতিক শোভাযাত্ৰা, ১-২-২০১৯



মহাবিদ্যালয়ৰ ২০১৮-১৯ শৈক্ষিক বৰ্ষৰ
সপ্তাহ সমাৰোহৰ বঁটা বিতৰণী সভা, ৭-২-২০১৯



বাপুজী ভৱন আৰু পুথিভঁৰালৰ উদ্যোগত আৰু
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সহযোগত অসম ভিত্তিত অনুষ্ঠিত
জ্যোতি আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সভাৰ এটি মুহূৰ্ত



সংস্থাপনমুখী পৰামৰ্শ কোষ দ্বাৰা এ. পি. এছ. চি. পৰীক্ষা প্ৰস্তুতিৰ বাবে
মহাবিদ্যালয়ত বিশেষ কছিং ক্লাচ প্ৰদানৰ হকে আয়োজিত সভা,
১২-২-২০১৯




মহাবিদ্যালয়ৰ পৰা ৰাজস্থানলৈ শিক্ষামূলক ভ্ৰমণ
১৭-১-২০১৯ ৰ পৰা ২৫-১-২০১৯ লৈ




অসম কলেজ শিক্ষক সন্থাৰ নগাঁও-মৰিগাঁও মণ্ডলৰ
চতুৰ্থ বাৰ্ষিক অধিৱেশনৰ মুকলি সভা, ১৫-২-২০১৯




IQAC ৰ উদ্যোগত আৰু ICICI Academyৰ সহযোগত মহাবিদ্যালয়ত Skill Developmentৰ বাবে অনুষ্ঠিত কৰা সজাগতা সভা, ২০-২-২০১৯




NSS গোটৰ ব্যৱস্থাপনাত অনুষ্ঠিত কুইজ প্ৰতিযোগিতা ৩০-৩-২০১৯



মহাবিদ্যালয়ত ২৪, ২৫ আৰু ২৬ ফেব্ৰুৱাৰী, ২০১৯ত National School of Drama ৰ জৰিয়তে অনুষ্ঠিত কৰা তিনিদিনীয়া নাট কৰ্মশালাৰ মুহূৰ্ত



মহাবিদ্যালয়ৰ মহিলা কোষৰ দ্বাৰা পালন কৰা আন্তৰ্জাতিক নাৰী দিৱসৰ মুহূৰ্ত ৮-৩-২০১৯



মহাবিদ্যালয়ত অনুষ্ঠিত শিক্ষক-অভিভাৱক সভাৰ এটি মুহূৰ্ত, ৯ এপ্ৰিল, ২০১৯




বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহাবিদ্যালয়ৰ প্ৰাংগণত গছপুলি ৰোপণৰ মুহূৰ্ত, ৫-৬-২০১৯



২২ জুন ২০১৯ত সমাজতত্ব বিভাগ আৰু NSS গোটৰ ব্যৱস্থাপনাত মহাবিদ্যালয়ত আয়োজিত স্বাস্থ্য সজাগতা আৰু ৰক্তদান শিবিৰ অনুষ্ঠানৰ মুহূৰ্ত



মহাবিদ্যালয়ত ২০১৯ বৰ্ষৰ নামভৰ্তি অনুষ্ঠানৰ কিছু মুহূৰ্ত ১৮ আৰু ১৯ জুন



মহাবিদ্যালয়ৰ পৰা ২৬-৭-২০১৯ তাৰিখে বানবিধ্বস্ত চামগুৰি অঞ্চলৰ ১নং ভূৰবন্ধা আৰু বৰঘুলীত বানসাহাৰ্য্য প্ৰদানৰ মুহূৰ্তত




মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ এটি মুহূৰ্ত ২৯-৮-২০১৯



মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক শ্ৰীযুত গিৰিন্দ্ৰ কুমাৰ বৰুৱাদেৱৰ বিদায় সম্বৰ্ধনা অনুষ্ঠানৰ এটি দৃশ্য ৩১-৭-২০১৯



মহাবিদ্যালয়ত ৰাভা দিৱস উদ্‌যাপনৰ মুহূৰ্ত ২০-৬-২০১৯



মহাবিদ্যালয়ত স্বাধীনতা দিৱস উদ্‌যাপনৰ এটি মুহূৰ্ত ১৫-৮-২০১৯



NCC আৰু শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত বেটি বচাও বেটি পঢ়াও অনুষ্ঠানৰ এটি মুহূৰ্ত, ২৫-৮-২০১৯



মহাবিদ্যালয় আৰু বিবেকানন্দ কক্ষৰ জৰিয়তে অনুষ্ঠিত কুইজ প্ৰতিযোগিতাৰ মুহূৰ্ত, ২৮-৯-২০১৯




পদ্মশ্ৰী, সাহিত্যিক ড° জয়শ্ৰী গোস্বামী মহন্তৰ সৈতে মহাবিদ্যালয়ৰ পুথিভঁৰালে আয়োজন কৰা মুখামুখি অনুষ্ঠানৰ মুহূৰ্ত, ১১-৯-২০১৯



মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ
শ্ৰীযুত বিপুল চক্ৰৱৰ্তীদেৱৰ বিদায় সম্বৰ্ধনা অনুষ্ঠানৰ এটি দৃশ্য
৩১-১০-২০১৯



মহাবিদ্যালয়ত শিক্ষক দিৱস পালনৰ এটি মুহূৰ্ত
৫-৯-২০১৯



মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ উদ্যোগত তথা
মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত বক্তৃতা আৰু মত বিনিময় অনুষ্ঠান
বিশিষ্ট ব্যক্তি- শ্ৰীযুত মিলেশ্বৰ পাতৰ আৰু
ড° ত্ৰিদিপ কুমাৰ গোস্বামী, ২৯-১০-২০১৯




মহাবিদ্যালয়ৰ সাহিত্য চ'ৰা, অসমীয়া বিভাগৰ দ্বাৰা আয়োজিত
'গ্ৰন্থ অধ্যয়নৰ মাদকতা আৰু উপলব্ধি' শীৰ্ষক অন্তৰঙ্গ আলাপ অনুষ্ঠান
১৭-৮-২০১৯



মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা আয়োজিত
'মন, ধ্যান আৰু সৃষ্টিশীলতা' বিষয়ৰ বক্তৃতানুষ্ঠান
বক্তা- শ্ৰীযুত হেমচন্দ্ৰ দত্ত, ৩-১০-২০১৯



২০১৯ বৰ্ষৰ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰতে
সপ্তম স্থান লাভ কৰা অংকুৰ ৰাজ কাশ্যপক মহাবিদ্যালয়ৰ
মহিলা কোষৰ পৰা সম্বৰ্ধনা জনোৱা মুহূৰ্তত



মহাবিদ্যালয়ৰ NSS গোটৰ দ্বাৰা চাফাই অভিযানৰ মুহূৰ্ত



মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালনৰ এটি মুহূৰ্ত
৩১-৭-২০১৯



সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত
জম্মু-কাশ্মীৰৰ বীৰ শ্বহীদলৈ মহাবিদ্যালয়ৰ
ছাত্ৰ একতা সভাৰ তৰফৰ পৰা
শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা মুহূৰ্তত।



মহাবিদ্যালয়ত শিল্পী দিৱস উদ্‌যাপন কৰা এটি মুহূৰ্ত
১৭ জানুৱাৰী, ২০১৯



## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য/ সদস্যা আৰু তত্বাৱধায়কসকল (২০১৮-১৯ বৰ্ষ)

**বাঁওফালৰপৰা (বহি) ক্ৰমে ঃ** ড° পুণ্য লতা গোহাঁই (আলোচনী তত্বাৱধায়িকা), ড° নকুল চন্দ্ৰ শৰ্মা (ছাত্ৰ জিৰণি কোঠা তত্বাৱধায়ক), ড° আচ্ছাদুজ জামান (সমাজসেৱা তত্বাৱধায়ক), ড° নৃপেন চন্দ্ৰ দাস (অধ্যক্ষ), শ্ৰীযুত শান্তনু বৰদলৈ (ক্ৰীড়া তত্বাৱধায়ক), ড° অবিনাশ ভৰালী (তৰ্ক বিভাগৰ তত্বাৱধায়ক), শ্ৰীমতী মল্লিকা বৰা (ছাত্ৰী জিৰণি কোঠা তত্বাৱধায়িকা),

**অনুপস্থিতসকল ঃ** শ্ৰীমতী আকাশী ভূঞা (সাংস্কৃতিক তত্বাৱধায়িকা), শ্ৰীমতী সীমা শোভিতা দাস (সহঃ সাংস্কৃতিক তত্বাৱধায়িকা), শ্ৰীমতী দেৱিতা কেম্প্ৰাই (সহঃ ক্ৰীড়া তত্বাৱধায়িকা), শ্ৰীযুত বিশাল শইকীয়া (ব্যায়ামাগাৰ তত্বাৱধায়ক)

**বাঁওফালৰপৰা (থিয় হৈ) ক্ৰমে ঃ** শ্ৰীবিশাল দাস (সহঃ সাংস্কৃতিক সম্পাদক), মঃ ৰমজান আলী (সহঃ সাধাৰণ সম্পাদক), শ্ৰীনোমান কুতুব আহমেদ (ছাত্ৰ জিৰণি কোঠা সম্পাদক), শ্ৰীলনী শইকীয়া (আলোচনী সম্পাদিকা), শ্ৰীলুনা ভূঞা (ছাত্ৰী জিৰণি কোঠা সম্পাদিকা), শ্ৰীপম্পী হাজৰিকা (সমাজসেৱা সম্পাদিকা), শ্ৰীজাহ্নৱী ভূঞা (সাধাৰণ সম্পাদিকা), শ্ৰীপ্ৰাঞ্জল শইকীয়া (সভাপতি), শ্ৰীহাৰিচ তনবিৰ হক (ক্ৰীড়া সম্পাদক), শ্ৰীহিমাংশু বৰা (সহঃ ক্ৰীড়া সম্পাদক), শ্ৰীবিশ্বজিৎ ৰয় (তৰ্ক সম্পাদক), শ্ৰীআব্দুল হামিদ (সাংস্কৃতিক সম্পাদক)



শিক্ষক-অভিভাৱক সভা
ড বিবিধিকুমাৰ বৰুৱা মহাবিদ্যালয়
পুৰণিগুদামৰ মহাবিদ্যালয়ত মুখামুখি অনুষ্ঠান
ক্ৰীড়া-সাহিত্যৰ বিজয়ীক বঁটা প্ৰদান
পুৰণিগুদামত ৰক্তদান শিবিৰ
সজাগতামূলক সভা
ছগৰাকী ছাত্ৰ-ছাত্ৰীয়ে কঢ়িয়ালে